# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahailaya Sabhaa Patarikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

পঞ্চম সংখ্যা ॥ ভাদ

ইং ১৯৭৩

সম্পাদক ঃ হেমন্তকুমাৰ শৰ্মা

**অসম সাহিত্য সভা পত্ৰিকা**
ত্ৰিংশ বছৰ, ৫ম সংখ্যা ভাদ
১৮৯৫ শক ॥ ১৯৭৩ চন

প্ৰকাশক :
**শ্ৰীনগেন শইকীয়া**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**
গুৱাহাটী—১

বেটুপাত :
অসমৰ ঐতিহ্যমণ্ডিত **কাৰেংঘৰৰ দৃশ্য**
( অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৌজন্যত )

ছপাশাল :
**পূৰ্বদেশ মুদ্ৰণ**
ৰিহাবাৰী,
গুৱাহাটী-৮

বেচ—২·০০ টকা

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|---|
| ১। | কণ্ব-ৰামায়ণ | ॥ ১ ॥ | শ্ৰীভৱপ্ৰসাদ চলিহা |
| ২। | গীতাত কৰ্মবাদ বনাম সাম্যবাদ | ॥ ৭ ॥ | শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা |
| ৩। | অসমীয়া ব্ৰজবুলিৰ শব্দ-সম্ভাৰ | ॥ ৯ ॥ | শ্ৰীবসন্তকুমাৰ গোস্বামী |
| ৪। | মাধদেৱৰ নামঘোষাত শঙ্কৰদেৱ আৰু গুৰুতত্ত্ব | ॥ ১৩ ॥ | শ্ৰীবাপচন্দ্ৰ মহন্ত |
| ৫। | পণ্ডিত নাৰায়ণ দেৱ মিশ্ৰ : মানুহজন | ॥ ১৮ ॥ | শ্ৰীঅক্ষয়কুমাৰ মিশ্ৰ |
| ৬। | তিনিঘণ্টীয়া মটৰ-বাটৰ ভ্ৰমণ-স্মৃতি | ॥ ২৪ ॥ | শ্ৰীহৰিপ্ৰসাদ ৰাই |
| ৭। | পথিলী ( গল্প ) | ॥ ২৯ ॥ | লক্ষ্মীধৰ শৰ্মা |
| ৮। | অদ্বৈত বেদান্তমতে মোক্ষতত্ত্ব | ॥ ৩৮ ॥ | ডক্টৰ যোগীৰাজ বসু |
| ৯। | নাট্যকাৰ শূদ্ৰকৰ উচ্চ হ্যায়ালয় | ॥ ৪৩ ॥ | শ্ৰীযোগেশ্বৰ শৰ্মা |
| ১০। | উপন্যাসৰ ভৱিষ্যত | ॥ ৫৪ ॥ | শ্ৰীনিশীথ চক্ৰৱৰ্তী |
| ১১। | ৰাভাসকলৰ প্ৰাচীন অস্ত্ৰ-শস্ত্ৰ | ॥ ৫৯ ॥ | শ্ৰীৰাজেন ৰাভা |
| ১২। | হেণ্ডাৰৰ মুখৰ গৰুজনী ( অনূদিত গল্প ) | ॥ ৬৪ ॥ | মূল ৰচনা : ৰাজা ৰাও<br>অনুবাদ : শ্ৰীগোবিন্দ প্ৰসাদ শৰ্মা |
| ১৩। | এৰা বোটলা যৎকিঞ্চিৎ | ॥ ৭০ ॥ | শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা |
| ১৪। | সাহিত্য সংবাদ : | ॥ ৭৫ ॥ | শ্ৰীকমলেশ্বৰ শৰ্মা |
| ১৫। | পোৱা পুথিৰ চিনাকি | ॥ ৭৭ ॥ | |
| ১৬। | অসমীয়া গ্ৰন্থ-পঞ্জী | ॥ ৮১ ॥ | সংগ্ৰহক : শ্ৰীনন্দ তালুকদাৰ |
| ১৭। | বাইজৰ চিঠি | ॥ ৮৫ ॥ | |
| ১৮। | সম্পাদকৰ চ'ৰা | ॥ ৮৬ ॥ | |


•অসম সাহিত্য সভা পত্ৰিকা • ৩০ শ বছৰ • ৫ম সংখ্যা ভাদ • ১৮৯৫ শক ॥ ১৯৭৩ চন
সম্পাদক : **হেমন্তকুমাৰ শৰ্মা**

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

**নতুন প্ৰৱাহ**

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙণি—১২·০০ টকা
প্ৰতি সংখ্যা—১·০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেন্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰৱাহ'
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩

# কম্ব-ৰামায়ণ

অধ্যাপক ভৱপ্ৰসাদ চলিহা

মহৰ্ষি বাল্মীকিয়ে তেওঁৰ ৰামায়ণ সম্পৰ্কে এই বুলি ভৱিষ্যত বাণী কৰিছিল, "যেতিয়ালৈকে পৃথিৱীত পৰ্বত-পাহাৰ থাকিব আৰু নদ-নদী বৈ থাকিব, তেতিয়ালৈকে ৰামাণৰ কথা মানুহৰ মাজত প্ৰচাৰ হৈ থাকিব।" (ৰামায়ণ ১-২-৩৬)। তেওঁৰ এই কথাৰ সত্যতা প্ৰমাণিত হৈছে। ৰামায়ণ ৰচনা হোৱাৰ পিছৰে পৰা এই মহাকাব্যই ভাৰতীয় জনমানসত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছে। ভাৰতীয় সাহিত্য-সংস্কৃতি, ধৰ্ম-আদৰ্শ, শিল্প-কলা আদি সকলো বিষয়তে ৰামায়ণ অফুৰন্ত প্ৰেৰণাৰ উৎস হৈ আহিছে। সাহিত্য আৰু ধৰ্মগ্ৰন্থ হিচাপে ৰামায়ণৰ জনপ্ৰিয়তা বোধকৰোঁ সকলোতকৈ বেছি। পৰৱৰ্তী যুগত ৰামায়ণক ভেটি কৰি সংস্কৃত ভাষাত যোগ বাশিষ্ঠ ৰামায়ণ, অদ্ভুত ৰামায়ণ, অধ্যাত্ম ৰামায়ণ, আনন্দ ৰামায়ণ আদি বিভিন্ন ৰামায়ণ ৰচিত হ'বলৈ ধৰিলে। সেইদৰে ৰামায়ণৰ নানান ঘটনা, আখ্যান-উপাখ্যানক অৱলম্বন কৰি ভাস, ভৱভূতি, কালিদাস, ভট্টি, ৰাজশেখৰ, জয়দেৱ প্ৰভৃতি কবি আৰু নাট্যকাৰ-সকলে বিবিধ সাহিত্য ৰচনা কৰি গৈছে। সংস্কৃত সাহিত্যৰ উপৰিও বৌদ্ধ আৰু জৈন সাহিত্যৰ ওপৰতো ৰামায়ণৰ প্ৰভাৱ নপৰাকৈ থকা নাই। ৰাম-কথা সম্পৰ্কীয় দশৰথ জাতক প্ৰমুখ্যে ভালেমান বৌদ্ধ জাতক আৰু জৈন কবি হেমচন্দ্ৰ শূৰিৰ জৈন ৰামায়ণ আদি বিশেষভাৱে উল্লেখযোগ্য।

সময়ৰ লগে লগে ভাৰতৰ আঞ্চলিক ভাষাবোৰতো বাল্মীকি ৰামায়ণৰ অনুবাদ কিম্বা ৰূপান্তৰ হ'বলৈ ধৰে। তদুপৰি ৰামায়ণৰ কাহিনী সম্বলিত নানান কাব্য, নাটক, গীত, পদ ৰচিত হয়। খৃষ্টীয় দ্বাদশ শতিকা মানৰপৰা আৰম্ভ কৰি তিনি চাৰি শতিকাৰ ভিতৰতে প্ৰায় সকলো প্ৰান্তীয় ভাষাতেই ৰামায়ণ ৰচিত হয়। তামিল ভাষাত কম্বনে, তেলুগু ভাষাত ৰঙ্গনাথে, অসমীয়াত মাধৱ কন্দলীয়ে, বঙলাত কৃত্তিবাসে, হিন্দীত (ব্ৰজবুলিত) তুলসীদাসে, উড়িয়াত বলৰাম দাসে, কাশ্মীৰীত দিবাকৰ প্ৰসাদ ভট্টই আৰু মাৰাঠীত একনাথে ৰামায়ণ ৰচনা কৰি সমগ্ৰ ভাৰতবৰ্ষতে ৰাম-কথাৰ প্লাৱন আনে। এইবোৰ ৰামায়ণ নিজ নিজ অঞ্চলত বিশেষ জনপ্ৰিয় হৈ উঠে। ভাৰতৰ আঞ্চলিক ভাষাত ৰচিত ৰামায়ণবোৰৰ ভিতৰত দ্বাদশ শতিকাৰ তামিল কবি কম্বনৰ ৰামায়ণেই সৰ্বপ্ৰথম। কম্বনৰ আগতে কোনো কবিয়েই প্ৰান্তীয় ভাষালৈ ৰামায়ণৰ ভাঙনি কৰা নাছিল।[1] উত্তৰ ভাৰতৰ আধুনিক আৰ্য ভাষাসমূহৰ ভিতৰত চতুৰ্দশ

(১) এছ. বৈজপুৰী পিল্লায়ে ইংৰাজীত লিখা তেওঁৰ "তামিল ভাষা আৰু সাহিত্যৰ বুৰঞ্জী"ত উল্লেখ কৰিছে যে খৃষ্টীয় ৭ম শতিকাতে বাল্মীকি ৰামায়ণৰ এটা তামিল পদ্যানুবাদ হৈছে। কিন্তু সেই অনুবাদ কেনেবাকৈ লুপ্ত হ'ল।

শতিকাৰ অসমৰ কবি মাধৱ কন্দলীয়েই গোন প্ৰথমে ৰামায়ণৰ ভাঙনি কৰে। তেওঁৰ পিছতহে হিন্দী, বঙলা, উড়িয়া আদি ভাষালৈ ৰামায়ণ অনূদিত হয়। ষোড়শ শতিকাৰ হিন্দী কবি গোস্বামী তুলসীদাসৰ "ৰামচৰিত মানস" সকলো আঞ্চলিক ৰামায়ণৰ ভিতৰতে অধিক প্ৰসিদ্ধ আৰু সৰ্বজনসমাদৃত। তুলসীদাসৰ ৰামায়ণ ইমান জনপ্ৰিয় যে আজি কিছু বছৰৰ আগতে কছ পণ্ডিত ৰাৰানিকোভে ৰুছ ভাষালৈ ৰামায়ণ ভাঙোতে বাল্মীকি ৰামায়ণৰ পৰিবৰ্তে তুলসীদাসৰ ৰামায়ণৰ পৰাহে ভাঙনি কৰিছে।

এইখিনিতে এটা মন কৰিব লগীয়া কথা যে আঞ্চলিক ভাষাত ৰচিত এই ৰামায়ণবোৰৰ কোনোখনেই বাল্মীকি ৰামায়ণৰ হুবহু অনুবাদ নহয়। প্ৰতিজন কবিয়ে ৰামায়ণৰ মূল কাহিনীটো লৈ সম্পূৰ্ণ নিজাকৈ ৰামায়ণ ৰচনা কৰিছে। সেই ফালৰ পৰা এইবোৰ ৰামায়ণক অনুবাদ নুবুলি বাল্মীকি ৰামায়ণৰ ৰূপান্তৰ বোলাহে যুগুত। এই কথা কেৱল যে ৰামায়ণৰ ক্ষেত্ৰতেহে প্ৰযোজ্য এনে নহয়, মহাভাৰত, ভাগৱত আদি গ্ৰন্থৰ অনুবাদৰ ক্ষেত্ৰতো প্ৰযোজ্য। কবিসকলে ৰামায়ণৰ মূল ভঁকাটো যথাসম্ভৱ অব্যাহত ৰাখি আন বহু কথাই বাদ দিছে, কেতিয়াবা আকৌ অনেক নতুন কথা বা আখ্যান-উপাখ্যান ইচ্ছা-মতে সংযোগ কৰিছে; গোটেই কাব্যখন স্থানীয় পৰি-ৱেশত ঢালি নতুনকৈ সজাইছে। এনে কৰাৰ ফলত প্ৰতিখন ৰামায়ণেই সেই সেই অঞ্চলৰ জনসমাজৰ অতিকৈ আপোন হৈ পৰিছে। আনফালে অনুবাদত এই স্বাধীনতা লোৱাৰ হেতু কবিসকলেও স্বকীয় প্ৰতিভা বিকাশৰ সুবিধা পাইছে আৰু ফলত প্ৰতিখন ৰামা-য়ণেই বাল্মীকি ৰামায়ণৰ অনুবাদ নহৈ সকলো সাহি-ত্যিক গুণেৰে সমৃদ্ধ একোখন স্বতন্ত্ৰ আৰু মৌলিক মহাকাব্যত পৰিণত হৈছে। আনকি কোনো কোনো ৰামায়ণ ক্ষেত্ৰবিশেষে মূলতকৈও অধিক সুন্দৰ হৈছে।

ৰামচন্দ্ৰ উত্তৰ ভাৰতৰ আৰ্যসন্তান হ'লেও ৰাম-ভক্তিৰ প্ৰথম সূচনা আৰু উদ্ভৱ ঘটিছিল দক্ষিণ ভাৰতৰ দ্ৰাবিড়সকলৰ হাততহে। সেয়েহে উত্তৰ ভাৰততকৈ দক্ষিণ ভাৰতৰ সাহিত্যত ৰাম-কথাৰ বিকাশ আগতে ঘটে। ইয়াৰ কাৰণ এনে হ'ব পাৰে। প্ৰায় ৬ষ্ঠ শতিকাৰ পৰাই দক্ষিণ ভাৰতত এক প্ৰবল ভক্তি-আন্দোলন গঢ়ি উঠে আৰু ভক্তসকলে ৰামক ভগৱান অৱতাৰৰূপে গ্ৰহণ কৰাৰ লগে লগে ৰাম-কথাই ভক্তি-সাহিত্যত স্থান পায়। দ্বিতীয়তে, উত্তৰ ভাৰতৰ আৰ্য ভাষাবোৰে স্বকীয় বৈশিষ্ট্যেৰে গঢ় লৈ উঠাৰ বহুকাল পূৰ্বেই দ্ৰাবিড় ভাষাবোৰত উৎকৃষ্ট সাহিত্য ৰচিত হ'বলৈ ধৰে আৰু ৰামায়ণী কথাই এইবোৰ সাহিত্যত প্ৰৱেশ লাভ কৰে।

দাক্ষিণাত্যৰ চাৰিটা প্ৰধান ভাষা হ'ল—তামিল, তেলুগু, কানাড়ী আৰু মালয়ালম। এই চাৰিওটা ভাষাতে একাধিক ৰামায়ণ ৰচিত হৈছে। ৰামানুজন এযুত্তচ্চন্ নামৰ এজন কবিয়ে মালয়ালম ভাষাত প্ৰথম ৰামায়ণ ৰচনা কৰে। এইখন ৰামায়ণ যথেষ্ট আধুনিক আৰু বাল্মীকি ৰামায়ণৰ ছায়ানুবাদ মাথোন। কানাড়ী ভাষাৰ সৰ্বপ্ৰাচীন ৰামায়ণখন "পম্প ৰামায়ণ" নামে প্ৰসিদ্ধ। এইখন পম্প নামৰ এজন জৈন কবিৰ ৰচনা। পম্প ৰামায়ণ বাল্মীকি ৰামায়ণৰ পৰা বহু পৰিমাণে আঁতৰি আহিছে আৰু ঘাইকৈ জৈন দৃষ্টিকোণৰ পৰা এই ৰামায়ণ ৰচনা কৰা হৈছে। ৰঙ্গনাথৰ তেলুগু ৰামা-য়ণ আৰু কম্বনৰ তামিল ৰামায়ণ সম্পূৰ্ণৰূপে বাল্মীকি ৰামায়ণৰ আধাৰত ৰচিত, তথাপি দুয়োখনতে পৰ্যাপ্ত মৌলিকত্ব বিদ্যমান। আগতে উল্লেখ কৰি অহা হৈছে যে আধুনিক ভাৰতীয় ভাষাত ৰচিত সকলো ৰামায়ণৰ ভিতৰত কম্বনৰ তামিল ৰামায়ণ সৰ্বপ্ৰাচীন আৰু তামিল ভাষাৰ সৰ্বশ্ৰেষ্ঠ আৰু অত্যন্ত জনপ্ৰিয় মহাকাব্য।

কম্বন এজন বৈষ্ণৱ কবি আছিল আৰু সেয়ে তেওঁৰ



ৰামায়ণখনো বৈষ্ণৱ ভাবাপন্ন হ'ল।[2] খৃষ্টপূৰ্ব ৩য় শতি-কাৰ পৰা খৃষ্টীয় ৬ষ্ঠ শতিকামানলৈ তামিল দেশত বৌদ্ধ আৰু জৈন ধৰ্মৰ বিস্তাৰ ঘটিছিল। কিন্তু খৃষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা এই দেশত প্ৰবলভাৱে ভক্তি-আন্দোলন গঢ়ি উঠে আৰু লাহে লাহে বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰভাৱ কমি আহে। ৬ষ্ঠৰ পৰা ১০শ শতিকাৰ ভিতৰত তামিলনাদত অনেক শৈৱ আৰু বৈষ্ণৱ সন্ত-মহন্তৰ আবিৰ্ভাৱ হয়। তেওঁলোকে অনেক মধুৰ কাব্য ৰচনা কৰি শিৱভক্তি আৰু বিষ্ণুভক্তিৰ অমৃত ধাৰা প্ৰবাহিত কৰে। বিষ্ণু-ভক্তসকলৰ ভিতৰত বাৰজন আলৱাৰ বিশেষ প্ৰসিদ্ধ। কম্বন্ এই আলৱাৰসকলৰ অন্যতম শ্ৰেষ্ঠ নম্মালৱাৰৰ একান্ত ভক্ত আছিল। সেই কাৰণে আমাৰ অসমীয়া কবি ৰামসৰস্বতীৰ দ্বাৰা মহাভাৰতৰ বনপৰ্ব বৈষ্ণৱ পৰ্বত পৰিণত হোৱাৰ নিচিনাকৈ তেওঁৰ অনূদিত ৰামায়ণখন স্বাভাৱিকতে বৈষ্ণৱ কাব্যত পৰিণত হ'ল। কম্ব-ৰামায়ণৰ মাজেদি যি ভক্ত-কবিৰ পৰিচয় পোৱা যায় তাৰ পৰা এই কথা ক'ব পাৰি যে কম্বনৰ বহু কিছুকাল পূৰ্বৰে পৰা তামিলনাদত ৰাম-ভক্তিৰ যি বীজ বিৰিপি পৰিছিল, তেওঁৰ ৰামায়ণ মহাকাব্য জন-মানসৰ সেই ভক্তি-চেতনাৰ উৎকৃষ্ট কাব্যৰূপ মাথোন।

কম্বনৰ জন্মবৃত্তান্ত সম্বন্ধে সঠিককৈ একো জনা নাযায়। কবিয়ে নিজেও কাব্যৰ ক'তো আত্ম পৰিচয় স্পষ্টভাৱে দি যোৱা নাই। সেই কাৰণে তেওঁৰ বিষয়ে নানা কিংবদন্তি জনসমাজত প্ৰচলিত আছে। কোনো কোনোৱে তেওঁক চোল সাম্ৰাজ্যৰ উত্থানৰ সমসাময়িক অৰ্থাৎ ৯ম শতিকাৰ কবি বুলি ক'ব খোজে। অন্যসকলে তেওঁক চোলসাম্ৰাজ্যৰ পূৰ্ণপয়োভৱৰ কালৰ অৰ্থাৎ ১২শ শতিকাৰ কবি বুলি ধাৰণা কৰে। পিছৰ মতটোৱেই অধিক সমৰ্থনযোগ্য। কম্বনৰ প্ৰকৃত নাম কি আছিল, তাকো জানিব পৰা হোৱা নাই। কম্বন তেওঁৰ উপনামহে। কম্বনৰ পিতাক অথবন্ এজন পুৰোহিত শ্ৰেণীৰ লোক আছিল। সৰু-তেই পিতৃমাতৃক হেৰুৱাই কম্বনে তিৰুবেন্নে নল্লুৰৰ (দক্ষিণ ভাৰতৰ দক্ষিণ আৰকট জিলাৰ অন্তৰ্গত) সদয়প্প বল্লল নামৰ কোনো এক ধনী আৰু মহানুভৱ ব্যক্তিৰ আশ্ৰয় লাভ কৰে। এইজন ব্যক্তিৰ কথা কম্বনে ৰামায়ণৰ বহু ঠাইত শ্ৰদ্ধা সহকাৰে সুঁৱৰিছে। সদয়প্প বল্ললৰ সহায়তে কম্বনে চোল ৰজাসকলৰ ৰাজচৰাত প্ৰৱেশ লাভ কৰে আৰু পাছলৈ ৰাজকবি হয়গৈ। তেতিয়াৰ দিনৰ ৰীতি অনুসাৰে কম্বনে তেওঁৰ ৰামায়ণখন কবি-সম্মেলন (সঙ্গম)ত পাঠ কৰি "কবিচক্ৰৱৰ্তী" উপাধি লাভ কৰিছিল।

কম্বনে ৰামায়ণৰ উপৰিও আৰু এঘাৰখন গ্ৰন্থ ৰচনা কৰা বুলি কোৱা হয়। তাৰ ভিতৰত শদগোপৰ অন্তদী, শিলৈ এলুপতু, ঐৰ এলুপতু, সৰস্বতী অন্তদী আদিয়েই প্ৰধান।

কম্বনে ৰামায়ণৰ বালকাণ্ডৰ পৰা যুদ্ধকাণ্ডলৈ ছটা কাণ্ডহে ৰচনা কৰে।[3] উত্তৰকাণ্ড তেওঁৰ ৰচনা নহয়।

---

(২) ডঃ টি. পি. মীনাক্ষিসুন্দৰণৰ মতে কম্ব-ৰামায়ণ কোনো সাম্প্ৰদায়িক কাব্য নহয়। কাব্যৰ মঙ্গলাচৰণত কবিয়ে তেওঁৰ উপাস্য দেৱতা পৰমাত্মাৰ যি বৰ্ণনা দিছে সেয়া শিৱ বা বিষ্ণুৰ ৰূপৰ অতীত, কেৱল সৃষ্টিকৰ্তাৰ ৰূপৰহে বৰ্ণনা। গতিকে কম্ব-ৰামায়ণ কেৱল বৈষ্ণৱ সম্প্ৰদায়ৰ গ্ৰন্থ বোলা অনুচিত; কিন্তু ৰামচন্দ্ৰক তেওঁ সেই পৰমাত্মাৰ অৱতাৰ বুলি গ্ৰহণ কৰিছে।

(৩) মাদ্ৰাজৰ বি. এম্. গোপালকৃষ্ণমাচৰ্যই বিস্তৃত ব্যাখ্যা আৰু টীকা-টিপ্পনী সহ সাতটা খণ্ডত মূল তামিল কম্ব-ৰামায়ণ সম্পাদনা কৰি উলিয়াইছে। কম্ব-ৰামায়ণৰ বালকাণ্ডটো মাথোন চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীয়ে ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল। বিহাৰ ৰাষ্ট্ৰভাষা-পৰিষদে অলপতে সম্পূৰ্ণ কম্ব-ৰামায়ণ হিন্দীলৈ অনুবাদ কৰি ছটা খণ্ডত প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ আগতে কোনো ভাষালৈ সম্পূৰ্ণ কম্ব-ৰামায়ণ অনূদিত হোৱা নাছিল।

এইটো তেওঁৰ সমসাময়িক উট্টকুত্তন নামৰ আন এজন কবিয়ে ৰচনা কৰে। এনে প্ৰবাদ আছে যে কম্বনৰ আগতেই উট্টকুত্তনে এখন ৰামায়ণ ৰচিছিল। কিন্তু কম্বনৰ ৰামায়ণ ওলোৱাৰ পিছত তেওঁৰখন নিম্নখাপৰ যেন দেখি সেইখন নষ্ট কৰি পেলাব খুজিছিল। কম্বনে কোনোমতে উত্তৰকাণ্ডটো মাথোন ৰক্ষা কৰিব পাৰিলে। কম্ব-ৰামায়ণৰ বৰ্তমানে পোৱা ছটা কাণ্ডত মুঠতে ১০,০৫০ টা চাৰি শৰীয়া পদ বা শ্লোক আছে। তাৰে এশ মান পদ প্ৰক্ষিপ্ত বুলি প্ৰমাণিত হৈছে। কোনো এক বেল্লিয়ম্বল টম্বিৰণে এইবোৰ পদ সংযোজনা কৰিছে বুলি ধাৰণা কৰা হৈছে। এই প্ৰক্ষিপ্ত পদসমূহ বাছি উলিওৱা কঠিন নহয়, কিয়নো কম্বনৰ ভাষা আৰু উপস্থাপনশৈলী অননুকৰণীয়।

মূল ৰামায়ণৰ দৰে কম্ব-ৰামায়ণৰো প্ৰতিটো কাণ্ড অনেক অধ্যায়ত বিভক্ত কৰি প্ৰতি অধ্যায়ৰ নামকৰণ কৰা হৈছে। কিন্তু কম্ব-ৰামায়ণৰ বিভিন্ন কাণ্ডত মূলতকৈ অধ্যায়ৰ সংখ্যা কম-বেছি হৈছে। উদাহৰণ স্বৰূপে, মূল বালকাণ্ডৰ ৭৬ টা অধ্যায়ৰ পৰিবৰ্তে কম্বনৰ ৰামায়ণত মাত্ৰ ২২ টা অধ্যায়হে আছে। অধ্যায়ৰ সংখ্যা কমিলেও কাহিনীভাগ কমা নাই, মূলতকৈ কিছু বাঢ়িছেহে। কবিয়ে অধ্যায়বোৰ নিজাকৈ সজাই পৰাই নতুনকৈ সেইবোৰৰ নামকৰণ কৰিছে যেনে, নদী পটল, কোশলদেশ পটল, শাসন পটল, সমৰ্পণ পটল, ইত্যাদি।

কম্বৰামায়ণ অতি সোনকালে জনপ্ৰিয় হৈ উঠে আৰু সমগ্ৰ ভাৰতবৰ্ষতে ইয়াৰ প্ৰচাৰ হয়। প্ৰবাদ আছে যে তুলসীদাসৰ সমসাময়িক কালত বাৰাণসীৰ এটা ধৰ্মীয় মঠত কুমাৰগুৰুপৰৰ নামক এজন তামিল পণ্ডিতে কম্ব-ৰামায়ণৰ ব্যাখ্যা শুনাইছিল। তামিলভাষী মানুহে বিশ্বাস কৰে যোলে গোস্বামী তুলসীদাসে সেই ব্যাখ্যা শুনিয়েই ৰামচৰিতমানস লিখিবলৈ প্ৰেৰণা পাইছিল। এই কথা সঁচা হওক বা নহওক, কম্বন আৰু তুলসীদাসৰ ৰামায়ণৰ মাজত অনেক কথাৰ যে আচৰিত ধৰণৰ মিল আছে, সেইটো সঁচা।

এজন বিখ্যাত তামিল সমালোচকে কম্ব-ৰামায়ণৰ মহত্ত্ব সম্পৰ্কে উল্লেখ কৰি কৈছে, "এই মহাকাব্যখন ইলিয়াড কিম্বা ইনিড, পেৰেডাইজ লষ্ট কিম্বা মহাভাৰততকৈয়ে নহয়, বৰং মূলকাব্য বাল্মীকি ৰামায়ণতকৈও তুলনাত অধিক সুন্দৰ। এই কথা মই নিজ সাহিত্যৰ প্ৰতি থকা অত্যধিক প্ৰীতিৰ হেতুকে কোৱা নাই, বৰং ই মোৰ বহুবছৰ ধৰি কৰা গভীৰ অধ্যয়নৰ পৰা ধীৰে ধীৰে হোৱা সিদ্ধান্ত।" [৪] এই উক্তি অতিৰঞ্জিত হ'লেও কম্ব-ৰামায়ণ যে বিশ্বসাহিত্যৰ এখনি অনুপম মহাকাব্য, সেই বিষয়ে সন্দেহ নাই।

কাব্য হিচাপে কম্ব-ৰামায়ণ সকলো সাহিত্যিক গুণেৰে সমৃদ্ধ। আগতেই কোৱা হৈছে তেওঁৰ ৰামায়ণ বাল্মীকি ৰামায়ণৰ অনুবাদ বা ছায়া মাথোন নহয়—ই তেওঁৰ বহু পৰিমাণে মৌলিক ৰচনা। কাহিনীৰ জুমুখিটো বাল্মীকিৰ পৰা ললেও ঘটনা-প্ৰবাহৰ উপস্থাপন, চৰিত্ৰাঙ্কন, নৈসৰ্গিক বৰ্ণনা আদিত কবিয়ে মূলৰ পৰা বহু পৰিমাণে আঁতৰি আহিছে। এইবোৰে কাব্যৰ মৌলিকত্ব দান কৰিছে। প্ৰত্যেক ঘটনাৰ আৰম্ভ, বিকাশ আৰু পৰিসমাপ্তি এক স্বাভাৱিক ক্ৰম অনুসাৰে বিকশিত হৈছে। কাব্যৰ ভাষা ওজস্বী আৰু অলঙ্কাৰপূৰ্ণ। সৰ্বসাধাৰণ মানুহৰ দৈনন্দিন জীৱনত ব্যৱহৃত উপমা, ৰূপক আদি অলঙ্কাৰ আৰু প্ৰবাদ-পটন্তৰৰ ব্যৱহাৰে কাব্যখন জনসাধাৰণৰ অতি ওচৰচপা কৰি তুলিছে। এই বিষয়ত তেওঁৰ ৰামায়ণক ইটালীয় কবি ডাণ্টেৰ "ডিভাইন কমেডি"ৰ লগত ৰিজাব পাৰি। তদুপৰি তেওঁৰ কাব্য ধ্বনি-মাধুৰ্য আৰু কল্পনা-সৌন্দৰ্যৰ দ্বাৰা অভিমণ্ডিত হৈছে। উপযুক্ত স্থানত উপযুক্ত শব্দৰ প্ৰয়োগ, পদবোৰৰ গীতি ধৰ্মিতা, চৰিত্ৰৰ নাটকীয় ব্যৱহাৰ আদি

(৪) বি. বি. এছ. আয়াৰৰ "কম্ব-ৰামায়ণ : এক অধ্যয়ন" গ্ৰন্থ দ্ৰষ্টব্য।



গুণবোৰে কাব্যৰ সৌষ্ঠৱ সমধিক বৃদ্ধি কৰিছে। চৰিত্ৰৰ গভীৰ তলিলৈ প্ৰৱেশ কৰিব পৰা ক্ষমতা কবিৰ অসীম। কবিৰ বৰ্ণনাশক্তি অতুলনীয়। যুদ্ধকাণ্ডৰ ইমানবোৰ বৰ্ণনাৰ ক'তো পুনৰুক্তিৰ দোষ দেখা নাযায়। তদুপৰি কম্ব-ৰামায়ণ সম্পূৰ্ণ স্থানীয় পৰিবেশত ৰচনা কৰাৰ কাৰণে কাব্যখন তামিলসকলৰ জাতীয় মহাকাব্যত পৰিণত হৈছে।

বাল্মীকি ৰামায়ণৰ বৰ্তমানে তিনিটা পাঠ পোৱা যায়—দাক্ষিণাত্য পাঠ, পশ্চিমোত্তৰীয় পাঠ আৰু গৌড়ীয় পাঠ। কম্বনৰ ৰামায়ণ ঘাইকৈ দাক্ষিণাত্য পাঠৰ আধাৰত ৰচিত বুলিব পাৰি; কিয়নো দাক্ষিণাত্য পাঠত থকা, কিন্তু আন দুটা পাঠত নথকা, অনেক কথা কম্ব-ৰামায়ণত পোৱা যায়। উদাহৰণ স্বৰূপে সমুদ্ৰ মন্থনৰ সময়ত বিষ্ণুৰ মোহিনীৰূপ ধাৰণ (বালকাণ্ড) অয়োমুখী ৰাক্ষসীৰ বৃত্তান্ত (অৰণ্যকাণ্ড), তাৰা-লক্ষ্মণ সংবাদ (কিষ্কিন্ধা কাণ্ড), ক্ৰমকুলাৰ বিনাশ (যুদ্ধ কাণ্ড), সুগ্ৰীৱ আৰু ৰাৱণৰ দ্বন্দ্বযুদ্ধ (যুদ্ধ কাণ্ড) আদিৰ কথা উল্লেখ কৰিব পাৰি। আনফালে যুদ্ধক্ষেত্ৰত কুম্ভকৰ্ণ আৰু বিভীষণৰ মাজত হোৱা কথোপকথন প্ৰসঙ্গ পশ্চিমোত্তৰীয় পাঠৰ পৰা লোৱা। সেয়ে ড° বুল্কে চাহাবৰ মতে দাক্ষিণাত্য পাঠেই কম্ব-ৰামায়ণৰ একমাত্ৰ আধাৰ বুলি কোৱা টান। বাল্মীকি ৰামায়ণৰ উপৰিও আন দুখন সংস্কৃত ৰামায়ণী কাব্যৰ লগতো কবিৰ পৰিচয় থকাৰ কথা কাব্যৰ মঙ্গলাচৰণত এইবুলি উল্লেখ কৰিছে, "দেৱভাষা সংস্কৃতত যি তিনিজন মহাপুৰুষে ৰামায়ণ ৰচনা কৰি গৈছে তেওঁলোকৰ ভিতৰত মহৰ্ষি বাল্মীকিৰ ৰচনানুসাৰে মই মোৰ তামিল ৰামায়ণ ৰচনা কৰিছো।" কবিয়ে উল্লেখ কৰা বাকী দুখন ৰামায়ণৰ এখন বশিষ্ঠৰ (ব্যাসৰ ?) আধ্যাত্ম ৰামায়ণ আৰু আনখন কুমাৰ দাসৰ জানকীহৰণ কাব্য (৮ম শতিকা) বুলি কোনো কোনোৱে ধাৰণা কৰে; কাৰণ এই দুখন কাব্যৰ কথা-বস্তুৰে সৈতে কম্ব-ৰামায়ণৰ কথাবস্তুৰ কিছু মিল দেখা যায়। কিন্তু বাল্মীকিৰ বাহিৰে কবি কি গভীৰ ভাৱে অনুপ্ৰাণিত হৈছে আৰু কি পৰিমাণে তেওঁৰ ওচৰত ঋণী সেই কথা কবিয়ে "কাব্য-পীঠিকা"ৰ এফাকি পদত সুন্দৰকৈ প্ৰকাশ কৰিছে—"এটা মেকুৰীয়ে উত্তাল তৰঙ্গমালাৰে মুখৰিত ক্ষীৰ সাগৰৰ পাৰত থিয় হৈ তাৰ সমস্ত ক্ষীৰ পান কৰিবলৈ হাবিয়াস কৰাৰ দৰে ময়ো মহাকৱি বাল্মীকিৰ অপূৰ্ব ৰামকাহিনী বৰ্ণনা কৰিবলৈ অভিলাষ কৰিছো।"

বাল্মীকি ৰামায়ণ যে মূলতে ভক্তিৰসৰ কাব্য নহয় এইটো অবিসম্বাদী তথ্য। বাল্মীকিৰ হাতত ৰাম অৱতাৰী নাছিল, কবিয়ে তেওঁক মনুষ্যৰূপেই কল্পনা কৰিছিল। ব্ৰহ্মা আৰু নাৰদৰ পৰা "লোকোত্তৰ আদৰ্শ পুৰুষ" কোন তাকেহে তেওঁ জানিবলৈ বিচাৰিছিল আৰু সেই ৰূপেই ৰামৰ চৰিত্ৰ অঙ্কন কৰিছিল। ৰামায়ণৰ যি কেইঠাইত ৰাম অৱতাৰী ৰূপে প্ৰকাশ পাইছে, পণ্ডিতসকলৰ মতে সেয়া পৰৱৰ্তী কালৰ সংযোজনা। মূলৰ সুন্দৰাকাণ্ডৰ ৫১ সৰ্গত ৰাৱণৰ প্ৰশ্নৰ উত্তৰত হনুমানৰ আত্মপৰিচয় দান, যুদ্ধকাণ্ডৰ ২১৪ সৰ্গত মন্দোদৰীৰ বিলাপত ৰামক পৰম পুৰুষ বিষ্ণু বুলি উল্লেখ, যুদ্ধকাণ্ডৰ ১১৯ সৰ্গত সীতাৰ অগ্নিপৰীক্ষা প্ৰসঙ্গত ব্ৰহ্মাৰ দ্বাৰা ৰামৰ স্বৰূপ কথন আদি অংশবোৰ এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। কিন্তু এনেকুৱা প্ৰক্ষিপ্ত অংশৰ পৰিমাণ বৰ বেছি নহয়।

পিছলৈ ভক্তি-আন্দোলন আৰম্ভ হোৱাৰ সময়ৰ পৰা ৰামচন্দ্ৰ আদৰ্শ নৰৰ পৰা লাহে লাহে উন্নীত হৈ নাৰায়ণত পৰিণত হ'ল। সুদীৰ্ঘকাল মানুহৰ অন্তৰত পূজিত হৈ অহা এই অৱতাৰী ৰামচৰিত্ৰৰ কাব্যৰূপ দিলে কম্বনে। অৱতাৰী পুৰুষৰ চৰিত্ৰত কালিমা থাকিব নোৱাৰে। সেয়ে বাল্মীকি ৰামায়ণৰ বালিবধ, সীতা-বিসৰ্জন আদি বিষয়বোৰ নতুনকৈ সজাই ৰামচৰিত্ৰক কবিয়ে নিষ্কলঙ্ক কৰিছে। লগতে অন্যান্য চৰিত্ৰ আৰু ঘটনাবো পৰিবৰ্তন সাধন কৰি মূল উদ্দেশ্যৰ সৈতে সঙ্গতি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। বাল্মীকি ৰামায়ণৰ মূল কাহিনীক যথাসম্ভৱ বিশ্বস্তভাৱে অনুসৰণ কৰি ৰামৰ ভগৱৎ সত্তাৰ কাব্যৰূপ দিয়া সহজ কথা নহয়। অথচ

এই কাম কম্বনে অতি দক্ষতাৰে সম্পন্ন কৰিছে।

গতিকে দেখা যায় কম্ব-ৰামায়ণৰ এটা মুখ্য আলোচ্য বিষয় হৈছে ৰামচৰিত্ৰৰ ৰূপায়ণ। এইখিনিতে আন এজন ৰামভক্ত কবি তুলসীদাসৰ ৰামচৰিত্ৰ আৰু কম্বনৰ ৰামচৰিত্ৰৰ পাৰ্থক্য মন কৰিব লগীয়া[৫]। বাল্মীকিৰ আদৰ্শ নৰ ৰাম তুলসীদাসৰ হাতত সম্পূৰ্ণৰূপে নাৰায়ণত পৰিণত হৈছে। কিন্তু কম্বনৰ ৰাম এই দুই ৰূপৰ মধ্যবৰ্তী। তুলসীদাসে ৰামায়ণৰ সকলো ঘটনা, সকলো চৰিত্ৰ ৰামৰ মহিমা প্ৰচাৰৰ উদ্দেশ্যেই ব্যৱহাৰ কৰিছে। ৰামায়ণৰ যিবোৰ ঘটনা ৰামৰ ভগৱৎ মহিমা প্ৰচাৰৰ সহায়ক নহয়, সেইবোৰ তেওঁ সযত্নে বাদ দি গৈছে। কম্বনেও তেওঁৰ দৰেই ৰামৰ ভগৱৎ সত্তাক কাব্যত প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰিছিল। কিন্তু তেওঁ বাল্মীকিৰ ৰামচৰিত্ৰৰ মানৱীয় দিশটোলৈ একেবাৰে পিঠি দিয়া নাছিল। কম্বনৰ ৰামভক্তিয়ে তেওঁৰ কবিসত্তা বিলোপ কৰিব পৰা নাই। সেয়ে কম্বনৰ ৰামচৰিত্ৰত ভগৱান্ ৰাম আৰু মানৱ ৰামৰ অপূৰ্ব সমন্বয় ঘটিছে।

কম্বনৰ কবিসুলভ অনুভূতিয়ে ৰামায়ণৰ কথাবস্তুৰো পৰিবৰ্তন বিচাৰিছিল। সেয়ে য'তেই প্ৰয়োজন বোধ কৰিছে ত'তেই কথাবস্তুত নিজস্বভাৱে তুলিকা চলাবলৈ এৰা নাই। দুটামান উদাহৰণ দিলেই বোধকৰোঁ যথেষ্ট হ'ব। বাল্মীকিয়ে বালকাণ্ডত দশৰথৰ মিথিলা-যাত্ৰা দুটামান শ্লোকতে সমাপ্ত কৰিছে। কম্বনে এই যাত্ৰা সুদীৰ্ঘ চাৰিটা পটল বা অধ্যায়ত বৰ্ণনা কৰিছে। এই অংশৰ বৰ্ণনা অতি কবিত্বময় হৈছে। সেইদৰে অৰণ্যকাণ্ডৰ শূৰ্পণখাৰ আখ্যানটোত কম্বন বাল্মীকিৰ পৰা বহুদূৰ আঁতৰি আহিছে। মূলত শূৰ্পণখা ৰাক্ষসীৰূপেই আবিৰ্ভাৱ হৈ ৰাম-লক্ষ্মণৰ ওচৰত প্ৰেম ভিক্ষা কৰিছে। এইটো কম্বনে ভাল পোৱা নাছিল। তেওঁৰ প্ৰকৃত ৰূপ দেখিলে ৰামে ঘিণ কৰিব পাৰে। সেয়ে কম্বনৰ ৰামায়ণত শূৰ্পণখাই এজনী ৰূপহী গাভৰুৰ বেশ ধৰি ৰামৰ আগত প্ৰৱেশ কৰা দেখুৱাইছে। বাল্মীকিৰ বৰ্ণনাত কম্বনে কিছু-বিসদৃশ লক্ষ্য কৰিছিল। সেই কাৰণে তেওঁ গোটেই শূৰ্পণখা প্ৰসঙ্গটো সম্পূৰ্ণ নতুনকৈ সজাই এটা সুদীৰ্ঘ সৰ্গত বাল্মীকিতকৈ বিস্তৃততৰ ৰূপে বৰ্ণনা কৰিছে।[৬] যুদ্ধকাণ্ডৰ হিৰণ্যকশিপুৰ আখ্যানটো কম্বনৰ আন এটা উল্লেখযোগ্য সংযোজনা। যুদ্ধাৰম্ভৰ আগে আগে ৰাৱণৰ মন্ত্ৰণা-চ'ৰাত বিভীষণে নানা যুক্তিৰে ৰাৱণক উপদেশ দিছে যে তেওঁ ৰামৰে সৈতে শান্তি-চুক্তি কৰি সীতাক ঘুৰাই পঠোৱা উচিত। এই প্ৰসঙ্গতে তেওঁ হিৰণ্যকশিপুৰ দৃষ্টান্ত দি কৈছে যে হিৰণ্যকশিপু ৰাৱণতকৈও অধিক প্ৰতাপী অসুৰ আছিল, অথচ তেওঁকো বিষ্ণুৰ নৃসিংহ অৱতাৰৰ দ্বাৰা বধ কৰা হৈছিল। সেই বিষ্ণুৱেই এতিয়া ৰামৰূপে অৱতাৰ হৈছে। গতিকে ৰাৱণ নিশ্চয় সতৰ্ক হোৱা উচিত। মূলত নোহোৱা এই আখ্যানটো কম্বনৰ নিজা উদ্ভাৱনা আৰু অতি উপযুক্ত স্থানত তাক তেওঁ প্ৰয়োগ কৰিছে। এনেকুৱা অনেক উদাহৰণ দিব পৰা যায়। এইদৰে দেখা যায় কম্বনে ইচ্ছামতে নতুন কথা সংযোজনা কৰি কাব্যখনৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্য বঢ়াবলৈ চেষ্টা কৰিছে।●

(৫) এই বিষয়ে ড: এছ. শঙ্কৰৰাজু নাইডুৰ প্ৰবন্ধ "কম্বন ঔৰ তুলসীদাস" দ্ৰষ্টব্য।

(৬) কম্ব-ৰামায়ণৰ শূৰ্পণখা সম্পৰ্কে ৰাজাগোপালাচাৰীয়ে তেওঁৰ "ৰামায়ণ" গ্ৰন্থত (অধ্যায় ৩২) বিশদভাৱে আলোচনা কৰিছে।


• অধীত গ্ৰন্থাৱলী :—

(১) কম্ব-ৰামায়ণ ( হিন্দী অনুবাদ ) : ন. বী. ৰাজগোপালন

(২) কম্ব-ৰামায়ণ—এ ষ্টাডি : ভি. ভি. এছ্. আয়াৰ

(৩) ৰাম-কথা : ড' কামিল বুল্কে

(৪) ৰামচৰিত মানস (গীতা প্ৰেছ প্ৰকাশিত )

(৫) ভাৰতীয় ভক্তি সাহিত্য : বিষ্ণুপদ ভট্টাচাৰ্য

(৬) ৰিলিজিয়াচ লিটাৰেচাৰ অব্ ইণ্ডিয়া : জে. এন্. ফাৰ্কুহাৰ

(৭) ৰামায়ণ : ৰাজাগোপালাচাৰী


# গীতাত কৰ্মবাদ বনাম সাম্যবাদ

শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা

গীতাত ব্যক্তি-স্বাৰ্থজড়িত কৰ্মক পৰিহণা দি সকলো কৰ্মকে আসক্তিশূন্যভাৱে কৰি যাবলৈ উপদেশ দিয়া হৈছে। কৰ্ম আসক্তিশূন্য হ'লে উদ্বৃত্ত সঞ্চয়ৰ প্ৰতি আগ্ৰহ নাথাকে। আৰু তেতিয়া এই উদ্বৃত্ত উৎপাদন আনৰ জীৱন ধাৰণৰ সামগ্ৰীৰ অভাৱ কিঞ্চিত হলেও পূৰণ কৰাত সহায়ক হয়।

কৰ্মণ্যেবাধিকাৰস্তে মাফলেষু কদাচন।

মা কৰ্মফলহেতুৰ্ভূৰ্মা তে সঙ্গোঽস্ত্বকৰ্মণি।

সকলো কৰ্মফল ঈশ্বৰৰ ওচৰত নিবেদন কৰাৰ অৰ্থই হ'ল জগদ্ধিতায়, অৰ্থাৎ জগতৰ হিতৰ বাবে নিবেদন কৰা। বৃহৎ জগতখনৰ অগণন জনগণৰ মাজত নিজকো এজন বুলি জ্ঞান কৰি ফলাকাংক্ষা নকৰাকৈ কাম কৰি যোৱাটোৱে হ'ল নিষ্কাম কৰ্ম।

যোগস্থ অৰ্থাৎ আদৰ্শত যুক্ত হৈ কৰ্ম কৰিলে স্বাভাৱিকতে আসক্তি দূৰ হয়। আসক্তি নাথাকিলে সিদ্ধি অসিদ্ধি বা লাভ-লোকচানত সাম্যভাব জাগ্ৰত হয়।

সন্ন্যাসীবাদী সকলে কৰ্মক বন্ধনৰ কাৰণ বুলি ক'ব খোজে; কিন্তু গীতাৰ মতে কামনা-বাসনা থাকিলেহে কৰ্ম বন্ধনযুক্ত হয়।

বাহ্যকৰ্ম বা আত্মতুষ্টিৰ উদ্দেশ্য প্ৰণোদিত কৰ্ম বৰ নিকৃষ্ট। তাৰ পৰা হাত সৰাৰ উপায় হ'ল সমবুদ্ধিৰ আশ্ৰয় গ্ৰহণ কৰা।

দূৰেণ হ্যৱৰং কৰ্ম বুদ্ধিযোগাদ্ধনঞ্জয়।

বুদ্ধৌ শৰণমন্বিচ্ছ কৃপণাঃ ফলহেতৱঃ॥

'হে ধনঞ্জয়, বাহ্যকৰ্ম বুদ্ধিযোগৰ তুলনাত নিতান্তই নিকৃষ্ট। এতেকে তুমি সমবুদ্ধিৰ আশ্ৰয় লোৱা। যি সকলে ফলৰ আশাত কৰ্ম কৰে তেওঁলোক দীন, কৃপাৰ পাত্ৰ।'

গীতাত আকৌ কৰ্ম কৰোঁতে লোক-সংগ্ৰহৰ প্ৰতিও লক্ষ্য ৰাখিবলৈ কৈছে।

কৰ্মণৈৱ হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।

লোকসংগ্ৰহমেৱাপি সংপশ্যন্ কৰ্তুমৰ্হসি॥

'জনক প্ৰভৃতি মহাত্মাসকলে কৰ্মৰ দ্বাৰা সিদ্ধি লাভ কৰিছে।' লোক-সংগ্ৰহৰ ফালে দৃষ্টি ৰাখি তোমাৰ কৰ্ম কৰা কৰ্তব্য।'

লোক-সংগ্ৰহৰ আধুনিক অৰ্থ গোটোৱা বা mobilise কৰা। কিছুমানে আকৌ লোক-সংগ্ৰহ মানে গণ-সংযোগ (mass contact) বুলিও কয়। মুঠতে সামূহিক প্ৰচেষ্টাৰ কৰ্ম কৰি সমাজৰ বা ৰাষ্ট্ৰৰ শ্ৰীবৃদ্ধি কৰাত গুৰুত্ব

দিয়াটোৱে হৈছে প্ৰত্যেক কৰ্মীৰে কৰ্তব্য। জগতে কৰ্ম বিমুখ লোকক কৰ্মত প্ৰবৃত্ত কৰি তেওঁলোকৰ কৰ্মশক্তি বঢ়াই তুলিব পাৰিলে দেশৰ উৎপাদন বাঢ়িব আৰু নিবনুৱা সমস্যা সমাধান হ'ব।

কৰ্মৰ আকৌ প্ৰকাৰ ভেদ আছে। এজন চহকী মানুহে এজন দুখীয়াক লাখ টকা দান কৰাৰ তুলনাত এজন গৰীব লোকে নিজৰ খাবলৈ বুলি সাজি থোৱা ভাতৰ থালখন আন এজন ভোকাতুৰক খুৱাই লাভ কৰা তৃপ্তি অধিক প্ৰশংসনীয়। জাৰ্মান পণ্ডিত কাণ্টে কৈছে "The moral work of an action cannot be any where but in the Principle of the will, without regard to the ends which can be attained by action."

সকলো কৰ্ম নৈতিক বুদ্ধিৰ দ্বাৰা বিচাৰ কৰি চোৱা উচিত। শ্ৰীঅৰবিন্দই গীতাৰ বুদ্ধি শব্দৰ অৰ্থ Intelligent will বুলি কৈছে।

ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধত প্ৰবৃত্ত হ'বলৈ উদ্‌গনি দিছিল। যুদ্ধ বিগ্ৰহত প্ৰাণীহত্যা আছে। তথাপি অৰ্জুনক কৈছে ৰাজ্য লাভৰ আশাত যদি যুদ্ধ কৰা তেনেহ'লে তাৰ কৰ্মফল তুমি ভোগ কৰিব লাগিব; কিন্তু যদি তুমি যোগস্থ হৈ অৰ্থাৎ জগতৰ মঙ্গলৰ বাবে সিদ্ধি-অসিদ্ধিৰ প্ৰতি সমভাবাপন্ন হৈ যুদ্ধ কৰা তেনেহ'লে তাৰ পাপে তোমাক স্পৰ্শ নকৰে।

—এয়েই নিষ্কাম ধৰ্ম।

নিষ্কাম ধৰ্মৰ তিনিটা লক্ষণ—

(১) সকলো কৰ্ম ঈশ্বৰত অৰ্পণ। যিহেতু ঈশ্বৰে জগতৰ হিতৰ বাবে মানৱীয় ৰূপ পৰিগ্ৰহণ কৰে; সেইবাবে কৰ্মশক্তি জগতৰ মঙ্গলৰ বাবে নিয়োজিত কৰা উচিত।

(২) ফলাকাংক্ষা ত্যাগ। কৰ্মপ্ৰসূত উৎবৃত্ত ফলৰ প্ৰতি বীতস্পৃহ হোৱা।

(৩) কৰ্তৃত্বৰ অভিমান ত্যাগ। অৰ্থাৎ নিজৰ কৰ্ম বুলি কোনো কৰ্তৃত্ব বা দাবী নাথাকিব। ফলৰ গৰাকী ৰাষ্ট্ৰ। ৰাষ্ট্ৰই প্ৰয়োজন অনুসৰি প্ৰজা বা লোক ৰক্ষাৰ বাবে তাক বিতৰণ কৰিব।

কৰ্ম কৰাৰ উদ্দেশ্যই লোক ৰক্ষা। যদি কৰ্ম নকৰি মানুহে কেৱল ধৰ্ম ধৰ্ম কৰি জ্ঞানৰ পম খেদি ফুৰে তেনেহ'লে প্ৰজাসকল দুৰ্বল আৰু ৰাজ্য অৰক্ষিত হোৱাৰ সম্ভাৱনা। সেয়ে প্ৰহ্লাদে ভাগৱতত দুখ কৰি কৈছে—

'প্ৰায়েন দেৱমুনয়ঃ স্ববিমুক্তি কামা।
মৌনং চৰন্তি বিজনে ন পৰাৰ্থনিষ্ঠাঃ॥

'প্ৰায়েই দেখা যায় মুনিসকলে নিৰ্জনত মৌনতা অৱলম্বন কৰি তপস্যা কৰে। তেওঁলোকে জনসাধাৰণৰ প্ৰতি দৃষ্টি নাৰাখে। তেওঁলোক পৰাৰ্থনিষ্ঠ নহয়। তেওঁলোক নিজৰ মুক্তিৰ বাবেহে ব্যস্ত। সেইবাবে তেওঁলোক স্বাৰ্থপৰ।'

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে নিজকে এই বিশ্বৰ প্ৰাণীসকলৰ ভিতৰৰে এজন বুলি জ্ঞান কৰি তেওঁলোকৰ সুখ-দুখৰ সমভাগী হ'বলৈ বিচাৰিছিল। জগতৰ দুখ-দুৰ্দশাত কাতৰ হৈ আনকি মুক্তিকো তেওঁ প্ৰত্যাখ্যান কৰিবলৈ সাজু আছিল।

'চাহিনা ছিৰিতে এক বিশ্বব্যাপী ডোৰ
লক্ষ কোটি প্ৰাণী সাথে এক গতি মোৰ,
বিশ্ব যদি চলে যায় কাঁদিতে কাঁদিতে
একা আমি বসে ৰব মুক্তি-সমাধিতে?

স্বামী বিবেকানন্দয়ো জনকল্যাণৰ বাবে ভুক্তি-মুক্তি উপেক্ষা কৰি হাজাৰ নৰকলৈ যাবলৈ প্ৰস্তুত আছিল।

মানুহৰ সমগ্ৰ জীৱনটোৱেই কৰ্মময়। সংসাৰখন কৰ্মক্ষেত্ৰ। ইংৰাজীত এটা সুন্দৰ কবিতা আছে। —অসমীয়াত কবিয়ে তাৰ অনুবাদ এনেকৈ কৰিছে—

'টোপনি জালত মই দেখিলোঁ সপোন
ভাবিলোঁ মাধুৰীময় মানৱী জীৱন,
সাৰ পাই উঠি দেখোঁ সকলোটি ভুল
কৰ্তব্য সাধন মাথোঁ জীৱনৰ মূল।'

( ১০ পৃষ্ঠাত চাওঁক )

# অসমীয়া ব্ৰজবুলিৰ শব্দ-সম্ভাৰ

অধ্যাপক শ্ৰীবসন্তকুমাৰ গোস্বামী

মহাপুৰুষ শঙ্কৰদেৱে ব্যৱহাৰ কৰা ব্ৰজবুলিক লৈ ইতিমধ্যে নানা ধৰণৰ আলোচনা হৈ গৈছে। এই আলোচনাসমূহক চকুৰ আগত ৰাখি ডঃ উপেন্দ্ৰ নাথ গোস্বামীদেৱে অসমীয়া ব্ৰজবুলি সম্পৰ্কে নতুন যুক্তি এটা আগ বঢ়াইছে। ডঃ গোস্বামীৰ যুক্তি বিতৰ্কমূলক হ'লেও গভীৰতা আছে—"অসমীয়া ব্ৰজবুলিৰ ভিত্তি হ'ল চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্ব প্ৰচলিত সাহিত্যিক ভাষাটোহে।" মৈথিলী কবি বিদ্যাপতিৰ পদৰ ভাব আৰু ভাষাৰ অনুকৰণত ব্ৰজবুলি গঢ় লৈ উঠা নাই। কিয়নো অসমৰ বৈষ্ণৱ ধৰ্ম চৈতন্যদেৱৰ ধৰ্মৰ পৰা বেলেগ; কাৰণ চৈতন্যদেৱৰ দৰে শঙ্কৰদেৱ পৰকীয়াবাদী নহয়। তদুপৰি শঙ্কৰদেৱৰ পাৰিজাত হৰণ নাটকৰ আধাৰ হ'ল মিথিলাৰ উমাপতিৰ পাৰিজাত হৰণ।[১] উমাপতিৰ পাৰিজাতহৰণৰ বাহন সংস্কৃত-প্ৰাকৃত-মৈথিলী। মৈথিলী ভাষা আকৌ অৱহট্‌ঠৰ সাহিত্যিক ৰূপ। গতিকে উমাপতিৰ প্ৰভাৱ পৰিলেও বিদ্যাপতিৰ ভাষাৰ আধাৰত ব্ৰজবুলি গঢ় লৈছে বুলি ক'ব নোৱাৰি—

"ভনহি বিদ্যাপতি সুনবৰ জাউমতি"
"অলমিথ নয়ন নাহমুখ নিৰখত, তিৰপিত নাহোয় নয়ান।
এ সুখ সময় সহয় কত সংকট অৱলা কঠিন পৰাণ॥"
তুৰগুন সুন্দৰি অতিভেল দুবৰি গুণি
গুণিগুণি প্ৰেম তোহাৰ।
ধৰণি ধৰয় ধনি কত বেৰি বৈঠতি
পুনতেহি উঠই নপাৰ॥

এয়া আধুনিক ভাৰতীয় আৰ্য ভাষাৰ অব্যৱহিত পূৰ্ব অৱস্থাৰ ভাষাহে। এই কথা অধিক স্পষ্ট হয় তলৰ পংক্তি কেইটাত—

লোচন তুৱ কমল নহি ভৈসক, যে জগ কে নহি জানে।
সে ফিৰ যায় লুকৈলন্হি জলমহ পংকজ নিজ অপমানে॥

বিদ্যাপতিৰ 'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা' অৱহট্‌ঠ ভাষাত ৰচিত। কীৰ্তিলতাৰ ভাষা মৈথিলী মিশ্ৰিত পূৰ্বী অৱহট্‌ঠ। দীৰ্ঘ সমাস বহুল গদ্যৰ মাজত সংস্কৃত গদ্যৰ প্ৰতিধ্বনি আছে। কীৰ্তিলতাৰ পৰা কেইটামান উদ্ধৃতি মিলাই চালে দেখা যাব অসমীয়া ব্ৰজবুলি সম্পূৰ্ণ স্বতন্ত্ৰভাৱে বিকাশ হোৱা ভাষা—

বালচন্দ বিজ্জাৱই ভাসা
দুহণহি লগ্‌গই দুজ্জণ হাসা।
ও পৰমেশ্বৰ হৰসিৰ সোহই
ই নিচ্চই নাঅৰমণ সোহই।
সক্কঅ বাণী বহুঅ ন ভাৱই।
পাউঅ ৰস কো মম্ম না পাৱই।
দেশিল বঅন সব সণ মিট্‌ঠা।
তং তৈসন জংপিঅ অৱহট্‌ঠা।
× × ×

১। এই সম্পৰ্কে পত্ৰিকাৰ ৩০ শ বছৰৰ ৩য় আৰু ৪ৰ্থ সংখ্যাত প্ৰকাশিত 'উমাপতি আৰু শঙ্কৰদেৱ বিৰচিত পাৰিজাত হৰণ' প্ৰবন্ধ দ্ৰষ্টব্য।—সম্পাদক।

থলে সজ্জন পৰিভৱিঅ কোই নহি হোই বিচাৰক।
জাতি অজাতি বিবাহ অধম উত্তম কাঁপাৰক।

শঙ্কৰদেৱৰ ব্ৰজবুলিৰ লগত উক্ত অবহট্‌ঠৰ কেইটামান শব্দ মিলাই চোৱা যাওক—

| অসমীয়া ব্ৰজবুলি | কীৰ্তিলতা |
|---|---|
| সজ্জন | সজ্জন |
| দুৰ্জ্জন | দুজ্জণ |
| পৰমেশ্বৰ | পৰমেসৰ |
| মন | মণ |
| মোহ | মোহই |
| বহু | বহুঅ |
| মৰ্ম | মম্ম |
| পাৱয় পাৱল | পাৱই |
| বচন | বঅনা |
| তৈছন | তৈছণ |
| পুৰুষ | পুৰিসউ |
| জন্মমাত্ৰেন | জম্মমত্তেন |
| জলদ | জলও |
| কোই | কোই |
| হোই | হোই |

সেয়েহে ক'ব পাৰি অসমীয়া ব্ৰজবুলি সম্পূৰ্ণ স্বতন্ত্ৰভাৱে গঢ় লৈছে। তদুপৰি শঙ্কৰদেৱৰ ব্ৰজবুলি ইমান সাৱলীল যে শুকজনাৰ মাতৃভাষা যেন লাগে। "হৰি হৰি প্ৰিয় মেৰি বৈৰী অধিক ভেলি, কয়লি অতয়ে অপমানা" —ইয়াৰ লগত উমাপতিৰ "অৰুণ পুৰৱ দিশি বহল সগৰ নিশি গগন মগন ভেল চন্দাৰ"—পাৰ্থক্য কেৱল ব্যাকৰণতহে। নিজৰ মাতৃভাষাৰ নিচিনা নহলে এনে সাৱলীল ৰচনা সম্ভৱ নহয়। ৰবীন্দ্ৰ নাথে 'ভানুসিংহৰ পদাৱলী'ৰ ভাষাত এই সাৱলীলতা ৰক্ষা কৰিব পৰা নাই। তেওঁৰ বিখ্যাত পদ 'মৰণৰে তুঁহু মম শ্যাম সমান'ৰ —মৃত্যু অমৃত কৰে দান, কি ভয় তাহাৰে, ডৰিবি, আসব, টুটাইব, আদি ব্ৰজবুলি নহয়।

ডঃ গোস্বামীয়ে অসমীয়া ব্ৰজবুলি প্ৰবন্ধটোৰ শেষৰ ফালে কৈছে—"আমবাৰী শিলালিপি (১১৫৪ শক বা ১২৩৩ চন) আৰু গছতলৰ শুম্ভলিপি (১২৮৪ শক বা ১৩৬২ চনৰ) পাঠোদ্ধাৰে বৈষ্ণৱ লেখক শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগতে ব্ৰজবুলি ভাষাৰ প্ৰচলন আৰু ইয়াক

---

( ৮ পিঠিৰ পিছৰ পৰা )

এখন সমাজ কিম্বা ৰাষ্ট্ৰৰ সুস্থভাৱে অস্তিত্ব ৰক্ষা কৰিবলৈ হলে কৰ্ম সুনিয়ন্ত্ৰণৰ আৱশ্যক। সেয়েহে প্ৰাচীন সমাজত কৰ্ম বিভাগৰ জৰিয়তে শ্ৰেণী বা বৰ্ণ বিভাগৰ সৃষ্টি কৰা হৈছিল। প্ৰথমে এটা বৈজ্ঞানিক দৃষ্টিভঙ্গীলৈয়ে বৰ্ণবিভাগ কৰা হৈছিল। অৱশ্যে সমাজৰ পৰিবৰ্তনৰ লগে লগে আজি তাৰো যে পৰিবৰ্তনৰ আৱশ্যক হৈ পৰিছে তাক সকলোৱে উপলব্ধি কৰিছে। সময় উপযোগী পৰিবৰ্তন যুগধৰ্মৰ লক্ষণ। পৃথিৱীৰ আন সকলো ধৰ্মৰ ভিতৰত হিন্দু ধৰ্মই একমাত্ৰ পৰিবৰ্তনশীল। সেই বাবেই হিন্দুধৰ্মক সনাতন ধৰ্ম বুলি কোৱা হয়। কাৰণ ইয়াৰ লোপ নাই। সমাজৰ স্বাভাৱিক গতিয়ে যেতিয়া বিকৃত ৰূপ গ্ৰহণ কৰে, তেতিয়া একোজন মহাপুৰুষ বা বিপ্লৱী পুৰুষে জন্ম লভি সমাজ সংস্কাৰ কৰে। সাংস্কৃতিক বিপ্লৱৰ যোগেদি চীনত সমাজ-ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটিছে। ভাৰততো আজি পুৰণি সমাজ-ব্যৱস্থা যুগোপযোগী কৰি সংস্কাৰ সাধিবৰ দিন আহি পৰিছে। এচাম ৰক্ষণশীলে যদিও আদিম শ্ৰেণী বিভাগতে খামুচি ধৰি থাকিব খোজে, তথাপি চাৰি বৰ্ণৰ কোনোটোৱেই আজি স্ববৃত্তি অৱলম্বন কৰি জীৱন নিৰ্বাহ কৰি থাকিব পৰা নাই। গতিকে বৰ্ণ-বিভাগৰ ভিত্তিত কৰ্ম বিভাগৰ সাৰ্থকতা নোহোৱা হৈছে। বিজ্ঞান-সম্মতভাৱে ভাৰতীয় জলবায়ু আৰু পৰিবেশৰে সৈতে ৰজিতা খোৱাকৈ এই যুগোপযোগী সমাজ-ব্যৱস্থাৰ পুনৰ সংস্কাৰৰ নিতান্ত আৱশ্যক হৈ পৰিছে।



ৰাজছৰা কাৰ্যত ব্যৱহাৰ কৰাৰ সঙ্কেত দিয়ে।" ইয়াৰ প্ৰমাণ স্বৰূপে তেওঁ প্ৰাক্ শঙ্কৰ যুগৰ কবিসকলৰ ৰচনাত পোৱা ব্ৰজবুলি শব্দ আৰু ব্যাকৰণগত বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। ডঃ গোস্বামীৰ মত সমৰ্থন কৰি অৰ্থাৎ ব্ৰজবুলি যে শঙ্কৰদেৱৰ পূৰ্বতেও অসমত চলিছিল এই সম্পৰ্কে সিদ্ধান্তলৈ অহাৰ পিছত শঙ্কৰদেৱৰ ব্ৰজবুলিৰ শব্দসম্ভাৰৰ এটি আলোচনা কৰা হ'ল।

অসমীয়া ব্ৰজবুলি বুলিলে শঙ্কৰদেৱে অঙ্কীয়া নাট আৰু বৰগীতসমূহত ব্যৱহাৰ কৰা ভাষাটোকে বুজা হয়। উপভাষা বা ভাষাৰ মূল সম্পদ হ'ল শব্দসম্ভাৰ। যি ভাষাৰ শব্দসম্ভাৰ যিমান সমৃদ্ধ সেই ভাষা সিমানেই উন্নত। শব্দ শক্তিৰ প্ৰধান উৎস দুটা—ধাতুত অথবা শব্দত প্ৰত্যয় যোগ কৰি নতুন শব্দ নিৰ্মাণ আৰু দুৰ্বৰীয়া অন্য ভাষাৰপৰা শব্দ গ্ৰহণ। অসমীয়া ব্ৰজবুলিত শব্দসম্ভাৰৰ এই বৈশিষ্ট্য আছে।

শঙ্কৰদেৱৰ সময়ত সকলো কবি-সাহিত্যিকে সংস্কৃত সাহিত্য পঢ়িছিল আৰু তাৰ আদৰ্শতেই কাব্য ৰচনা কৰিছিল। শঙ্কৰদেৱ সংস্কৃতত অগাধ পণ্ডিত আছিল; সেই কাৰণে শঙ্কৰদেৱৰ ব্ৰজবুলিত তৎসম শব্দ অধিক হ'ব লাগিছিল। তাৰ তুলনাত তদ্ভৱ, অৰ্ধতৎসম, বিদেশী শব্দৰ পৰিমাণো কম নহয়।

১) তৎসম আৰু অৰ্ধতৎসম-তৎসম শব্দসমূহ বানানত তৎসম হলেও উচ্চাৰণৰ ফালৰপৰা অৰ্ধতৎসমহে। ডঃ সুকুমাৰ সেনে ব্ৰজবুলিৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা প্ৰসঙ্গত কৈছে যে ব্ৰজবুলিত তৎসম শব্দৰ সংখ্যাই বেছি; কিন্তু শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহৰ ভাষাৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়। বৰং তদ্ভৱ (প্ৰাকৃতৰ পৰা ৰূপান্তৰ হোৱা শব্দ সমূহ) শব্দৰ সংখ্যাহে বেছি; উদাহৰণ স্বৰূপে তলৰ বাক্য কেইশাৰী চাব পাৰি—"হামাৰ গৃহে যত মহাদই পিক সব তোহাৰ দাসী দেৱব। হামো তোহাৰ চৰণক দাস ভেলো। হামাৰ আগে থানিক ভক্তিয়ে কটাক্ষে নিৰেখি প্ৰাণ দান দেহ।" (ৰামবিজয় নাট)। এই বাক্য কেইটাত তিনিটাহে তৎসম শব্দ আছে। আনহাতে তদ্ভৱ শব্দ চৈধ্যটা, অসমীয়া শব্দ ছয়টা মুঠতে তেইশটা শব্দ আছে; শতকৰা হিচাপত প্ৰায় ৩১টা তদ্ভৱ শব্দ; কিন্তু ইয়াৰ তুলনাত বৰগীত আৰু নাটসমূহৰ অন্তৰ্গত গীত আৰু ভটিমাবোৰত তৎসম শব্দৰ প্ৰয়োগ বেছি। উদাহৰণ স্বৰূপে নাটকীয় গীত আৰু বৰগীতৰ কেইশাৰীমান চাব পাৰি—

শ্যামল তনু পীত অম্বৰ লাসা।
বদন ইন্দু ৰুচি ইষত হাসা॥
নয়ন পঙ্কজ ভুজ লম্বিত জানু।
কণ্ঠে কৌস্তুভ নৱ শোভিত ভানু॥
( ৰুক্মিণীহৰণ নাট )

এই নাটকীয় গীত ফাকিত ১৯টা শব্দ আছে। তাৰে ১৭টা তৎসম আৰু ২টা তদ্ভৱ ৰূপ—অৰ্থাৎ শতকৰা হিচাপত প্ৰায়ে ৯০টা তৎসম শব্দ। আৰু—

জয় জয় যাদৱ জলনিধিজাধৱ ধাতা,
শ্ৰুত মাত্ৰাখিলত্ৰাতা, স্মৰণে কৰয় সিদ্ধি
দীন দয়ানিধি, ভকত মুকুতি পদ দাতা॥ (বৰগীত)

এই বৰগীত ফাকিৰ ১৯ টা শব্দৰ ১৪ টা তৎসম ৰূপ। ইয়াৰপৰা বুজা যায় নাটৰ গদ্যত ব্যৱহাৰ কৰা ভাষা সহজ সৰল কৰিবলৈ শঙ্কৰদেৱে চেষ্টা কৰিছে। ভগ্‌ৱানৰ অৱতাৰী লীলাৰ কথা আকৰ্ষণীয়কৈ ৰূপায়ণ কৰিবলৈ হলে ভাষাও অসমীয়া সমাজৰ বোধগম্য হ'ব লাগিব। মহাপুৰুষৰ কেওখন নাটকৰ শব্দসমূহ বিশ্লেষণ কৰিলে দেখা যাব শতকৰা প্ৰায় ৯০ টা তদ্ভৱ ৰূপ। অভিধানৰ আকাৰত শব্দসমূহ সজাই এই সিদ্ধান্ত কৰা হৈছে। কিন্তু কিছুমান বাক্যত তৎসম শব্দৰ প্ৰয়োগ অধিক—"জগতক পৰমগুৰু পৰমপুৰুষ পুৰুষোত্তম সনাতন ব্ৰহ্মা মহেশ সেবিত চৰণ পঙ্কজ নাৰায়ণ শ্ৰীকৃষ্ণ; আপদ ঔষধী পাই সৰ্প দৰ্প ভেল; সেহি দশৰথ ৰাজকুমাৰ কোটি কন্দৰ্প দৰ্প দলন শ্ৰীৰামচন্দ্ৰ।" সামগ্ৰিক বিচাৰত এনেধৰণৰ তৎসম শব্দযুক্ত বাক্যৰ ব্যৱহাৰ কম।

বিকৃত তৎসম বা ভগ্নতৎসম বা অৰ্ধতৎসম শব্দও অনেক পোৱা যায়। অসমীয়া ব্ৰজবুলিৰ বিভিন্ন ঠাইত তৰাসে,

পত্তনী, পৰসাদ, ভৰ্য্যৰ, অৰথ আদি বিভিন্ন অৰ্ধতৎসম শব্দ প্ৰয়োগ কৰা হৈছে।

(২) তদ্ভৱ—ভালেমান সংস্কৃত শব্দ প্ৰাকৃতৰ মাজেদি ব্ৰজবুলি ৰূপ লৈছেহি। বৰ্ণনামূলক আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ সহায়ত মূল উলিয়াব পৰা শব্দসমূহ কথিত ভঙ্গিমাৰ লগত খাপ খুৱাই ব্যৱহাৰ কৰা হৈছে— কাঁচক চাহিতে মাণিক হৰায়, কদলিক বাটে উপাৰল, যৈচে সিংহক আগু বালক হৰিণ। ইয়াৰ উপৰিও তদ্ভৱ শব্দসমূহত প্ৰাকৃতৰ চাপ আছে। এই শব্দসমূহ (প্ৰাকৃতৰ চাপ থকা) একে ৰূপতে চৰ্যাপদ আৰু 'শ্ৰীকৃষ্ণ-কীৰ্তন'তো পোৱা যায়—

| ব্ৰজবুলি | প্ৰাকৃত | চৰ্যা | শ্ৰীকৃষ্ণকীৰ্তন |
|---|---|---|---|
| মহাসুহ | সুহ | মহাসুহ | মহাসুহ |
| সয়ল | সঅল | সঅল | সঅল |
| মুহ | মুহ | মুহ | মুহ |
| লোই | লোঅ | লোঅ | লোঅ |
| (লোক অৰ্থত) | | | |
| বিবিহ | বিবিহ | বিবিহ | বিবিহ |
| বিআপক | বিআঅঅ | বিআপক | বিআপক |
| ববিষয় | ববিস | ববিসঅ | ববিষয় |
| কইলে | — | কইলে | কইলে |
| পৰকাৰ | — | পৰকাৰ | পৰকাৰ |
| মোই | মেই | মেই | মেঁাই |
| হতে | — | হন্তে | হঁতে |
| হউ (ভবতি) | হোই | হউ | হউ |
| হাথত | হথ | হাথক | হাথত |
| পঠায়িলে | — | পঠায়িলে | পঠায়িলে |
| ৰয়নি | ৰঅনি | ৰঅনি | ৰঅনি |

(৩) বিদেশী শব্দ—অসমীয়া ব্ৰজবুলিত বিদেশী শব্দৰ প্ৰয়োগ কম। এইবোৰ শব্দৰ কিছুমান পোনে পোনে আহিছে আৰু কিছুমান পৰিবৰ্তনৰ মাজেদি সোমাই-ছেহি। আৰ্,ছ চাত্তাৰে "সংমিশ্ৰনত অসমীয়া সংস্কৃতি" নামৰ গ্ৰন্থত অসমীয়া ভাষাত প্ৰবেশ কৰা আৰবী-ফাৰ্চী শব্দসমূহৰ এখন তালিকা দিছে। ব্ৰজবুলিতো আৰবী-ফাৰ্চী শব্দ ব্যৱহাৰ হৈছিল—

| ব্ৰজবুলি | আৰবী | ফাৰ্চী |
|---|---|---|
| ফৰমান | ফৰমান | |
| চায়েৰ | চায়েৰ/চাহেৰ | |
| চাকৰ | চাকৰ | |
| ছুনিয়া | ছুনিয়া | |
| হাৰামহিখোৰ | হাৰামখোৰ | |
| জিঞ্জিৰী | | জন্‌জিৰ |
| বালাই | বালা | |
| আকল | অকল | |
| গৰজ | গৰজ | |
| গপ | — | গপ |
| হাজাৰ | — | হাজাৰ |
| কালিমা | কলমা | |

(৪) ধ্বন্যাত্মক আৰু প্ৰতিধ্বন্যাত্মক শব্দ—এই শ্ৰেণীৰ শব্দও ব্ৰজবুলিত পোৱা গৈছে। যেনে:—

(১) উলট পালট কৰি দেখল

(২) হা হা

(৩) গদ গদ বাক্যে বোলল

(৫) শব্দলোপ—শব্দলোপ কৰিও ভাব প্ৰকাশ কৰা হৈছে। ইংৰাজী ভাষাতো ought, might প্ৰভৃতি ভাববাচক সহকাৰী ক্ৰিয়াৰ পিছত মূল ক্ৰিয়া পদটো অনেক সময়ত প্ৰয়োগ কৰা নহয় যদিও বক্তাৰ প্ৰসঙ্গ অনুযায়ী অৰ্থ বুজিব পাৰি। আধুনিক অসমীয়াতো এনে উদাহৰণ আছে। ব্ৰজবুলিৰপৰা কেইটামান উদা-হৰণ দিয়া হ'ল—

(১) ভণক মহিমায়ে আকাশক চন্দ্ৰ আনি দিতে পাৰি।

(২) হাহা যৈচে সিংহক ভাৰ্যাক-শৃগাল অভিলাস কয় থিক।

(৬) প্ৰত্যয় বাচক বিকল্প শব্দ: ব্ৰজবুলি বিশ্লেষণাত্মক

( ১৪ পিঠিত চাওক )

# মাধৱদেৱৰ নামঘোষাত শঙ্কৰদেৱ আৰু গুৰুতত্ত্ব

শ্ৰীবাপচন্দ্ৰ মহন্ত

সাধাৰণ অৰ্থত জ্ঞানদাতা ব্যক্তিজনকে গুৰু বুলি কোৱা হয়। গুৰুৱে জ্ঞানৰ সহায়েৰে শিষ্যক জীৱন-যাত্ৰাৰ পথ দেখুৱায়। জীৱন-যাত্ৰাৰ বিভিন্ন দিশত পথ-প্ৰদৰ্শন কৰা গুৰু এজন নহৈ অনেক জন হ'ব পাৰে। সেইবাবে পিতৃ-মাতৃ, শিক্ষাগুৰু, দীক্ষাগুৰু বা আধ্যাত্মিক সাধনাৰ গুৰু প্ৰভৃতি অনেক শ্ৰেণীৰ গুৰুৰ সম্পৰ্কলৈ আমি যাব লগীয়া হওঁ।

জ্ঞানীসকলে ব্যক্তি ৰূপী গুৰু বা মানুহৰ উপৰিও অন্যান্য বস্তুৰ পৰা জ্ঞান আহৰণ কৰে। তেনেস্থলত জগৎ খনেই তেওঁলোকৰ বাবে গুৰু স্বৰূপ হৈ পৰে। উপনিষদ, ভাগৱতপুৰাণ প্ৰভৃতি প্ৰাচীন ধৰ্মীয় সাহিত্যত এনে শ্ৰেণীৰ বহুত উদাহৰণ আছে। মহাপুৰুষ শংকৰদেৱেও কীৰ্তনৰ হৰমোহন খণ্ডৰ শেহত এইদৰে কৈছে—"আমি জগতৰে শিষ্য জানি কৰা বিষবিষ মহন্তৰ ক্ষমাসে ভূষণ।" কোনো কোনো পাঠত 'জগতৰে' বুলি নাই 'সমস্তৰে' আছে। দুয়োটাৰে মাজত ভাৱৰ পাৰ্থক্য বেছি নাই। 'সমস্ত' শব্দই ব্যক্তিৰ ঠাই সমষ্টি বা সমাজক আৰু 'জগৎ' শব্দই সমাজতকৈয়ো বহল প্ৰাকৃতিক জগৎ বা বিশ্ব ব্ৰহ্মাণ্ডক বুজাব পাৰে। ইমানেই মাত্ৰ পাৰ্থক্য। কিন্তু গুৰু বুলিলে যে এজন বিশেষ ব্যক্তিহে হ'ব পাৰে এনে কথা নহয় বুলি আমি শংকৰদেৱৰ উক্তিৰ পৰাও মানিব পৰা হলোঁ।

সমাজ, সমাজ-ব্যৱস্থা বা সংস্কৃতি, সমাজক শৃংখলা-বদ্ধভাৱে আগ বাঢ়িবলৈ বাট দেখুৱাই অহা শাস্ত্ৰ, প্ৰাকৃতিক সত্তা প্ৰভৃতিও ব্যক্তি বিশেষৰ বাবে গুৰু হোৱা সম্ভৱ। মাধৱদেৱে নামঘোষাত গুৰু সম্বন্ধে কেনে-কুৱা বিচাৰ দাঙি ধৰিছে, তাৰে এটি আলোচনা কৰা যাওক।

ক: মাধৱদেৱে নিজৰ গুৰু শংকৰদেৱৰ কথা নামঘোষাৰ বহুত ঠাইতে কৈছে। এই সকলো কথা বিচাৰ কৰি চালে মহাপুৰুষীয়া ধৰ্মৰ তত্ত্বসম্বন্ধীয় কিছুমান বিশেষ ইংগিত পোৱা যায়।

(১) শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শংকৰ মত
ধৰিয়োক সজ্জন সকল।
হৰিৰ কীৰ্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্মল॥৩৩

নামঘোষাত শংকৰদেৱ সম্বন্ধে এইটো প্ৰথম উল্লেখ। এই মতে শ্ৰীমন্ত শংকৰৰ মত গ্ৰহণ কৰা সকলে হৰি-কীৰ্তন কৰি সংসাৰ তৰি নিৰ্মল ভকতিৰ অধিকাৰী হয়। গতিকে সাধনাৰ সাধ্যৰূপত মুক্তিতকৈয়ো ভক্তিৰ ওপৰতহে বেছি গুৰুত্ব দিয়া যেন দেখা যায়। বেদান্তৰ সাধ্যবস্তু মোক্ষ বা মুক্তিতকৈ পাঞ্চৰাত্ৰ মতৰ

বৈকুণ্ঠৰ কল্পনাই ইয়াত প্ৰাধান্য লাভ কৰা যেন লাগে। পাঞ্চৰাত্ৰ মতে জীৱই সংসাৰ তৰি বৈকুণ্ঠ পায় আৰু বিকুণ্ঠতো শ্ৰৱণ, কীৰ্তন আদি নিৰ্মল হৰি-ভক্তি অখণ্ড ভাৱে চলি থাকে। ভাগৱত পুৰাণেও অনেক ঠাইত পাঞ্চৰাত্ৰ মতৰ এই বৈকুণ্ঠৰ কল্পনাক স্বীকৃতি দিছে।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত বা মাধৱদেৱৰ নেতৃত্বৰ সময়ত বহুত জনেই গুৰু হোৱাটো জীৱিকাৰ উপায় স্বৰূপে লৈছিল। তেওঁলোকে শংকৰদেৱৰ ভক্তি-তত্বৰ বিষয়ে নজনাকৈয়ে মানুহৰ মাজত নিজৰ মহত্ব বখানি ফুৰিছিল। এই সম্পৰ্কত তলৰ পদ কেইটা মন কৰিব লগীয়া।

(১) শংকৰেসে শুদ্ধ মত ঈশ্বৰ-ভক্তিৰ তত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
তাহাঙ্ক নাজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে
আপোনাৰ মহত্ব বখানি ॥৫৩॥

(২) শংকৰে সংশয় ছেদি শাস্ত্ৰৰ তত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ় মতি ॥৫৪॥

(৩) নজানে শাস্ত্ৰৰ নয় যেন আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰয় লোকৰ মাজে
মান্য-সত্কাৰ খুজি লয় ॥৫৫॥

(৪) বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়ে
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নোহয় ॥৫৬॥

চতুৰ্থ পদটো গুৰু সম্বন্ধীয়; কিন্তু অযোগ্য গুৰুৰ প্ৰভাৱত সমাজৰ এটা শ্ৰেণীৰ মাজত ধৰ্মীয় ব্যভিচাৰ হোৱাৰ ইংগিত দিয়া হৈছে। এই পদৰ আগৰ তিনিওটা পদতে শাস্ত্ৰজ্ঞান নথকা ব্যৱসায়ী বা স্বাৰ্থপৰ গুৰুৰ লক্ষণ কোৱা হৈছে। প্ৰকৃততে সমকালীন ধৰ্মীয় সমাজৰ এটা দুৰ্বল দিশৰ চিত্ৰ এই পদ কেইটাত প্ৰকাশ পাইছে।

শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্ম সম্বন্ধে অন্য প্ৰসংগত তলত দিয়া মত দাঙি ধৰিছে—

(১) পৰম অমূল্য বস্তু হৰিৰ নামৰ পেৰা
অতি গুপ্ত স্বৰূপে আছিলা।
লোকক কৃপায়ে হৰি শংকৰ স্বৰূপে আসি
মূদ ভাঙি সমস্তকে দিলা ॥১১১॥

(২) হৰি-নাম প্ৰেম-ৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শংকৰে পাই তুলি মূদ ভাঙি দিলা
সুখে পান কৰে সৰ্বজনে ॥১১২॥

(৩) হৰি নাম গুপ্ত ভৈল মনুষ্যত পূজা হৈল
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব
হেন হৰিনাম ধৰ্ম শংকৰে বিদিত কৰি
দূৰ কৈলা দেৱতাৰ গৰ্ব ॥১১৩॥

হৰি নাম অমূল্য বস্তু স্বৰূপ। মূল্যবান বস্তু পেৰাত ভৰাই লুকুৱাই থোৱাৰ দৰে হৰি নামো লুকুৱাই থোৱা আছিল। শংকৰদেৱে এই হেন হৰি নাম প্ৰচাৰ কৰিলে। যেন স্বয়ং হৰিয়েই মানুহৰ প্ৰতি কৃপা কৰি

---

( ১২ পিঠিৰ পিছৰ পৰা )

শ্লিষ্ট ভাষা; সেই কাৰণে প্ৰত্যয়ৰ পৰিবৰ্তে অনেক সময়ত স্বাধীন শব্দ প্ৰয়োগ কৰি বচন, লিঙ্গ আদি নিৰ্দেশ কৰা দেখা যায়; কিন্তু প্ৰত্যয়ৰ বিকল্প এই স্বাধীন শব্দসমূহে নিজ অৰ্থ প্ৰকাশ নকৰি ব্যাকৰণগত বা ৰূপগত কাৰ্য নিষ্পন্ন কৰে। অশ্লিষ্ট ভাষাসমূহত এই বিকল্প ব্যৱস্থা মন কৰিব লগীয়া। গণ শব্দটো সমষ্টি বাচক, আৰু কেতিয়াবা মানুহ অৰ্থত আৰু কেতিয়াবা গণ্য নকৰা অৰ্থত ব্যৱহাৰ হৈছে—

(১) দেৱগণ পৰম বাধ্য
(২) কটাক্ষে গণয়ে নাহি

তেনেকৈ লোক—শব্দ আৰু প্ৰত্যয় ৰূপে ব্যৱহাৰ হৈছে—

(১) আছে লোক পেথু পেথু
(২) আছে সভাসদ লোক, ইত্যাদি।



শংকৰ ৰূপত পৃথিৱীলৈ আহি পেৰা মেলি সকলোকে সেই অমূল্য বস্তু বিলাই দিলে। হৰি নামৰ ৰস বা আনন্দ অমৃত স্বৰূপ নিবৃত্তি ফলৰ আনন্দ। এই অমৃত ফলৰ স্বাদ নোপোৱাজনে প্ৰবৃত্তি ফলৰ সাংসাৰিক সুখ বিচাৰি প্ৰবৃত্তিমাৰ্গত প্ৰকৃতিৰ অধীন দেৱতাসকলৰ পূজা-উপাসনা কৰে। এই দেৱতাসকলৰ তুষ্টিৰ পথটো ইন্দ্ৰিয়ৰ তুষ্টি পথ। সৃষ্টিতত্ব [ সাংখ্য আৰু সাংখ্যৰ লগত বেদান্ত মিলাই গ্ৰহণ কৰা ভাগৱত পুৰাণৰ সৃষ্টি তত্বই মহাপুৰুষীয়া সকলৰ বাবে গ্ৰাহ্য ] ইন্দ্ৰিয়সমূহৰ অধিষ্ঠাতা দেৱতাৰূপে অৰ্থাৎ ইন্দ্ৰিয়ৰ শক্তিৰূপে দহজন দেৱতা আছে বুলি কোৱা হৈছে। এই দেৱতাসকলৰ উৎপত্তি সাত্বিক অহংকাৰৰ পৰা হৈছে। অহংকাৰ জড় বস্তু; গতিকে অহংকাৰজনিত দেৱতা সকলো জড়। এনে স্থলত প্ৰবৃত্তিমাৰ্গই জড়ক অতিক্ৰম কৰিব নোৱাৰে। শংকৰদেৱৰ প্ৰচাৰিত মত নিবৃত্তিমাৰ্গী। সেই কাৰণে সাত্বিক অহংকাৰৰ পৰা উৎপন্ন দেৱতাসকলৰ জড় ভাৱ ক্ৰমে লোপ পাই আহে। প্ৰবৃত্তিমাৰ্গৰ ওপৰত নিবৃত্তিমাৰ্গৰ জয় লাভেই অৰ্থাৎ হৰি নাম প্ৰধান ভক্তিৰ সহায়েৰে ইন্দ্ৰিয়সমূহক নিবৃত্তিমুখী বা সংযত কৰাটোৱেই হৈছে দেৱতাৰ গৰ্ব চূৰ্ণ কৰা।

দেৱতাসকলে হৰিনাম গুপ্ত কৰি থৈছিল বোলা কথাৰ তাৎপৰ্যও এয়ে হোৱা সম্ভৱ—প্ৰবৃত্তিমাৰ্গীসকলে নানা শ্ৰেণীৰ বিষয়-ভোগৰ উদ্দেশ্যে সকামভাৱে নানা দেৱতাৰ পূজা কৰে। ইন্দ্ৰিয় ভোগৰ ফলদাতা এই শ্ৰেণীৰ দেৱতাৰ পূজাত ব্যস্ত লোকসকলে হৰি নাম প্ৰেম-ৰসৰ ভুকে নাপায়। গতিকে হৰি নাম প্ৰেমৰস স্বৰূপ নিধি দেৱতাসকলে লুকুৱাই থোৱাৰ নিচিনা হৈছিল। সকাম ভাৱে কৰা নানা শ্ৰেণীৰ দেৱতাৰ বিবিধ পূজা-পাতলৰ পৰিবৰ্তে নিবৃত্তিমুখী নিষ্কাম হৰিভক্তিৰ প্ৰচাৰ কৰি শংকৰ দেৱে ইয়াক সকলোৰে বাবে সহজ লভ্য কৰি দিলে।

শংকৰদেৱৰ শুদ্ধ মতৰ কথা ৰজা-প্ৰজাসকলোৱেই জানিলে; কিন্তু অতি মোহগ্ৰস্ত [ অজ্ঞানী বা তত্বজ্ঞান শূন্য ] লোকে এই মত এৰি থৈ অন্য মত গ্ৰহণ কৰিছে।

(১) ৰাজা প্ৰজা জানিলেক ভক্তিপন্থ
শংকৰৰ মত শুদ্ধ।
সিটো লাড়ি আন আচৰয়
পৰম সিটো মুগুধ ॥২৯১॥

শংকৰদেৱৰ মতৰ লক্ষ্য নিৰ্গুণ কৃষ্ণ। নিবৃত্তিমাৰ্গৰ পৰিসমাপ্তি কেৱল নিৰ্গুণ ব্ৰহ্মতহে হ'ব পাৰে। জগৎখন সত্ব, ৰজঃ আৰু তমঃ গুণাত্মিকা প্ৰকৃতিৰ ক্ৰিয়া। নিৰ্গুণ এই প্ৰকৃতিৰ অতীত। প্ৰবৃত্তি বা সকাম মাৰ্গৰ উদ্দেশ্য এই তিনি গুণেৰে পূৰ্ণ প্ৰকৃতিৰ ভিতৰত সীমাবদ্ধ। ভগৱানৰ অৱতাৰসমূহো নিৰ্গুণৰেই সগুণ প্ৰকাশ। ভগৱানৰ এই সগুণ অৱতাৰ সমূহৰ বা ভগৱানৰ লীলাৰ কথা শ্ৰৱণ-কীৰ্তন কৰি সগুণৰ সহায়েৰেই নিৰ্গুণৰ পথত আগ বাঢ়িব পাৰি। শংকৰদেৱেও এই বাটকে দেখুৱাইছে—

(২) নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ কৰিলা শ্ৰীশংকৰে।
শ্ৰৱণ-কীৰ্তন কৰি মহাসুখে পাপীও সাংসাৰ
তৰে ৷৩৫৭॥

নিৰ্গুণ কৃষ্ণৰ গুণ প্ৰকাশ কৰা কথা ফাকিত আৰু এটা সংকেত আছে। বৰগীততো আছে—"তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই। নিৰ্গুণ হোৱয় জীৱ সেহি গুণ গাই॥ সহজ অকৰ্তা কৰ্ম কৰা অপৰ্যন্ত। সোহি কৰ্মে জীৱৰ জন্মৰ কৰা অন্ত॥" ইত্যাদি। এই ক্ষেত্ৰত 'গুণ' শব্দই পাঞ্চৰাত্ৰ তন্ত্ৰত থকা ষাড়গুণ্যৰ কথাহে কোৱা যেন বিশ্বাস হয়। পাঞ্চৰাত্ৰ মতে ভগৱান প্ৰাকৃত তিনিগুণৰ অতীত অৰ্থত নিৰ্গুণ; কিন্তু অপ্ৰাকৃত ছটা গুণেৰে সগুণ। সেই ছটা অপ্ৰাকৃত গুণ হৈছে—জ্ঞান, শক্তি, বল, বীৰ্য, তেজ আৰু ঐশ্বৰ্য। এই গুণ-সমূহৰ দ্বাৰা ভগৱানে জগতৰ সৃষ্টি, স্থিতি, লয় প্ৰভৃতি সকলো কাৰ্য কৰিও নিজক অভোক্তা, অকৰ্তা, অপ-ৰিণামী, নিৰ্বিকাৰ ৰহস্যময় কৰি থৈছে। ভগৱানৰ লীলাৰ শ্ৰৱণ-কীৰ্তনৰ সহায়েৰে এই অপ্ৰাকৃত গুণ সমূহৰ সামান্য ধাৰণা হ'ব পাৰে। এনে অপ্ৰাকৃত গুণৰ ধাৰণা বা বোধ হ'লে যি আনন্দ বা সুখ উপলব্ধি

হব সি পাপ নাশ কৰি জীৱক সংসাৰ বন্ধনৰ পৰা মুক্ত কৰিব পাৰিব। ত্ৰিগুণাত্মিকা প্ৰকৃতি বা মায়াৰ প্ৰভাৱত চিত্তত উৎপন্ন হোৱা মল বা ভ্ৰমাত্মক সংস্কাৰেই পাপ। ভগৱানৰ অপ্ৰাকৃত গুণৰ শ্ৰৱণ-কীৰ্তনৰ সহায়েৰে প্ৰাকৃত গুণৰ অধীন হোৱা চিত্তৰ দোষ দূৰ কৰা সম্ভৱ।

নিৰ্গুণ কৃষ্ণৰ গুণ শব্দৰ সাধাৰণ অৰ্থ এনেদৰেও কৰিব পাৰে—ভগৱানৰ অৱতাৰ সমূহৰ লীলাৰ মাজেদি প্ৰকাশ হোৱা ত্ৰিগুণাত্মক জীৱসমূহৰ লৌকিক ভাৱ সমূহেই নিৰ্গুণ কৃষ্ণৰ গুণ। কিয়নো কৃষ্ণ আদি অৱতাৰ সমূহেও ভক্তবৎসলতা, বীৰত্ব, লোকহিতৈষিতা প্ৰভৃতি লৌকিক গুণৰ পৰিচয় দিছে।

পাঠকসকলে নিজৰ ৰুচিমতে সেইটো অৰ্থকে গ্ৰহণ কৰিবলৈ ভাল পায়। ইয়াৰ পাছৰ পদত কৈছে যে—পৰমদেৱতা কৃষ্ণৰ এনেকুৱা অনন্তগুণৰ তত্ত্ব শংকৰেহে জানে বুলি তোমালোকেও বুজিবা।

(৩) পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিবা কেৱল
শংকৰে মাত্ৰ জানন্ত ॥ ৩৫৮ ॥

নিৰ্গুণ কৃষ্ণৰ গুণৰ তত্ত্ব বুজি সংসাৰ তৰিবলৈ হ'লে শংকৰদেৱৰহে আশ্ৰয় ল'ব লাগে, সেই ভাৱ এই পদত ধ্বনিত হৈছে। ইয়াৰ পাছত "বস্ত্ৰ প্ৰকাশ" শীৰ্ষক পদসমূহত শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ কথা কৈছে—

(৪) হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম-অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি ॥ ৩৭১ ॥

(৫) গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা
চাৰিপুৰুষাৰ্থ তাহাৰ নিজৰা
হৰি নামে মূল ধাৰা ॥ ৩৭২ ॥

সংসাৰ বন্ধনৰ পৰা মুক্ত ভক্তসকলেও বৈকুণ্ঠত হৰি নাম শ্ৰৱণ-কীৰ্তন কৰি থাকে। তেওঁলোকে ভগৱানত নিজক বিলীন কৰি দিয়াতকৈয়ো ভগৱানৰ প্ৰেম-ভক্তিৰ ৰসাস্বাদনত বেছি সুখ পায়। নামৰ এই ৰসাস্বাদতেই বৈকুণ্ঠৰ স্বৰূপ প্ৰকাশ পাইছে। বৈকুণ্ঠ ৰসময়। এই ৰস ইন্দ্ৰিয়গ্ৰাহ্য জড় বস্তু বা বিষয়-ভোগৰ সুখতকৈ অধিক সূক্ষ্ম ইন্দ্ৰিয়াতীত কাৰণে চৈতন্যময় ভগৱৎ প্ৰেমৰ উপলব্ধি মাত্ৰ। ইন্দ্ৰিয়জনিত সুখ আৰু ইন্দ্ৰিয়ধৰ্মী প্ৰেম অখণ্ড নহয়। জৰা আৰু মৰণৰ অধীন ইন্দ্ৰিয়ৰ শক্তি মনৰ ইচ্ছাপূৰণ নৌ হওতেই শেষ হয়; কিন্তু জৰা আৰু মৰণৰ অতীত চৈতন্যৰ উৎপত্তি আৰু বিনাশ নাই। সি অখণ্ড। এই জৰা-মৰণ ৰহিত চৈতন্যৰ উপলব্ধিটো অমৃত তুল্য ৰস আৰু অখণ্ড বাবে ইয়াকে নদীৰ দৰে ধাৰ নিছিগা অৰ্থত প্ৰেম-অমৃতৰ নদী বুলিছে। পাৰকাটি দিয়া পুখুৰীৰ পানী বা উপচি থকা নদীৰ বান্ধ ভাঙি দিলে বৈ যোৱা পানীবোৰ যিদৰে বহুত ঠাই অতিক্ৰম কৰি আগ বাঢ়ি যায়, সেইদৰে বৈকুণ্ঠত থকা হৰিনাম ৰস স্বৰূপ প্ৰেমামৃতৰ নদীৰ পাৰো শংকৰদেৱে ভাঙি দিয়াত হৰিনাম ৰসৰ সোঁত ব্ৰহ্মাণ্ড জুৰি ব'বলৈ ধৰিছে। গোবিন্দৰ প্ৰেম-ৰূপী এই অমৃত-নদী বৈকুণ্ঠৰ পৰা বৈ আহিছে। ঘাই নদীৰ লগত সহায়ক নিজৰাবোৰ মিলি যোৱাৰ দৰে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিটা পুৰুষাৰ্থৰ আনন্দও এই গোবিন্দৰ প্ৰেমানন্দত মিলি গৈছে। গোবিন্দৰ প্ৰেমানন্দৰ তুলনাত ধৰ্ম, অৰ্থ আৰু কামহে নালাগে মোক্ষও গৌণ বস্তু হৈ পৰিছে।

ইয়াৰ পাছৰ তিনিটা পদত শংকৰদেৱৰ নিচিনা শ্ৰেষ্ঠ গুৰু নাই বুলি মাধৱদেৱে কৈছে।

(৬) হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শংকৰ বিনাই
নাহি নাহি আন বন্ধু ॥৩৭৩

(৭) হৰি ভকতিৰ পাতিলন্ত হাট
শংকৰে জগত জুৰি।
ৰাম নাম বস্তু বেহাৰা জগতে
চললা বৈকুণ্ঠপুৰী ॥৩৭৪॥



(৮) শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰমগুৰু ॥৩৭৫॥

খ: এতিয়া প্ৰশ্ন হব পাৰে যে শংকৰদেৱে এই হৰি-ভক্তি ক'ৰ পৰা আনিলে? উত্তৰত কৈছে—

(১) পৰম কৃপালু শ্ৰীমন্ত শংকৰে
লোকক কৰিয়া দায়া
হৰিৰ নিৰ্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া ॥৪০৪॥

(২) সকল নিগম কল্পতৰু
তাৰ ফল মহা ভাগৱত।
সেহি ফলৰস হৰিগুণ যশ
পিয়োক সাধু সংগত ॥৪০৩॥

এইদৰে নাম ঘোষাত গুৰুৰ লগত শাস্ত্ৰৰ সম্বন্ধ স্থাপন কৰা হ'ল। শাস্ত্ৰ জ্ঞানৰ অভাৱত অযোগ্য গুৰুৰ লক্ষণ সম্বন্ধেও কোৱা হৈছে।

সদগুৰুৰ প্ৰতিও শ্ৰদ্ধা এইদৰে জনোৱা হৈছে—

(১) মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ।
যি গুৰুজনত ই সব নাথাকে
প্ৰণামো তাহান পাৱ ॥১৯৩॥

(২) হৰি যেন অতি কৃপাময় ভক্তগুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তিনত
নিজগুণে তুষ্ট দুয়ো অহংকাৰে হীন ॥৬৮১॥

ইয়াত গুৰুৰ কেইটিমান বিশেষ লক্ষণ প্ৰকাশ পাইছে। (ক) ভক্ত আৰু গুৰু দুয়োজনেই হৰিৰদৰে কৃপাময়। (খ) শৰীৰ ভিন্ন হলেও ভক্ত আৰু গুৰুৰ মাজত প্ৰভেদ নাই।



(গ) দুয়ো কৃপাৰসেৰেই তুষ্ট অৰ্থাৎ আনক মৰম কৰি নিজে আনন্দ পায়; সেইবাবে লোকৰ হিত সাধন কৰে। (ঘ) ভক্ত আৰু গুৰু উভয়েই নিজগুনে তুষ্ট হয়, তেওঁলোকে নিজৰ সন্তুষ্টিৰ বাবে আনৰ পৰা একো নিবিচাৰে। (ঙ) আনৰ পৰা নিবিচৰাৰ মূল কাৰণ হৈছে অহংকাৰহীনতা।

অহংকাৰহীন হোৱাৰ সাধনাটো সহজ সাধনা নহয়। মোহ, মায়া, ৰাগ, মদ, মল, কাম, দম্ভ, দ্বেষ আদি ভাৱ ত্যাগ কৰিব নোৱাৰা জন অহংকাৰহীন হ'ব নোৱাৰে। অহংকাৰ বা মই ভাৱটোক এই ভাৱবোৰে (মোহ-মায়া ৰাগ আদিয়ে) দিনে দিনে বঢ়াইহে নিয়ে। ভোগৰ প্ৰয়োজনত গুৰুত্ব থকা পৰ্যন্ত বস্তুৰ প্ৰয়োজনো বাঢ়ি যায় আৰু বস্তুৰ প্ৰয়োজনেই মোহ মায়া, ৰাগ, দম্ভ দ্বেষ আদি ভাৱো জগাই তোলে। যি নিজৰ ব্যক্তিত্ব লোকহিতৰ বাবে বিলাই দিব পাৰিছে, তেওঁ লোকহিতৰ বাবে প্ৰয়োজনীয় নিজৰ কৃপাগুণ বা দয়ালু স্বভাৱৰ ফলতে ৰস বা আনন্দ লাভ কৰে। এনেকুৱা ভক্ত বা গুৰু স্বয়ং ভগৱানৰ তুল্য। এনেকুৱা সদ্‌গুৰুৰ ঋণ শুজিব পৰা নাযায়।

কৃপালু আৰু লোকহিতকৰ গুণে গুৰুৰ চৰিত্ৰত দেৱতাৰ উচ্চতা প্ৰকাশ কৰিছে। সেইদৰে অহংকাৰহীনতাই উদাৰতা বা গুৰুৰ বিশালতাৰ পৰিচয় দিছে। স্থূল দৃষ্টিত গুৰুজন নৰদেহধাৰী ব্যক্তি; কিন্তু সূক্ষ্মদৃষ্টিত সেই গুৰুৱেই অহংভাৱত আবদ্ধ ব্যক্তিৰ অতীত চেতন জ্ঞান স্বৰূপ। এই সূক্ষ্ম স্তৰত গুৰু আৰু দেৱতাৰ মাজত থকা পাৰ্থক্য লোপ পায়। এই দৃষ্টিত গুৰুৰ ব্যক্তি ৰূপটোও দেৱতা বা ভগৱানৰ অনুগ্ৰাহক ৰূপ বুলিয়েই বোধ হয়। সেই বাবে কৈছে—

(৫) তুমি হৰি কৃপাময় বাহিৰত গুৰুৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্যামী গুৰু ৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হোক ॥৬৩॥

( ১৯ পৃষ্ঠাত চাওক )

# পণ্ডিত নাৰায়ণ দেৱ মিশ্ৰ ঃ মানুহজন

শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰ

[অসম আৰু অসমৰ বাহিৰতো বিদগ্ধ সংস্কৃত পণ্ডিতৰূপে খ্যাত-সমাদৃত ধৰ্ম-দৰ্শন-সাহিত্যসঙ্গীত-সংস্কৃতিৰ চৰ্চা তথা পৃষ্ঠপোষকতাকাৰী বৰপেটাৰ ৺নাৰায়ণ দেৱ মিশ্ৰ ভাগৱতবাগীশৰ (১৭৯৯ শক—১৮৮৫ শক) জীৱন আৰু প্ৰতিভাৰ ওপৰত আলোকপাত কৰি প্ৰবন্ধ-পাতি তেনেকৈ লিখা হোৱা নাই ; মাথো, 'আসাম ট্ৰিবিউন' আৰু 'জনমভূমি'ত তেখেতৰ মৃত্যুৰ পিছত স্মৃতিতৰ্পণ হিচাবে অলপ লিখিছিল বংশীধৰ চৌধুৰীদেৱে আৰু নলবাৰী সাহিত্য সভাৰ সন্মিলনত প্ৰকাশিত স্মৃতি-গ্ৰন্থত অন্তৰ্ভুক্ত এটি নিবন্ধত তেখেতৰ পাণ্ডিত্যৰ চমু আভাস দিছিল ডঃ হৰিনাথ শৰ্মাদলৈয়ে।

মিশ্ৰদেৱৰ বিষয়ে এই প্ৰবন্ধ লিখি পত্ৰিকালৈ পঠিয়াইছে তেওঁৰ নাতি শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰই। প্ৰবন্ধত থকা উক্তিবোৰত বৰপেটাৰ কথিত ভাষাৰ ৰূপ লেখকৰ মতেই ৰখা হৈছে। —সম্পাদক।]

"কৃষ্ণ, কৃষ্ণ, কৃষ্ণ…" খাওঁতে-শোৱঁতে, উঠোঁতে-বহোঁতে, ঘূৰোঁতে-ফুৰোঁতে আমাৰ আতা পণ্ডিত নাৰায়ণ মিশ্ৰ দেৱে নামোচ্চাৰণ কৰে। মাজে মাজে কিবা যেন ভাবে-গুণে, কেতিয়াবা দুই এটা হুমুনিয়াহ কঢ়াৰ দৰে কৰে আৰু এইদৰে প্ৰায়েই স্বগতোক্তি কৰে—"তুমাৰ কি লীলা প্ৰভু!"

"ঈশ্বৰ সঁচাই আছে ; এই বিৰাট বিশ্বব্ৰহ্মাণ্ডৰতো একজন স্ৰজন কৰ্ত্তা লাগ্‌বো, নাল্‌গিবোনা ? নহলি…" অইন বিজ্ঞ শ্ৰোতা থাকক বা নাথাকক, তেওঁৰ চতুৰ্দিকে বহি-থিয়হৈ জুমপাতি থকা আমাডিমা ল'ৰা-ছোৱালীমখাৰ আগতেই সাংখ্য-বেদান্ত দৰ্শন, বিশেষকৈ গীতা-ভাগৱতৰপৰা উদ্ধৃতি সহ এই ধৰণৰ তত্ত্ব-তথ্যবহুল কথা-সমস্যাবোৰ স্বতঃ প্ৰণোদিত হোৱাৰ দৰে কৈ ব্যাখ্যা কৰি যায়। হয়তো সেই সময়ত আতাই প্ৰশ্নৰ সন্মুখীন হৈছিল, যুক্তি আৰু বিশ্বাসৰ দোমোজাত পৰিছিল ; এই গৰাকী পণ্ডিত-ভাবুক চিন্তাশীলৰ মনোজগতত উদয় হোৱা দ্বন্দ বা প্ৰশ্নোত্তৰবোৰ স্বগতোক্তিৰ নিচিনাকৈ ওলাই আহিছিল ; চিন্তাৰ সোঁতে তেওঁক কেতিয়াবা বাস্তৱ জগতৰ পৰা ভাৱজগতলৈ লৈ গৈছিল, পৰিবেশৰ কথা ভুলি গৈছিল। এবাৰ নিৰীক্ষণ কৰিছিলোঁ আতাৰ উকা তালুখন আৰু মুখমণ্ডল, এবাৰ চাইছিলো সীমাহীন নীলাকাশখনিলৈ ; আমি ল'ৰাছোৱালী কেইটিও যেন অনিৰ্দেশ্যময়তাৰ মাজত বুৰ গৈছিলো- প্ৰশ্ন আৰু ৰহস্য আৰু মৰমী (মিষ্টিক্) পুলকে আমাক আকৰ্ষিত কৰি ৰাখিছিল।

"কৃষ্ণ কৃষ্ণ…." কৃষ্ণক স্মৰণ কৰি সকলো ভাবনা তেওঁতেই সমৰ্পণ কৰি (আতা) ককাদেউতা বাস্তৱ জগতলৈ উভতি আহিছিল আৰু চতুৰ্দিকে এবাৰ দৃষ্টি নিক্ষেপ কৰিছিল।



'কুশল হ'ক্,—কোনোবাই হয়তো আতাক সেৱা কৰিছে, আতাই আশীৰ্বাদ দিছে। আৰু মানুহজনক সুধিছে শাক খোৱা, পাত খোৱা দুই এটা কথা।

আতাক লোকে বুলিছিল 'অধিকাৰ'। আতা কিন্তু সত্ৰৰ অধিকাৰ হোৱা নাছিল ; তেওঁৰ পিতাক ৺গোবিন্দ দেৱ মিশ্ৰহে বৰপেটা সত্ৰৰ বুঢ়া অধিকাৰ আছিল। সেই সূত্ৰেই আমাৰ ঘৰখনৰ কথা কব লাগিলে অধিকাৰৰ ঘৰ বুলি কিছুমানে উল্লেখ কৰিছিল। এনেয়ে 'অধিকাৰ' (অৰ্থাৎ অধিকাৰৰ বংশৰ), তাতে আতা আছিল এজন বিদগ্ধ সংস্কৃত আৰু বিভিন্ন শাস্ত্ৰৰ পণ্ডিত আৰু বহুমুখী প্ৰতিভাৰ লোক ; শাস্ত্ৰ-সঙ্গীত-সংস্কৃতিৰ চৰ্চা আৰু পৃষ্ঠপোষকতাকাৰী। মুঠতে আতা ব্যক্তিত্বশালী আৰু প্ৰতিপত্তিশালী লোক। সেইকাৰণে লোকে মান-সন্মান, সমীহ-সম্ভ্ৰম কৰি চলে। শৰণ-ভজন দিয়া শিষ্য-প্ৰশিষ্যাদি অনেকেই আতাৰ প্ৰতি সেৱা-সৎকাৰ নিবেদন কৰে। চহৰৰ লৰা-বুঢ়া, মুনিহ-তিৰুতা প্ৰায় সকলোৱে আতাক চিনে জানে মানে।

আমাৰ ঘৰখন বৰপেটা চহৰৰ প্ৰধান আলি-বাটৰ কাষতেই। জহ কালি আবেলি পৰত আতাই প্ৰায়েই হাতত বিচনী এখন লৈ বাট-ঘৰটোৰ সন্মুখতেই চকী বা ঢাৰি-পাটী পাৰি বহে। লগত তেওঁক ঘেৰি-বেঢ়ি লৈ শাস্ত্ৰ-কথা, সাধু-কথা, লোক-কথা আদি শ্ৰৱণ কৰোঁতা, আদেশ-উপদেশ পাওঁতা, মৰম-স্নেহৰ বোজা বওঁতা, দাবি-ধমকি খাওঁতা, সঙ্গী-সাৰথি ভব্য-গব্য-সভ্য পাৰিষদৰূপী আমি আধা-নাঙঠ ল'ৰা-ছোৱালীবোৰ।

বাটেদি বিভিন্ন ধৰণৰ মানুহ আহে, যায়। জাৰকালি কাঁচিয়লি ৰ'দৰ কেঁচা উম লৈ আৰু গ্ৰীষ্মৰ তাপ-পোৰণিৰ দিনত বতাহত জুৰ লৈ বাটৰ দাতিত বহি আটাই মানুহ চায়—"বাপু মই মানুহ চাউ। দেখ্‌ছানা কত বিচিত্ৰ লোক! কুন্‌বাই গেইছে গা ঘেলে ঘেলে ; কুন্‌বাই গেইছে হট্‌হট্‌কে, বীৰদৰ্পে। কত যে কি সকাম মান্‌হোৰ! …জান্‌ছানা বাপু ; ৰহস্যৰ আঁকৰ এই মান্‌হুগিলাখেন্‌….."। —এইদৰে আতাই কেতিয়াবা আমাক কয়।

বাটৰ কাষত বহি-থাকিলে বা আলিয়ে-পদূলিয়ে ভহল দি ফুৰিলে তেওঁ প্ৰায়েই কিবাকিবি গুণ্‌গুণাই ভোৰ্‌ভোৰাই থাকে। আমি যদি সোধোঁ—তেওঁ অকলে কি কৈ থাকে, হাঁহি এটা মাৰি আতাই কয়—"মই কথা-বাত্ৰা পাত্‌পাক লোগিন্‌ লগ-চগ নাপও্‌ বাপু। মই যিগ্‌লাখেন কথা ভাবু-কউ তাক বুজ্‌বাপাৰা লোক কুন্‌ আছে? সেই কাৰণে নিজে নিজেই কৈ-গাই থাকু দে। আৰো, শাস্ত্ৰ-পুথি গিলাখেনোৰ কথাগিলা-খেন এনেকে আউৰে (আওৰাই) নাথ্‌কিলি পাহৰি নাযামনা ?"—আমাক এইদৰে বুজাই নিজে স্বগতোক্তিৰ দৰে ৰেকৰ্ড কৰিছিল : "মই এখেন্‌ পণ্ডিত-সমাজ সাধু-সমাজ বিচ্‌ৰিছিলু, নাপলু…।"

আলিৰ কাষত এইদৰে বহি থাকোঁতে আহক এজন মানুহ—এজন আদ্‌বয়সীয়া মানুহ। কোনোবা বেপাৰী-পোহাৰী, যাবলৈ আহিছে হাট-বজাৰলৈ।

"…(নামটো কাঢ়ি) আইহ্‌লিনা ?" "হৈ বাপ" সেৱা এটি জনাই মানুহজনে উত্তৰ দিয়ে।

"কুশল হ'ক্"—বুলি কৈ আতাই বেপাৰ-সমাৰৰ কথা সোধে, বয়-বস্তু মাছ-কাছৰ অভাৱ-প্ৰাচুৰ্য, দৰ-দামৰ কথা সোধে। সুখ-দুখৰ বুজ-বাজ লয়। মানুহজন যোৱাৰ পিছত আমাক উদ্দেশ্য কৰি আতাই কয়—"বাহি

(১৭ পৃষ্ঠাৰ পিছৰ পৰা)

বাহিৰত গুৰুৱে উপদেশ দিয়ে। হৃদয়ে গুৰুৰ উপদেশৰ পৰা পোৱা জ্ঞানৰ সত্যতা উপলব্ধি কৰিব পাৰিলে অন্তৰ্যামী গুৰুৱে বাহিৰৰ গুৰুৰ বাণীক সত্য কৰা হয় ; কিন্তু তাৰ বাবে ভগৱানৰ নামত ৰতি হ'ব লাগিব। বাহিৰৰ গুৰুৱেও ভগৱানৰ নামত ৰতি হোৱাৰ উপদেশকে দিয়ে। তথাপি উপদেশ শুনিলেই ভগৱানৰ নামত ৰতি নহয়, অন্তৰ্যামী স্বৰূপে হৃদয়ত থকা চৈতন্য বস্তু বা আত্মাৰ লগত বাহিৰৰ গুৰুক একে কৰি ল'ব পাৰিলেহে বাহিৰ-ভিতৰ একে হ'ব আৰু ভগৱানৰ নামত স্থায়ী ৰতি হ'ব। (ক্ৰমশঃ)

থাকিবাৰ কাৰণেও সংগ্ৰাম কৰিব লাগে, দুখ কৰিলেহে সুখ ভৰে। ঈশ্বৰে যে আমাক হাত ভৰি দিছে, কাম কৰিবাক লৈহে দিছে ; চা এই মানুহবিলাকে খেনোক, —ৰ'দে-বৰষুণে হটফটকৈ খোজ কাঢ়িছে, পৰিশ্ৰম কৰিছে দুটা পইচা উপাৰ্জন কৰিবলৈ, ছা-ছলিক পুহ-পাল দিবাক লৈ।" শস্তেক তেওঁক মাৰি থাকি আমাক উপদেশ দিয়াৰ ছলেৰে কৈছিল—"কষ্ট কৰিবা শিকিবি। জীৱনত দুখ আছে সহ্য কৰিবা শিকিবি। ধৰিত্ৰী সম সহনশীল হবি, তৰুসম স্থিৰ হবি।"

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে আতাই জীৱনত বহুত ঠেকিছিল, শিকিছিল, দুখ-দাৰিদ্ৰ্যৰ লগত সংগ্ৰাম কৰিব-লগীয়া হৈছিল, জীৱনৰ প্ৰথম ভাগত। কিন্তু জীৱনত পোৱা শোক-তাপে তেওঁক বিচলিত কৰিব পৰা নাছিল। তেওঁৰ জেষ্ঠ পুত্ৰ পণ্ডিত ৺জয়কৃষ্ণ মিশ্ৰৰ অকাল মৃত্যু হোৱাতো তেওঁ যি ধৈৰ্য-স্থৈৰ্য দেখুৱাইছিল, ডঃ বাণীকান্ত কাকতি আদিয়ে সেইটো শ্ৰদ্ধাসহকাৰে সুঁৱৰিছিল। পণ্ডিত, ধৰ্মপ্ৰাণ ব্যক্তি হলেও আতা বাস্তৱ-বুদ্ধি ৰহিত নাছিল। ঘৰ-সংসাৰৰ যাবতীয় দায়িত্ব পালন কৰাৰ উপৰিও মাটি-বাৰী সংক্ৰান্তীয় লেঠা-পেঠাও মূৰ পাতি লৈছিল। বৰপেটা চহৰত প্ৰথম মটৰ-গাড়ী চালু কৰে আতাই। আকৌ, শাস্ত্ৰ-সাহিত্য বিষয়ক পুথি-পাঁজি প্ৰকাশ কৰাৰ কাৰণে এটা প্ৰেছো তেওঁ স্থাপন কৰিছিল। (এই প্ৰেছটো পিছত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে নিয়ে)।

এইবাৰ আহক এগৰাকী প্ৰৌঢ়া ; তেওঁৰ পিছে পিছে ন-বোৱাৰীয়েক আৰু লগত এজনী সৰু ছোৱালী। প্ৰৌঢ়া মহিলা গৰাকীয়ে আতাৰ কাষ চাপি আহি বোৱাৰীয়েকহঁতকো তাকে কৰিবলৈ ইঙ্গিত দি আঠুকাঢ়ি সেৱা জনালে।

"কল্যাণ, কল্যাণ। এওঁ তুমাৰ নোতুন বৰী লোহৈনা ?"

"হয় দেৱক বাপ।" মহিলা গৰাকীয়ে কলে।

"বেছ, বেছ।" এই বুলি উল্লাসেৰে কৈ বোৱাৰীয়েকজনীৰ পিনে চাই সোধে—"তোৰ নাম কি মাৰ ?"

সাৱদা নাইবা লক্ষ্মী—কিবা এটা নাম ক'লে।

"অস্, অপূৰ্ব নাম।" —এই বুলি সন্তোষ প্ৰকাশ কৰি আতাই হয়তো নামাৰ্থ কৰিলে বা নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰিলে। আৰু লগতে যোগ দিলে—

"একলা নামেৰে লক্ষ্মী হলিএ নহবো, কামে-কাজেও লক্ষ্মী হবি, স্বামীয়েই তোৰ দেৱতা, ভালকৈ সেৱা-শুশ্ৰূষা কৰিবি, জানিছানা······ ?"

মূখলৈ এসোঁতা তেজ নামি অহা ন-কইনাই মিচিককৈ হাঁহি মাৰি লাজ লাজ ভাৱে তলমূৰ কৰি কপালৰ চুলিকোছা আৰু ওৰণিখন ঠিক কৈ লৈ নখে-মাটি লেখিবলৈ ধৰিলে।

"হকাৰ নধৰা কিও ?" আতাৰ সকীয়নিত হাত দুখন মোহাৰি ফিচিককৈ হাঁহি এটি মাৰি বোৱাৰীয়েকে সমৰ্থন জনালে ?

"ববেৰ (বোৱাৰীয়েৰাৰ) ৰান্ধা-বাঢ়াৰ সদ্ (সোৱাদ) পাইছানা ?"

শাহুৱেকে বোৱাৰীয়েকৰ মুখৰ পিনে চাই প্ৰাণ খোলা হাঁহি মাৰিলে। আতায়ো সেই হাঁহিত যোগ দি কয়—"তুমাৰ আৰ ভয় নাই। ববেক শিখে-বুজে লবা। তুমাৰ সুখ হবো দিয়া।"

সিইঁত যাবলৈ খোজ পেলাওঁতেই আতাৰ চকুত পৰিল হাতত এটি টোপোলা সহ সৰু ছোৱালীটিলৈ। "মাই তোৰ হাতত সিটু কিহোৰ টপলা ?"—লেনিয়াই আটাই সোধে। ছোৱালীজনীয়ে সেহো-নেহো কৰি থাকোঁতেই তিকতাজনীয়ে উত্তৰ দিয়ে—"আমাৰ আপীলৈ কিবা অলপ······"। জীয়েকক ওচৰতে ক'ৰবাত বিয়া দিছে, তালৈ যাব।

"অ' তুহন জীয়েৰ তাকে যাবি? জাবেঁ (জোঁৱায়ে) কি কৰে ? ···" ইত্যাদি বা-বাতৰি লৈ ছোৱালীটিৰ পিনে চাই ৰগৰ কৰি কয়—"আমাকো লাড়ু-পিঠা সুখুৱাবে মাই ?—বাএকোক লোগিন এইৰ বৰ মৰম···।"



তেওঁলোক যোৱাৰ পিছত সভাসদৰ আগত, খুকখুককৈ অৰ্থব্যঞ্জক, বৈশিষ্ট্যপূৰ্ণ হাঁহিটো মাৰি আতাই ব্যক্ত কৰে—"মায়া, সকলো মায়া···।" মায়া শব্দ-ধ্বনিটো হাঁহিৰ স্বৰৰ সহিত মিহলি হৈ যেন এক মায়াময় পৰিবেশৰ সৃষ্টি কৰিলে।

অফিচ-কাছাৰীৰ পৰা মানুহ উভতিল। কিছুমানে মূৰ দোৱাই, কিছুমানে হাত-যোৰ কৰি আতাক সেৱা জনাই পাৰ হৈ গ'ল। দুই একৰ কুশল-বাৰ্তা আতাই ললে, সচৰাচৰ দেখা-সাক্ষাৎ হৈ থকা বিলাকক একেষাৰ মাত দিলে। কোনোজনে হয়তো কাষৰীয়া হৈ পাৰ হৈ যাব খোজোঁতেই মাত দিলে—"ইটু অমুক না ?"

মুখত সংকোচ বা দোষী দোষী ভাব ফুটি উঠা মানুহজনে কাষ চাপি আহি সম্ভ্ৰম জনাই মূৰ খজুৱাই কি ক'ব নক'ব ভাবি থাকোঁতেই আতাই সুধিলে—"পিতে ভালে আছেনা ? বহুদিন ইফালে দেখুন আহা নাই।····পিতেৰ প্ৰতিপত্তি চা····ধৰ্ম কৰ্ম কৰাৰ কাৰণেহে এই সম্পদ-বিভূতি ; তুহনো···" দিহা ভৰসা দি আতাই মানুহজনক বিদায় দিয়ে।

কাৰোবাৰ কথা-কৰ্ম-ধৰণ-কৰণ অশালীন হ'লে আতাৰ উঠিছিল টিঙিচকৈ বামুণীয়া খংটো। একেবাৰে উগ্ৰ মূৰ্তি, ঘোপা দৃষ্টি। আগা-আগিকৈ গালি-শপনি পাৰি মানুহজনক নগুৰ-নাগতি কৰে। মানুহজন গুচি যোৱাৰ পিছত আতাই কৈ যায়—"মানুহগিলা অধঃপাতে গেল, গতে পানী হল ; ধৰ্ম-কৰ্ম, গহে-গুৰু (গুৰু-গোঁসাই) নামানা হ'ল···· চোৰ কালে কোচ্চে।"

হয়তো দুদিনমান পিছতেই মানুহজনক বাটত দেখিলে আতাই। তেওঁ নেদেখা ভাও জুৰি আঁতৰি যাব খুজিলেও তীক্ষ্ণ দৃষ্টিৰ হাত সাৰে ক'ত ?—"এই 'অমুক'।—ইফালে আহ, নেদখা ভাও জুৰি যা কোক ?"—বুলি মানুহজনক ওচৰলৈ আহ্বান কৰি আনি খুকখুককৈ হাঁহি মাৰি আতাই "তোক সিদনা গালিপাৰা বাবে খং অভিমান কোচ্ছা নাকি এ" বুলি মৰম সনা মাতেৰে আৰম্ভ কৰি অনুক্ৰমে স্বৰটো কঠোৰ কৰি কৈ যায়—

"খং-ৰাগ নকৰিবি। তুহাৰ ভালোৰ নিমিত্তেই এগলা-যেন্ কউ।····সদাচাৰ পালন নকল্লি, নিয়ম-নীতি নামানল্লি মানহু হবি কেনকে ? ভাল হবাক্ লোগি শিখ্।" এইদৰে বুজাই-বঢ়াই অৱশেষত এজোলোকা আশীৰ্বাদ দি বিদায় দিয়ে—"ঈশ্বৰে তোক সুমোতি দিয়ক, তোৰ মঙ্গল কৰক।"

আলি বাটেৰে গৰু-ম'হৰ গাড়ী পাৰ হৈ যায়। গাৰোৱানে গৰু-মহক কোবোৱা দেখিলে আতা অতীষ্ঠ হয়। গাৰোৱানক সতৰ্ক কৰি দিয়ে—"যাৰ বহত ভাত মুঠা পাইছা, তাকেই আৰো কুৰ ?····মৰম সাদৰ কোৰিবা লাগে, সিও প্ৰাণী, তাৰো দুখ-বেদনা আছে।" কেতিয়াবা অসহ্য হলে উঠিগৈ হাতৰ লাঠিডাল জোকাৰি জোকাৰি কয়—"তোক টকনেৰে কুৰলি কেনে মজ্জা পাবি ?"

গাড়ী ৰখাই হাত-মুখ মোহাৰি গাৰোৱানে বিবৃত কৰিবৰ চেষ্টা কৰে—"নহৈ বাপ্ ; গুৰুবলি আহন···" "ঈশ্বৰঃ সৰ্বভূতানাং হৃদ্দেশেঽৰ্জুন তিষ্ঠতি···" এই বুলি শ্লোক মাতি দি ভাঙি-পাতি গাৰোৱানক বুজাবলৈ ধৰে। 'আত্মবৎ সৰ্বভূতেষু যঃ পশ্যতি সঃ পণ্ডিতঃ'—সকলো ভূতত আত্মাক দৰ্শন কৰিব পাৰিলে পণ্ডিতেই হ'লোহেতেন বুলি কবলৈ গাৰোৱানৰ বিদ্যা-বুদ্ধি নাছিল।

"প্ৰায়ঃ সৰ্বো ভৱতি কৰুণাবৃত্তিৰাৰ্দ্ৰান্তৰাত্মা" (মেঘদূত)—যাৰ অন্তৰাত্মা আৰ্দ্ৰ, তেওঁলোক প্ৰায়েই কৰুণাশীল। আতাৰ অন্তঃকৰণ আছিল কোমল-কৰুণাশীল। কেতিয়াবা কঢ় ব্যৱহাৰ কৰা যেন লাগিলেও, বা দুটা মাত মাতিলেও অন্তঃসলিলা ফল্গু নদীৰ দৰে তেওঁৰ অন্তঃকৰণত প্ৰেম-কৰুণাৰ সোঁত প্ৰবাহিত হৈছিল। কেতিয়াবা কোনোবাই আতাৰ প্ৰতি বিদ্বেষ ভাব পোষণ কৰিলেও বা বিৰুদ্ধাচৰণ কৰিলেও তেওঁ তাকেই ধৰি নাথাকি বিপদ-আপদৰ সময়ত মানুহজনৰ প্ৰতি সহায়-সহযোগ আগ বঢ়াইছিল। চহৰ বাসী সুখী-দুখী, সৰু-বৰ লোকৰ শোক-দুখৰ সময়ত আতাই

খা-খবৰ লোৱাইছিল আৰু নিজে গৈয়ো আশ্বাস দিছিল, সহানুভূতি জনাইছিল।

আতা আছিল আমাৰ খেল-ধেমালি ফুৰা-চকাৰ লগৰীয়া। আমাৰ লগত খেলা-ধূলা, ৰং-ধেমালি কৰাৰ সময়ত এনেকুৱা লাগিছিল যেন আতা আমাৰ লগ-সমনীয়াহে; বালিৰ ঘৰ বন্ধা, মাটিৰ ভাত বন-পাতৰ আঞ্জা-মাছ ৰন্ধা, লুকাভাকু খেলা ইত্যাদি ধেমালি-ধুমুহাত তেওঁ শিশুৰ দৰে যোগ দিছিল।

সক কালত আতাৰ লগত আবেলি গধূলি পৰত বিশেষকৈ জহ কালি, আমি প্ৰায়েই কীৰ্তন ঘৰলৈ ফুৰিবলৈ গৈছিলো। বকুল ফুল বুটলিছিলো, আতায়ো আমাৰ লগত যোগ দিছিল। বেৰত খোদিত-অঙ্কিত মূৰ্তিবোৰ চাইছিলো—আতাই আখ্যান-উপাখ্যান স্মৰণ কৰাই দি বুজাই দিছিল। কেৱলীয়া ভকতৰ বাহালৈ গৈও কেতিয়াবা আলাপ কৰিছিল; কিন্তু প্ৰায়েই বহিছিল সত্ৰৰ চৌহদত থকা শিল এটাত। কীৰ্তন ঘৰৰ ভিতৰত চলি থকা নাম-প্ৰসঙ্গৰ তালে তালে দুই এচাপৰ মাৰিছিল, ঘোষা-পদ এফাকি-দুফাকি মাতিছিল। সত্ৰত গধূলি গধূলি ডুডুম ডুম ডবা কোবায়; ডবাত কোব শুনাৰ লগে লগে খোজ কাঢ়ি থাকিলে আতা থিয় হয়, লগতে লৰ-চৰ নকৰাকৈ আমিও থিয় হওঁ। সত্ৰৰ নিজম চৌহদত বিৰাজ কৰা শান্ত-নীৰৱতা ভেদ কৰি ডবাৰ কোবে আকাশ-বতাহ নিনাদিত কৰে, কি যেন এক ৰহস্যময় মৌন-নিস্তব্ধতাই আমাক আচ্ছন্ন কৰি তোলে। কেতিয়াবা দেখোঁ—চকু দুটা মুদি আতা আত্মস্থ হৈছে, কেতিয়াবা দেখোঁ চকু দুটা বহলকৈ মেলি দি আতাই মঠৰ ওপৰেৰে গধূলি-ধূসৰ আকাশ দিগন্তলৈ অপলক নেত্ৰে চাই আছে।

আমাক, সকবোৰক ডগাই-বটাই নিদিয়াকৈ তেওঁ কোনো বস্তুৱেই মুখত নিদিছিল। আতাৰ হাতত কিবা খোৱা বস্তু পৰা যেন দেখিলেই আমি লুভীয়াবোৰে এখোজ দুখোজকৈ গৈ তেওঁৰ কাষ চাপোগৈ। ঘৰৰ আইন কোনোবাই হকা-বধা কৰিলেও আতাই আমাক সাদৰ আহ্বান জনায় আৰু কয়: "ছাৱ-ছলিৰ খাবাৰ পাছতেই ভুখ লাগে, দেখ্‌লিএ খাবাৰ মন যাএ। ইহঁত বাল-গোপাল, আহাক খুৱলি শ্ৰীকৃষ্ণ তৃপ্ত হবো।"

সাধু-সজ্জন, সুখী-দুখী বিভিন্ন লোক আমাৰ ঘৰত অতিথি হৈছিলহি। সেই সকলোকে খুৱাই-বুৱাই দিথৈ আটাই সন্তোষ লভিছিল। আমাৰ পৰিয়ালৰ সদস্য ভুক্ত মনুষ্যেতৰ জীৱ-জন্তুবো আতাই নিতৌ তত্ত্বাৱধান কৰিছিল। জেঠাৰ (আজো ককা) বছেৰেকীয়া শ্ৰাদ্ধ আৰু অন্যান্য সকাম-নিকাম, শিষ্য-প্ৰশিষ্য আৰু আন আন লোকক প্ৰসাদ-জলপান দিব-খুৱাব পাৰিলে তেওঁ আনন্দ পাইছিল।

সহায় প্ৰাৰ্থনাকাৰী নাইবা দুখীয়া-মগনীয়া বিলাকক তেওঁ কদাপি বিমুখ নকৰিছিল। এদিন কিবা কাৰণত এজন দুপৰীয়াৰ ভিখাৰী বিমুখ হৈ উভতি যোৱা গম পাই আতাই সেইদিনা আহাৰ পানীয়েই গ্ৰহণ নকৰিলে। দৌল-দোমাহী, উৎসৱাদিৰ সময়ত দুখীয়া মগনিয়াক অন্নদান কৰিছিল। আম-কঠালৰ বতৰত মগনীয়াবিলাকক মাত দি মতাই আনি বাৰীৰ ফল-মূল নিইতৰ মাজত বিলাই দিছিল। কেতিয়াবা পিন্ধা ধুতি-কাপোৰো কোনোবা খোজনীয়াক দান দি দিয়াত গা-পা ধুই তিতা কাপোৰেৰেই থাকিব লগীয়া অৱস্থা হোৱাও দেখা গৈছিল।

আতা আছিল নিৰামিষ-ভোজী আজীৱন। আতাৰ শাগৰ ৰন্ধা ভাত খাই আমি পৰম তৃপ্তি বোধ কৰিছিলো, কৃতাৰ্থ হৈছিলো। আতাই প্ৰায়ভাগ নিজেই ৰন্ধা বঢ়া কৰিছিল; বোৱাৰীয়েকহঁতৰ হাতে নাখাইছিল। ঢেকীয়া শাক, পচলা খাৰ, চেঙেৰী টেঙা, ঔ টেঙা, নিম তিতাৰ পাত আদি আতাৰ প্ৰিয় খাদ্য আছিল। ফল-মূল তেওঁ ভাল পাইছিল। তেওঁৰ এক প্ৰিয় খাদ্য আছিল শ্ৰীফল (বেল)।

আতাই কৱলগীয়া কথাখিনি খাৰাংখাচ কৈ দিছিল, পৰিণতি যিয়েই নহওক।



দুটা উদাহৰণ দিওঁ। এদিন এজন ডেকা কেৱলীয়া আহিল আতাৰ ওচৰলৈ। সেই সময়ত আতাৰ বন্ধু-শিষ্য কেৱলীয়া ভকত এজনো বহি আছিল। কথা-প্ৰসঙ্গত ওলাই পৰিল যে ডেকা কেৱলীয়াই অম্বুবাচী পালন কৰা নাই (সেইদিনা অম্বুবাচীৰ শুদ্ধি আছিল)।

"হা পাষণ্ড! তই কেউলা হৈ ধুতি-নীতি পালন কৰা নাই—শাস্ত্ৰক অৱজ্ঞা কৰাহ!—" বুলি আতাই ৰুদ্ৰমূৰ্তি ধাৰণ কৰিলে। কেৱলীয়াই পৃষ্ঠ ভঙ্গ দিলে। তেওঁ যোৱাৰ পিছত বহা স্থান ডোণৰ পানী ঢালি আঁতাইহে আতা ক্ষান্ত হল। "শাস্ত্ৰ-সদাচাৰ গেল, ধৰ্ম কি তিষ্ঠিবো। কোলিকাল—কোলিকাল—" আতাই বকিলে।

এবাৰ তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী গৰাকীক দেখা কৰিবলৈ গল আতা। কথা প্ৰসঙ্গত সংস্কৃত-শিক্ষা সম্পৰ্কে ওলাল। উল্লেখযোগ্য যে সেই সময়ত বৰপেটা সংস্কৃত টোল চলোৱা-মিলোৱাৰ ভাৰ আমাৰ পৰিয়ালেই বহন কৰিছিল। * আতাই মুখ্যমন্ত্ৰীৰ ওচৰত আবেদন কৰিলে—চৰকাৰৰ পক্ষৰ পৰা কিবা সাহায্য দিব লাগে টোলক। মন্ত্ৰী মহোদয়ে হঠাতে কৈ উঠিল—"আপোনাৰ পুত্ৰসকলে সংস্কৃত বিশেষভাৱে পঢ়া নাই কিয়?"

আতাৰ সহ্য নহল। "ইংৰেজী শিক্ষা বাদ দি কেৱলমাত্ৰ সংস্কৃত সাহিত্য অধ্যয়ন-অধ্যাপনাত ৰত থাকলি আপ্‌নাৰ চৰ্কাৰে তাহাৰ ভৰণ-পুৰণোৰ দায়িত্ব লবো? আপ্‌নি জানেনা সংস্কৃত পণ্ডিত কেটাৰ দুৰৱস্থা কি?—নাল্‌গে যাৱক মোৰ টোলোক সাহায্য দিবা, নিজেই যেন্‌কে পাৰু চলম। ইমেনদিনতো চলেই আছু—?" বুলি আতা বহাৰ পৰা উঠিল।

গুণী-বিদ্বান, সাধু-সজ্জনক তেওঁ আদৰ-শ্ৰদ্ধা কৰিছিল; আমাৰ ঘৰলৈ তেনেকুৱা আলহি-অতিথি আহিলে আতা উৎসাহিত আনন্দিত হৈছিল। তেওঁলোকক খুৱাই-বুৱাই সোধ-পোচ কৰি আৰু তেওঁলোকৰ সৈতে আলাপ-আলোচনা কৰি তেওঁ ভাল পাইছিল।

আতা আছিল পণ্ডিত—বিদগ্ধ পণ্ডিত। ভাগৱত, ৰামায়ণ, মহাভাৰত, উপনিষদ, বেদৰ বহু অংশ, গীতা, কীৰ্তন-ঘোষা, নামঘোষা তেওঁৰ কণ্ঠস্থ আছিল। তদুপৰি দৰ্শন, সাহিত্য, জ্যোতিষ, কবিৰাজী, সঙ্গীত শাস্ত্ৰতো আছিল তেওঁৰ বিশেষ বুৎপত্তি। এনেকুৱা মেধাবী আৰু প্ৰখৰ স্মৃতি-শক্তি সম্পন্ন লোক বিৰল। যি কোনো বিষয়তে আকৰ্ষণীয়কৈ তেওঁ বক্তৃতা দিব পাৰিছিল।

তেওঁ আছিল আজীৱন ছাত্ৰ। আছিল অনুসন্ধিৎসু, জিজ্ঞাসু, শ্ৰদ্ধাবান আৰু সকলোবোৰ কথাৰে আঁতি গুৰি জানি লৈ খৰচি মাৰি জানি লৈহে সন্তুষ্ট। আনেও তেনে নিষ্ঠাবান হোৱাটো তেওঁ বিচাৰিছিল। উপযুক্ত ছাত্ৰ নাপালে বুলি আতাই প্ৰায়েই আক্ষেপ কৰিছিল।

আতা অভিমানী আছিল। তেওঁ নিজেই কৈছিল—'আত্মমৰ্যদা দিব লাগে।' বংশ-পৰম্পৰালৈও তেওঁ আছিল গৌৰৱান্বিত। তেওঁ আছিল নৈষ্ঠিক ব্ৰাহ্মণ; শাস্ত্ৰৰ হাদ-বচন পালনত দৃঢ়, কঠোৰ; আছিল তেজস্বান, বীৰ্যবান, ধৈৰ্যশীল আৰু পৰৰ দুখত কাতৰ। অন্তৰ আছিল বজ্ৰতকৈও কঠোৰ, ফুলতকৈও কোমল।

এইজনা পুৰুষৰ অগাধ পাণ্ডিত্য ঠিকমতে ব্যৱহৃত হবলৈ নাপালে। এই পাণ্ডিত্য কিছু পৰিমানে অপব্যৱহৃত হোৱা বুলিও মোৰ ধাৰণা। তাৰ বাবে আতা নিজেও কিছু পৰিমাণে দায়ী, আৰু দায়ী পৰিবেশ-পৰিস্থিতিও। তেওঁ বহু সৰু সৰু কথা-কৰ্মত লাগি থাকিছিল বা থাকিব লগীয়া হৈছিল। অৱশ্যে অনেক প্ৰতিকূল অৱস্থাৰ মাজেদিও জীৱন অতিবাহিত কৰিব লগাত পৰিছিল। উৎসাহ-অনুপ্ৰেৰণা আৰু অনুকূল পৰিবেশ পালে এইজনা বিচক্ষণ লোকৰ পৰা আমি বহু মূল্য বা অমূল্য পাব পাৰিলোহেতেন।

(২৫ পৃষ্ঠাত চাওক)

* এতিয়া এই টোলক চৰকাৰে 'আদৰ্শ টোল'ৰ গ্ৰেণ্ট দিছে।

## ডালিমীৰ দেশলৈ—

# তিনিঘণ্টীয়া মটৰ-বাটৰ ভ্ৰমণ-স্মৃতি

শ্ৰীহৰিপ্ৰসাদ ৰাই

হয় বন্ধু, তোমাৰ কাৰণেই মই বাট চাই আছিলোঁ, আহিলা ভাল হ'ল। ৰেলৰ পৰা নামি আহা। নগাপাহাৰলৈ যাবৰ বাবে এতিয়াও ৰেলৰ বাট হোৱা নাই। এতিয়া আমি নগালেণ্ড ট্ৰেন্সপোৰ্ট অফিচলৈ গৈ টিকেট লব লাগিব। তাৰ আগতে বলা আমাৰ বন্ধু শ্ৰীগোবিন্দ চন্দ্ৰ শৈৰা আৰু শ্ৰীধন বাহাদুৰ সোণাৰৰ ঘৰলৈ গৈ থন্তেক জিৰাই শঁতাই লৈ কহিমালৈ যাম। গোবিন্দচন্দ্ৰ বৰ্ত্তমানে নগালেণ্ড চৰ্কাৰৰ এম-এল-এ। ধন বাহাদুৰে অৰুণাচলৰ চাৰ্কেল অফিচাৰৰ পদৰ পৰা পেন্সন লৈ এতিয়া কুঁহিয়াৰ খেতিত ধৰিছে। দুয়ো "চিৰচেনেহী মোৰ ভাষা জননীৰ" উপাসক আৰু দুয়ো আমাৰ অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত গিৰিধৰ শৰ্মাদেৱৰ বন্ধু আৰু একালৰ সহকৰ্মী। সহকৰ্মী বোলোঁতে আচৰিত হৈছা নেকি? মোৰ সেইদৰে কোৱাৰ তাৎপৰ্য হৈছে এসময়ত শ্ৰীগিৰিধৰ শৰ্মাই কহিমা গৱৰ্ণমেণ্ট হাইস্কুলত সহকাৰী শিক্ষকতা কৰিছিল; তেতিয়া এই লিখক, শ্ৰীধন, শ্ৰীগোবিন্দ আমি সকলোৱে "টোকোনা পণ্ডিতগিৰি" কৰিছিলোঁহক। পিছত শ্ৰীশৈৰাই ৰাজনীতিত লাগি নগাৰাজ্যৰ বিধান সভা পালেগৈ, শ্ৰীধন বাহাদুৰ গৈ নেফাত চাৰ্কেল অফিচাৰ হ'ল, এই নিঃকিন জনে গৈ আকাশবাণীত এচিষ্টেণ্ট ষ্টেচন ডাইৰেক্টৰ আৰু আমাৰ সভাপতিগৈ আৰ্য্য বিদ্যাপীঠৰ অধ্যক্ষ হ'ল গৈ।

বলা এতিয়া আমি গৈ বাছত উঠিম। টিকিট লোৱা হৈছে। ডিমাপুৰখন দেখিলা নহয় কিমান ডাঙৰ। আগতে তেনে নাছিল, আছিল অটব্য অৰণ্য। আমাৰ অমৰ সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়া ১৮৯১ চনত কহিমালৈ আহোঁতে বাটতে ৰাতি বনৰীয়া হাতীৰ মুখৰ আগত পৰিছিল। হাতী দেখি গাৰোৱানে গাড়ী এৰি পলাই গৈছিল। গাড়ী টনা গৰু হালে গজৰাজক দেখি গাড়ী টানিবলৈ এৰি হাবিলৈ লৰ দিছিল। ঈশ্বৰৰ কৃপাত গোহাঞি বৰুৱা, তেখেতৰ নৱ বিবাহিতা পত্নী লীলা আৰু লগুৱা লৰাটোৰ কোনো অনিষ্ট নকৰাকৈ গজৰাজ মাত্ৰ জ্বলি থকা লেম্পটো ভাঙি থৈ গুচি গৈছিল হেনো।

বাছ চলিবলৈ ধৰিছে। ভাল লাগিছে নহয়। এয়া ধনশিৰি নৈৰ ওপৰৰ ধনশিৰি দলং-তথা পুৰণি ৰজাৰ। এয়া সোঁ চিপাহীৰ ছাউনি দেখিছা নহয়, আগতে ইয়াত মহাভাৰতীয় ঘটোৎকচ ৰজাৰ স্তম্ভবিলাক আছিল ধুনীয়া কাৰুকাৰ্য কৰা। সেই ফালে ভিতৰলৈ গলে এতিয়াও দুই এটি চিন থৈ দিয়া আছে।

ডিমাপুৰ নামটো হেনো হিড়িম্বপুৰৰ পৰা হৈছে। মহাভাৰতৰ দিনৰ মায়া নগৰী এয়ে। ইয়াতে দ্বিতীয় পাণ্ডৱে ডিমাপুৰৰ ৰজা হিড়িম্বক বধ কৰি তেওঁৰ ভনীয়েক হিড়িম্বা সুন্দৰীক বিয়া কৰাইছিল। সেই বিয়াৰ ফল স্বৰূপে জন্ম হৈছিল ঘটোৎকচৰ। ঘটোৎকচ মহা বিজ্ঞানবিদ্ আছিল, শূইনত ভাৰৰ আঁৰত থাকি যুদ্ধ কৰিছিল। কুৰুক্ষেত্ৰৰ যুদ্ধত মৃত্যু অৱশ্যম্ভাৱী জানি "মৰিও যাওঁ মাৰিও যাওঁ" মন্ত্ৰেৰে নিজৰ শৰীৰ বঢ়াই পৰ্বত যেন কৰি কুৰু সৈন্যৰ ওপৰত পৰি বিৰাট ভাৱেৰে চেপি থৈ শত্ৰু সৈন্য সংহাৰ কৰিছিল।

ডিমাপুৰৰ বিষয়ে ৰাণী গাইডিলুয়ে কয়, সেয়া হেইডিন বোৰ নগৰ। হেইডিন বো, জেলিয়াঙ সম্প্ৰদায়ৰ এটি সৰৱৰহী নাম। কহিমাত যে তৃতীয় পাণ্ডৱ অৰ্জুনে উলুপীক বিয়া কৰাইছিল, সেই উলুপীও জেলিয়াং-ৰোঙৰে হব, কাৰণ এনে নাম জেলিয়াং সকলৰ মাজত এতিয়াও প্ৰচলিত। উলীউপী, হেইপী, গাইদিলীউ এনে নাম নগাৰ অন্য সম্প্ৰদায়ত নাই। ৰাণী গাইদিলীউৱে কয় তেওঁ হিন্দু। এই লিখকে তিনি চাৰিবাৰমান গাইদিলীউক লগ পাইছে। ৰাণীৰ বয়স এতিয়া ৭০ বছৰ মান হব, কিন্তু স্বাস্থ্য দেখিলে এতিয়াও তেওঁক কুৰি বছৰমানহে হৈছে যেন দেখি।

---

( ২৩ পৃষ্ঠাৰ পিছৰ পৰা )

সংস্কৃত পৰিষদৰ সভাপতি হিচাপে লিখিত অভিভাষণ কেইখনি তেওঁৰ পাণ্ডিত্য আৰু চিন্তাৰ পৰিচায়ক। তেওঁ 'শ্ৰীকৃষ্ণ' নামক গ্ৰন্থ এখন সংস্কৃততে ৰচনা কৰিবলৈ লৈছিল; কিন্তু সেইখন অসম্পূৰ্ণ থাকিল। 'বৰগীত'ৰ টীকা-ব্যাখ্যা সম্বলিত পুথি এখনো লিখাৰ মনকামনা আছিল তেওঁৰ। (জীৱনৰ শেষৰ দিনে লিখা "নামঘোষাৰ ব্যাখ্যা"খন অলপতে প্ৰকাশিত হব।)

এবাৰ এখন সভাত বক্তৃতা দি থাকোঁতে হঠাতে আতাই আবেগ বিহ্বল হৈ পৰিছিল আৰু কান্দো-কান্দো হৈ কৈ উঠিছিল; "জীৱনটো এনেই গ'ল, একো শিখাই নহল····।"



আমি কথা পাতি থাকোঁতে আমাৰ বাছখনে পঞ্চম পুথুৰী পাৰ হৈ কোঁ কোঁৱাই নীচু গাৰ্ডৰ ওচৰ পালে। ডিমাপুৰৰ পৰা নীচুগাৰ্ডলৈ বাট একেবাৰে পোন—এটি সৰল ৰেখাহে যেন, কোনোবা সৰু লৰাই যেন চিলটৰ ওপৰত ফলিওটিৰে পোন দীঘল এটি আঁচ টানোতে মাজে মাজে ঠায়ে ঠায়ে যেন অলপ অচৰপ বেঁকা হৈ গৈছে—সিমানেই। এই বাটছোৱাত বাটৰ দুয়োকাষে ধুনীয়া ধুনীয়া ফুলৰ গছ আছে।

—এয়া নীচুগাৰ্ড পালোঁ। ইয়াত গেট আছে সেয়া। পুলিচে ইয়াত বহিৰাগত যাত্ৰী সকলৰ 'পাছ' (অনুমতি পত্ৰ) পৰীক্ষা কৰি যাবলৈ দিয়ে। এই নিয়ম বৃটীছৰ দিনৰ পৰাই চলি আহিছে। ইয়াক ইনাৰ লাইন পাছ চেকিং বোলে। পোন প্ৰথমতে বৃটীছে এই প্ৰথা প্ৰচলন কৰিছিল (নগা পৰ্বত ভাৰতৰ মাজত থাকিলেও) ভাৰত আৰু নগা পৰ্বতৰ মাজত অপ্ৰাকৃত লৌহ পৰ্দা সৃষ্টি কৰিবলৈ, যাতে ভাৰতীয় ধৰ্ম-সংস্কৃতিয়ে নগা পৰ্বতত ঠাঙ ঠেঙুলী মেলিব নোৱাৰে, সেই উদ্দেশ্যে।

১৯৩৩-৩৫ চনৰ কথা। তেতিয়া জে. পী মিলচ্ কহিমাত ডেপুটী কমিছনাৰ আছিল। তেওঁ তেওঁৰ ডায়েৰীত লিখিছিল (শ্ৰীকৰুণাকান্ত গগৈয়ে তেখেতৰ ব্যক্তিগত ডায়েৰী হাতে লিখা অৱস্থাৰ পৰা টাইপ কৰি দিছিল) "নগাবিলাক এতিয়াও তাহানিৰ সেই বাইবেলত উল্লেখিত ইডেন কাননত আছে, এতিয়াও এওঁলোকে নিষিদ্ধ সোণালী ফল খোৱা নাই!"

তেতিয়াৰ দিনত জিলাৰ বৰচাহাবেই সৰ্বেসৰ্বা আছিল! বৰচাহাবে সকলো চৰকাৰী বিভাগৰ পৰিচালক বা অধ্যক্ষ আছিল। সেই কালত কহিমা স্কুলাৰ টেক্‌নিকেল স্কুলত মাহে তিনি টকা জলপানি দি নগা লৰা বিলাকক তিনি বছৰীয়া শিক্ষা দিয়া হৈছিল। কহিমালৈ আহি স্বভাৱতে লৰা বিলাকে হাফ পেণ্ট পিন্ধিবলৈ শিকিছিল। মিলচ্ চাহাবে কিন্তু মাজে মাজে আহি স্কুল পৰিদৰ্শন কৰিছিল আৰু যিজন লৰাক হাফপেণ্ট পিন্ধা দেখে তাৰেই জলপানি কাটি দিছিল।

নীচু গাৰ্ড নামটো কেনেকৈ পালে সেই কথা অলপ কওঁ। ১৮৫০-৭০ চনত বৃটিছে প্ৰথমে নগাওঁ, তাৰ পিছত মিকিৰ পাহাৰৰ মহংদিজুৱাত ছাউনী পাতে আৰু ১৯ শতিকাৰ ষষ্ঠ দশকত মহংদিজুৱাৰ পৰা নীচু গাৰ্ড বা চেম' কেডিমালৈ ছাউনী তুলি আনে। ইয়ালৈ ছাউনী তুলি অনাৰ পিছত ওপৰত এদল গাৰ্ড আৰু তলত এদল গাৰ্ড আছিল। এই যে তলৰ গাৰ্ড থকা ঠাই—সেই ঠাইকে নীচু গাৰ্ড বোলা হ'ল আৰু আজিকোপতি নীচুগাৰ্ড বোলা হয়। ১৯৭১-৭২ৰ পৰা আকৌ এই ঠাইক চেম' কেডিমা (chemokedima) বুলি কোৱা হবলৈ ধৰিছে।

এই লিখকৰ পিতৃ পোন প্ৰথমতে বৃটিছৰ লগত নেটিভ ইনফেন্ট্ৰি ফোৰ্চৰ চাৰ্জেণ্ট নাইবা ৱাৰাণ্টেড অফিচাৰ হিচাবে ইয়ালৈ আহিছিল। তেওঁ কৈছিল, ঘাচপানীৰ ডাঠ হাবিৰ মাজত পকৱাই পাই তেওঁলোকৰ চিপাহী দুজন হেৰাই গৈছিল! বহুদিনৰ মূৰত নৈৰ গতি পথেদি সিহঁত হেনো ঘূৰি আহিছিল, তাৰে এজন জোঁকৰ কামোৰত তেজ নাইকিয়া হৈ মৰি গৈছিল! হাবিত সোমালে বেলি দেখা নগৈছিল। উত্তৰ-দক্ষিণ, পূব-পশ্চিম চিনিব নোৱাৰা হৈ পৰা সেই হাবি কাটি এতিয়া মুকলি পথাৰ কৰা হৈছে। বৰ্তমানে সেই ঠাইবোৰত বহু মানুহৰ বসতি।

বাছখন ইয়াৰ পৰা আগুৱাই গৈ দলং এখন পাৰ হব ধৰিছে, লগে লগে ডিমাপুৰৰ প্ৰখৰ সূৰ্যতাপ পাছ পেলাই এতিয়া বাছখনে ভৈয়াম এৰি অঁকাইপকাই পৰ্বত বগাবলৈ ধৰিছে! বাটৰ কাষে কাষে পৰ্বতীয়া নিজৰা কুলু কুলুকৈ বৈ গৈছে! দেখি ভাল লাগিছে নহয় নে?

এয়া আমি কুকী দলং পালোঁ। কুকী দলং নৈখনত নামি ভাল লাগে। গোহাঞি বৰুৱাৰ সহধৰ্ম্মিণীয়ে ইয়াতে নামি ঘূৰণীয়া ঘূৰণীয়া শিলগুটিবোৰ বুটলি কোঁচ ভৰাই লৈ আনন্দত উত্ৰাৱল হৈছিল, আৰু সেও লগা নে কিবা হোৱাৰ বাবে অসুস্থ হৈ পৰিছিল! পদ্মনাথৰ অমৰ লিখনীৰে যি বৰ্ণনা থৈ গৈছে, তাকে পঢ়িলে আইদেও যেন এতিয়াও আমাৰ ওচৰত আছে এনে লাগে।

ইয়াত যি মাছ পোৱা যায়, সেয়া হেনো অইন জানজুৰি বা পৃথিৱীৰ মাছতকৈ বেছি সুখাদ্য বা জুতিলগা! অত্যুক্তি হলে ক্ষমা কৰিব, মই কিন্তু ইয়াৰ সাধাৰণ মানুহৰ বিশ্বাসৰ কথাহে কৈছোঁ।

কুকি দলং পাৰ হৈ এয়া ঘাছ পানী পালোঁ। ঘাছ পানীৰ হাবিত অসংখ্য বাঁহনি। দ্বিতীয় মহাসমৰৰ পিছত যুদ্ধ বিধ্বস্ত কহিমা নগৰখনত পুনৰ্বসতি আৰু পুনৰ্নিমাণৰ বাবে ইয়াৰ পৰাই ঘৰৰ খুটা, মাৰলি বা কাঠ আৰু চিলিং বা ডালৰ বাবে বাঁহ ইয়াৰ পৰাই যোগান দিয়া হৈছিল। তেতিয়া ঘাছপানী ডাম্পৰ ইনচাৰ্জ এই লিখকেই আছিল। ঘাছ পানীৰ পৰা আগুৱাই গলে বাটবোৰত অসংখ্য কেঁকুৰি আৰু ভয়ঙ্কৰ গড়া পোৱা যায়। সেইবোৰৰ ওপৰেদি যাত্ৰীবাহী বাছ যোৱা দেখিবলৈ পাম।

এয়া অটব্য হাবিৰ মাজ বাট; কিন্তু বাটৰ কাষে কাষে সেয়া ধুনীয়া ধুনীয়া বহুৰঙী অৰ্কিড (orchid) ফুলবোৰ গছৰ ডালে ডালে ওলমি আছে!

এতিয়া এয়া পিফিমা পালোঁ। এই পিফিমাত অলপ পৰ বাছ ৰয়। যাত্ৰীবিলাকে ইয়াত চাহপানী খাই যাব পাৰে। পিফিমাৰ বাওঁফালে গড়া আৰু নৈ, নৈখনৰ সিপাৰে সেয়া "থাপুমা" বস্তি! দ্বিতীয় মহাসমৰত এই লিখকে চিভিলিয়ান ইণ্টাৰপ্ৰিটাৰৰ কাম কৰিব লগীয়াত পৰিছিল। স্থানীয় নগা চোৰাংচোৱা (scout) ৰ কথা খিনি ইংৰাজীলৈ ভাঙনি কৰি তেতিয়াৰ বৃটিছ বাহিনীৰ সেনাপতিক বুজাই দিব লগীয়াত পৰিছিলোঁ। ১৯৪৪ চনৰ এপ্ৰিলৰ কথা; কোনোবা এৰাতি বতৰা পোৱা গল যে আজাদ হিন্দ ফৌজৰ এদল সৈন্য আহি থাপুমাত আছে।

সেই আজাদ হিন্দ ফৌজক আক্ৰমণৰ যোজনা তৈয়াৰ হ'ল। আঠৈ কুৰিজনতকৈ বেছি বৃটিছ গোৰা চিপাহীয়ে মুখত ক'লা ছাই সানি ৰাতি আক্ৰমণ কৰিলে। নৈৰ পাৰত তুমুল যুদ্ধ হল; আজাদ হিন্দ ফৌজৰ কিমান ৰণত পৰিল কব পৰা নগ'ল। বৃটিছৰ প্ৰায় বিলাকেই মৰিল, দুই এজনহে বাকী থাকিল। সেই ৰাতিৰ ইমান গোপনীয় ভাবে ৰখা হল যে কোনেও তাৰ ফুটকে নেপালে।

পিফীমা পাৰ হৈ লাল মাটি পালোঁ। তাৰ পৰা আগুৱাই আহি আছোঁইক, সেয়া বাটৰ দুয়ো কাষে কলগছবোৰ অসংখ্য গজি থকা দেখা গৈছে!

তাৰ পৰা আগুৱাই জুবজা পোৱা গ'ল। কহিমালৈ আৰু বেছি দূৰ নাই। সেই যে কেঁকুৰিটো দেখিছো সেয়া পাৰ হৈ গলেই কহিমা নগৰৰ এছোৱা দেখা যাব। এয়া কহিমা পালোঁহি! এয়া তিনি আলি। সোঁফালে গলে মণিপুৰ পাম, বাওঁফালে গলে কহিমাৰ বজাৰ পাম।

সেয়া এই শিলাস্তম্ভ। ইয়াত লিখা আছে—

"When you go home
Tell them of us and say
For their tomorrow
We gave our today."

দ্বিতীয় মহাসমৰত মৰা বৃটিছ চিপাহীবিলাকৰ স্মৃতিত লিখা। ওপৰলৈ উঠি গলে আৰু বহু এনে ধুনীয়া ধুনীয়া উক্তি, উক্তিবিলাক দেখিবলৈ পামইক। এঠাইত আছে

"Here lies...British soldiers
In this corner
Which is for ever England."

এই কবৰখানাৰ ঠাইতে এসময়ত নগাপৰ্বতৰ শাসনকৰ্তা বৰ চাহাবৰ বঙলা আছিল। আৰু তাৰ পাছ কালে বৃটিছ বিষয়াসকলৰ ক্লাব আছিল। তাৰো পাছ ফালে কুকী পীক নামেৰে এডোখৰ কুঞ্জবন আছিল। সেই কুঞ্জবনত এতিয়া ৰাজভৱন নিৰ্মাণ কৰা হৈছে।

বাৰু ব'লা আগুৱাই। এয়া পুৰণি কহিমাৰ বাজহুৱা পাৰ্ক। ইয়াতো কিছুমান শিলালিপি পাবা। এয়া প্ৰথম খন চোৱা—"At Kohima on 4th April 1944, Japanese Invasion of India was halted."

সেয়া চুকত পৰি আছে কহিমাৰ প্ৰথম পলিটিকেল অফিচাৰ G. H. Damant ৰ বিষয়ে লিখা G. H. Damant killed at khonoma on 23rd November 1879. আনফালে আছে Subadar Major Narbir Shahi died of wound at khonoma war on Nov. 1879 আৰু সেয়া চোৱা সিটো চুকত আছে মণিপুৰৰ মহাৰজা ভাগ্যচন্দ্ৰৰ প্ৰস্তৰ লিপি! এয়া সেই ভাগ্যচন্দ্ৰ যাক মণিপুৰীসকলে ৰাজৰ্ষি বুলি সন্মান দেখুৱায়, যাক মোমায়েক মৈৰাঙৰ ৰজাই মান ৰজাৰ সহায় লৈ মণিপুৰৰ পৰা খেদি পঠিয়াইছিল, আৰু দিহিঙে দিপাঙে ঘূৰি ফুৰোঁতে নগা পৰ্বতৰ তেতিয়াৰ নিৰ্জন হাবিত এইদৰে নাম লিখি থৈছিল। অৱশেষত তেওঁ আহোম ৰাজ্যত আশ্ৰয় লৈছিল গৈ। কিম্বদন্তি আছে—মণিপুৰৰ পৰা মইৰাঙৰ ৰজাই আহোম ৰজাৰ ওচৰত ভাগ্যচন্দ্ৰৰ বিৰুদ্ধে কথা লগোৱাত ভাগ্যচন্দ্ৰক নিৰস্ত্ৰ অৱস্থাত হাতী শালত সুমুৱাই দিয়া হৈছিল। তেতিয়া ভাগ্যচন্দ্ৰই ভাগ্যক ধিয়াই হাতত তুলসীৰ মালা লৈ গোবিন্দ গোঁসাইৰ নাম লৈ মত্ত হাতীৰ আগলৈ গৈছিল। ৰজাৰ আধ্যাত্মিক শক্তিৰ উৎস শ্ৰীকৃষ্ণ প্ৰভুৱে আগ ৰাতি সপোনত সম্পূৰ্ণ ৰাসনৃত্যৰ সাজপাৰ পিন্ধি আহি ভাগ্যচন্দ্ৰক অভয় দান দিছিল। সঁচাকৈয়ে ভাগ্যচন্দ্ৰক কোনো দুৰ্ভাগ্যই দেখা নিদিলে। মত্ত হাতী শান্ত হ'ল। সেই উপকাৰৰ বাবে পিছত মণিপুৰৰ সিংহাসন লাভ কৰি ভাগ্যচন্দ্ৰ মহাৰজাই শ্ৰীশ্ৰীগোবিন্দৰ মন্দিৰ সজাই দিলে।

বাৰু, সেইবোৰ থাওক। এতিয়া আমাৰ কহিমাৰ অসমীয়া সাহিত্য সভা ভৱনলৈ যাওঁহক ব'লক। সেইয়া লিখা আছে—কহিমা অসমীয়া সাহিত্য সভা আৰু

ক্লাব—৺পদ্মনাথ গোহাঞি বৰুৱাৰ দ্বাৰা ১৮৯৫ চনত স্থাপিত।

বন্ধু, আমাৰ অসমীয়াসকল কোন কেতিয়া ইয়ালৈ আহিছিল এবাৰ বিহঙ্গম দৃষ্টিৰে চাওঁ আহঁা।

আদিৰে পৰা মানে ১৮৮০ চনৰ পৰা ১৯৩০ চনলৈ

১। ৺পদ্মনাথ গোহাঞি বৰুৱা, কহিমা হাইস্কুলৰ প্ৰধান শিক্ষক
২। ৺চন্দ্ৰকুমাৰ বৰুৱা, কহিমা মাইনৰ স্কুলৰ প্ৰধান শিক্ষক
৩। ৺সংৰাম দাস ,, ,, দ্বিতীয় ,,
৪। ৺দৈবৰাম মহাজন ,, ,, ,,
৫। ৺ৰুদ্ৰেশ্বৰ গগৈ ,, ,, ,,
৬। ৺যাদবচন্দ্ৰ বৰুৱা (ৰায়বাহাদুৰ)
৭। ৺ডালিম বৰা, গড়কাপ্তানিৰ হেড ক্লাৰ্ক
৮। ৺জীবেশ্বৰ বৰদলৈ, ডি, চি, অফিচাৰ একাউন্টেণ্ট
৯। ৺আনন্দ বেজবৰুৱা ,, ,, হেড ক্লাৰ্ক
১০। ৺ৰায়চাহেব সত্যনাথ বৰবৰুৱা ,, ,,

১৯২৭ চনৰ পৰা

১। শ্ৰীসুৰেন্দ্ৰনাথ মহন্ত হেড ক্লাৰ্ক ডি, চি, অফিচ
২। শ্ৰীৰমাকান্ত গোস্বামী শিক্ষক, কহিমা হাইস্কুল।
৩। ৺বৰদাকান্ত গোস্বামী ,, ,, ,,
৪। ৺উপেন্দ্ৰনাথ শৰ্মা এছিষ্টেণ্ট ৰেজিষ্ট্ৰাৰ কো. অপ. চচাইটী
৫। শ্ৰীহৰিদাস সিংহ এচ., ডি, চি
৬। ৺ডেকা, পুলিচ ইন্সপেক্টৰ।
৭। ৺পদ্ম বৰা ,, ,,

১৯৩৫ চনৰ পৰা

১। শ্ৰীগিৰিধৰ শৰ্মা শিক্ষক, কহিমা হাইস্কুল
২। শ্ৰীনগেন ফুকন ,, ,, ,,
৩। শ্ৰীমেঘৰাম পাঠক ,, ,, ,,
৪। শ্ৰীইন্দিৰৰ গগৈ প্ৰধান শিক্ষক ,, ,,
৫। শ্ৰীউপেন দত্ত ডেপুটী ইন্সপেক্টৰ,
৬। শ্ৰীসতীশচন্দ্ৰ বৰুৱা ইঞ্জিনিয়াৰ,
৭। শ্ৰীশৰতচন্দ্ৰ বৰুৱা চুপাৰিণ্টেণ্ডেণ্ট, টেকনিকেল স্কুল
৮। শ্ৰীডিম্বেশ্বৰ শৰ্মা শিক্ষক
৯। শ্ৰীৰামপ্ৰসাদ খাউণ্ড ,,

অন্যান্য অসমীয়া বিষয়া :—

১। সৰ্বশ্ৰী ইমদাদ আলি ডি. চি. কহিমা ১৯৩৮ চন
২। সতীশচন্দ্ৰ কাকতী ,, ,,
৩। সত্যেন্দ্ৰনাথ বৰকটকী ,, ,,
৪। তৰুণ হাজৰিকা ,, ,,
৫। অনিল চৌধুৰী ই. এ. চি
৬। এম্ এন গগৈ ,,
৭। বি এন চাংকাকতি ,, প্ৰভৃতি।

এই তালিকা অৱশ্যে অসম্পূৰ্ণ।

বৰ্তমানে কিন্তু আমাৰ অসমীয়া অফিচাৰ ভালেমান আছে। অসমীয়া ভাষাত শিক্ষা দিওঁতা নগা শিক্ষক সকল :—

৺ৰেভাৰেণ্ড নিচাৰ, এখেতে ধুনীয়া অসমীয়াত বাইবেল শিকাইছিল

৺হু্জেলে আঙ্গামী, থাৰ্ড মাষ্টৰ (মৃত্যু ১৯৩২ চন)
শ্ৰীবেঞ্জামিন আঙ্গামী
শ্ৰীহু্কো আঙ্গামী
শ্ৰীভিড্‌লো আঙ্গামী

কহিমাত অসমীয়া যাত্ৰা-ভাওনা, থিয়েটাৰ, সভা আদি নিয়মিতভাবে পতা হয়। আটাইসকলো নাম গায় কহিমা সাহিত্য সভাত।

প্ৰত্যেক বছৰে বঙালী বিহু উৎসৱ পতা হয়, লগতে বঙালী বিদায় পতা হয় মহা পয়ো ভৰেৰে . . .।

বহু সময় ললোঁ। বিদায় বন্ধু।

## পুৰণি আলোচনীপৰা : গল্প

# পখিলী

৺লক্ষ্মীধৰ শৰ্মা, এম-এ, বি-এল

[আৱাহন যুগৰ এগৰাকী প্ৰথিতযশা গল্প-লিখক হ'ল ৺লক্ষ্মীধৰ শৰ্মা। তেওঁৰ গল্পত সমাজ-সংস্কাৰৰ মনোভাৱ আৰু মনস্তাত্বিক সংঘাতৰ চিত্ৰ পৰিস্ফুট হোৱা দেখা যায়। ৺শৰ্মাৰ প্ৰকাশিত গল্প পুথি 'ব্যৰ্থতাৰ দান'। অকাল মৃত্যুৱে ৺শৰ্মাৰ বহুমুখী প্ৰতিভা বিকশিত হ'বলৈ নিদিলে। উল্লেখিত গল্পটো 'আৱাহন'ৰ ৪ৰ্থ বছৰৰ ১ম সংখ্যাৰ পৰা লোৱা আৰু অধ্যাপক শ্ৰীনন্দ তালুকদাৰৰ সৌজন্যত পোৱা হৈছে। —সম্পাদক]

—ক—

নগাৱঁৰ কমলচন্দ্ৰ হাজৰিকা হাকিমে পেঞ্চন লৈ গুৱাহাটীত মাটি-বাৰী কিনি ঘৰ সাজি থাকিল। তেওঁৰ ল'ৰা দুটি, কামিনীকান্ত আৰু যামিনীকান্ত। তেওঁ যোৰহাটৰ বিখ্যাত উকীল ৰায়বাহাদুৰ মদনমোহন বৰাৰ ৰবজনী ছোৱালী তিলোত্তমাক বিয়া কৰাইছিল। তিলোত্তমাই লগত কেতেকী বুলি আৰু সৰু ধুনীয়া বান্দী ছোৱালী এজনী লৈ আহিছিল। কমলচন্দ্ৰয়ো কুৰি বছৰীয়া সুন্দৰ ডেকা ল'ৰা এটাক চাপ্ৰাচী মকৰল কৰিছিল। তাৰ নাম মোহন। মোহন হাকিমৰ লগতে থাকে, বজাৰ-সমাৰ কৰি দিয়ে।

কেতেকী ডাঙৰ হ'ল আৰু হাকিমে তাইক মোহনলৈ বিয়া দিলে। ইতি মধ্যে হাকিমৰ দুটি ল'ৰা হ'ল। তাৰ কিছু দিনৰ পিছত মোহনৰ এজনী ছোৱালী হ'ল। তাইৰ নাম হাকিমে ৰাখিলে পখিলী। হাকিমে অৱসৰ লৈ গুৱাহাটীত ঘৰ কৰোঁতে বাৰীৰ চুকত মোহনলৈকো ঘৰ এটা সজাই দিলে।

সেই বছৰ কামিনীকান্ত উকীল হৈ আহি ঘৰত বহাৰ এমাহৰ পিছতে কমলচন্দ্ৰৰ মৃত্যু হয়। কমলচন্দ্ৰৰ মৃত্যুৰ ছমাহৰ পিছতে মোহনো মৰে, সম্ভৱতঃ ইমান দিন কমলচন্দ্ৰৰ লগুৱা কাম পৃথিবীত কৰি, স্বৰ্গত সেই কামত অন্য কোনো মকৰল হয় বুলি ভয়তে সেই খিনি পালেগৈ। কামিনীৰ বিয়া বাপেকে কৰাই যাব নোৱাৰিলে ; কথা-বতৰা হওঁতেই থাকিল। বাপেক মৰাৰ বছৰেক হওঁতেই চাৰিওফালৰপৰা কামিনীৰ বিয়াৰ সম্বন্ধ আহিবলৈ ধৰিলে। মাকৰো দিনে ৰাতিয়ে যেন সেই একেটা চিন্তা; কিন্তু কামিনীৰ সেইফালে গ্ৰাহ্যই নাই। নিন্দুক সন্দেহবাদী বুলি কামিনীয়ে জাহিৰ কৰি ফুৰে। বিয়াৰ কথা উলিয়ালেও "বিয়াত মই বিশ্বাস নকৰোঁ" বুলি তেওঁ তৰ্ক জোৰে। ঈশ্বৰ, সমাজ, সভ্যতা, সত্য, সতীত্ব, ধৰ্ম, সকলোতে হেনো কামিনীৰ অবিশ্বাস। য'তে কামিনী ত'তে এটা নহয় এটা বিষয়ে তৰ্ক লাগিয়েই আছে। কলেজৰ ল'ৰাবিলাক কামিনীৰ মহা ভক্ত। সিহঁতৰ মানত কামিনী স্বাধীন চিন্তাৰ বীৰপুৰুষ এজন। কিন্তু উকীলখানাত

প্ৰায় সকলো উকীলেই কামিনীক অলপ ভয় আৰু ঘিণৰ চকুৰে চায়। ভয়, কামিনীয়ে কেতিয়া কাৰ কি ভেম ভাঙি দিয়ে তাৰ ঠিকনা নাই; সতীত্ব আদি কৰি সকলো মহৎ আৰু মানুহৰ পক্ষে সুবিধাজনক তথা বিলাকত কামিনীয়ে আস্থা প্ৰকাশ নকৰে। মুঠতে বাপেক মৰা আজি তিনি বছৰ হৈ গ'ল, তথাপি কামিনী অবিবাহিত। কিন্তু মৰা পোৰা, বেমাৰী পৰ দিয়া প্ৰভৃতি কামত কামিনী সদায় অগ্ৰগণী। ডাক্তৰখানা বা জেলত মৰা মানুহ দাহ কৰি থাকোঁতে শ্মশানত কামিনীয়ে পৰোপকাৰ যে মহা অনৰ্থৰ মূল এই বিষয়ে সদায় বক্তৃতা কৰে।

যামিনীয়ে এই বছৰ প্ৰেছিডেন্সি কলেজৰ চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়িছে। পখিলী কামিনীৰ মাকৰ হাত-ধৰা লিগিৰীৰ দৰে। তেখেতে আজিকালি কেতেকীক ৰখকৈ নিবিচাৰে। পখিলীয়েই তেখেতৰ সকলো সৰু-সুৰা কাম কৰে। পখিলীৰ বয়স এতিয়া কিমান হ'ল? ওঠৰ কি ঊনৈশ বছৰ হ'ব।

—খ—

কামিনীৰ মাক নৰিয়াত পৰিল। উদৰী ৰোগ। মহা যন্ত্ৰনা। ডাক্তৰ কবিৰাজে শুৰিবেপৰা আশা নাই বুলি মত প্ৰকাশ কৰিছে। কিন্তু এবছৰ কি, ডেৰ বছৰ ভুগিব লাগিব, তাকো তেওঁলোকে জনাইছে। প্ৰথমতে ডাক্তৰ, তাৰ পিছত কবিৰাজ, তাৰ পিছত হোমিওপ্যাথি, তাৰ পিছত অসমীয়া নানা ৰকম চিকিৎসা, তাৰ পিছত আকৌ ডাক্তৰৰ হাতলৈ ৰোগী আহিছে। কিন্তু ৰোগীৰ যন্ত্ৰণাৰ উপশম অকণমানো কোনেও কৰিব পৰা নাই। আজি পাঁচ মাহ এই অৱস্থা। গ'ল এমাহ, ৰাতি ৰাতি মৰ্ফিয়া দি কোনো মতে দুঘণ্টামান অজ্ঞান কৰি পেলাই থয়, বাকী সময়ত যন্ত্ৰণাত ৰোগী অস্থিৰ হৈ ছটফট কৰে। বেছী দি মৰ্ফিয়া দিয়াৰ চেষ্টা ডাক্তৰে কৰিছিল; কিন্তু বেছী দিলেই ৰোগীৰ গাত ঘা হৈ আৰু বিপদ ঘটায়। এতিয়া শুৱৰ সময়ত গাখীৰৰ লগত মৰ্ফিয়া দিয়া নিয়ম কৰি দিছে।

যন্ত্ৰণাত ৰোগীৰ মুখখন অলপ নীলা হৈ উঠিছে, শিৰ-বিলাক স্পষ্ট হৈ ফুটি উঠিছে। চকু দুটাত সদায় এটা অস্বাভাৱিক জ্যোতি। ওঁঠ দুটি কাগজৰ দৰে পাতল তেজশূন্য। মুঠতে ৰোগীৰ মুখলৈ চাব নোৱাৰি। তাৰ উপৰি যেতিয়া অসহ্য যন্ত্ৰণাত ৰোগীয়ে চিঞৰ মাৰি উঠে, তেতিয়া সেই দৃশ্য আৰু মৰ্মান্তিক হয়। ৰোগীয়ে অনবৰত কেৱল আজি পাঁচ মাহে এটা প্ৰাৰ্থনা কৰিছে, "হে প্ৰভু পৰমেশ্বৰ! মোক মাৰি নিয়া।"

ৰোগীৰ শুশ্ৰূষা কৰিছে কামিনী আৰু পখিলীয়ে। কামিনীয়ে কাছাৰীলৈ যোৱা বন্ধ কৰি দিছে। ৰাতি ৰোগীৰ ওচৰত এজোৱা কামিনী আৰু এজোৱা পখিলী থাকে। আজি পাঁচ মাহ ৰাতি থাকি থাকি কামিনীৰ শৰীৰ আৰু মনৰ অৱস্থা ভীষণ হৈ উঠিছে। পখিলী আছে কাৰণে কামিনীৰ অলপ ৰক্ষা। কাৰণ, ৰোগীৰ লগে লগে কামিনীৰ ভাৰো পখিলীয়ে লৈছে। কামিনীৰ খোৱা-বোৱা সকলো যাতে নিয়মিতভাৱে হয়, তালৈ পখিলীয়ে সদায় দৃষ্টি ৰাখে। পুৱা শুই উঠিলেই কামিনীয়ে মুখ ধোৱা সৰঞ্জাম সজাই থোৱা দেখে। তাৰ পিছত চাহ আহে। তাৰ পিছত কোনোৱা তলকত কামিনীৰ বিছনা-পত্ৰ ঠিক কৰি ঘৰ সাৰি পখিলীয়ে কামিনীৰ গা ধোৱা ঘৰত পানী দি কাপোৰ-কানি সাজু কৈ থয়। কামিনীৰ মেজৰ ফুলৰ তোড়াটিয়ে পৰ্যন্ত পখিলীৰ সেৱা সদায় পায়। প্ৰভুভক্ত কুকুৰে যেনেকৈ প্ৰভুৰ সেৱা কৰে, পখিলীয়েও তেনেকৈয়ে কামিনীৰ সেৱা কৰে। আৰু কেতিয়াবা যদি কামিনীয়ে কিবা সূত্ৰে পখিলীৰ কোনো কামৰ প্ৰশংসা কৰে পখিলীৰ হৃদয় আনন্দত নাচি উঠে। এনে ভাবিলে ভুল হ'ব—পখিলীয়ে শুশ্ৰূষাত ত্ৰুটী কৰিছিল। আচৰিত কথা এই যে চাৰিও পিনে চাবৰ সময় পখিলীয়ে যোগাৰ কৰি লব পৰিছিল।

ৰোগীৰ সেৱাৰ মাজেদি অলক্ষিতে কামিনী আৰু পখিলীৰ মাজত এটা নতুন সম্বন্ধ গঢ়ি উঠিল। পখিলীৰ সেৱা দেখি কামিনীয়ে স্তব্ধ হৈ ভাবে, "পখিলী মোৰ ভগী হোৱা হ'লে ইয়াতকৈ বেছি কৰিব নোৱাৰিলে-হেঁতেন।" পখিলীয়ে ভাবে, "মুনিহ মানুহৰ ইমান ধৈৰ্য—বিশেষকৈ সুগত উঠা, লিখা-পঢ়া জনা ডেকাৰ।" মুঠতে কামিনী আৰু কামিনীৰ মাকৰ মানত পখিলী আজি ঠিক চাকৰণী নহয়।

—গ—

সেই দিনা ৰাতি যন্ত্ৰণা বাঢ়িছিল। সন্ধিকে এক বজাত আৰু এক পূৰীয়া মৰ্ফিয়া দিব লগীয়া হৈছিল। দুইমান বজাত মাকে অলপ চকু মুদাত কামিনী শুইছিল গৈ। ৰাতি পুৱা মাকৰ চিঞৰ শুনি কামিনী বিছনাৰ পৰা জাপ মাৰি উঠি মাকৰ কোঠালীলৈ গৈ দেখে যে মাক কুঁচিমুচি পৰি আছে। চকু দুটা টিপা মাৰি বন্ধ কৰি লৈছে। ডিঙিৰ সিৰবোৰ ফিকি উঠিছে। ওঁঠ দুটা অলপ যেন স্থিৰ আৰু মুখেদি অসহ্য যন্ত্ৰণাৰ শব্দ এটা ফুটি ওলাইছে। পখিলীয়ে ভৰি-পিঠানৰ পিনে থিয় হৈ অসহায়ভাৱে ভৰি দুটাত হাত ফুৰাই দিছে। অৱস্থা দেখি কামিনী কিছু পৰ স্তম্ভিত হৈ স্থিৰ হৈ ৰ'ল। তাৰ পিছত তাৰপৰা ওলাই লৰ মাৰি বৈঠকখানা পালেগৈ। তাৰ চকী এখনত বহি টেবুল এখনৰ ওপৰত মূৰ থৈ "হে ঈশ্বৰ আৰু নোৱাৰোঁ! আইক মাৰি নিয়া ঈশ্বৰ। এই যন্ত্ৰণা দেখিবৰ ক্ষমতা আৰু মোৰ নাই" বুলি একান্তমনে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। জীৱনত এয়ে কামিনীৰ প্ৰথম প্ৰাৰ্থনা। দুৰ্বল মুহূৰ্তত মাকৰ যন্ত্ৰণা দেখি অন্ধভাৱে অনন্তৰ ফালে আহি কামিনীয়ে হাত বঢ়াই দিছে আৰু লগে লগে কামিনীৰ চকুৰেদি দুধাৰ চকুলো বৈ গ'ল। কিমান পৰ সেই অৱস্থাত কামিনী আছিল নিজেই কব নোৱাৰে; কিন্তু কোনোৱা অহা গম পাই কামিনীয়ে মূৰ তুলি চাই দেখে, পখিলী। পখিলীয়ে কামিনীৰ চকুত পানী দেখি মুহূৰ্তলৈ স্তব্ধ হৈ থাকি ঘূৰি গুচি গ'ল। যাওঁতে যেন অস্থিৰভাৱে চকী এখনত খুন্দা খাই, মেজ এখনত ভৰ দি কোনোমতে কোঠাটো পাৰ হৈ গ'ল। পখিলীয়ে কামিনীৰ চকুত পানী দেখিছে বুলি যেতিয়াই বুজিব পাৰিলে তেতিয়াই এটা অসহ্য লাজে তেওঁক আবৰি ধৰিলে। ঈশ্বৰক তোৱাক্কা নৰখা কামিনীৰ আজি এই অধঃপতনত কামিনী নিজেই যেন অভিভূত হ'ল।

কামিনী উঠি ডাক্তৰৰ ওচৰলৈ মানুহ এটা পঠাই দিলে। ডাক্তৰ আহি একো উপায় নাই বুলি কৈ গুচি গ'ল।

নিজৰ ধৈৰ্যৰ সীমা পাইছেহি বুলি বুজি কামিনীয়ে সেই দিনা যামিনী আৰু মোমায়েক মহেনলৈ তেওঁলোকক মাতি টেলিগ্ৰাম কৰি দিলে। যামিনীয়ে উত্তৰ দিলে, "যেতিয়া একেবাৰে নগ'লে নহয় তেতিয়া জনাবা। পৰীক্ষাৰ সময়ত এনেয়ে যাব নোৱাৰোঁ।" মোমায়েকে উত্তৰ দিলে, "জজ আহিছে যাব নোৱাৰোঁ। চেশ্যন আছে।" সেই দিনা আবেলি ১২ পূৰীয়া মৰ্ফিয়া ডাক্তৰৰ প্ৰেচক্ৰিপ্‌শ্যন মতে কামিনীয়ে মাকৰ কাৰণে অনালে।

আবেলি মাকে কামিনীৰ হাত এখন টেপা মাৰি, "বৰ বোপা! মোক বিহ খুৱাই মাৰি নেপেলোৱা কিয়?" বুলি কেইবাবাৰো কলে। কামিনীয়ে মূৰত হাত ফুৰাই "আই! তুমি ভাল হবা, কিয় তেনে কৰিছা?" বুলি প্ৰবোধ দিবৰ চেষ্টা কৰি অলপ পিছতে তাৰপৰা উঠি গ'ল।

যন্ত্ৰণাৰ উপশম হ'ক চাৰি বাঢ়িল হে। সেই দিনা ৰাতি মৰ্ফিয়া দুবাৰ দিয়া স্বত্বেও ৰোগীৰ এক মিনিটলৈকো টোপনি নাহিল। সমস্ত ৰাতি একালে পখিলী আৰু আনকালে কামিনী বহি অসহায়ভাৱে এই দৃশ্য চাই বহি থাকিল।

পিছ দিনাও তেনেকৈয়ে গ'ল। ডাক্তৰৰ সেই একে কথা, একো উপায় নাই। দিনত মুহূৰ্তও জিৰণি লবৰ সময় কামিনীয়ে নাপালে। ন বজাত এক পূৰীয়া মৰ্ফিয়া দিলে। একো ফল নহ'ল। এঘাৰ বজাত আৰু এক পূৰীয়া দিলে—সেই একে কথা। পখিলী পাক ঘৰলৈ কামিনীৰ কাৰণে এক পিয়লা চাহ কৰিবলৈ গৈ অহা নাই। মাকৰ যন্ত্ৰণা দেখি মাকে আগ দিনা কোৱা কথাষাৰ কামিনীৰ মনলৈ আহিল "মোক মাৰি

নেপেলোৱা কিয় বৰ ৰোপা ?'' কামিনীয়ে ৰোগীৰ বিছনাৰ ওপৰত বহি সেই নিস্তব্ধ ৰাতি মনে মনে চিন্তা আৰম্ভ কৰি দিলে, "এই যন্ত্ৰণাতকৈ যে মৃত্যু ভাল। কিন্তু মৃত্যু হয়তো আৰু এবছৰলৈ নাহে আৰু এবছৰ এই যন্ত্ৰণাত ভুগিব লাগিব। কামিনীৰ এই চিন্তাত যেন তেওঁৰ গতি বন্ধ হৈ গ'ল। যি মাকক কামিনীয়ে ইমান ভাল পায় সেই মাকৰ এই যন্ত্ৰণা আৰু এবছৰ। কামিনী বিচলিত হৈ উঠিল। ''আৰু বাচিবৰ আশা নাই। এই বেমাৰত যে মৃত্যু স্থিৰ তাকো ডাক্তৰে কৈছে। এনে অৱস্থাত এতিয়া মৰিলেও বহুত কষ্টৰ হাত আয়ে সাৰিব পাৰিব।" মাকে চিঞৰি উঠিল। কামিনীৰ চিন্তাৰ সোঁত বন্ধ হৈ গ'ল। নিজকে নিজে ধিক্কাৰ দিবলৈ তেওঁ আৰম্ভ কৰিলে, "আইৰ মৃত্যু কামনা কৰিছোঁ, মই পাৰও। কিন্তু মৃত্যুৱেই নে আইৰ একমাত্ৰ শান্তি ? আৰু যদি আইক এতিয়া কিবা এটা উপায়ে মাৰি পেলাব পাৰোঁ, সেইটো জানো তেওঁৰ প্ৰতি মঙ্গল কৰা নহব ? যদি সচাকৈয়ে আইৰ মঙ্গলকে মই চিন্তা কৰোঁ, তেন্তে শেষ কৰ্তব্য আজিৰ এই অৱস্থাত কি হব ?" মাকৰ কাতৰ ধ্বনি শুনি কামিনী জপিয়াই উঠিল। ঘড়ীলৈ চাই দেখে বাৰ বাজিছে। পখিলীক নেদেখি এবাৰ তাই ক'ত আছে চাই আহোঁ বুলি কামিনী উঠি গ'ল কলৰ মানুহৰ দৰে খোজ কাঢ়ি পাক ঘৰ পাই তাত পীৰা দুখন জোৰা দি পখিলীক শুই থকা দেখি ''বেছেৰী কালি ৰাতি টিপ্ মাৰিব পৰা নাই, অলপ শুই ল'ক" বুলি আকৌ ঘূৰি আহিল। যদিও এইখিনি কাম কামিনীয়ে কৰিলে, তথাপি কামিনীৰ মন কেৱল সেই এটা চিন্তাতে আবদ্ধ আছিল, ''বৰ্তমান অৱস্থাত মোৰ কৰ্তব্য কি ?" কামিনী আকৌ মাকৰ ওচৰত বহিলহি। মাকৰ খীণোৱা হাত খনি লৈ পৰীক্ষা কৰি চাবলৈ ধৰিলে। শকত ধুনীয়া হাত খীণাই হাড় ওলাইছে। নখৰ গুৰি-বিলাক নীলা হৈ গৈছে। কামিনীয়ে অনুভৱ কৰিলে, হঠাৎ মাকৰ হাতখন ঠেণ্ডা হৈ উঠিল। মনে মনে কামিনীয়ে ভাবি আছে "এই যন্ত্ৰণাত মোৰ কি কৰ্তব্য ?'' ভাবিলে, আৰু এক পুৰীয়া দিওঁ। উঠি গৈ দেখে মৰ্ফিয়াৰ পুৰীয়া কেইবাটাও আছে। গণি চালে আঠোটা আছে। অলপ গাখীৰ ঢাকি থোৱা আছে, পালে। পুৰীয়া কেইটা আকৌ আঁতৰাই থৈ কামিনী মাকৰ ওচৰত বহিলহি। যন্ত্ৰণাত মাকে ছাটি-ফুটি কৰিব লাগিছে। কামিনীৰ দুচকু ভৰি পানী বৰলৈ ধৰিলে। আলফুলকৈ মাকৰ মুখখন কোলাত লৈ কামিনীয়ে মাকৰ কপালত এটা চুমা খালে। তাৰ পিছত ভৰিৰ পিনে গৈ মাকৰ ভৰিত মূৰটো থৈ ভাবিবলৈ ধৰিলে, ''আই, ঈশ্বৰক দেখা নাই। দেউতায়ো এৰি গ'ল। তোমাকে প্ৰত্যক্ষ ঈশ্বৰ বুলি সদায় মনে মনে পূজা কৰি আহিছোঁ। আজিৰপৰা তোমাকো হেৰুৱাম।''

মাক যন্ত্ৰণাত চিঞৰি উঠিল। কামিনীৰ মনত হঠাৎ এটা সিদ্ধান্তই দেখা দিলে—এই যন্ত্ৰণা শেষ কৰিব লাগিব এনেকুৱা এটা সিদ্ধান্ত যেন কেতিয়াবাই কামিনীয়ে স্থিৰ কৰি ৰাখিছিল এনে অনুমান হ'ল! সিদ্ধান্তটো নতুন বুলি মুঠেই অনুমান নহ'ল।

মাকৰ মূৰৰ ওচৰলৈ গৈ কামিনীয়ে সুধিলে ''আই! ডাক্তৰে এটা নতুন ঔষধ দিছে দিমনে ? ভাল পাবা।" মাকে কলে, "ভাল পোৱা হৈছে বৰ বাপু! মোক মৰিবৰ এটা উপায় কৰি দে।" কামিনীয়ে হঠাৎ মনত এটা শান্তি পালে। "য'ক, কৰ্তব্য নিৰ্ণয় হৈ গ'ল।" ইমান দিনে এই সহজ কথাটো স্থিৰ কৰিব পৰা নাছিল, এই কাৰণে নিজকে মূৰ্খ বুলি গালি পাৰিলে। টেবুলৰ ওচৰলৈ গৈ পিয়লা এটাত অলপ গাখীৰ লৈ, তাত আটাই কেই পুৰীয়া মৰ্ফিয়া ঢাকি দি মাকক খাবলৈ দিলে। মাকে অলপ খায়েই মুখ বিকতাই 'বৰ তিতা' বুলি কৈ উঠিল। ''তিতা বুলি ডাক্তৰেও কৈছিল, ভাল পাবা খোৱা" বুলি মাকক আটাই খিনি গাখীৰ খুৱাই মুখ ধুৱাই দি মাকৰ ওচৰত কামিনী বহিল। কামিনীৰ মনলৈ শান্তি আহিল। কালিলৈ আয়ে আৰু ইমান কষ্ট খাব নালাগিব। আজিয়েই শেষ দিন। এই যন্ত্ৰণাৰ আজিয়েই—এই শেষ দিন। এই চিন্তা তেওঁৰ



মনত খেলাবলৈ ধৰিলে। স্কুলৰপৰা ছুটি পালে ল'ৰাৰ যেনে আনন্দ হয়- তেনে এটা আনন্দই যেন তেওঁৰ মনৰ কোণত লুকা ভুমুকা খেলিবলৈ ধৰিলে। আধা ঘণ্টা মানৰ পিছত মাকৰ অলপ তন্দ্ৰাৰ ভাব হ'ল। মাকৰ কোঠাৰ ওচৰৰ বাৰান্দাত এখন হেলনি চকী আছিল, তাত গৈ কামিনী বহিল। টোপনিৰ টো-বিলাক যেন তেওঁৰ ওপৰেদি বাগৰি যাবলৈ ধৰিলে। দুই মিনিটৰ পিছত কামিনী গভীৰ নিদ্ৰাত পৰিল।

—ঘ—

পখিলী ধৰ্ ফৰকৈ সাৰ পাই উঠি জবালৰিকৈ বেমাৰীৰ খোটালীলৈ গৈ ঘড়ীটোৰ পিনে চাই দেখে চাৰি বাজিবলৈ কুৰি মিনিট আছে। বেমাৰী অকলে ছট্ ফটাই আছে। বেমাৰীৰ কপালত ঘাম। ডিঙিত এটা গোঁ গোঁ শব্দ। চকু দুটা অলপ মেল খোৱা। পখিলীয়ে 'আই আই' বুলি মাতিলে; কিন্তু কোনো জবাব নাপালে। পখিলীৰ ভয় লাগিল। কামিনীক মাতোঁ বুলি ওলাই গৈ দেখে যে কামিনী হেলনি দিয়া চকীখনত পৰি শুই আছে। জগাবৰ সত নগ'ল। বামুণটোক জগাই পখিলীয়ে ডাক্তৰ বাবুক মাতি আনিবলৈ পঠাই দিলে। ডাক্তৰ বাবুৰ ঘৰ ওচৰতে। অলপ সময়ৰ ভিতৰতে আহিল—মুখত বিৰক্তি। তেতিয়াও কামিনীৰ টোপনি। ডাক্তৰ বাবু বেমাৰীৰ ওচৰলৈ গৈ নাড়ী চাই চক্ খাই উঠিল; নাড়ীৰ গতি বৰ বেয়া। তাৰ পিছত বেমাৰীক ভালকৈ চাই ঔষধ বিলাক পৰীক্ষা কৰি চালে। তাৰ পিছত কামিনীক মৰ্ফিয়া কেতিয়া অনা হৈছিল বুলি সুধিলে। কামিনীয়ে পৰহি ১২ পুৰীয়া আনিছোঁ বুলি জবাব দিলে।

ডাক্তৰ বাবুয়ে এখন চিঠি লিখি থানালৈ বামুণটোৰ হাতত দি পঠালে। তাত মাত্ৰ ইমানেই লিখা আছিল—সম্ভৱতঃ মিছেছ্ হাজৰিকাই আত্মহত্যাৰ কাৰণে বিহ খাইছে। তাৰ দহ মিনিটৰ পিছত ৰোগীয়ে অনন্তৰ পথত যাত্ৰা কৰিলে।

পুৱা পুলিছ আহিল। শৱ ব্যৱচ্ছেদৰ কথা হ'ল। কামিনী নিৰ্বিকাৰ। মাকে আজি পুৱা আৰু যন্ত্ৰণাত চিঞৰা নাই—এই কথাটোৱে মাথোঁ মাজে মাজে তেওঁৰ মনত গৈ এটা স্বস্তিৰ ভাব আনি দিছে। কামিনীৰ ঘৰতে শৱব্যৱচ্ছেদ হোৱাৰ পিছত শৱ দাহ কৰা হ'ল। কলিকতালৈ পৰীক্ষাৰ কাৰণে আৱশ্যকীয় বস্তু পঠোৱা হ'ল।

পুলিছ প্ৰভৃতিৰ আগমনত পখিলী ভীত হৈ উঠিল। পুলিছে যেতিয়া সুধিলে, কোন কোন ৰোগীৰ ওচৰত থাকে, পখিলীয়ে 'মই আৰু বৰ বাপা থাকোঁ' বুলি জবাব দিলে। পখিলীয়ে এই মাত্ৰ বুজিছিল যে কিবা বিহ খোৱাৰ ফলত হাজৰিকানীৰ মৃত্যু হৈছে বুলি পুলিছে সন্দেহ কৰিছিল। ডাক্তৰৰ কথাৰপৰা বুজা গ'ল, ৰোগী শয্যাগত। কোনো ঔষধ বা বিষ আহৰণৰ শক্তি ৰোগীৰ নাছিল। দুজন পুলিছ বিভাগৰ কৰ্মচাৰীয়ে বৈঠকখানাত মেল পতা পখিলীয়ে শুনবলৈ পালে। এজনে কৈছে—''ৰাসায়নিক পৰীক্ষকৰ ৰিপোৰ্টতো দেখিলোঁ। পখিলী আৰু কামিনী এই দুজনৰ ভিতৰত এজনে বিহ দিছে ই ঠিক। মোৰ মনেৰে পখিলীয়ে দিয়াটোৱেই সম্ভৱ।" ইজনে উত্তৰ কৰিছে "ঠিক, ইমান দিন বেমাৰ পালি পালি অসহ্য হোৱাত এনে কৰা পখিলীৰ পক্ষে সম্ভৱ আৰু হয়তো হাজৰিকানীয়ে পখি-লীৰ ওপৰত অত্যাচাৰ কৰিছিল। অৱশ্যে পখিলী দোষী সাব্যস্ত নহলে কামিনীক ধৰিব লাগিব।"

পখিলীৰ মূৰ ঘূৰি গ'ল। ইকি প্ৰহেলিকা ? পখি-লীক, কামিনীক, এই নৰ পিশাচইতে এই নৰঘাতী কাম কৰিছে বুলি সন্দেহ কৰে। পিছৰ মুহূৰ্ততে পখিলীয়ে বুজিলে যে যদি তাই দোষী সাব্যস্ত নহয় তেন্তে কামি-নীক পুলিছে ধৰিব। মুহূৰ্ততে পখিলীয়ে কৰ্তব্য কৰি ললে। তৎক্ষণাৎ বৈঠকখানালৈ গৈ পুলিছ কৰ্মচাৰী দুজনক কলে, ''ময়ে দোষী। বিহ খুৱাই মই হাকিমনী আইক মাৰিছোঁ।" অলপ সময়ৰ কাৰণে পুলিছ কৰ্মচাৰী দুজন কিংকৰ্তব্যবিমূঢ় হ'ল। এই ধুনীয়া ১৯ বছৰীয়া গাভৰু জনীয়ে এনে কাম কৰিব পাৰে, এই কথা তেওঁলোকৰ

অসহ্য যেন লাগিল। কৰ্তব্যক আওহেলা কৰিবৰ ক্ষমতা তেওঁলোকৰ নাই, গতিকে দুয়ো বহি মেদি পথিলীৰ কথাখিনি লিখি ললে। তাৰ পিছতে অলপ বয়সীয়াজনে সুধিলে, "তুমি কিয় এনে কাম কৰিলা ?"

পথিলী—"আজি পাচ মাহে যি কষ্ট পাইছো তাক ভগৱানে জানে। ৰাতি দিন খাটি খাটি অসহ্য হ'ল।"

"কিন্তু আৰু কিবা কাৰণ আছেনে ?"

"আছে। মোক হাকিমনীয়ে সদায় মাৰ-পিট কৰিছিল।"

পথিলীক তেওঁলোকে জেৰ কৰিলে। ইতিমধ্যে কামিনী ভিতৰৰপৰা আহি উপস্থিত হ'ল। পুলিছ কৰ্মচাৰী দুজনৰ মুখে পথিলীৰ কীৰ্ত্তি শুনি কৈ উঠিল "নাই, নাই, পথিলী নিৰ্দোষী"; কিন্তু এই কথা হাঁহি উৰাই দি পথিলীক তেওঁলোকে থানালৈ লৈ গ'ল।

—ঙ—

ঘটনা-চক্ৰই যে এনে গতি লব এই কথা কামিনীয়ে ভবা নাছিল। আৰু মাকৰ মৃত্যুৰ কাৰণে নিজক দায়ী বুলি ঘোষণা কৰিবৰ প্ৰবৃত্তিও তেওঁৰ মনত নাছিল। প্ৰথম, পুলিছে তদন্ত আৰম্ভ কৰাত আত্মহত্যা বুলি স্থিৰ হ'ব কিম্বা প্ৰমাণৰ অভাৱ বুলি পুলিছে স্থিৰ কৰিব, এনে এটা ধাৰণা তেওঁৰ মনত জন্মিছিল। কিন্তু পথিলীক পুলিছে ধৰি লৈ যোৱা দেখি আৰু পথিলীক নিজ মুখে নকৰা দোষ স্বীকাৰ কৰা দেখি মহা চিন্তাত পৰিল। সেই দুশ্চিন্তাৰ মাজতে আবেলি তেওঁৰ চাহ অহাৰ পলম হোৱাত পথিলীৰ অভাৱ যেন তেওঁ অনুভৱ কৰিলে।

কামিনীয়ে সকলো কথা স্পষ্টকৈ লিখি লৈ পুলিছ-চাহাব মিঃ চিমচনৰ বঙলা পালে গৈ। তাত তেওঁৰ হাতত কাগজখন দি পঢ়িবলৈ কলে। কাগজখন পঢ়ি প্ৰথমে পুলিছ চাহাবে হাঁহি "এইবোৰ প্ৰেমৰ গল্প পঢ়ি ভাল নালাগে, বুঢ়া হলোঁ।। সেই চাকৰণী জনীৰ বাহিৰে অন্য কাৰো প্ৰেমত পৰি তেনে নায়িকাক ৰক্ষা কৰাত মই সাহায্য কৰিলোহেঁতেন। কিন্তু এই ক্ষেত্ৰত নহয়।" কামিনীয়ে "ময়ে এই কাম কৰিছো আৰু মই প্ৰেমত পৰা নাই। পথিলীক আপুনি অলপ জেৰা কৰিলেই বুজিব পাৰিব যে তাই একো নাজানে" বুলি কোৱাত কামিনীকো এৰেষ্ট কৰা হ'ল আৰু তেওঁৰ প্ৰতি পুলিছ চাহাবৰ মুখত এটা ঘিণৰ ভাব ফুটি উঠিল। মুখৰ ভিতৰতে তেওঁ কলে, "মাতৃহন্তাক দেখিলেও পাপ হয়।"

পিছদিনা ডুকন হাকিমৰ তাত কামিনী আৰু পথিলী দুয়োকো স্বীকাৰোক্তি কৰাৰ কাৰণে হাজিৰ কৰা হ'ল। পথিলীয়ে ঈশ্বৰত শপত খাই প্ৰকাশ কৰিলে যে তায়ে হাকিমনীক বিহ দিছিল। বৰ বাপা তেতিয়া তাত নাছিলেই, বাহিৰত গুই আছিল। হাকিমনীয়ে তাইক বৰ অত্যাচাৰ কৰিছিল। হাকিমে সুধিলে—"বিহ ক'ত পালি ?" পথিলীয়ে থতমত খাই উত্তৰ দিলে "সাপ মেলা যোগী এটাৰপৰা দুটকা কণ দি কিনি লৈছিলোঁ।"

হাকিম—"সেই বিহৰ বৰণ কি ?"

পথিলী—"ক'লা।"

হাকিম—"কিমান সময়ত বিহ খুৱাইছিলি ?"

পথিলী—"সাবে তিনি বজাত।"

হাকিম—"কেনেকৈ ?"

পথিলী—"পানীত গুলি।"

কামিনীয়ে প্ৰকৃত অৱস্থা বৰ্ণনা কৰি স্বীকাৰোক্তি কৰিলে। পিছদিনা বৰ হাকিমৰ ওচৰত দুয়োকো হাজিৰ কৰাত পথিলীক হাকিমে খালাছ দিলে আৰু কামিনীৰ বিচাৰৰ দিন চাৰি দিনৰ পিছত স্থিৰ কৰিলে। খালাছ পোৱাৰ কথা শুনিয়েই পথিলী মুচৰ্কচ গ'ল।

—চ—

কামিনীৰ বিচাৰ জজৰ আদালতত। মাতৃহত্যাৰ বিচাৰ চাবলৈ বহুত মানুহ আহিছে। চৰ্কাৰৰ তৰফৰপৰা কামিনীৰ পক্ষে এজন উকীলো নিযুক্ত কৰি দিছে। কিন্তু কামিনীৰ ওচৰ চাপিবৰ সাহ এই উকীলৰ হোৱা নাই। এবাৰ ওচৰলৈ আহি দাবী খাই আঁতৰি গৈছে। জুৰী ৯ জন ঠিক কৰা হ'ল। হত্যাৰ অপৰাধ, ৯ জন জুৰীৰ বিচাৰ।

মিঃ জেকচন বৰ কঠুৱা জজ বুলি বিখ্যাত। তেওঁ সুধিলে, "আচামী ! তোমাক ৩০২ ধাৰা অৰ্থাৎ হত্যাৰ অপৰাধত বিচাৰ কৰিবৰ কাৰণে ইয়ালৈ পঠোৱা হৈছে। তুমি দোষী নে নিৰ্দোষী ?" আচামীয়ে উত্তৰ কৰিলে "ধৰ্মাৱতাৰ ! মই দোষী।"

সাধাৰণতঃ বিচাৰ ইমানতে শেষ হ'ল। ৩০২ ধাৰাৰ অপৰাধী, তথাপি সাক্ষী-বাদী লব লাগিব। সাক্ষী-বাদী যি আছিল আধা ঘণ্টাতে শেষ হ'ল। চৰ্কাৰী উকীল খাসনৱিশ লাহিৰীয়ে মাতৃহত্যাৰ বিষয়ে ডাঙৰ বক্তৃতা দিলে। আচামীৰ পক্ষৰ উকীলে দুই মিনিট কিবাকিবি কৈ সামৰণি মাৰিলে। জজে জুৰীক মোকৰ্দমাৰ বিৱৰণ বুজাই দিলে। তেখেতে বাৰে বাৰে অপৰাধৰ সময়ত আচামীৰ মনৰ অৱস্থালৈ জুৰীৰ মনোযোগ আকৰ্ষণ কৰিলে। জুৰীসকল ৫ মিনিটৰ ভিতৰত ঘূৰি আহিল।

জজ—"আপোনালোক এক মত ?"

জুৰীৰ প্ৰধান—"হয় হুজুৰ।"

জজ—"আপোনালোকৰ ৰায় ?"

জুৰীৰ প্ৰধান—"৩০২ ধাৰাত আচামী দোষী আৰু আচামীৰ মৃত্যুদণ্ড হোৱা উচিত।"

জজ—"কি দণ্ড হোৱা উচিত তাৰ বিচাৰ মই কৰিম। আপোনালোক যাব পাৰে" বুলি তেওঁলোকক বিদায় দি "অপৰাধৰ সময়ত আচামীৰ মনৰ অৱস্থা সম্পৰ্ণ সুস্থ থকা সম্ভৱ নহয়। গতিকে মই আচামীক যাৱজ্জীৱন দ্বীপান্তৰ দণ্ড দিলোঁ। বুলি ৰায় শুনালে।

আদালতৰ সকলো মানুহ ম্ৰিয়মান হৈ উঠিল। মাতৃহন্তাক এনে কৰুণা দেখুৱালে জগতত শান্তি থাকিব কেনেকৈ ? ই যে পাপৰ ৰাজ্যত পৰিণত হ'ল।

—ছ—

কামিনীয়ে স্থিৰ কৰি ৰাখিছিল যে তেওঁৰ ফাঁচী হব। গতিকে নিশ্চিন্ত মনে মৃত্যুলৈ অপেক্ষা কৰি আছিল। আজি হঠাৎ ফাঁচীৰ বদলি যেতিয়া দ্বীপান্তৰৰ হুকুম শুনালে তেতিয়া এটা অপ্ৰত্যাশিত আসন্ন মানুহ ঠৰ যোৱাৰ দৰে কামিনীৰ মনটো যেন স্তব্ধ হৈ হৈ গ'ল। চিন্তা কৰাৰ ক্ষমতা কামিনীয়ে হেৰুৱালে। চিপাহীৰ লগত জেল, তাৰ পিছত নিৰ্জ্জন পালে গৈ। ৫॥ বজাত জেলৰ আহাৰ খাই উঠিল আৰু ছটা বজাত নিৰ্জ্জনৰ দুৱাৰ বন্ধ হ'ল। কম্বলখন পাৰি কামিনীয়ে পৰি অসহভাৱে কিছু পৰ থকাৰ পিছত তেওঁৰ অলপ টোপনি আহিল। টোপনিত সপোন দেখিলে। সপোনত মাকে হাঁহি হাঁহি যেন কৈছে, "বৰ বোপা, তই মোক যন্ত্ৰণাৰপৰা মুক্তি দিলি—।" ওচৰত পথিলী থিৰ কৈ আছে। তাৰ পিছত সপোনৰ পিছত সপোন দেখিবলৈ ধৰিলে—সেই একে কথা পথিলী আৰু মাক। ৰাতি দুই মান বজাত কামিনী সম্পূৰ্ণ সজাগ হৈ উঠিল। মনৰ অসাৰতা তেতিয়া অলপ দূৰ হৈছে। কামিনীয়ে পথিলীৰ কথা ভাবিবলৈ আৰম্ভ কৰিলে—"পথিলীয়ে কিয় এনে কৰিছিল ঠিক মোক ৰঁচাবলৈ। তেন্তে জানো পথিলীয়ে মোক ভাল পায় ?" হঠাৎ যেন মনত বন্তি এগছ জ্বলি উঠিল। "পথিলীয়ে প্ৰকৃত কথা জানিও নিজৰ প্ৰাণ মোৰ কাৰণে উৎসৰ্গ কৰিবলৈ আগ বাঢ়িছিল।" এই কথাৰ মাহাত্ম্যই যেন কামিনীক অভিভূত কৰি পেলালে। সেই নিস্তব্ধ ৰাতি নিৰ্জ্জান ফাটেকত কামিনীয়ে নিজৰ মনক পৰীক্ষা কৰি দেখিলে যে তেওঁৰ মনৰ কোণত অলক্ষিতে পথিলীয়ে নিজৰ আসন এখন প্ৰস্তুত কৰি লৈছে। নতুন সূৰ্যৰ আলোকত জগত যেনেকৈ উদ্ভাসিত হৈ উঠে, তেনেকৈ কামিনীৰ অন্তৰ্জগৎ এই আবিষ্কাৰৰ পোহৰতে উদ্ভাসিত হৈ উঠিল। এই কথাৰ আনন্দত তেওঁৰ মন নাচি উঠিল। "পথিলী আৰু আই—আই আৰু পথিলী—বাকী সকলো পৰ——" এই কথাষাৰ মনে মনে তেওঁৰ মুখৰ পৰা উচ্চাৰিত হবলৈ ধৰিলে।

সূৰ্যোদয়ৰ লগে লগে তেওঁৰ নিৰ্জ্জানৰ দুৱাৰ মুকলি হ'ল। ওৱাৰ্ডাৰে মুখ ধুৱাই আনি মাছ-ভাত খুৱাই

জেলখানালৈ তেওঁক লৈ গ'ল। আগ দিনাই কামিনীক জেলৰ সাজ পিন্ধোৱা হৈছিল। দিনটো কোনোমতে পাৰ হ'ল। সন্ধ্যা আকৌ নিজানত তেওঁক সুমাই তলা বন্ধ কৰি দিলে। কামিনীয়ে বহি ভাবিবলৈ আৰম্ভ কৰিলে—"কত বছৰ এই জীৱন যাপন কৰিব লাগিব। জেলত মানুহৰ মনুষ্যত্ব নাথাকে। পশুৰ দৰে ইয়াত সকলোৱে ব্যৱহাৰ। আহাৰ-বিহাৰ, শোৱা সকলোতে যাতে মানুহৰ ভিতৰৰ দেৱতাজন মৰি নষ্ট হৈ যায় তাৰ ইয়াত যথেষ্ট দিহা কৰা হৈছে। আৰু এই দীৰ্ঘ সময় জগতৰ সকলো স্বাধীনতা, সকলো আনন্দ বিশেষকৈ পখিলীৰ সাহচৰ্যৰপৰা বঞ্চিত থকাত কি লাভ?"

ভৱিষ্যতৰ পিনে চাই কামিনী চিঞৰি উঠিল। ৰাতি সপোনত দেখিলে আকৌ মাকক আৰু পখিলীক।

পিছদিনা পুৱা জেইলৰক কমিনীয়ে আপীল কৰিম বুলি জনালে আৰু এখন আপীল নিজে মুছাবিদা কৰি হাইকোৰ্টলৈ দিলে। আপীলত তেওঁৰ যাবজ্জীৱন কাৰা-দণ্ডৰ পৰিবৰ্ত্তে ফাঁচীৰ হুকুম কাৰণে প্ৰাৰ্থনা কৰা হ'ল।

জেইলৰ আৰু জেলৰ চুপাৰিণ্টেণ্ডেণ্ট, দুয়ো পৰি আচৰিত হ'ল। চুপাৰিণ্টেণ্ডেণ্টে আহি কামিনীক বুজালে তেনে পাগলামি নকৰিবলৈ। কামিনীৰ সিদ্ধান্ত স্থিৰ। কাগজ হাইকোৰ্টলৈ পঠোৱা হ'ল। চুপাৰিণ্টেণ্ডেণ্টে তাত লিখি দিলে, "মোৰ মনেৰে কয়েদী পগলা হোৱা নাই, তথাপি কয়েদীৰ মানসিক অৱস্থা চাই পিছত জনাম।"

—জ—

কামিনীৰ আপীলৰ শুনানি এজন ভাৰতীয় আৰু এজন চাহাব জজৰ আগত হ'ল। চাহাব জজজনৰ মনোবিজ্ঞান বিষয়ে বিশেষ ব্যুৎপত্তি থকা বুলি নিজৰ বিশ্বাস। আপীলৰ ৰায় তেওঁ দিলে—আপীলকাৰী যে নিৰ্দোষ তাক সহজেই বুজিব পাৰি। মাকক বিহ দি কোনো মানুহ নিশ্চিন্ত মনেৰে শুই থাকিব নোৱাৰে। অথচ আপীলকাৰী তেনেদৰে শুই থকাৰ প্ৰমাণ আছে। বিহ খুওৱা কোনেও দেখা নাই। যিজনী ছোৱালীক প্ৰথমতে পুলিচে ধৰিছিল তাই নিৰ্দোষ হব পাৰে; কিন্তু তাই যে বিপদত পৰিছিল—হত্যাৰ অপৰাধত অভিযুক্ত হৈছিল সি নিশ্চিত। মাকৰ সেৱা এই ছোৱালীজনী আৰু আচামী দুয়ো কৰিছিল। এনে অৱস্থাত দুয়োৰো মনত প্ৰীতি ভাবৰ সঞ্চাৰ হৈছিল। তাইক ৰচাবৰ কাৰণেহে আচামীয়ে নিজে দোষ স্বীকাৰ কৰি লৈছে, তাত আমাৰ সন্দেহ নাই। নিম্ন আদালতৰ জজ-সকলে সদায় মনোবিজ্ঞানৰ ফালৰপৰা মোকৰ্দমাবিলাক চোৱা উচিত। এই আপীলত আচামীয়ে প্ৰাণদণ্ডৰ প্ৰাৰ্থনা কৰিছে। কোনো কোনো সময়ত মানুহৰ মন অভিমানত স্ফীত হৈ উঠে, তাক মনস্তত্ত্ববিদ্‌সকলে জানে। আচামী সম্পূৰ্ণ নিৰ্দোষী। আমি তেওঁক খালাছৰ হুকুম দিলোঁ। ই গৰাকী জজে 'মোৰো এই মত' বুলি ৰায় দিলে।

—ঝ—

দুই বজাত কামিনী জেলৰপৰা ওলাল। হঠাৎ খবৰটো শুনি কামিনীৰ মন আনন্দত নাচি উঠিল। স্বাধীনতা, পখিলী, জীৱন, এই তিনটা কথাই তেওঁৰ মনত বাৰে বাৰে গুন্দিয়াবলৈ ধৰিলে। জেলৰ বাহিৰলৈ আহি ভাবৰ আধিক্যত যেন তেওঁ খোজ কাঢ়িব নোৱাৰে। চকুৰেদি তেওঁৰ পানী বৈ গ'ল। জেলৰপৰা ওলাই পান বজাৰত এজন কলেজৰ ল'ৰা দেখিবলৈ পালে। তাত তেওঁৰ সম্পৰ্কীয় ল'ৰা দুটাও আছিল। আচৰিত কথা এই যে তেওঁক দেখি ল'ৰাবিলাক এখন দোকানত সোমাই পৰিল। কাছাৰীৰ ওচৰত ৩/৪ জন ডেকা উকীল তেওঁৰ আগত পৰিল। আটাই কেইজনে মুখ ঘুৰাই নেদেখা ভাও জুৰি আঁতৰি গ'ল। কমিছনাৰ অফিছৰ ওচৰত তেওঁৰ বিশিষ্ট বন্ধু মদনক লগ পালে। মদন প্ৰফেছাৰ। মদনে হঠাৎ কমিছনাৰৰ অফিছতে সোমাই পৰিল। কামিনীয়ে বুজিলে মাতৃহন্তা বুলি হাইকোৰ্টে বিশ্বাস নকৰিলেও তেওঁৰ সমাজৰ মানুহে তেওঁক মহাপাপী বুলি



ভাবি তেওঁৰ স্পৰ্শৰপৰা আঁতৰি গৈছে। বিষাদত তেওঁৰ মন ভৰি উঠিল। জেলতকৈও ভীষণ আচৰণ। বন্ধুহীন হৈ নিজৰ ভৱিষ্যত দেখি কামিনী চিঞৰি উঠিল। উজান বজাৰতো সেই একে অৱস্থা।

কামিনী ঘৰ পালেহি। বৈঠকখানাত মোমায়েক আৰু যামিনী বহি আছে। যামিনীৰ মুখ খুৰোৱা। কামিনীক দেখি কোনেও আনন্দ প্ৰকাশ নকৰিলে। টেবুলৰ ওচৰৰ চকী এখনত কামিনী বহি পৰিল। যামিনী অলপ আঁতৰ হৈ বহিল। কিছুপৰ তিনিও নিমাত। তাৰ পিছত মোমায়েকে মাত লগালে—"বৰ বোপা! তুইতো ইয়াত থাকিব নোৱাৰ। তীৰ্থ কৰি কৰবাৰ বিদেশলৈ যাগৈ।" যামিনীয়ে সুধিলে "দাদা! তুমি সঁচাকৈ যদি নিৰ্দোষী মই তোমাক ক্ষমা কৰিম।" সমাজৰ লগত শেষ সম্পৰ্ক মোমায়েক আৰু ভায়েকৰ ব্যৱহাৰ দেখি কামিনীৰ মনটো ক'লা পৰি গ'ল। তথাপি ভায়েকক কথাটো বুজাই লোৱা উচিত বুলি ভাবি "সৰু বোপা! মই মৰ্ফিয়া দিয়া হয়। কিন্তু—" ভায়েক জপিয়াই উঠিল "এই কথাৰ কিন্তু হব নোৱাৰে। মাতৃহন্তাৰ ক্ষমা নাই। এই ঘৰত তুমি থাকিলে মই নাথাকো।"

কামিনীৰ মুখটো ঘুৰাই গ'ল। স্কুইৰ ফিৰিঙতি তেওঁৰ আগত নাচিবলৈ ধৰিলে। কোনো মতে নিজক সংযত কৰি উত্তৰ দিলে, "আজি ৰাতি মই আঁতৰি যাম চিৰ জীৱনলৈ। ৰাতিলৈকে কৰবাত পলাই থাকিবৰ ঠাই এডোখৰ দে।" কামিনী নিজৰ কোঠালৈ গৈ দুৱাৰ মাৰি বিছনাত মৰাৰ দৰে থাকিল। পখিলীৰ কথা কামিনীৰ মনলৈ আহিছিল; কিন্তু তেওঁৰ দৰে মাতৃহন্তাৰ পাপত, সমাজৰ চকুত পাপী মানুহৰ সম্পৰ্কলৈ নহাই ভাল বুলি স্থিৰ কৰি পখিলীক দেখা নকৰাকৈ সেই ৰাতিয়েই গুচি যাবলৈ স্থিৰ কৰিলে।

—এও—

পখিলী আজি ডেৰ মাহে কোনোমতে জীয়াই আছে। মাকৰ ঘৰত পাটিত পৰি কান্দি থকাই তাইৰ কাম। মাকৰ মুখে বৰ বোপা জেলৰপৰা ওলাই অহা কথা আৰু সেই ৰাতিয়েই যে তেওঁ কৰবালৈ গুচি যাবগৈ এই কথাও শুনি তাই বৰ অস্থিৰ হ'ল। ই আনন্দৰ অস্থিৰতা নে বিষাদৰ অস্থিৰতা তাই ঠিক কৰিব নোৱাৰিলে। সন্ধ্যা হওঁতেই তাই কামিনীহঁতৰ ঘৰ পাই—কামিনীৰ দুৱাৰৰ ওচৰত চুক এটাত মনে মনে বহি থাকিল। কি আশাত যে তাই তাত বহি আছিল তাই তাক নিজেই কব নোৱাৰে।

ৰাতি গভীৰ হৈ উঠিল। ঘৰৰ সকলো মানুহ খাই-বৈ শুলে। কামিনীক মাতিবলৈ কোনো নাহিল। ৰাতি বাৰ বজাত ঘৰৰ ভিতৰত ঘৰীটোৱে টং টং কৰি জনালে। কামিনীয়ে দুৱাৰ মেলি মুহূৰ্ত্তলৈ থিয় দিলে—কামিনীৰ ৰূপ দেখি পখিলীৰ হিয়া ধৰ্ ফৰাবলৈ ধৰিলে। সুন্দৰ মুখখনিৰ হাড় ওলাই গৈছে। চুলিবোৰ অসংযত। চকুত এটা অস্বাভাৱিক ভাব। লাহে লাহে কামিনী ওলাই গ'ল। কামিনীৰ পাছে পাছে পখিলীও ওলাই গ'ল। কামিনী ব্ৰহ্মপুত্ৰৰ পাৰত থিয় দিলেহি। পখিলীৰ ভয় হ'ল—কামিনীয়ে আত্মহত্যা কৰিব। কামিনীৰ মনত তেনে ভাব স্পষ্টভাৱে খেলোৱা নাছিল। কেৱল "ইয়াৰপৰা আঁতৰি নিৰুদ্দেশ হব লাগিব" এই ভাবেই তেওঁৰ মনত খেলাইছিল। কিছু পৰৰ পিছত কামিনী বহি পৰিল। চাৰিওপিনে অন্ধকাৰ। মৃত্যুৰ কৰাল ছাত যেন সমস্ত জগত ক'লা হৈ উঠিছে। কামিনীৰ মুখৰপৰা হঠাৎ "পখিলী" শব্দ উচ্চাৰিত হ'ল। পখিলীয়ে আৰু সহিব নোৱাৰিলে। লৰি আহি কামিনীৰ ভৰিত দীঘল দি পৰিল। কামিনী স্তব্ধ হৈ কিছুপৰ থাকি কলে—"পখিলী! মই মাতৃহন্তা—। নিজৰ ভায়ে মোক ঘৰৰ পৰা খেদাই দিছে। এই মাতৃহন্তাৰ সম্পৰ্কলৈ তই কিয় আহিছ পখিলী? আঁতৰি যা।" পখিলীয়ে কামিনীৰ ভৰি দুটাত শকতকৈ ধৰি "দেৱতা। তুমি সদায় মোৰ দেৱতা। বিচাৰৰ ক্ষমতা মোৰ নাই—। জানো তুমি মোৰ দেৱতা।" পখিলীয়ে আৰু কথা কব নোৱাৰিলে। কামিনীয়ে পখিলীক বুকুলৈ টানি ললে। কামিনীৰ মনত হ'ল যেন সমস্ত জগতে স্তব্ধ হৈ এটা গভীৰ তৃপ্তি অনুভৱ কৰিছে। আনন্দত তেওঁৰ হিয়া উপচি উঠিল। লাহে লাহে পুবেৰুণ দিলে। এখন নাওত দুয়ো উঠি ভটিয়াই গুচি গ'ল। তাৰ পিছত পখিলী আৰু কামিনীক কোনোৱে দেখা নাই।

# অদ্বৈতবেদান্তমতে মোক্ষতত্ত্ব

ড: যোগীৰাজ বসু

এই প্ৰবন্ধত আমি চমুকৈ অদ্বৈতবেদান্ত দৰ্শনৰ মোক্ষতত্ত্বৰ আলোচনা কৰিম। মোক্ষতত্ত্ব আলোচনা কৰিবলৈ গ'লে স্বভাৱতেই জীৱৰ বন্ধনৰ প্ৰসঙ্গ আহি পৰে। বন্ধনৰ পৰাই মোক্ষ লাভ কৰিব লাগে, মুক্ত হব লাগে। জীৱৰ বন্ধনৰ কাৰণ কি? বন্ধনৰ কাৰণ হ'ল অনাত্মপদাৰ্থক (Not-self) আত্মা বুলি গ্ৰহণ কৰা। দেহ, ইন্দ্ৰিয়, বুদ্ধি, মন আদিৰ উপাধিযোগেৰে জীৱই আত্মপদাৰ্থৰ পৰা আত্মাক পৃথক বুলি ভাবিব নোৱাৰে। অবিদ্যা বা অজ্ঞানৰ দ্বাৰা জীৱৰ চিত্ত আচ্ছন্ন হয়। স্বৰূপতে জীৱ ব্ৰহ্ম। 'তত্ত্বমসি', 'অহং ব্ৰহ্মাস্মি', 'অয়মাত্মা ব্ৰহ্ম' প্ৰভৃতি শ্ৰুতপ্ৰবচনবোৰত জীৱ আৰু ব্ৰহ্মৰ অভিন্নত্ব ঘোষিত হৈছে। অজ্ঞানবশতঃ জীৱই নিজৰ ব্ৰহ্ম স্বৰূপ উপলব্ধি কৰিব নোৱাৰি অনাত্মপদাৰ্থবোৰৰ মাজতে আত্মাৰ অনুসন্ধান কৰে। ডিঙিতে গামোছাখন থৈ সেই কথা পাহৰি গৈ মানুহে যেনেকৈ গোটেই ঘৰখনতে গামোছা বিচাৰি ফুৰে ঠিক সেইদৰে মানুহে নিজৰ স্বৰূপেই যে ব্ৰহ্ম এই কথা পাহৰি গৈ অনাত্মপদাৰ্থৰ মাজত পৰমাত্মাক বিচাৰি হাবাথুৰি খায়। অবধূত গীতাত মোক্ষসম্বন্ধে কোৱা হৈছে,—'স্বংতত্ত্বং স্বয়মেৱ লব্ধম্'—অৰ্থাৎ জীৱৰ স্বৰূপেই পৰমতত্ত্ব আৰু সেই স্বস্বৰূপ প্ৰাপ্তিয়েই মোক্ষ। ছুফী কবি ফৰিদুদ্দীন্ আত্তাৰে কয়,—'In the end the pilgrim, pilgrimage and the goal was but myself towards myself in myself'—অৰ্থাৎ পৰমাত্মাৰ দৰ্শনৰ বাবে সাধনা বা তীৰ্থযাত্ৰাৰ শেষত যেতিয়া আত্মদৰ্শন হয় তেতিয়া এই সত্যৰ উপলব্ধি হয় যে তীৰ্থযাত্ৰী (=জীৱ), যাত্ৰাৰপথ (=সাধন) আৰু লক্ষ্য ঈশ্বৰলাভৰ অৰ্থ হ'ল নিজৰ মাজতে নিজে নিজৰ স্বৰূপ উপলব্ধি কৰা। 'আত্মবোধত' শঙ্কৰাচাৰ্যই কৈছে,—

"আত্মা তু সততং প্ৰাপ্তোঽপি অপ্ৰাপ্তবৎ অবিদ্যয়া।
তন্নাশে প্ৰাপ্তবদ্ভাতি স্বকণ্ঠাভৰণং যথা ॥ ৪৩॥"

নিজৰ কণ্ঠত স্বৰ্ণালঙ্কাৰ পৰিধান কৰি সেই কথা পাহৰি গৈ মানুহে যিদৰে সৰ্বত্ৰ অলঙ্কাৰ বিচাৰি ফুৰে ঠিক তেনেকৈ নিত্যপ্ৰাপ্ত জীৱৰ স্বৰূপভূত আত্মাক অবিদ্যাৰ প্ৰভাৱত অপ্ৰাপ্ত বুলি ভাবি জীৱই অনাত্মপদাৰ্থৰ মাজতে তাৰ সন্ধান কৰি ফুৰে। 'ন্যায়মকৰন্দ'ৰ গ্ৰন্থকাৰেও এই সত্যৰ প্ৰতিধ্বনি কৰি কৈছে,—'ব্ৰহ্মত্বু আত্মতয়া নিত্যপ্ৰাপ্তমপি অবিদ্যামাত্ৰতিৰোহিতং কণ্ঠগতচামীকৰবৎ: ন তত্ৰ অবিদ্যানিবৃত্তব্যতিৰিক্তং কৰ্ম কাৰ্য্যমস্তি ইতি অবিদ্যানিবৃত্তৌ বিদ্যায়া উপযোগঃ।'

মনুষ্যদেহ মায়াৰ কাৰ্য। গতিকে মায়াৰ যিদৰে তাত্ত্বিক সত্তা (Absolute Reality) নাই সেইদৰে দেহবো তাত্ত্বিক বা শাশ্বত সত্তা নাই; ই বিনাশশীল। ভিন ভিন দেহত আত্মাই বিৰাজ কৰে, কিন্তু সেই



আত্মা এক আৰু অদ্বিতীয়; আত্মা বহু বা নানা নহয়। দেহ বহু হব পাৰে কিন্তু আত্মা বহু হব নোৱাৰে। দেহৰ ভেদত আত্মাৰ ভেদ নহয়। ভিন ভিন জলৰ পাত্ৰত একেটি চন্দ্ৰ বহুৰূপে প্ৰতিবিম্বিত হলেও চন্দ্ৰ এক আৰু অদ্বিতীয়। এই তত্ত্বটি এটি শ্লোকত ব্যক্ত কৰা হৈছে,—

"এক এৱহি ভূতাত্মা ভূতে ভূতে ব্যৱস্থিতঃ।
একধা বহুধা চৈৱ দৃশ্যতে জলচন্দ্ৰৱৎ।'

আত্মা নিত্যমুক্ত, নিত্যশুদ্ধ, অপাপবিদ্ধ। দেহ, ইন্দ্ৰিয়, মন ইত্যাদি উপাধিযোগে আত্মা বদ্ধ আৰু সীমাবদ্ধ যেন অনুমান হয়। অজ্ঞানৰ নাশ হলেই জীৱ পৰমাত্মাৰে সৈতে সম্পূৰ্ণ অভিন্ন হৈ পৰে, অলপো ভেদ আৰু নাথাকে। অজ্ঞাননাশ হলেই আপোনা আপুনি ব্ৰহ্মস্বৰূপৰ প্ৰকাশ আৰু উপলব্ধি হয়। ইয়াৰ কাৰণে পৃথক কোনো উপায় বা সাধনৰ আৱশ্যক নকৰে। নিত্যসিদ্ধ মোক্ষ অজ্ঞানৰূপ আৱৰণৰ তিৰোধান হলে স্বয়ং প্ৰকাশিত হয়। শঙ্কৰাচাৰ্যৰ উক্তি,—'স (মোক্ষঃ) চ নিত্যত্বাৎ নাবিদ্যানিবৃত্তিব্যতিৰেকেন অন্যসাধননিষ্পাদ্যঃ।' মেঘে ঢাকি ৰখা সূৰ্য মেঘ আঁতৰি গলে আপোনা আপুনি প্ৰকাশিত হয়,—সেই সূৰ্যৰ প্ৰকাশৰ কাৰণে কোনো ঢাকি বা প্ৰদীপ আদিৰ আৱশ্যক নহয়। মোক্ষপ্ৰাপ্তি মানে 'সৰ্বদুঃখনিবৃত্তি' আৰু 'পৰমানন্দ প্ৰাপ্তি।' ব্ৰহ্মই পৰমানন্দস্বৰূপ; ব্ৰহ্মস্বৰূপপ্ৰাপ্তিয়েই মোক্ষ। যি সাধকে যথাৰ্থতে ব্ৰহ্মক জানিব পাৰে বা উপলব্ধি কৰে তেওঁৱেই ব্ৰহ্মস্বৰূপ প্ৰাপ্ত হয়। 'Knowing is becoming'; ব্ৰহ্মক উপলব্ধি কৰা বা সঠিকৰূপে তত্ত্বতঃ জনাই হ'ল নিজৰ স্বৰূপক উপলব্ধি কৰা। গতিকে ব্ৰহ্মজ্ঞ পুৰুষ ব্ৰহ্মই হৈ পৰে। 'ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি', 'স যো হ বৈ তৎ পৰমং ব্ৰহ্ম বেদ, স ব্ৰহ্মৈৱ ভৱতি' (মুণ্ডকোপনিষদ্, ৩-২-৯), ইত্যাদি উপনিষৎ প্ৰৱচনত এই সত্য সুব্যক্ত। যিদৰে ব্ৰহ্মপুত্ৰ, গঙ্গা, যমুনা আদি পৃথক পৃথক নানদীবোৰ সাগৰত বিলীন হৈ নিজৰ নিজৰ বেলেগ নাম আৰু ৰূপ হেৰুৱাই পেলাই সাগৰৰ নাম আৰু সাগৰৰ ৰূপ পায় অৰ্থাৎ সাগৰেই হৈ পৰে, সেইদৰে ব্ৰহ্মজ্ঞ পুৰুষেও ব্ৰহ্মত্বলাভ কৰি নিজৰ নাম ৰূপ হেৰুৱাই পেলায়; তেতিয়া তেওঁ অখণ্ডসচ্চিদানন্দ পৰমব্ৰহ্মত পৰিণত হয়। নদীৰ আৰু সাগৰৰ দৃষ্টান্ত দি মুণ্ডকোপনিষদে এই তত্ত্ব ঘোষণা কৰিছে,—

'যথা নদ্যঃ স্যন্দমানাঃ সমুদ্ৰে
অস্তং গচ্ছন্তি নামৰূপে বিহায়।
তথা বিদ্বান্ নামৰূপাদ্ বিমুক্তঃ
পৰাৎপৰং পুৰুষমুপৈতি দিব্যম্ ॥ (৩-২-৮)

মুণ্ডক, ছান্দোগ্য, প্ৰশ্ন প্ৰভৃতি উপনিষদত এই নদীসমুদ্ৰৰ প্ৰসিদ্ধ দৃষ্টান্তটো দেখা যায়; তাৰ ভিতৰত প্ৰশ্নোপনিষদত ঋষিয়ে দৃষ্টান্তটি সুন্দৰৰূপে বিশ্লেষণ কৰি বুজাই দিছে। সাগৰৰ পৰা এগিলাচ পানী আনি কোনেও কব নোৱাৰে সেই পানীখিনি গঙ্গাৰ পানী নে ব্ৰহ্মপুত্ৰৰ পানী অথবা যমুনাৰ পানী; তাক সাগৰৰ পানী বুলি ক'ব লাগিব। উপনিষদৰ এই সত্যৰ প্ৰতিধ্বনি পাশ্চাত্যৰ বিখ্যাত দাৰ্শনিক একাৰ্টৰ (Eckhart) উক্তিত আমি শুনিবলৈ পাওঁ,—'God and I are one in the act of my perceiving Him.'

সাংখ্য, ন্যায় আদি দৰ্শনৰ মতে মোক্ষ বা মুক্তি কেৱল দুঃখৰ নিবৃত্তি, দুখৰ অভাব বুজায়; কিন্তু বেদান্তমতে মোক্ষ বুলিলে কেৱল দুঃখনিবৃত্তৰূপ অভাব (Negative) নুবুজায়, পৰমানন্দ প্ৰাপ্তিৰূপ ভাৱসত্তাহে (Positive element) বুজায়। কেৱল দুঃখৰ অভাব বা কেৱল অবিদ্যাৰনিবৃত্তিক যে মোক্ষ বোলা নহয়, অবিদ্যানিবৃত্তি আৰু অবিদ্যাকাৰ্য দুঃখনিবৃত্তিৰ সমকালীন পৰমানন্দই যে মোক্ষ বা পৰমপুৰুষাৰ্থ ইয়াক চিৎসুখাচাৰ্যই বিশেষভাৱে আলোচনা কৰিছে। তেখেতে কয়,—'অবিদ্যানিবৃত্তিবদ্ দুঃখনিবৃত্তিৰপি স্বতঃ পুৰুষাৰ্থো ন

ভৱতি, অতো ব্ৰহ্মানন্দস্ফুৰণসাধনতয়ৈৱ অবিদ্যানিবৃত্তে ৰ্জ্ঞানসাধ্যত্বমুপেয়ন্তে',—অৰ্থাৎ কেৱল অবিদ্যানিবৃত্তি আৰু দুঃখনিবৃত্তিক মোক্ষ বুলি কব নোৱাৰি। ব্ৰহ্মানন্দ প্ৰকাশনৰ সাধনৰূপে অবিদ্যানিবৃত্তিৰ সাৰ্থকতা। অদ্বৈত-বেদান্তৰ বিখ্যাত আচাৰ্য চিৎসুখাচাৰ্যৰ এই সিদ্ধান্ত 'বেদান্তসিদ্ধান্তসূক্তিমঞ্জৰী' গ্ৰন্থত কীৰ্তিত হৈছে,—

'দুঃখং সুখবিৰোধীতি তন্নাশোঽপি হি ন স্বতঃ।
পুমৰ্থঃ সুখমাত্ৰং তু তথা চিৎসুখদৰ্শনে ॥'

আচাৰ্য গোতমে ন্যায়দৰ্শনত মোক্ষত আনন্দৰ সত্তা স্বীকাৰ কৰা নাই; কেৱল দুঃখৰ অত্যন্তনিবৃত্তি স্বীকাৰ কৰিছে। শঙ্কৰাচাৰ্যৰ প্ৰশিষ্যসকলে ন্যায়দৰ্শনৰ এই মোক্ষ-তত্ত্বৰ দোষ দেখুৱাই কৈছে যে মোক্ষত যদি পৰমানন্দপ্ৰাপ্তি নঘটে তেনেহলে মোক্ষলাভ মানে শিলাত্বলাভ অৰ্থাৎ প্ৰস্তৰবৎ অৱস্থাপ্ৰাপ্তিৰ সমতুল্য হব।

'মুক্তয়ে যঃ শিলাত্বায় শাস্ত্ৰমূচে মহামুনিঃ।'

পৰৱৰ্তীকালত উদয়নাচাৰ্য প্ৰভৃতি দুই এজন নৈয়ায়িকে মোক্ষত আনন্দৰ সত্তা স্বীকাৰ কৰিছে। বৌদ্ধধৰ্মৰ গ্ৰন্থবিশেষত নিৰ্বাণক সুখস্বৰূপ বোলা হৈছে। 'মিলিন্দ-পন্‌হ' গ্ৰন্থত মহাৰাজ মিলিন্দাৰ নিৰ্বাণসম্বন্ধীয় প্ৰশ্নৰ উত্তৰত নাগসেনে স্পষ্টভাষাত কৈছে,—'নিৰ্বাণ সুখেই, সুখ স্বৰূপেই; নিৰ্বাণত অকণো দুখ নাথাকে'।

জীৱৰ বন্ধনৰ মূল কাৰণ হ'ল অবিদ্যা বা অজ্ঞান। এই অজ্ঞানৰ নাশৰ কাৰণে বেদান্তত বিবিধ উপায় বা নিৰ্দেশ দিয়া হৈছে। তাৰ ভিতৰত বিশেষকৈ তিনিটি সাধন বা উপায় প্ৰধান: (১) ব্ৰহ্মজ্ঞ আচাৰ্যৰ উপদেশ; (২) উপনিষদ আৰু অন্যান্য মোক্ষশাস্ত্ৰ অধ্যয়ন; (৩) চাৰিপ্ৰকাৰৰ সাধন বা মানসিক শোধন।

(১) ব্ৰহ্মজ্ঞ আচাৰ্যৰ উপদেশ আৰু পৰিচালনা। তত্ত্বদৰ্শী আচাৰ্য অবিহনে মুমুক্ষু জীৱই তাৰ অপূৰ্ণ, সসীম জ্ঞানৰ জৰিয়তে ব্ৰহ্মক লাভ কৰিব নোৱাৰে। ছান্দোগ্যোপনিষদৰ বহুশ্ৰুত ঘোষণা,—'আচাৰ্যবান্ পুৰুষো বেদ', অৰ্থাৎ ব্ৰহ্মজ্ঞ আচাৰ্য যিজন পুৰুষে লাভ কৰিছে সেইজনে আচাৰ্যপ্ৰদত্ত পৰাবিদ্যাৰ বলতে ব্ৰহ্মক জানিব পাৰে। মুণ্ডকোপনিষদৰ নিৰ্দেশ,—'তদ্‌বিজ্ঞানাৰ্থং স গুৰুমেবাভিগচ্ছেৎ সমিৎপাণিঃ শ্ৰোত্ৰিয়ং ব্ৰহ্মনিষ্ঠম্ (১-২-১২) সেই পৰমতত্ত্বক জানিবলৈ হলে ব্ৰহ্মনিষ্ঠ বেদজ্ঞ গুৰুৰ ওচৰত হাতত সমিধলৈ গমন কৰিব লাগে।' ছান্দোগ্যত শিষ্য সত্যকামে তেওঁৰ গুৰুক কৈছে—'আচাৰ্যাৎ হি এৱ বিদ্যা বিদিতা সাধিষ্ঠং প্ৰাপয়তীতি', অৰ্থাৎ আচাৰ্যৰ পৰা জ্ঞান লাভৰ কাৰণে তেতিয়া জ্ঞানসাৰ্থক আৰু সাধিষ্ঠ বা আটাতকৈ উপযোগী হয়। শ্বেতাশ্বতৰ উপনিষদৰ ঘোষণা,—'ভগবানত আৰু গুৰুত যাৰ পৰাভক্তি আছে তাৰ ওচৰতেই মহাত্মাসকলে শাস্ত্ৰৰ প্ৰকৃত অৰ্থ প্ৰকাশ কৰে' (৬-২৩)। কঠোপনিষদত ধৰ্মৰাজে সংশয়হীন স্পষ্ট ভাষাত তত্ত্বজিজ্ঞাসু নচিকেতাক কৈছে,—

'ন নৰেনাৱৰেণ প্ৰোক্ত এষ সুবিজ্ঞেয়ো বহুধা
চিন্ত্যমানঃ।
অনন্যপ্ৰোক্তে গতিৰত্ৰ নাস্তি অণীয়ান্ হ্যতৰ্ক্যমণু-
প্ৰমাণাৎ ॥'
(১-২-৮)

'তৰ্কৰ অতীত অতীন্দ্ৰিয় অতিসূক্ষ্ম আত্মতত্ত্বৰ উপদেশ ব্ৰহ্মনিষ্ঠ আচাৰ্যৰ বাহিৰে (অব্ৰহ্মজ্ঞ) পুৰুষে যদি দিয়ে সেই উপদেশ ব্যৰ্থ হয়। একমাত্ৰ ব্ৰহ্মজ্ঞ আচাৰ্যই আত্মতত্ত্বৰ যোগ্য প্ৰবক্তা।' ভগৱান শঙ্কৰাচাৰ্যই তেওঁৰ 'বিবেকচূড়ামণি', 'অজ্ঞানবোধিনী' প্ৰভৃতি গ্ৰন্থত মোক্ষ লাভৰ কাৰণে ব্ৰহ্মনিষ্ঠ আচাৰ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি গৈছে।

(২) উপনিষদ আৰু অন্যান্য মোক্ষশাস্ত্ৰৰ অধ্যয়ন আৰু মনন।



(৩) চাৰিপ্ৰকাৰৰ সাধন বা মানসিক শোধন, যেনে (ক) নিত্যানিত্যবস্তুবিবেক; নিত্যপদাৰ্থ আৰু অনিত্য পদাৰ্থৰ পাৰ্থক্যৰ অনুশীলন। ব্ৰহ্ম নিত্য সত্তা, তাৰ বাহিৰে আন সকলো অনিত্য, এই সত্য, শ্ৰুতি আৰু যুক্তিৰ মাধ্যমে বিচাৰ আৰু উপলব্ধি কৰা (খ) ইহা-মুত্ৰফলভোগবিৰাগ;—ইহলোকত পাৰ্থিৱ ভোগৰ অমুত্ৰ বা পৰলোকত স্বৰ্গাদিফলভোগৰ কামনা নকৰা। (গ) ছয় প্ৰকাৰৰ সাধন সম্পত্তি; যেনে, (i) শম অৰ্থাৎ মনৰ সংযম; (ii) দম অৰ্থাৎ বহিৰিন্দ্ৰিয়বোৰৰ সংযম। (iii) উপৰতি; ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ আদিত চিত্তৰ অনাশক্তি; (iv) তিতিক্ষা অৰ্থাৎ সহ্যশক্তি; শীত, উষ্ণ, সুখদুঃখাদি সহনশীলতা। (v) সমাধান—ব্ৰহ্মত চিত্তৰ সম্যক আধান বা অভিনিৱেশ; আৰু (vi) শ্ৰদ্ধা—গুৰু আৰু বেদান্তবাক্যত দৃঢ় বিশ্বাস। (ঘ) মুমুক্ষুত্ব—মোক্ষলাভৰ কাৰণে বলৱতী ইচ্ছা।

উপযুক্ত সাধন চতুষ্টয়সম্পন্ন পুৰুষেই বেদান্তৰ অধিকাৰী। তেৱেঁই আত্ম-অনাত্ম বিচাৰৰ যোগ্য পুৰুষ। কিন্তু যদি কোনো মানুহৰ সাধনচতুষ্টয় সম্পূৰ্ণভাৱে আয়ত্ত নহয় অথচ বেদান্তচৰ্চাৰ প্ৰতি তীব্ৰ হাবিয়াস থাকে তেনেহলে তেওঁৰো নিৰাশ হোৱাৰ কোনো কাৰণ নাই। আচাৰ্য শঙ্কৰে তেওঁৰ 'আত্ম-অনাত্মবিবেক' গ্ৰন্থত নিজেই কৈছে, "সাধনচতুষ্টয়সম্পত্ত্যভাৱেঽপি গৃহস্থানাম্ আত্মানাত্মবিচাৰে ক্ৰিয়মানে সতি তেন প্ৰত্যৱায়ো নাস্তি কিন্তু অতীৱ শ্ৰেয়ো ভৱতি;" অৰ্থাৎ সাধনচতুষ্টয় সম্যক্ আয়ত্ত কৰিব নোৱাৰিলেও গৃহস্থসকলৰ আত্ম অনাত্ম-বিচাৰত অৰ্থাৎ বেদান্তচৰ্চাত কোনো বাধা নাই, বৰং অত্যন্ত শ্ৰেয়ঃ অৰ্থাৎ মঙ্গল লাভ কৰিব। এনে ধৰণৰ পুৰুষসকল বেদান্তৰ গৌণ অধিকাৰী।

শঙ্কৰাচাৰ্যই বিদেহমুক্তি আৰু জীৱন্মুক্তি দুই প্ৰকাৰৰ মোক্ষ স্বীকাৰ কৰিছে। ব্ৰহ্মজ্ঞান লাভ কৰিলেও যেতিয়ালৈকে প্ৰাৰব্ধৰ বেগ বা প্ৰভাৱ থাকে তেতিয়ালৈকে মুমুক্ষুৰ দেহ বিদ্যমান থাকে। দেহত্যাগ অৰ্থাৎ বিদেহ হলে যিজনে পৰমব্ৰহ্মৰ সৈতে অভিন্ন হৈ একত্বলাভ কৰে তেওঁৰেই বিদেহমুক্তি বা নিৰ্বাণমুক্তি হয়। অবিদ্যা, কামনা, কৰ্ম বৰ্তমান থকালৈকে বিদেহমুক্তিলাভ অসম্ভৱ। এই ধৰণৰ বিদেহমুক্তিকামী মুমুক্ষু পুৰুষৰ বাহিৰে আৰু এদল পুৰুষ আছে যিসকলৰ প্ৰাৰব্ধ নাই, কৰ্মৰ বন্ধন নাই, যিসকল তত্ত্বদৰ্শী ব্ৰহ্মজ্ঞ পুৰুষ। তেওঁলোকে কেৱল লোকসংগ্ৰহৰ কাৰণে শৰীৰ ধাৰণ কৰে। তেওঁলোকৰ দেহত অভিমান নাথাকে। শঙ্কৰৰ ভাষাত তেওঁলোকে 'ইহৈৱ মুক্তো যদ্যপি দেহৱানিৱ লক্ষ্যতে' অৰ্থাৎ জীৱিত অৱস্থাতেই তেওঁলোকে মুক্ত যদিও দেহধাৰী পুৰুষৰদৰেই দেখা যায়। ভগৱানৰ অৱতাৰকালীন দেহধাৰণ আৰু শুকদেৱ, ব্যাসদেৱ, বশিষ্ঠ, ঋষভদেৱ, যাজ্ঞবল্ক্য, শঙ্কৰাচাৰ্য আদি পুৰুষসকল নিত্যমুক্ত। অদ্বৈতবেদান্তৰ এই জীৱন্মুক্তিবাদ সাংখ্য, বৌদ্ধ, জৈন আদি দৰ্শনেও সমৰ্থন কৰিছে।

সাংখ্যদৰ্শনত জীৱন্মুক্তি স্বীকৃত হৈছে। যি সকল পুৰুষে সম্প্ৰজ্ঞাত যোগৰ মাধ্যমত আত্মসাক্ষাৎকাৰ লাভ কৰিব পাৰিছে তেওঁলোকক মধ্যবিবেকী বোলা হয়। মধ্যবিবেক উপস্থিত হলে জ্ঞানীৰ আত্মাৰ সুখদুখসম্বন্ধ দগ্ধ হৈ যায়; কিন্তু প্ৰাৰব্ধবশতঃ সেই ব্যক্তিৰ শৰীৰ বিদ্যমান থকা বাবে সুখদুঃখাদি দগ্ধসূত্ৰৰ নিচিনা কিছু সময়ৰ বাবে অনুবৰ্তিত হয়। এই মধ্যবিবেকী পুৰুষেই জীৱন্মুক্ত। জীৱন্মুক্ত পুৰুষৰ বাহিৰে আইন কোনেও তত্ত্বৰ উপদেষ্টা হব নোৱাৰে। সেই বাবে তত্ত্বদৰ্শী জীৱন্মুক্ত পুৰুষৰ অস্তিত্ব অৱশ্যেই স্বীকাৰ্য আৰু প্ৰয়োজনীয়। সাংখ্যদৰ্শনৰ 'উপদেশ্য-উপদেষ্টত্বৎ তৎ-সিদ্ধিঃ' সূত্ৰত এই সত্য বিঘোষিত হৈছে (সূত্ৰ, ৭৯)। জৈনসকলেও জীৱন্মুক্তি সমৰ্থন কৰে। তেওঁলোকৰ প্ৰতিজন তীৰ্থঙ্কৰেই একো একোজন জীৱন্মুক্ত পুৰুষ। ইহ জীৱনতেই মানুহে যে পূৰ্ণপ্ৰজ্ঞ বুদ্ধত্ব লাভ কৰিব পাৰে অৰ্থাৎ জীৱন্মুক্ত হব পাৰে এই কথা বৌদ্ধসকলৰ এক সম্প্ৰদায়েও স্বীকাৰ কৰিছে। আচাৰ্য ৰামানুজে আৰু অন্যান্য বৈষ্ণৱ বেদান্তাচাৰ্যসকলে জীৱন্মুক্তি স্বীকাৰ নকৰে।

অদ্বৈতবেদান্তমতে মোক্ষলাভৰ সাক্ষাৎ সাধন হ'ল জ্ঞান। আত্মজ্ঞান বা ব্ৰহ্মজ্ঞানব্যতীত মোক্ষলাভ হ'ব নোৱাৰে। ঈশোপনিষদৰ প্ৰবচন—'বিদ্যয়া অমৃতমশ্নুতে' (শ্লোক ১১); বিদ্যা অৰ্থাৎ তত্ত্বজ্ঞানৰ দ্বাৰা মোক্ষলাভ সম্ভৱ হয়। শ্বেতাশ্বতৰৰ উক্তি,—'জ্ঞাত্বা দেৱং সৰ্বপাশাপহানিঃ ক্ষীণৈঃ ক্লেশৈৰ্জন্মমৃত্যুপ্ৰহাণিঃ' (১-১১)। 'ব্ৰহ্মজ্ঞান জন্মিলে সমস্ত পাশ অৰ্থাৎ বন্ধন দূৰ হয় আৰু জন্মমৃত্যু অচিৰাৎ নিবৃত্ত হয়। 'তমেৱ বিদিত্বা অতিমৃত্যুমেতি, নান্যঃ পন্থা বিদ্যতে অয়নায়' (শ্বেতাশ্বতৰ, ৩-৮); 'সেই পৰমাত্মাক জানিলে মৃত্যু অতিক্ৰম কৰিব পাৰি; এই বিষয়ত (আত্মজ্ঞানব্যতীত) অন্য কোনো পথ নাই', ইত্যাদি শ্ৰুতিবচনতো ব্ৰহ্মজ্ঞান বা পৰাবিদ্যাই মোক্ষলাভৰ একমাত্ৰ সাধনৰূপে নিৰ্দিষ্ট হৈছে। বেদান্তৰ বিখ্যাতগ্ৰন্থ 'পঞ্চদশী'ত কোৱা হৈছে,—

'মুক্তিস্তু ব্ৰহ্মতত্ত্বস্য জ্ঞানাদেৱ ন চান্যথা' (৬-২০৯); অৰ্থাৎ ব্ৰহ্মতত্ত্বৰ জ্ঞানৰ বাহিৰে আন কোনো উপায়েৰে মুক্তিলাভ অসম্ভৱ। মহাভাৰত, বিভিন্ন পুৰাণ, কুলাৰ্ণৱতন্ত্ৰ, মহানিৰ্বাণতন্ত্ৰ, সনৎসুজাতীয়শাস্ত্ৰ প্ৰভৃতি সনাতনধৰ্মশাস্ত্ৰতো মোক্ষলাভৰ কাৰণে আত্মজ্ঞানক সাক্ষাৎসাধন বোলা হৈছে। শঙ্কৰাচাৰ্যই তেওঁৰ বিভিন্ন গ্ৰন্থত বাৰে বাৰে কৈছে,—জ্ঞানহীনপুৰুষে এশবাৰ জন্ম ললেও মোক্ষলাভ কৰিব নোৱাৰে। 'মোহমুদ্গৰ', চৰ্পটপঞ্জৰিকা প্ৰভৃতি স্তোত্ৰত তেওঁৰ উক্তি,—'জ্ঞানবিহীনস্য সৰ্বমতেন মুক্তিৰ্ন ভৱতি জন্মশতেন।'

মোক্ষৰ সাক্ষাৎ সাধন হ'ল তত্ত্বজ্ঞান আৰু জ্ঞানৰ সহকাৰী সাধন হ'ল বৈৰাগ্য, ভক্তি আৰু নিষ্কাম কৰ্ম। অনিত্যপদাৰ্থত তীব্ৰবৈৰাগ্য হ'ল মোক্ষলাভৰ প্ৰথম সোপান। শঙ্কৰৰ উক্তি,—

'মোক্ষস্য হেতুঃ প্ৰথমো নিগদ্যতে বৈৰাগ্যমত্যন্তম্
অনিত্যবস্তুষু'। (বিবেকচূড়ামণি,)

সংসাৰৰ প্ৰতি বৈৰাগ্যৰ লগে লগে ঈশ্বৰৰ প্ৰতি পৰম অনুৰাগ বা ভক্তি ওপজে। পৰম অনুৰাগ বা অনুৰক্তিয়েই ভক্তি। 'ভক্তিঃ পৰানুৰক্তিঃ ঈশ্বৰে' (শাণ্ডিল্যসূত্ৰ)। ফলাসক্তিৰহিত নিষ্কাম কৰ্ম কৰোঁতে কৰোঁতে মানুহৰ চিত্ত শুদ্ধ হয়। চিত্ত শুদ্ধ হ'লে তাত তত্ত্বজ্ঞানৰ উদয় হয়। তত্ত্বজ্ঞানৰ দ্বাৰা মোক্ষলাভ হয়। শঙ্কৰাচাৰ্যৰ স্পষ্টঘোষণা,—

'চিত্তস্য শুদ্ধয়ে কৰ্ম ন তু ব্ৰহ্মোপলব্ধয়ে।
ব্ৰহ্মসিদ্ধিস্তত্ত্বজ্ঞানেন ন কিঞ্চিৎ কৰ্মকোটিভিঃ॥'

চিত্তৰ শুদ্ধিৰ কাৰণে নিষ্কামকৰ্ম কৰিব লাগে, ব্ৰহ্মলাভ কৰিবৰ কাৰণে নহয়। ব্ৰহ্মলাভ তত্ত্বজ্ঞানৰ বলতে হয়, কোটি কোটি কৰ্মৰ দ্বাৰাও নহয়। তত্ত্বজ্ঞান লাভ কৰিলে মানুহে অনতিপলমে পৰমশান্তি বা মুক্তিৰ অধিকাৰী হয়;—'জ্ঞানং লব্ধা পৰাং শান্তিং ন চিৰেণাধিগচ্ছতি।' (গীতা, ৪/৩৯। নিৰ্বাণমুক্তি লাভ কৰিলে জীৱৰ নিৰ্গুণ ব্ৰহ্মস্বৰূপ প্ৰাপ্তি ঘটে; জন্মমৃত্যুৰ চিৰতৰে অৱসান হয়। 'অনাবৃত্তিঃ শব্দাৎ, অনাবৃত্তিঃ শব্দাৎ'—ব্ৰহ্মসূত্ৰৰ এই অন্তিমসূত্ৰত কোৱা হৈছে যে মুক্তজীৱৰ পুনৰায় পৃথিৱীত আবৃত্তি বা জন্মগ্ৰহণ নহয়। ছান্দোগ্যোপনিষদত, 'ন ইমং মানৱমাৱৰ্তং নাৱৰ্ততে' প্ৰবচনতো একেই তত্ত্ব প্ৰকাশ পাইছে। এই নিৰ্গুণ ব্ৰহ্মস্বৰূপ বা নিৰ্বাণমোক্ষস্বৰূপ হ'ল পৰম অদ্বৈত অৱস্থা। এই অৱস্থা বাক্য আৰু মনৰ অগোচৰ, জাগ্ৰত-স্বপ্ন সুষুপ্তিৰ অতীত, সত্ত্ব ৰজঃ তমঃ তিনি গুণৰ অতীত, স্থূল সূক্ষ্ম আৰু কাৰণ এই তিনি অৱস্থাৰো অতীত, মানুহৰ ধাৰণাৰ অতীত এক অখণ্ড নিৰ্বিকল্প নিৰ্গুণ অৱস্থা যাক মাণ্ডুক্যোপনিষদত শান্ত শিৱ অদ্বৈত তুৰীয় অৱস্থাৰূপে কীৰ্তন কৰা হৈছে; 'অচিন্ত্যম্ অব্যপদেশ্যম্ একাত্মপ্ৰত্যয়সাৰং প্ৰপঞ্চোপশমং শান্তং শিৱম্ অদ্বৈতং চতুৰ্থং মন্যন্তে স আত্মা সবিজ্ঞেয়ঃ।'

# নাট্যকাৰ শূদ্ৰকৰ উচ্চ ন্যায়ালয়

শ্ৰীযোগেশ্বৰ শৰ্মা

শূদ্ৰকৰ 'মৃচ্ছকটিক' নাটকখনে প্ৰসিদ্ধ সামাজিক নাটক হিচাপে সংস্কৃত সাহিত্যত এটি বিশেষ স্থান অধিকাৰ কৰি আছে। সমাজৰ উচ্চ আৰু নিম্নস্তৰৰ ব্যক্তিৰ উজ্জ্বল চিত্ৰেৰে মণ্ডিত এই নাটকখনে সকলো শ্ৰেণীৰ পাঠকৰে মন আকৰ্ষণ কৰি আহিছে। পৰম্পৰাগত নাটকীয় কথাবস্তু চিত্ৰণতেইহে যে এই নাটক পৰ্যবসিত তেনে নহয়, ইয়াত এখন সমাজৰ বাস্তৱ চিত্ৰ ৰূপায়িত হৈছে। ধূৰ্ত, চোৰ, মদ্যপায়ী, জুৱাৰী আদিৰ সমাজ-বিৰোধী আচৰণৰণৰ আৰম্ভ কৰি নৃশংস নাৰী-হত্যা আদি লোক-গৰ্হিত কাৰ্যৰ সমাৱেশ ইয়াত ঘটিছে। সেই দিনত সমাজৰ সেই অন্যায়, অনাচাৰ আৰু ব্যভিচাৰ অবাধিত গতিত চলিবলৈ দিয়া হোৱা নাছিল; তাৰ গতিৰোধ কৰি সমাজত শান্তি আৰু শৃঙ্খলা অক্ষুণ্ণ ৰাখিবলৈও বিচাৰ প্ৰণালীৰ ব্যৱস্থা কৰা আছিল। এইখিনিতে এটা কথা উল্লেখনীয় যে মৃচ্ছকটিকৰ নাটকীয় কথা-বস্তুক দুটা ভাগত ভগাব পাৰি। ইয়াৰ প্ৰথম ভাগত চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে আৰু আনটো ভাগত ৰাজবিপ্লৱ আৰু আৰ্যকৰ ৰাজ্যপ্ৰাপ্তিৰ বিৱৰণ দিয়া হৈছে। ইয়াৰ প্ৰথম ভাগত ভাস কবি ৰচিত 'চাৰুদত্ত' নাটকৰ প্ৰভাৱ সুস্পষ্ট। ভাব আৰু ভাষাৰ দিশৰপৰাও উভয়ৰে সামঞ্জস্য প্ৰতীয়মান; কিন্তু ৰাজনীতি ভাগ আমাৰ নাট্যকাৰৰ স্বকীয় কল্পনা-প্ৰসূত নিজস্ব সম্পদ। কোনো ঐতিহাসিক ঘটনাক অৱলম্বন কৰি আমাৰ নাট্যকাৰে এই অংশ লিখা বুলি কিছুমান পণ্ডিতে মত পোষণ কৰে। সি যিয়েই নহওক নাট্যকাৰে কিন্তু যথেষ্ট নিপুণতাৰে এই দুয়ো অংশৰ সংমিশ্ৰণ ঘটাই পাঠকৰ ৰুচি অটুট ৰাখিব পাৰিছে। নাটকৰ নৱম-অঙ্কত আমি দুৰ্দান্ত লোকৰ দুনীতিমূলক কাৰ্যৰ বিচাৰৰ কাৰণে প্ৰতিষ্ঠিত এখন উচ্চ ন্যায়ালয়ৰ চিত্ৰ দেখিবলৈ পাওঁ। এই উচ্চ বিচাৰালয় ৰাজনীতিৰে অংশ স্বৰূপ। বিচাৰ-পদ্ধতিৰ বিৱৰণ থকা হেতুকে নাটকৰ এই অঙ্কৰ নাম 'ব্যৱহাৰ' (law suit) দিয়া হৈছে। ঔপন্যাসিকসকলে প্ৰত্যেক অধ্যায়ৰে একোটা স্বকীয় নাম দিয়ে; নাট্যকাৰ সকলকো কোনো কোনো ক্ষেত্ৰত প্ৰতি অঙ্কৰ নামকৰণ কৰা দেখা যায়। শূদ্ৰকৰ মৃচ্ছকটিক নাটকৰ প্ৰতিটি অঙ্কৰে একোটা স্বকীয় নাম আছে। নৱম অঙ্কৰ নাম 'ব্যৱহাৰ'। ব্যৱহাৰ বুলিলে বিবাদকে বুজায়। কোনো ঘটনাৰ বিষয়ে বাদী প্ৰতিবাদী উভয়ৰে যুক্তি শুনাৰ পিছত নিঃসন্দেহে যি সিদ্ধান্তত উপনীত হোৱা যায় তাকেই ব্যৱহাৰ[1] (judicial procedure)

---

১. বি নানাৰ্থেঽৱ সন্দেহে হৰণং হাৰ উচ্যতে, নানাসন্দেহহৰণাদ্ ব্যৱহাৰ ইতি স্মৃতঃ। কাত্যায়ন।

বোলে, বিচাৰ পদ্ধতি অনুষ্ঠিত হোৱা ঠাইক 'ব্যৱহাৰ মণ্ডপ' বা বিচাৰালয় (the court) বোলে। 'ব্যৱহাৰ মণ্ডপ'ক 'অধিকৰণ মণ্ডপ' বুলিও অভিহিত কৰা হয়। ইয়াত বিবাদাদিৰ নিষ্পত্তি কৰা হয় বুলিয়েই ইয়াৰ নাম অধিকৰণ[2] (a court of justice)

উজ্জয়িনীৰ এই 'ব্যৱহাৰ মণ্ডপ' নাইবা অধিকৰণ কক্ষতেই পীড়িত জনসাধাৰণৰ অভিযোগৰ বিচাৰ কৰা হয়। উজ্জয়িনীৰ উচ্চ ন্যায়ালয়খনত এজন মুখ্য ন্যায়াধীশ আৰু তেওঁৰ কাৰ্যত সহায় কৰিবলৈ আন দুজন সহায়ক ন্যায়াধীশ আছে। এই ন্যায়ালয়খন ৰাজপ্ৰাসাদৰ ওচৰতে বুলি সহজেই অনুমান কৰিব পাৰি, কিয়নো বিচাৰকসকলে যুক্তি-তৰ্কৰ সহায়েৰে অভিযোগৰ বিচাৰ শেষ কৰি তাৰ শেষ সিদ্ধান্তৰ কাৰণে ৰজাৰ ওচৰলৈ পঠিয়াই দিয়ে আৰু ৰজাৰপৰা অনতিপলমেই পোৱা ৰাজ-আদেশ বিচাৰ-কক্ষত দাঙি ধৰা হয়। বিচাৰালয় ৰাজ-প্ৰসাদৰপৰা দূৰত হ'লে ই সম্ভৱপৰ নহ'লহেঁতেন।

এই উচ্চ ন্যায়ালয়ৰ সন্মুখত এখন প্ৰাঙ্গণ। সেইখন ডুবৰি বনেৰে সেউজী বৰণ হৈ থাকে। ন্যায়াধীশ বিচাৰ-কক্ষত প্ৰৱেশ কৰাৰ আগেয়ে অভিযোগত লিপ্ত হোৱা মানুহবোৰ আহি সেই প্ৰাঙ্গণতে বহি জিৰণি লয় আৰু বিচাৰৰ কাম আৰম্ভ নোহোৱালৈকে তাতেই অপেক্ষা কৰি থাকে।

এই ন্যায়ালয়ত বিচাৰৰ কাৰণে দুটা অভিযোগ দাখিল কৰা হয়। চাৰুদত্তই সোণৰ লোভত বসন্তসেনাক হত্যা কৰা অভিযোগেই ইয়াৰ প্ৰথম বিচাৰ্য অভিযোগ আৰু ইয়াৰ অভিযোগকাৰী ৰজা পালকৰ খুলশালীয়েক শকাৰ। এই প্ৰথম অভিযোগৰ কাৰ্য চলি থাকোঁতেই আনটো অভিযোগ দাখিল কৰে নগৰ-ৰক্ষীৰ দলপতি বীৰকে। অভিযোগৰ বিচাৰ্য বিষয় হ'ল সহকৰ্মী চন্দনকে তেওঁক পদাঘাতেৰে কৰা অপমান।

এই অভিযোগ দুটাৰ ভিতৰত প্ৰথম অভিযোগৰ বিচাৰ সেইদিনাখনেই শেষ কৰা হয় আৰু সময়ৰ অভাৱত দ্বিতীয় বিচাৰৰ কাম সেইদিনালৈ স্থগিত ৰখা হয়। সময়ৰ অভাৱত বিচাৰৰ কাম শেষ কৰিব নোৱাৰিলে পিছলৈ স্থগিত ৰখাৰ ব্যৱস্থা প্ৰচলিত আছিল।

ন্যায়ালয়ৰ আচ্‌বাব্‌বোৰ পৰিপাটিকৈ সজোৱা আদালতৰ পিয়ন শোধনকেৰে নৱম অঙ্ক মুকলি কৰা হয় আৰু এই অঙ্কৰ কাৰ্যসূচী ৰাতিপুৱাতেই আৰম্ভ হয়। অষ্টম অঙ্কৰ কাৰ্যাৱলীলৈ লক্ষ্য কৰিলে দেখা যায় যে সিদিনাৰ ঘটনাবোৰ মধ্যাহ্ন সময়ত আৰম্ভ হয় আৰু প্ৰায় তিনি-চাৰি ঘণ্টাৰ পিছত তাৰ অন্ত পৰে। সেই দিনাই শকাৰে বসন্তসেনাক ধৰ্ষণ কৰে আৰু চাৰুদত্তৰ হাতত বসন্তসেনাৰ মৃত্যু হোৱা বুলি অভিযোগ প্ৰস্তুত কৰে। এই অভিযোগ উত্থাপন কৰাৰ পিছদিনা ৰাতিপুৱাই ইয়াৰ বিচাৰৰ কাম হাতত লোৱা হয়। ন্যায়ৰ বিলম্ব কৰা মানে ন্যায়ৰপৰা বঞ্চিত কৰা (justice delayed is justice denied) এয়ে আছিল প্ৰাচীন ভাৰতৰ দণ্ডনীতিৰ অন্যতম আদৰ্শ। উজ্জয়িনীৰ উচ্চ ন্যায়ালয় এই নীতিৰপৰা আঁতৰি যোৱা নাছিল। চাৰুদত্তৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ ক্ষেত্ৰত শূদ্ৰকৰ উচ্চ আদালতে ঘটনাৰ অন্বেষণ আৰু বিচাৰৰ ৰায় ৰাতিপুৱাৰ অধিৱেশনতে সমাপ্ত কৰিছিল। স্মৃতিকাৰ কাত্যায়নৰ মতে বিচাৰৰ পলম কৰা মানে ন্যায়ক হত্যা কৰা হয়। কৌটিল্যই লিখিত প্ৰতিবেদন দাখিল কৰাত পলম কৰিলে দণ্ড বিধানৰ নিৰ্দেশ দিছে। যাজ্ঞবল্ক্যৰ মতে হত্যাকাৰীয়ে অভিযোগকালে কথাৰ উত্তৰ দিব লাগিব আৰু পলম কৰি সময় নষ্ট কৰিব নোৱাৰিব।

উজ্জয়িনীৰ উচ্চ ন্যায়ালত বিচাৰৰ কাম ৰাতিপুৱাই আৰম্ভ কৰা হৈছিল। এই কথা শকাৰৰ কথাৰপৰা

২. অধিক্ৰিয়তে বিবাদাদ অত্ৰ ইতি অধিকৰণম্ অথবা অধিক্ৰিয়তে নিশ্চীয়তে যাথাৰ্থ্যমত্ৰেত্যাধিকৰণং বিচাৰালয়ঃ।



জানিব পাৰি ; কিয়নো তেওঁ স্নান কৰি উঠিয়েই বিচাৰালয়লৈ যোৱাৰ কথা প্ৰকাশ কৰে। সৰ্বাচলতে ৰাতিপুৱাই স্নান কৰা হয় ; গতিকে ইয়াৰ পৰা অনুমান কৰিব পাৰি যে বিচাৰ কাৰ্য ৰাতিপুৱাই অনুষ্ঠিত হৈছিল। তাৰ উপৰি এই সম্বন্ধে বীৰকৰ কথাৰপৰাও অনুমান কৰিব পাৰি ; কাৰণ সহকৰ্মীয়ে কৰা অপমানৰ কথা ভাবি ভাবি তেওঁ আগ নিশা উজাগৰে কটাইছিল বুলি প্ৰকাশ কৰিছিল—'অনুশোচত ইয়ং কথমপি ৰাত্ৰিঃ প্ৰভাতা মে।' মনু, যাজ্ঞবল্ক্য[3] আদি স্মৃতিকাৰসকলৰ মতে ৰজাই ৰাতিপুৱাতেই সভাত বিচাৰ-কাৰ্য আৰম্ভ কৰা উচিত।

**উচ্চ ন্যায়ালয়ৰ গঠন প্ৰণালী :**

শূদ্ৰকৰ উচ্চ ন্যায়ালয়ৰ মুখ্যন্যায়াধীশজনক অধিকৰণিক বোলা হয়। তেওঁৰ কাৰ্যত সহায় কৰিবলৈ আৰু দুজন ন্যায়বীশ আছিল। তাৰে এজন শ্ৰেষ্ঠীন ; তেওঁ প্ৰসিদ্ধ বণিক আৰু আনজন কায়স্থ ; তেওঁ ব্যৱহাৰ লেখক বা তৰণি (attorney) আৰু হিছাপ ৰক্ষক। কায়স্থ বা লেখক বিচাৰালয়ৰ এজন প্ৰয়োজনীয় বিষয়া। তেওঁ মুখ্য ন্যায়াধীশৰ আদেশবোৰ লিপিবদ্ধ কৰে। প্ৰমাণ বিষয়ক টোকাবোৰ টুকি লোৱাৰ বাবেই কায়স্থক ন্যায়াধীশৰ মৰ্যাদা দিয়া হৈছিল।

বিচাৰালয়ৰ আন এজন সভ্য হ'ল শোধনক। এওঁ বিচাৰালয়ৰ পিয়ন। এওঁ ন্যায়ালয়ৰ আচ্‌বাব্‌বোৰ সজাই পৰাই পৰিপাটিকৈ ৰাখে। দোষী আৰু সাক্ষীসমূহক বিচাৰালয়ৰ ভিতৰলৈ মাতে। ন্যায়ালয়ৰ বিচাৰৰ সিদ্ধান্ত ৰজাৰ ওচৰলৈ লৈ যায় আৰু দোষীৰ প্ৰতি ৰজাৰ শীঘ্ৰ আদেশ বিধান হয় তাক বিচাৰালয়লৈ পুনঃ লৈ আহে। তেওঁক সাধ্যপাল বুলিও জনা যায়। সাধ্যপাল বংশানুক্ৰমে চলি অহা বৃত্তি। জাতত এওঁ শূদ্ৰ আৰু বিচাৰকৰ পৰিচাৰক বা আজ্ঞাবহ। ন্যায়ালয়ৰ দহোটা অঙ্গৰ ভিতৰত এবেঁ এটা।

প্ৰাচীন ভাৰতৰ প্ৰচলিত প্ৰথামতে বিচাৰালয়খন দহোটা অঙ্গেৰে গঠিত হব লাগে। বৃহস্পতিৰ মতে এই দহোটা অঙ্গ হ'ল—ৰজা, মুখ্য-ন্যায়াধীশ, সভ্য বা সহকাৰী ন্যায়াধীশ, স্মৃতি বা ব্যৱহাৰ বিষয়কগ্ৰন্থ বা গ্ৰন্থাগাৰ, হিছাপৰক্ষক, লেখক, সোণ, জুই, পানী আৰু বিচাৰালয়ৰ পৰিচাৰক।

মৃচ্ছকটিক নাটকৰ নৱম অঙ্কত আমি যি উচ্চ ন্যায়ালয়ৰ চিত্ৰ দেখিবলৈ পাওঁ তাত ৰজাৰ বাহিৰে আন ন বিধ অঙ্গই বিদ্যমান। অৱশ্যে মনু আৰু যাজ্ঞবল্ক্যই বিধি অনুসাৰে গঠিত ন্যায়ালয়ক ৰাজ ক্ষমতা নিয়োগ কৰাৰ বিধান দিছে। মনুৰ মতে ৰজাই ব্ৰাহ্মণৰ সহায়েৰে সুবিচাৰৰ ব্যৱস্থা কৰিব লাগে। তেওঁৰ মতে বিচাৰালয়ত এজন সুদক্ষ ব্ৰাহ্মণ আৰু আন তিনিজন সুযোগ্য ব্ৰাহ্মণ সহায়কাৰী হিছাপে থাকিব লাগিব। এনেদৰে গঠিত বিচাৰালয়ত ৰজাই বিচাৰৰ ভাৰ ন্যস্ত কৰিব পাৰে। কাত্যায়নে কয়, সুদক্ষ ব্ৰাহ্মণৰ অভাৱত, আইনত বিশেষ অভিজ্ঞতা থকা ক্ষত্ৰিয় বা বৈশ্যকো নিযুক্তি দিব পাৰে। শূদ্ৰকৰ উচ্চ ন্যায়ালয়ত ৰজা পালকে দুজন অব্ৰাহ্মণক নিযুক্তি দিয়া দেখা গৈছে। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে সেই সময়ত সুদক্ষ ব্ৰাহ্মণৰ অভাৱ হৈছিল। সেই দেখি নাট্যকাৰে কাত্যায়নে বিধান কৰা নীতিকে অৱলম্বন কৰিছে। গতিকে দেখা যায়, শূদ্ৰকৰ উচ্চ ন্যায়ালয়খন সেই সময়ত চলিত ব্যৱহাৰ শাস্ত্ৰৰ নিয়মানুসাৰেই গঠিত এখন উচ্চ পৰ্যায়ৰ ন্যায়ালয়।

**বিচাৰালয়ৰ প্ৰকাৰ :**

বৃহস্পতিয়ে চাৰি প্ৰকাৰ বিচাৰালয়ৰ উল্লেখ কৰিছে ; যেনে, প্ৰতিষ্ঠিতা, অপ্ৰতিষ্ঠিতা (circuit court), মুদ্ৰিতা

৩। মনু—৭—১৪৫ ; যাজ্ঞবল্ক্য ১—৩২৭

আৰু শাসিতা। ইয়াৰ ভিতৰত ৰজাৰপৰা নিযুক্তি লাভ কৰি ৰাজকীয় প্ৰতীকেৰে যি বিচাৰালয়ত বিচাৰ-কাৰ্য সম্পাদন কৰা হয় তাক মুদ্ৰিতা বিচাৰালয় বোলে আৰু যি বিচাৰালয়ত ৰজা নিজে উপস্থিত থাকি বিচাৰ-কাৰ্য চলায় তাক শাসিতা বিচৰালয় বোলা হয়। এই পিনৰ-পৰা লক্ষ্য কৰিলে শূদ্ৰকৰ উচ্চ ন্যায়ালয়খনক মুদ্ৰিতা বিধৰ বুলি আখ্যা দিব পাৰি, কাৰণ চাৰুদত্তই মুখ্য ন্যায়াধীশক অধিকৃত (অৰ্থাৎ যি জনে বিচাৰ কৰিবলৈ ৰজাৰপৰা অধিকাৰ লাভ কৰিছে) আৰু বাকী দুজন ন্যায়াধীশক নিযুক্ত হিচাপে সম্বোধন কৰিছে, এই বিশেষ অভিযোগৰ কাৰণে তেওঁলোকক নিযুক্ত কৰা হৈছে বুলিয়েই তেওঁলোকক এইদৰে সম্বোধন জনাইছে। ব্যৱহাৰ ময়ূখৰ[৪] মতে ব্ৰাহ্মণ নিযুক্ত নোহোৱা, আন ন্যায়াধীশৰ বেলিকাহে নিযুক্তিকৰণ প্ৰযোজ্য। বিশেষ অভিযোগৰ কাৰণে বিশেষ সভ্যৰ নিযুক্তিকৰণ প্ৰথা বোধ হয় চলিত আছিল। এই ক্ষেত্ৰত এজন বণিকক নিয়োগ কৰাৰ কাৰণ হ'ল তেওঁ সোণৰ অলঙ্কাৰবোৰ পৰীক্ষা কৰাত আৰু টকাৰ হাৰ নিৰ্ধাৰণ কৰাত বিশেষভাৱে সহায় কৰিব পাৰিব আৰু বাণিজ্য বিষয়ক আইনৰ অভিজ্ঞতাৰে বিচাৰ-কাৰ্য সুচাৰুভাৱে পৰিচালনা কৰাত সহায় আগ বঢ়াব পাৰিব। তাৰ উপৰি সেই সময়ত দেশত বেপাৰ-বাণিজ্যৰ প্ৰচুৰ প্ৰচলন আছিল, গতিকে বিচাৰ কক্ষত বাণিজ্য বিষয়ক আইনৰ অভিজ্ঞতা থকা লোকক অভিযোগীৰ সন্তুষ্টিৰ কাৰণে ৰখাৰ প্ৰয়োজন অনুভৱ কৰা হৈছিল। মিতাক্ষৰাৰ মতেও মানুহৰ সন্তুষ্টিৰ কাৰণেই ন্যায়ালয়ত বাণিজ্য ব্যৱসায়ীক ৰখা উচিত 'লোকৰঞ্জনাৰ্থং কতিপয়ৈৰ্বণিগভিৰধিষ্ঠিতং সদঃ কৰ্ত্তব্যম্'। কাত্যায়নেও এই মতকেই পোষণ কৰে।

## বিচাৰ আৰু বিচাৰক :

বিচাৰ আৰু বিচাৰক সম্বন্ধে শূদ্ৰকৰ মত সুস্পষ্ট। তেওঁৰ মতে বিচাৰ-কাৰ্য অতি গুৰুতৰ, কাৰণ ই নানা কথাৰ ওপৰত নিৰ্ভৰশীল বিচাৰ-মাত্ৰতে বাদী, প্ৰতিবাদী আৰু সাক্ষী আদিৰ যুক্তিনিষ্ঠ কথাৰপৰা সত্য উদ্‌ঘাটন কৰিব লগীয়া হয়। বিবাদত লিপ্ত হোৱা মানুহবোৰৰ অন্তৰত লুকাই থকা সংশ্লিষ্ট কথাবোৰ উলিয়াই আনিব পৰাটোৱেই বিচাৰকৰ কৃতিত্ব। সেয়েহে ন্যায়াধীশে পোন প্ৰথমেই উল্লেখ কৰে 'ব্যৱহাৰ পৰাধীনতয়া, দুষ্কৰং খলু পৰচিত্ত গ্ৰহণমধিকৰণিকৈঃ।' মিতাক্ষৰাৰ[৫] মতেও বিচাৰ-কাৰ্যই বহু কথাৰ অপেক্ষা কৰে। শূদ্ৰকৰ ন্যায়াধীশৰ মুখত আমি আকৌ শুনিবলৈ পাওঁ, অভিযোগত লিপ্ত হোৱা মানুহবোৰে বিচাৰৰ বাবে অনা ঘটনাসমূহ প্ৰায়ে অন্যায়মূলক আৰু সত্যৰপৰা বহু আঁতৰত। ব্যক্তিগত স্বাৰ্থত তেওঁলোক অন্ধ। নিজৰ দোষ প্ৰকাশত তেওঁলোক নীৰৱ। আনহাতে বিচাৰক সঠিক সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে ৰজাই বিচাৰকক দোষাৰোপ কৰে, সেয়েহে ন্যায়াধীশে খেদ কৰি কয়, বিচাৰকৰ পক্ষে নিন্দা উপাৰ্জন সুলভ; কিন্তু গুণৰ প্ৰশংসা লভা দুৰ্লভ। মনুৱে[৬] কয়, ৰজাই যদি দণ্ড-নিদিব লগীয়াজনক দণ্ড দিয়ে আৰু দণ্ডনীয়জনৰ প্ৰতি দণ্ডবিধান নকৰে তেন্তে তেওঁ ডাঙৰ অপযশৰ ভাগী হোৱাৰ উপৰিও নৰকগামী হয়।

শূদ্ৰকৰ[৭] মতে এজন আদৰ্শ বিচাৰক হব লাগিলে তেওঁ—ধৰ্মশাস্ত্ৰত বিশেষ অভিজ্ঞ, ঠগ-প্ৰবঞ্চনাৰ আঁতিগুৰি উলিওৱাত নিপুণ, বক্তা অৰ্থাৎ জনা কথাষাৰ নিৰ্ভীকভাৱে কব পৰা, কদাপি ধৈৰ্যচ্যুতি বা ক্ৰোধপৰৱশ নোহোৱা, শত্ৰু-মিত্ৰ, স্বজন-বান্ধৱ

৪। ব্ৰাহ্মণোঽ নিযুক্তঃ। সভ্যাস্ত নিযুক্তাঃ। ব্যৱহাৰ ময়ূখ

৫। ব্যৱহাৰ : প্ৰতিজ্ঞোত্তৰ সংশয়হেতু পৰামৰ্শ প্ৰমাণ নিৰ্ণয় প্ৰযোজনাত্মক" – মিতাক্ষৰা

৬। অদণ্ড্যান দণ্ডয়ন ৰাজা দণ্ড্যাংশ্চৈবাপ্যদণ্ডয়ন্। অযশো মহদাপ্নোতি নৰকং চাধিগচ্ছতি।

৭। মৃচ্ছকটিক – ৯ম অঙ্ক, শ্লোক।



সকলোৰে প্ৰতি সমদৰ্শী বা পক্ষপাত ৰহিত হোৱা, ঘটনাৰ সূক্ষ্ম অনুসন্ধানৰ পিছত দণ্ড বিধান কৰিব পৰা, নিঃকিনৰ ৰক্ষক, দুৰ্দান্তৰ সন্ত্ৰাসক, ধৰ্মভীৰু, সুবিধা মিলিলেও ভেটিৰ লোভ সম্বৰণ কৰিব পৰা, সত্য-উদ্‌ঘাটনৰ বাবে বিশেষভাৱে মনোনিবেশ কৰিব পৰা, আৰু ৰজাৰ কোপ দৃষ্টিৰপৰা আঁতৰি থাকিবলৈ যত্নপৰায়ণ হব লাগিব। স্মৃতিকাৰ নাৰদে কয়, চিকিৎসকে যি দৰে মানুহৰ শৰীৰ বিন্ধি থকা লোৰ টুকুৰা অস্ত্ৰোপচাৰৰ দ্বাৰা উলিয়াই আনে, সেইদৰে বিচাৰকো ঘটনাৰ মাজৰপৰা ঠগ-প্ৰবঞ্চনামূলক কথাবোৰ উলিয়াবলৈ সক্ষম হবলাগে।

ৰাজকোপৰ ভয়ৰপৰা মুক্ত হোৱা হলে শূদ্ৰকৰ এই বিচাৰক গোটেই বিশ্বৰ আদৰ্শ বিচাৰক হিচাপে প্ৰতিষ্ঠিত হব পাৰিলেহেঁতেন। আন সকলোবোৰ প্ৰয়োজনীয় গুণৰ অধিকাৰী হৈও শূদ্ৰকৰ বিচাৰকে চিৰ আদৰ্শনীয় বিচাৰক হিচাপে সন্মান লভিব নোৱৰাৰ কাৰণ ৰাজক্ৰোধৰ ভয়। প্ৰশাসনীয় ব্যৱস্থাৰ দ্বাৰা সন্ত্ৰাসিত বিচাৰালয়ৰ স্বাতন্ত্ৰ্যই বা ক'ত আৰু পৰতন্ত্ৰ ন্যায়ালয়ত ন্যায্য বিচাৰেই বা অৱকাশ ক'ত? গতিকে বিচাৰ বিভাগৰ স্বাধীনতা ৰাজক্ৰোধৰ ধোঁৱাৰে আবৃত হোৱাত ন্যায়ালয়ত ন্যায্য বিচাৰৰ আশা কৰাটো সন্দেহ যুক্ত হৈ পৰিছিল। সেয়েহে আমি দেখিবলৈ পাওঁ অনুগ্ৰহেৰে পুষ্ট ৰজাৰ খুলশালীয়েক শকাৰ কাৰ্যাৰ্থী বা বাদী (Complainant) হৈ বিচাৰালয়ত যেতিয়া উপস্থিত হয় তেতিয়া ন্যায়াধীশে তেওঁৰ অভিযোগ প্ৰথমে হাতত লব খোজা নাছিল, কিন্তু ৰজাৰ ভয় দেখুওৱাত তেওঁ সেই প্ৰত্যাখাত অভিযোগ পুনৰ হাতত তুলি ললে। ইয়াৰ কাৰণ জানো ৰাজক্ৰোধৰ ভয় নহয়? অভিযোগী শকাৰৰ মনত আত্ম বিশ্বাস জন্মিল, বিচাৰকক ভয় দেখুৱাই তেওঁ নিজৰ অভিৰুচি অনুসাৰেই অভিযোগৰ সিদ্ধান্ত লব পাৰিব। ৰাজ প্ৰতিপত্তিয়ে অকল যে বিচাৰালয়ৰ স্বাতন্ত্ৰ্যকে ক্ষুণ্ণ কৰিছে এনে নহয় অইন কি বিচাৰালয়ত বিচাৰকে নিজে অবাঞ্ছনীয় কথা শুনিও নীৰৱে সহ্য কৰিব লগীয়া হৈছে।

শূদ্ৰকৰ উচ্চ ন্যায়ালয়ত যি অভিযোগৰ বিচাৰ কৰা হৈছিল তাৰ গুচৰীয়া বা বাদী শকাৰ। ন্যায়ালয়ত তেওঁক কাৰ্যাৰ্থী বুলি অভিহিত কৰা হৈছে। নিষ্পত্তিৰ কাৰণে অনা বিবাদক কাৰ্য বোলে। বিবাদ উপস্থাপিত কৰাজনক কাৰ্যাৰ্থী (কাৰ্যেন অৰ্থী—Plaintiff) বোলে। কাৰ্যাৰ্থীক অৰ্থীও বোলা হয়। এই ন্যায়ালয়ত দোষী বা অপৰাধীক অভিযুক্ত বা প্ৰত্যৰ্থিন (defendant) বোলা হৈছিল। এই বিচাৰৰ ক্ষেত্ৰত চাৰুদত্ত অভিযুক্ত। যাজ্ঞৱল্ক্যয়ো[৮] বাদী আৰু প্ৰতিবাদীক যথাক্ৰমে অৰ্থী আৰু প্ৰত্যৰ্থিন্ বুলি অভিহিত কৰিছে। দোষক অকাৰ্য (offence) বুলি কোৱা হৈছে।

এতিয়া আমি 'প্ৰকৃত বিচাৰ্য বিষয়লৈ আহোঁ। উজ্জয়িনীৰ ন্যায়ালয়ত বাদী শকাৰে অভিযোগ উত্থাপন কৰে যে সোণৰ অলঙ্কাৰৰ লোভত কোনোবা অচিন মানুহে এই নগৰৰ বাহিৰত অৱস্থিত পুষ্পকৰণ্ডক নামৰ তেওঁৰ নিজ বাগিচাত বসন্তসেনাক হাতেৰে চেপি হত্যা কৰিছে কিন্তু 'মই নহওঁ'—ন ময়া। মুখ্য ন্যায়াধীশৰ সন্মুখত শকাৰে যেতিয়া 'মই নহওঁ' বুলি আধাখিনিকৈ মুখত হাত দি ধৰিলে তেতিয়াই ন্যায়াধীশৰ মনলৈ সন্দেহ আহিল আৰু সহকাৰী ন্যায়াধীশক 'মই নহওঁ' এইখিনি টুকি লবলৈ নিৰ্দেশ দিলে কিজানিবা এই কথাই ঘটনাৰ সত্যতা বাহিৰ কৰাত কিছু সহায় কৰে। অনৱধানতাৰ ফলত বাদী-প্ৰতিবাদীসকলৰ মুখৰপৰা হঠাৎ ওলোৱা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। এনে ধৰণৰ কথাকেই ব্যৱহাৰ পদ (legal point) বোলা হৈছিল। মনুৰ মতে সাক্ষীৰ মুখৰপৰা স্বাভাৱিকভাৱে যি কথা ওলায় সিয়েই গ্ৰহণীয় – ভয় আদিৰ কাৰণে অস্বাভাৱিকভাৱে কথা ওলালে সি বিচাৰ-বিষয়ত গ্ৰহণীয় নহয়।

শকাৰে 'মই নহওঁ' এইদৰে কৈ ভালদৰে গম পালে যে তেওঁ ভুল কৰিলে; গতিকে কথাটো ঘূৰাই 'মই

৮। যাজ্ঞৱল্ক্য— ২/৬

নহওঁ' ইয়াৰ ঠাইত 'মযেই (বসন্তসেনাক) দেখিছিলোঁ।— এই কথাহে কব খুজিছিলোঁ।; কিন্তু বিচাৰালয়ত গণ্ডগোল হোৱা হেতু সেই কথা ন্যায়াধীশৰ কৰ্ণগোচৰ নহ'ল।' এইদৰে কৈ সহকাৰী ন্যায়াধীশে লিখি লোৱা কথাখিনি ভৰিৰে মচি পেলালে। কিন্তু উজ্জয়িনীৰ ন্যায়ালয়ে সেই কথা নীৰবে সহ্য কৰি থকাটো এটি বিসদৃশ ঘটনা যেন লাগে। এয়া জানো আদালতৰ অৱমাননা নহয়? ন্যায়াধীশে ইয়াক আদালতৰ অৱমাননাসূচক কাৰ্য বুলি ধৰি নললে আৰু শকাৰৰ প্ৰতি কোনো দণ্ডবিধানৰো নিৰ্দেশ নিদিলে; বৰং প্ৰশ্নহে কৰিলে, বসন্তসেনাক যে অৰ্থৰ লোভত হাতেৰে চেপি মাৰিলে তাক তেওঁ জানিলে কেনেকৈ? ন্যায়াধীশৰ এই প্ৰশ্নৰ-পৰা বুজা যায় যে তেওঁ শকাৰৰ এনে আচৰণৰ ওপৰত কোনো বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল; কাৰণ তেওঁ জানে যে বিচাৰৰ ক্ষেত্ৰত বাদীৰ মুখৰপৰা স্বাভাৱিক-ভাৱে (অৰ্থাৎ ৰাজভয় বা বিচাৰকৰ ভয়ত নহয়) ওলোৱা কথাখিনিকেই শেষ কথা বুলি ধৰি লব নালাগে, সেইখিনি মাত্ৰ খচৰা হিচাপে চকপেন্সিলেৰে মাটি বা কোনো বোৰ্ডত লিখি লব লাগে বাতে প্ৰতি-বাদীৰ উত্তৰ শুনাৰ পিচত তাক সংশোধিত কৰি কাগজত লিখি লব পাৰি। ব্যাস আৰু বৃহস্পতিয়ে [9] এই মত পোষণ কৰে। ব্যৱহাৰ ময়ূখেও [10] এই মত-কেই সমৰ্থন কৰে। গতিকে এই ক্ষেত্ৰত ন্যায়াধীশৰ নীৰৱতাৰ যুক্তি নোহোৱা নহয়।

এইখিনিতে আন এটা কথা উল্লেখ কৰিব পাৰি। উজ্জয়িনীৰ উচ্চ আদালতে এই হত্যাকাণ্ডৰ অভিযোগৰ আঁচনি প্ৰস্তুত কৰাৰপৰা দণ্ডবিধানৰ ব্যৱস্থা পৰ্যন্ত সকলো-বোৰ কাম নিজেই সমাধা কৰিছিল। পুলিচ বিভাগ আৰু বিচাৰ বিভাগৰ কাৰ্যাৱলী পৃথক পৰ্যায়ৰ নাছিল। সেই কাৰণে শূদ্ৰকৰ উচ্চ ন্যায়ালয়ে শকাৰৰ অভিযোগ প্ৰত্যক্ষভাৱেই গ্ৰহণ কৰা দেখা যায়। বিচাৰৰ ক্ষেত্ৰতো সেইদৰে উচ্চ আদালতৰ তলত কোনো নিম্ন আদালতৰ ব্যৱস্থা নাছিল।

**বিচাৰৰ প্ৰকাৰ :**

মুখ্য ন্যায়াধীশে বিচাৰৰ কাম হাতত লৈয়ে কয়, বিচাৰ-কাৰ্য দুই ধৰণেৰে কৰিব পাৰি—বাক্য অনুসাৰে আৰু অৰ্থ অনুসাৰে-অৰ্থী। প্ৰত্যাৰ্থী বা বাদী-প্ৰতিবাদীৰ পৰ-স্পৰৰ ভিতৰত হোৱা তৰ্ক-বিতৰ্কৰপৰা ঘটনাৰ সত্যাসত্য নিৰ্ণয় কৰিব পাৰি আৰু ঘটনাৰ পাৰি-পাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিও বিচাৰ কাৰ্য চলাব পাৰি, [11] কিন্তু এনেদৰে কৰা বিচাৰৰ ক্ষেত্ৰত ন্যায়াধীশৰ নিজস্ব জ্ঞান আৰু বিবেচনাৰ ওপৰত বহুখিনি কথা নিৰ্ভৰ কৰে।

এই বিচাৰালয়ত মুখ্য ন্যায়াধীশে বাদী-প্ৰতিবাদীৰ তৰ্ক-বিতৰ্কৰ ওপৰত নিৰ্ভৰ কৰি ঘটনাৰ সত্যাসত্যতা উলিয়াবলৈ চেষ্টা নকৰি সৰ্বপ্ৰথম বসন্তসেনাৰ মাকক বিচাৰালয়ত উপস্থিত হবলৈ নিৰ্দেশ দিলে। যথা সময়ত বসন্তসেনাৰ বুঢ়ী মাক বিচাৰালয়ত উপস্থিত হ'লত

৯. পাণ্ডুলেখেন ফলকে ভূম্যাং বা প্ৰথমং লিখেৎ।
ন্যূনাধিকং তু সংশোধ্য পশ্চাৎপত্ৰে নিবেশয়েৎ॥

১০. পূৰ্বপক্ষং স্বভাৱোক্তং প্ৰাড্‌বিকাৰোহ ভিলেখয়েৎ।
পাণ্ডু লেখেন ফলকে ততঃ পত্ৰে বিশোধিতম্।
শোধয়েৎ পূৰ্বপাদং তু যাৱন্নোত্তৰ দৰ্শনম্॥ ব্য. ম. ২/১

১১ দ্বিবিধো ব্যৱহাৰঃ। বাক্যানুসাৰেণ অৰ্থানুসাৰেণ চ।
যস্তাবদ বাক্যানুসাৰেণ স খলু অৰ্থি-প্ৰত্যৰ্থিভ্যঃ।
যশ্চাৰ্থানুসাৰেণ স চ অধিকৰণিক বুদ্ধি নিষ্পাদ্যঃ।

মৃচ্ছকটিক, ৯ম অঙ্ক।



ন্যায়াধীশৰ প্ৰশ্নৰ উত্তৰত তেওঁৰ ছোৱালী বসন্তসেনা আৰ্য চাৰুদত্তৰ ঘৰলৈ যৌৱন-সুখ অনুভৱ কৰিবলৈ যোৱা বুলি কলে। বৃদ্ধাৰ কথা শুনি মুখ্য ন্যায়াধীশে 'বসন্তসেনা আৰ্য চাৰুদত্তৰ ঘৰলৈ গৈছিল, এই কথাখিনি অভিযোগৰ প্ৰথম-পাদ হিচাপে লিখি লবলৈ অভি-যোগৰ সহকাৰী ন্যায়াধীশক কলে আৰু লগে লগে চাৰুদত্তকো বিচাৰালয়ত উপস্থিত হবলৈ নিৰ্দেশ দিলে। কাৰণ বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ গৈছিল যেতিয়া নিশ্চয় বসন্তসেনাৰ হত্যাকাণ্ডত চাৰুদত্তৰ যোগাযোগ আছে, এনে অনুমান সহজেই কৰিব পাৰি।

এইখিনিতে এটা কথা মন কৰিব লগীয়া। প্ৰাচীন ভাৰত দণ্ড-নীতিত বিবাদৰ চাৰিটা পাদ স্বীকাৰ কৰা হৈছে। [12] যাজ্ঞবল্ক্যই কয়, বিবাদ সম্বন্ধে চাৰিটা পাদ স্বীকাৰ কৰা হয়; যেনে, ভাষাপাদ, উত্তৰপাদ, ক্ৰিয়াপাদ আৰু সিদ্ধান্তপাদ। প্ৰতিবাদীৰ সম্মুখত বাদীৰ বিচাৰ্য বিষয়ৰ কথাখিনি লিখি লোৱাকেই ভাষাপাদ বা পক্ষ নাইবা প্ৰতিজ্ঞা বোলা হয়। বাদীৰ কথা শুনি লৈ প্ৰতিবাদীয়ে যি উত্তৰ দিয়ে তাৰেই নাম উত্তৰপাদ। উভয়ৰ কথাৰপৰা সত্য নিৰ্ণয় কৰিবলৈ যি প্ৰমাণ প্ৰক্ৰিয়াৰ প্ৰয়োগ কৰা হয় তাক ক্ৰিয়াপাদ বোলে আৰু প্ৰমাণৰ দ্বাৰা যি স্থিৰ হয় তাক সিদ্ধান্ত, নিৰ্ণয় নাইবা সাধ্য সিদ্ধি বোলা হয়। ভাষা, পক্ষ আৰু প্ৰতিজ্ঞা একে অৰ্থকে বুজায়। এইখিনি সহকাৰী ন্যায়াধীশে লিখিব লাগে। স্মৃতিকাৰ অপৰাৰ্কই কয় 'স তু পক্ষঃ সভৈৰ্লেখনীয়ঃ।'

বিচাৰকৰ নিৰ্দেশমতে চাৰুদত্ত বিচাৰালয়ত উপস্থিত হ'ল আৰু ন্যায়াধীশৰ আদেশমতে আসন গ্ৰহণ কৰিলে। বসন্তসেনাৰ লগত তেওঁৰ প্ৰণয় সম্বন্ধে ন্যায়াধীশে কৰা প্ৰশ্নৰ উত্তৰত চাৰুদত্তই সৰলভাৱে ক'লে, এই ক্ষেত্ৰত যৌৱনেই অপৰাধী, চৰিত্ৰ নহয়—যৌৱনমত্ৰাপৰাধ্যতি, ন চাৰিত্ৰ্যম্। ন্যায়াধীশে চাৰুদত্তক লাজ নকৰি প্ৰকৃত কথা কবলৈ ক'লে; কাৰণ বিবাদমাত্ৰেই বিঘ্ন-সঙ্কুল, বিবাদৰ ক্ষেত্ৰত চাতুৰি নাথাটে। চাৰুদত্তই স্বীকাৰ কৰিলে বসন্তসেনা তেওঁৰ প্ৰণয়িনী, তেওঁ তেওঁৰ ঘৰলৈ গৈছিল। তেতিয়া সহকাৰী ন্যায়াধীশ দুজনে বসন্তসেনা কেতিয়া, কেনেকৈ (খোজ কাঢ়ি নে গাড়ীৰে) আৰু কাৰ লগত গৈছিল বুলি কৰা প্ৰশ্নৰ উত্তৰত চাৰুদত্তই জনালে, 'যিহেতু মই দেখাকৈ যোৱা নাই সেই স্থলত মই কেনেকৈ কওঁ, গাড়ীৰে গৈছিল নে খোজ কাঢ়ি গৈছিল।' চাৰু-দত্তৰ সন্দেহযুক্ত উত্তৰৰ অভাৱত ন্যায়াধীশৰ মনটো সন্দেহ মেঘে আবৃত কৰিলে আৰু অভিযোগীৰ ওপৰত সংশয়ৰ ভাব ঘনীভূত হবলৈ ধৰিলে।

ইতিমধ্যে নগৰৰক্ষী বীৰকে বিচাৰালয়ত উপস্থিত হৈ পূৰ্বে উল্লেখ কৰা দ্বিতীয় অভিযোগৰ উত্থাপন কৰি ক'লে, 'কাৰাগাৰত আবদ্ধ হৈ থকা বন্ধনমুক্ত হৈ পলায়ন কৰিছে। তেওঁক অন্বেষণ কৰা সময়ত কেযো পিনে চাকিৰথা গাড়ী এখন অতিক্ৰম কৰে, সেই গাড়ীখনৰ সবিশেষ লবলৈ যত্ন কৰোঁতে নগৰ ৰক্ষীৰ প্ৰধান সেনাপতি চন্দনকে মোক পদাঘাত কৰি অপমান

১২. চতুষ্পাদ ব্যৱহাৰোঽয়ং বিবাদেষূপদৰ্শিতঃ।
তত্ৰ প্ৰত্যৰ্থিনোঽগ্ৰতো লেখ্যমিতি ভাষাপাদঃ প্ৰথমঃ।
শ্ৰুতাৰ্থস্যোত্তৰং লেখ্যমিতি উত্তৰেপাদো দ্বিতীয়ঃ।
ততোঽৰ্থী লেখয়েৎ সদ্য ইতি পাদস্তৃতীয়ঃ।
তৎ সিদ্ধৌ সিদ্ধিমাপ্নোতীতি সাধ্যসিদ্ধিপাদশ্চতুৰ্থঃ। মিতাক্ষৰা।
বৃহস্পতিয়ে কয়,
পূৰ্বপক্ষঃ স্মৃতঃ পাদো দ্বিতীয়স্তূত্তৰস্তথা।
ক্ৰিয়াপাদস্তথা বাচ্যশ্চতুৰ্থো নিৰ্ণয়াস্তথা॥

কৰিছে। গতিকে তেওঁৰ লগত মোৰ বিবাদ। এতিয়া আপোনালোকে ইয়াৰ বিচাৰ কৰক।'

তেতিয়া ন্যায়াধীশে সেই গাড়ীখন কাৰ বুলি প্ৰশ্ন কৰাত বীৰকে সেইখন চাৰুদত্তৰ গাড়ী বুলি ক'লে। ভিতৰত বসন্তসেনা—পুষ্পকৰণ্ডক উদ্যানৰ ফালে যাত্ৰা কৰিছে। এই কথা তেওঁ গাড়ী চালকৰ মুখৰপৰা জানিব পাৰিছে। বীৰকৰ কথাৰপৰা বিচাৰালয়ে জানিলে, বসন্তসেনা অভিযুক্তৰ গাড়ীত ঘটনাস্থলীলৈ যোৱা সঁচা। বীৰকৰ কথা শুনি ন্যায়াধীশে তেওঁৰ অভিযোগ পিছত বিচাৰ কৰা হ'ব বুলি কৈ তেওঁক পুষ্পকৰণ্ডক উদ্যানলৈ গৈ তাত কোনো মৃত নাৰীৰ দেহ আছে নে নাই তাৰ চাক্ষুস প্ৰমাণ লবলৈ নিৰ্দেশ দিলে। বীৰক ঘটনাস্থলীলৈ গ'ল আৰু উভতি আহি জনালে যে বনৰীয়া জন্তুৱে খোৱা অৱস্থাত এজনী তিৰোতাৰ শৰীৰ তাত পৰি আছে, শৰীৰত কিন্তু অলঙ্কাৰপাতি একো নাই। অৱশ্যে সেইটো কাৰ শৰীৰ তাক সঠিকভাৱে চিনাক্ত কৰা টান। তেতিয়া ন্যায়াধীশে আকৌ প্ৰশ্ন কৰিলে, 'সেইটো যে তিৰোতাৰ শৰীৰ তাক বুজিলা কেনেকৈ?' অৱশেষ থকা চুলি আৰু হাত-ভৰিৰ আকৃতি দেখিলে ইয়াক সহজেই তিৰোতাৰ শৰীৰ বুলি অনুমান কৰিব পাৰি। তেতিয়া ন্যায়াধীশে হতাশ মনেৰে ক'লে, 'যিমানেই অনুসন্ধানৰ কাৰণে কৌশলিক প্ৰণালী প্ৰয়োগ কৰা যায় সিমানেই ঘটনা জটিলৰপৰা জটিলতৰ হৈ উঠে।' ঘটনা সম্বন্ধে আইন পৰিষ্কাৰ; কিয়নো প্ৰথমে বসন্তসেনাৰ মাকে তেওঁৰ ছোৱালী চাৰুদত্তৰ ঘৰলৈ গৈছিল বুলি কৈছিল। দ্বিতীয়তে, বীৰকে চাৰুদত্তৰ গাড়ীখনত ঢাকি ৰখা অৱস্থাত বসন্তসেনাক পুষ্পকৰণ্ডক বাগিচালৈ লৈ যোৱা হৈছিল বুলিছিল। তৃতীয়তে, ঘটনাস্থলীত থকা মৃত শৰীৰৰ অৱশিষ্ট অঙ্গ-প্ৰত্যঙ্গৰ পৰাও সেইটো যে তিৰোতাৰ শৰীৰ তাকো বুজিব পৰা হৈছিল। গতিকে শকাৰৰ অভিযোগ অযৌক্তিক নহয়। এই পাৰিপাৰ্শ্বিক প্ৰমাণ সামগ্ৰীয়ে (circumstancial evidences) চাৰুদত্তৰ নিষ্কলুষিত চৰিত্ৰ সম্বন্ধে ন্যায়াধীশৰ আত্মবিশ্বাস আঁতৰাই নিলে। এই প্ৰমাণসমূহক উপেক্ষা কৰি চাৰুদত্তক কিভাৱে দোষমুক্ত বুলি প্ৰতিপন্ন কৰিব পাৰে তাক ভাবি তেওঁ অস্থিৰ হ'ল। সেয়েহে তেওঁ কৈ উঠিল 'মোৰ বিবেক বোকাত পৰা গুৰুৰ দৰে অবসন্ন হৈ পৰিছে 'মতিস্তু গৌঃ পঙ্কপাতেৰ সীদতি।' এনে জীৱন্ত উপমাৰ বাহিৰে আন কি হে বা সন্দেহত বিমূঢ় হোৱা আইনজ্ঞৰ অমীমাংসিত অন্তৰৰ অৱস্থা ফুটাই তুলিব পাৰিব?

ইতিমধ্যে চাৰুদত্তৰ মিত্ৰ মৈত্ৰেয় (বিদূষক) আহি বিচাৰালয়ত উপস্থিত হ'ল। চাৰুদত্তৰ ল'ৰা ৰোহসেনক সোণৰ গাড়ী সাজি লবৰ কাৰণে বসন্ত সেনাই দিয়া অলঙ্কাৰবোৰ ওভতাই দিবলৈ চাৰুদত্তই মৈত্ৰেয়ক পঠিয়াইছিল। মৈত্ৰেয়ই অলঙ্কাৰবোৰ লৈ যোৱাৰ সময়ত চাৰুদত্ত বিচাৰালয়লৈ অহাৰ কথা শুনি আচৰিত হ'ল। তেওঁ বসন্তসেনাৰ ঘৰলৈ নগৈ অলঙ্কাৰবোৰেৰে সৈতে পোনে-পোনে আহি বিচাৰালয়ত উপস্থিত হ'ল। আৰু চাৰুদত্তৰ বিপত্তিৰ কথা শুনি তাতেই শকাৰৰ লগত কাজিয়া আৰম্ভ কৰিলে। এই কাজিয়াৰ মাজতে মৈত্ৰেয়ৰ গাৰপৰা অলঙ্কাৰবোৰ ওলাই পৰিল। এইদৰে অলঙ্কাৰবোৰ ওলোৱাত চাৰুদত্তক দোষী সাব্যস্ত কৰাত কাৰো অকণো সন্দেহ নোহোৱা হ'ল; কাৰণ মৈত্ৰেয় চাৰুদত্তৰ বন্ধু। এই সুবিধাৰ সুযোগ লৈ শকাৰে কৈ উঠিল এইবোৰেই বসন্তসেনাৰ অলঙ্কাৰ, যাৰ লোভত চাৰুদত্তই তেওঁক হত্যা কৰিছে।

এনেতে সহকাৰী ন্যায়াধীশ দুজনে বসন্তসেনাৰ মাকক সেই অলঙ্কাৰবোৰ চিনাক্ত কৰিবলৈ নিৰ্দেশ দিলে। বসন্তসেনাৰ মাকে শিল্পীৰ নিৰ্মাণৰ কৌশলৰ কাৰণে চকুত একে যেন লাগিলেও সেই অলঙ্কাৰবোৰ ঠিক বসন্তসেনাৰেই অলঙ্কাৰ বুলি স্বীকাৰ নকৰিলে। বৃদ্ধাৰ কথাত অৱশ্যে যুক্তি নোহোৱা নহয়; কিয়নো মুখ্য ন্যায়াধীশেও স্বীকাৰ কৰে যে কৃত্ৰিম যিকোনো আকৃতিৰে অনুৰূপ অন্য আকৃতি আৰু সুন্দৰ অলঙ্কাৰৰ অনুৰূপ অন্য অলঙ্কাৰ অৱশ্যে হব পাৰে; কাৰণ শিল্পীসকলে শিল্প কৌশলেৰে কোনো এটা বস্তু দেখি, সেই নিৰ্মাণৰ অনুকৰণ কৰে। তেতিয়া সেই দুয়োটাই বস্তুৰ সাদৃশ্য সহজেই অনুমান কৰিব পাৰি।



তাৰ পিছত সহকাৰী ন্যায়াধীশে চাৰুদত্তক সেই অলঙ্কাৰৰ বিষয়ে সোধাত চাৰুদত্তই সেই বোৰ বসন্তসেনাৰেই অলঙ্কাৰ বুলি স্বীকাৰ কৰিলে। আৰু সেইবোৰ তেওঁৰ ঘৰৰপৰাই অনা বুলিও ক'লে। এই কথা শুনি মুখ্য ন্যায়াধীশে কোনো কথা গোপন নকৰি প্ৰকৃত ঘটনা ব্যক্ত কৰিবলৈ চাৰুদত্তক ক'লে, ইয়াৰ অন্যথা হ'লে তেওঁক বেতেৰে আঘাত কৰা হ'ব। চাৰুদত্তৰ পৰা যথাযথ উত্তৰ নোপোৱাত মুখ্যন্যায়াধীশে চাৰুদত্তক আদালতৰ পিয়নৰ দ্বাৰা আৱদ্ধ কৰালে। চাৰুদত্তৰ এই বিলাই দেখি বৃদ্ধা আৰু স্থিৰ হৈ থাকিব নোৱৰা হ'ল। তেওঁ ন্যায়াধীশক ক'লে, 'যদি চাৰুদত্তই সঁচাকৈয়ে মোৰ ছোৱালীক হত্যা কৰিছে, তেন্তে কৰক, আৰু এটা কথা, বাদী আৰু প্ৰতিবাদীৰ মাজতেই বিবাদ হয়—এই ক্ষেত্ৰত মই বাদী কিয়নো বসন্তসেনা মোৰে ছোৱালী আৰু মোৰ ছোৱালীৰ বাবে মই বাদী হোৱা নাই। গতিকে কৈছো চাৰুদত্তক মুক্ত কৰি দিয়ক।'

মুখ্য ন্যায়াধীশে বৃদ্ধাৰ কাতৰ কাকুতিলৈ কৰ্ণপাত নকৰিলে; কাৰণ হতভাগিনীয়ে নাজানে যে ফৌজদাৰী মোকৰ্দমা অনুষ্ঠিত হয় শাসক আৰু হত্যাকাৰীৰ মাজত—ইয়াত বিচাৰ দাখিলকাৰী কোন সি বিচাৰ্য বিষয় নহয়।

তাৰ পিছত মুখ্য ন্যায়াধীশে ক'লে, 'ঘটনা বা অকাৰ্য বিষয়ৰ যথাৰ্থতা নিৰ্ণয় কৰাত হে আমাৰ অধিকাৰ কিন্তু দোষীক শাস্তি নাইবা মুক্তি দিয়াৰ অধিকাৰ ৰজাৰ হাতত—নিৰ্ণয়ে বয়ং প্ৰমাণং শেষে তু ৰাজা।' সেই হেতু এই বিচাৰৰ শেষ সিদ্ধান্তৰ কাৰণে মুখ্য ন্যায়াধীশে শোধনকক ৰজাৰ ওচৰলৈ পঠিয়ালে।[13] লগতে কলে, ব্ৰাহ্মণ দোষী হলেও তেওঁক বধ কৰা উচিত নহয়; কাৰণ মনুৱে দোষী ব্ৰাহ্মণক ধন-সম্পত্তিৰে সৈতে ৰাজ্যৰপৰা বাহিৰ কৰি উলিয়াই দিয়াৰে বিধান দিছে।[14] ৰজা পালকে বসন্তসেনাৰ হত্যাকাণ্ডৰ বিচাৰৰ কথা শুনি হত্যাকাৰী চাৰুদত্তক মৃত্যু দণ্ডেৰে দণ্ডিত কৰিবলৈ আদেশ দিলে। ৰাজ্যত এনে নিন্দিত কাৰ্যত লিপ্ত লোৱা যি কোনো লোককে এইদৰে ঘৃণিত দণ্ডেৰে শাসন কৰা হব।

শূদ্ৰকৰ উচ্চ ন্যায়ালয়ৰ এই বিচাৰৰ যথাৰ্থতা সম্বন্ধে এতিয়া চোৱা যাওঁক। এই বিচাৰ প্ৰসঙ্গত তিনিজন লোকৰ সাক্ষী লোৱা আমি দেখিবলৈ পাওঁ। তেওঁলোক শকাৰ, বসন্তসেনাৰ মাক, বীৰক আৰু দোষীৰ পক্ষে অকল মৈত্ৰেয়। চাৰুদত্তৰ উদ্ধাৰৰ একমাত্ৰ কাৰণ হ'ল তেওঁ দোষশূন্য, আৰু এই দোষহীনতাৰ কাৰণ হ'ল তেওঁৰ কোমল অন্তৰখন। দয়া আৰু স্নেহেৰে ভৰপূৰ অন্তৰখনৰ কাৰণেই ফুলৰ কাৰণে ফুলিথকা লতা এডালকো তেওঁ আঘাত কৰিব নোৱাৰে। সেইখন অন্তৰ লৈ ৰূপে-গুণে সমৃদ্ধা নাৰী এজনীক হত্যা কৰাটো জানো তেওঁৰ পক্ষে সম্ভৱ হব পাৰে? অন্তৰৰ উদাৰতা, দানশীলতা আৰু অতীত নৈতিক চৰিত্ৰৰ কথা উল্লেখ কৰি মৈত্ৰেয়ই তেওঁৰ বন্ধু চাৰুদত্তৰ নিৰপৰাধিতাৰ কথা দাঙি ধৰিছিল। বুঢ়ী মাকেও বঢ়িয়াকৈ বুজিছিল যে চাৰুদত্ত নিৰাপৰাধী, তাৰ উপৰি মুখ্য ন্যায়াধীশেও কয় বাহিৰৰ আকৃতিয়ে মানুহজনৰ ভিতৰৰ প্ৰকৃতিৰ বিষয় সূচনা কৰে; চাৰুদত্তৰ এই সুন্দৰ আকৃতিয়ে এনে ঘৃণনীয় কাৰ্যত তেওঁক লিপ্ত কৰাব নোৱাৰে।

শূদ্ৰকৰ উচ্চ ন্যায়ালয়ত অনুষ্ঠিত হোৱা যি বিচাৰৰ উল্লেখ কৰা হ'ল সি কেৱল পাৰিপাৰ্শ্বিক ঘটনাৰ ওপৰতে প্ৰতিষ্ঠিত। অকল পাৰিপাৰ্শ্বিক ঘটনা-

১৩. যথাধক্ষো নৃপঃ শাস্তা সভ্যাঃ কাৰ্য্যপৰীক্ষকাঃ। ব্যৱহাৰ ময়ূখ

১৪. মনু—৫/৩৮০

ৱলীক সাক্ষীত্বৰ পূৰ্ণ মৰ্যদা দিলে পূৰ্ণাঙ্গ বিচাৰ বা ন্যায্য বিচাৰ হোৱা বুলি স্বীকাৰ কৰিব নোৱাৰি। বসন্তসেনাৰ হত্যাকাণ্ডৰ কোনো সাক্ষাৎ দ্ৰষ্টা নাই; কিন্তু কিছুমান আনুক্ৰমিক ঘটনাৰ ওপৰত নিৰ্ভৰ কৰি উচ্চ ন্যায়ালয়ে চাৰুদত্তক দোষী সাব্যস্ত কৰা যুক্তিযুক্ত হোৱা নাই।

অৱশ্যে ঘটনাৱলীৰ ধাৰা যি দৰে চলিছিল তাৰ পৰা চাৰুদত্তক নিৰপৰাধী বুলি কোৱা টান; বিশেষকৈ চাৰুদত্তৰ বন্ধুৰ হাতত যেতিয়া অলঙ্কাৰবোৰ ওলাল তেতিয়া তেওঁক নিৰ্দোষী বুলি ভবাৰ স্থল নাইকিয়া হ'ল। সোণৰ লোভত দোষীয়ে যে এনে কু-কৰ্ম কৰিব পাৰে তাকো সহজে অনুমান কৰিব পৰা যায়; কিয়নো দোষী বৰ্তমান ধনহীন দৰিদ্ৰ। আনপিনে দোষীৰ অস্পষ্ট জবাবে ন্যায়ালয়ৰ নভো মণ্ডল সন্দেহৰ মেঘেৰে আচ্ছন্ন কৰি তুলিলে তেওঁৰ বিপৰীতে। পৰিণামত অপৰাধীৰ দোষ সাব্যস্ত হ'ল নিৰ্বিবাদে।

ঘটনাৱলীৰ আনুক্ৰমিক প্ৰসঙ্গলৈ লক্ষ্য কৰিলে অপৰাধীৰ দোষহীনতাৰ কোনো প্ৰমাণ সহজে আমাৰ চকুত নপৰে, বৰং অপৰাধৰ গুৰুত্ব দৃঢ়ভাৱে প্ৰতিষ্ঠিতহে হয়। কিন্তু সূক্ষ্মভাৱে চালে এইটো প্ৰতীয়মান হব যে ঘটনাৱলী সবলভাবে প্ৰতিষ্ঠিত হোৱা নাই। কিয়নো প্ৰথম কথা বীৰকে বসন্তসেনাক চাৰুদত্তৰ গাড়ীত যোৱা নিজ চকুৰে দেখা নাই। এই কথা তেওঁ গাড়ীবাহকৰ মুখৰ কথাৰ ওপৰত মাথোন নিৰ্ভৰ কৰি কৈছে। দ্বিতীয় ব্যক্তিৰ মৌখিক কথাকে নিৰ্ভৰ যোগ্য প্ৰমাণ হিছাপে ধৰি লোৱাটো আইনসন্মত হোৱা নাই। দ্বিতীয়তে, বাগিচাত পৰি থকা মৃত নাৰীৰ শৰীৰৰ কোনো চিনাক্ত কৰা নহ'ল। ঘটনাত জড়িত মৃতকৰ সঁচাকৈয়ে মৃত্যু ঘটিছিল নে নাই সেই কথা নিৰ্ভুল আৰু নিসন্দেহে কোৱা টান; কিয়নো বাগিচাত পৰি থকা মৃত নাৰীৰ শৰীৰ বসন্তসেনাৰ বাহিৰে আন কোনোবা তিৰোতাৰো হব পাৰে। নাইবা আগদিনাৰ প্ৰবল ধুমুহাৰ ফলত যি কোনো তিৰোতাৰ মৃত্যু হব পাৰে আৰু তাইৰে মৃত শৰীৰ বাগিচাত পৰি থাকিব পাৰে। অথবা যিকোনো মানুহে যিকোনো তিৰোতাক হত্যা কৰি তাইৰ মৃত শৰীৰ বাগিচাত পেলাই থব পাৰে। আৰু বিশেষ মন কৰিব লগীয়া কথা এই যে ন্যায়ালয়ত পোৱা অলঙ্কাৰবোৰ সঁচাকৈয়ে সেই দিনা বসন্তসেনাই পৰিধান কৰিছিল নে নাই সেই কথাৰো কোনো বিচাৰ নহ'ল। অলঙ্কাৰ মাত্ৰেই বসন্তসেনাৰ অলঙ্কাৰ এই কথাও আইনৰ চকুত বিসদৃশ যেন লাগে। এইদৰে চালে ঘটনাৱলীৰ পৰ্যায়ক্ৰম বিবেচনা কৰি দোষীৰ প্ৰতি যি নিৰ্বাসন দণ্ডৰ বিধান কৰা হৈছে সি এখন উচ্চ ন্যায়ালয়ৰ পক্ষে নিতান্ত অবাঞ্ছনীয় আৰু গৰ্হিত।

ঘটনাৰ পাৰিপাৰ্শ্বিক প্ৰমাণক কাত্যায়নে যুক্তি আৰু বাচস্পতিয়ে অনুমান বুলি কলেও উভয়ে ইয়াক প্ৰমাণ বুলি স্বীকাৰ কৰে। নাৰদৰ মতে হত্যাকাৰীক অস্ত্ৰশস্ত্ৰেৰে সৈতে সজ্জিত দেখিলেহে দোষী বুলি প্ৰমাণ সাব্যস্ত হব। শূদ্ৰকৰ উক্ত ন্যায়ালয়ে আন কোনো পৰীক্ষাৰ ব্যৱস্থা হাতত নলৈ কেৱল ঘটনাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰ সমাপ্ত কৰিলে; গতিকে তাত ন্যায়-বিচাৰৰ ঠাইত অন্যায় বিচাৰৰ আশঙ্কাৰ স্থল নোহোৱা নহয়।

মনু আৰু যাজ্ঞবল্ক্যই দোষীৰ প্ৰতি চাৰিপ্ৰকাৰ শাস্তিৰ বিধান কৰিছিল—ধীগ-দণ্ড, বাগ্-দণ্ড, ধন-দণ্ড আৰু বধ-দণ্ড। বৃহস্পতিৰ মতে ইয়াৰ প্ৰথম দুবিধ দণ্ড কেৱল ব্ৰাহ্মণ ন্যায়াধীশেহে দিব পাৰিব আৰু আন দুবিধ দণ্ড মুখ্য ন্যায়াধীশৰ অনুমোদন সাপেক্ষে ৰজাই দিব পাৰিব। শূদ্ৰকৰ উচ্চ আদালতৰ মুখ্য ন্যায়ধীশে চাৰুদত্তৰ দোষ সাব্যস্ত কৰি মনুৰ মতে মৃত্যু-দণ্ডৰ ঠাইত নিৰ্বাসন দণ্ড বিহিবলৈ অনুমোদন কৰিছিল। ৰজাই মুখ্যন্যায়াধীশৰ অনুমোদন উলঙ্ঘন কৰি দোষীৰ প্ৰতি মৃত্যু দণ্ডৰ বিধান দিছিল।

প্ৰাচীন ভাৰতৰ বিচাৰক প্ৰশাসনীয় বিভাগৰ অধীনত নাছিল। তেওঁলোকে স্বাধীনভাৱে বিচাৰৰ কাম সমাধা কৰিব পাৰিছিল। শূদ্ৰকৰ উচ্চ ন্যায়ালয়ত যদিও ৰজাৰ খুলশালীয়েকৰ তাড়নাত বিচাৰ চলিছিল তথাপি বিচাৰৰ কাম স্বাধীন ভাৱেই হৈছিল। এই উচ্চ ন্যায়ালয়ত দাখিল কৰা মকৰ্দমাৰ বাবে বাদী দুজনৰ এজনেও কোনো ফিজ্‌ দিয়াৰ গম পোৱা নাযায়। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে তেতিয়া মানুহে বিনাব্যয়ে বিচাৰালয়ত বিচাৰ প্ৰাৰ্থনা কৰিব পাৰিছিল আৰু নিচেই কম সময়ৰ ভিতৰতে বিচাৰৰ ৰায়ো পাব পাৰিছিল।



উজ্জয়িনীৰ উচ্চ ন্যায়ালয়ৰ আন এটা বৈশিষ্ট্য হ'ল চাৰুদত্তৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলেও তেওঁক সন্ত্ৰান্ত ভাৱেই ন্যায়ালয়ত উপস্থিত হবলৈ মাতি পঠিওৱা হৈছে। আদালততো তেওঁক ভদ্ৰোচিত ব্যৱহাৰ দেখুওৱা হৈছে আৰু তেওঁৰ দোষ সাব্যস্ত নোহোৱালৈকে সম্পুৰ্ণ নিৰপৰাধী হিছাপেই ব্যৱহাৰ কৰা হৈছে। পাৰিপাৰ্শ্বিক ঘটনাৰ দ্বাৰা দোষ প্ৰমাণিত হোৱাতহে চাৰুদত্তক দোষী হিছাপে গণ্য কৰা হৈছে। কিন্তু চাৰুদত্তৰ প্ৰতি দেখুওৱা ভদ্ৰোচিত ব্যৱহাৰৰ মাজতো এটি বিৰক্তিকৰ অৱস্থাৰ কথা দেখিবলৈ পোৱা যায়। সি হ'ল বাধ্যতামূলক ভাৱে স্বীকাৰ কৰোৱাৰ চেষ্টা; আনকি ন্যায়াধীশে বেত দিয়াৰ ভয় দেখুৱাইহে ঘটনাৰ সত্যতা বাহিৰ কৰাবলৈ যত্ন কৰিছিল। চাৰুদত্তই বিষ, পানী তজু আৰু অগ্নি এইবোৰৰ যি কোনো এটিৰে ঘটনাৰ সত্যতা প্ৰমাণ কৰিবলৈ অনুৰোধ কৰা সত্বেও তেওঁৰ সেই অনুৰোধ ৰক্ষা কৰা নহ'ল। অৱশ্যে এই ক্ষেত্ৰত ন্যায়াধীশে চাৰুদত্তৰ অনুৰোধ প্ৰত্যাখ্যান কৰাত যুক্তি নোহোৱা নহয়, কিয়নো মানুহৰ প্ৰমাণৰ অভাৱতহে এনে বিধ সত্যৰ আশ্ৰয় লোৱা হৈছিল; কিন্তু চাৰুদত্তৰ অভিযোগ সম্বন্ধে মানুহৰ প্ৰমাণৰ অভাৱ হোৱা নাছিল।

ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ নাট্যকাৰ শেক্সপীয়েৰৰ 'মাৰ্চেন্ট অব ভেনিচ'-অতো আমি এখন উচ্চ ন্যায়ালয়ৰ চিত্ৰ দেখিবলৈ পাওঁ। দুখন দেশৰ দুজন প্ৰসিদ্ধ নাট্যকাৰৰ দুখন বিচাৰালয়ৰ চিত্ৰ সাহিত্যমোদীৰ উপভোগৰ সামগ্ৰী। এন্টোনিওৰ দুৰ্ভাগ্যবশতঃ ধুমুহাত জাহাজ জলমগ্ন হ'ল। নিয়তিৰ অলঙ্ঘনীয় বিধিৰ দুৰ্বিপাকত পৰি জুকলা হোৱা এন্টোনিওৰ নিমজ্জিত ভাগ্যক পোৰ্চিয়াৰ কৌশলে উদ্ধাৰ কৰিলে। মানৱীয় কৌশলত এন্টোনিও অভিভূত হৈ অভ্যুন্নতিৰ পথলৈ গৈছিল আৰু চাৰুদত্ত দৈৱৰ কুচক্ৰান্তৰ ওচৰত পৰাভূত হৈ মৃত্যুৰ পথলৈ আগুৱাই গৈছিল।

দুৰ্গা পুজাৰ লগে লগে

# অসম সাহিত্য সভা পত্ৰিকাৰ

## শাৰদীয় সংখ্যা

**বিভিন্ন ৰুচিৰ গল্প-প্ৰবন্ধাদিৰে সমৃদ্ধ হৈ ওলাব**
**সৰহ সংখ্যক পত্ৰিকাৰ কাৰণে**
**তলৰ ঠিকনাত সোনকালে যোগাযোগ কৰক।**

**শ্ৰীগোবিন্দ চন্দ্ৰ মহন্ত**
সহকাৰী সম্পাদক অঃ সাঃ সভা
ভাগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—১

# উপন্যাসৰ ভৱিষ্যত

শ্ৰীনিশীথ চক্ৰৱৰ্ত্তী

"The development of psycho-analysis faced the novel with an enormous crisis." মনোবিজ্ঞানৰ নিত্য নতুন আবিষ্কাৰৰ ফলতেই উপন্যাসৰ দিন শেষ হৈ আহিল। এই প্ৰশ্নটো পাশ্চাত্যমুখী একাংশৰ বাবে সমস্যা স্বৰূপ হৈ পৰিছে। দেশীয় সাহিত্যিকসকলেও মাজে সময়ে সভা-সমিতিত তেনে কথা ব্যক্ত কৰা দেখা যায়। অৱশ্যে শিল্পপ্ৰধান দেশ ইউৰোপ আৰু আমেৰিকাৰ সুধী সমাজৰ এক অংশই যি কাৰণত এই মত পোষণ আৰু প্ৰচাৰ কৰি আহিছে ঠিক সেই একেই কাৰণতেই যে ভাৰতীয় পণ্ডিতসকলৰ কোনো কোনোৱে একমত পোষণ কৰি সমৰ্থন কৰি আহিছে এই কথা মানি ললে সামাজিক সত্যৰ অপলাপ কৰাহে হব।

আপাতঃ দৃষ্টিত এই কথা সত্য যে আজি সমগ্ৰ বিশ্ব সাহিত্যতেই উপন্যাস সাহিত্যৰ ধাৰা অস্তমিত প্ৰায় সূৰ্য্যৰ দৰে হৈ পৰিছে। দ্বিতীয়তে, টলষ্টয়, গৰ্কী, বঁলা, থ্যাকাৰে, ডিকেন্স, টমাছমান্, বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ, প্ৰেমচান্দ আদিৰ আবিৰ্ভাৱৰ কোনো ইঙ্গিত কোনো দেশতে এতিয়ালৈকে বিচাৰি পোৱা হোৱা নাই। ইয়াৰ কাৰণ বিশ্লেষণ কৰিবলৈ গৈয়ে পাশ্চাত্যৰ পণ্ডিত একাংশই উপন্যাস সাহিত্যৰ ক্ষণ কমি অহা বুলি কৈছে। আধুনিক বিজ্ঞান প্ৰভাৱান্বিত পৃথিৱীৰ মানুহে উপন্যাসত বৰ্ণোৱা প্ৰেমৰ পেনপেননি বিচৰা নাই। সময়ো নাই উপন্যাস পঢ়াৰ। চুটি গল্প, থুহুটীয়া গল্পইহে সাহিত্যৰ ৰস পান কৰাত ইন্ধন যোগায়। কিন্তু এওঁলোকৰ ভিতৰত যিসকলে কথাটো দ'কৈ চিন্তা কৰিছে সেইসকলেও মনোবিজ্ঞানৰ নিত্য নতুন ,অবিষ্কাৰবোৰে উপন্যাস সাহিত্যৰ প্ৰাণ শক্তিক নষ্ট কৰি পেলাইছে বুলি অভিমত প্ৰকাশ কৰিছে। যিবিলাক মানসিক সমস্যাই আৰু সমস্যা-সম্ভূত সংঘাতবোৰে ইমানদিনে উপন্যাসৰ দেহত তেজৰ সঞ্চাৰ কৰিছিল সেইসকলক হঠাৎ মনোবিজ্ঞানে সমস্যা নহয় বুলি প্ৰমাণ কৰি দিছেহি। সেইবিলাক সমস্যাৰ প্ৰধান কাৰণ মানসিক ৰোগ অথবা অজ্ঞতা আৰু কুসংস্কাৰ। ফলত বহুদিনীয়া ৰসৰ সৌধ স্বৰূপ উপন্যাস সাহিত্য তাচপাতৰ ঘৰৰ নিচিনাকৈ ভাগি পৰিছে। মনস্তত্বমূলক উপন্যাসৰ ক্ষেত্ৰত মনোবিজ্ঞানে যঁচাকৈয়ে এক কৌতুকজনক অৱস্থাৰ সৃষ্টি কৰিছে। বহু সংস্কাৰ আৰু কুসংস্কাৰ আচ্ছন্ন ভাৰতীয় জনগণেই মনোবিজ্ঞানৰ এই প্ৰভাৱ প্ৰত্যক্ষ বুলি অনুভৱ নকৰিলেও বিজ্ঞানাশ্ৰিত পাশ্চাত্যৰ ওচৰত মনোবিজ্ঞান বিজ্ঞানৰ অন্যান্য শাখাৰ দৰেই প্ৰত্যক্ষ সত্য। ইউৰোপ আৰু আমেৰিকাৰ লেখক সমাজৰ মাজত মনোবিজ্ঞানে ৰীতিমতে এটা সংকটৰ সৃষ্টি কৰিছে। মনস্তত্বমূলক উপন্যাস লিখকসকলৰ এই সংকটৰ বাবে মনোবিজ্ঞান কিমানখিনি দায়ী সেই কথা আলোচনা কৰাৰ আগেয়ে ইয়াতে আৰু এটা কথা উল্লেখ কৰা প্ৰয়োজন। ইমান দিনে যিসকলে সাহিত্যত Pure art ৰ সপোন দেখিছিল সেই সকলে অৱস্থাৰ মেৰপাকত পৰি সমস্যা আৰু সংঘাত



নহলেযে অন্ততঃ উপন্যাস সাহিত্য সৃষ্টি কৰিব নোৱাৰি সেইকথা অপ্ৰত্যক্ষভাৱে হ'লেও স্বীকাৰ কৰিব লগীয়া হৈছে।

বিবৰ্তন আৰু আবৰ্তনৰ মাজেদি বিশ্বজগতৰ যি ক্ৰমোন্নতিৰ ধাৰা বিজ্ঞানীসকলে মানি আহিছে সাহিত্যও সেই নিয়মৰ ব্যতিক্ৰম নহয়। সাহিত্যৰ ক্ষেত্ৰত প্ৰথম উপন্যাসৰ আবিৰ্ভাৱ অষ্টাদশ শতাব্দীত আৰু প্ৰথম উপন্যাসৰ জন্মভূমি ইউৰোপ। ইয়াৰ কাৰণ বিচাৰিবলৈ হ'লে সেই সময়ৰ ইউৰোপৰ সামাজিক অৱস্থাৰ কিছু অংশ বিশ্লেষণ কৰাৰ প্ৰয়োজন। অষ্টাদশ শতাব্দী ইউৰোপৰ বিশেষকৈ ইংলণ্ডৰ নৱজাগৰণৰ যুগ। বিজ্ঞানৰ নতুন নতুন আবিষ্কাৰে অবাধ্য প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম ঘোষণা কৰিছে। নতুন দেশ আবিষ্কৃত হৈছে। সম্পূৰ্ণ নতুন-ৰূপে মানুহৰ মূল্য নিৰূপিত হৈছে। বিৰুদ্ধ প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত মানুহে স্বকীয় আধিপত্য বিস্তাৰ কৰিছে। সিদিনাৰ বিজয়ী মানুহৰ কীৰ্তি গাথাত নতুন ৰহণ সানি নতুন আঙ্গিকত ৰচনা কৰাৰ প্ৰয়োজনবোধৰ পৰাই জন্ম হৈছিল সাহিত্যৰ এক নতুন আঙ্গিক বা form আৰু এই নতুন আঙ্গিকেই হ'ল উপন্যাস আৰু সৃষ্টি হল বিশ্বসাহিত্যৰ সৰ্বপ্ৰথম সাৰ্থক উপন্যাস "ৰবিনছন ক্ৰুছো"। প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত স্বকীয় আধিপত্য বিস্তাৰৰ প্ৰচণ্ড সংগ্ৰামত বিজয়ী মানুহৰ ইতিকথা এই সংগ্ৰামৰ বিষয়বস্তু। অকল সেয়ে নহয় "ৰবিন্‌ছন ক্ৰুছো" ওঠৰ শতিকাৰ ব্যক্তিস্বাতন্ত্ৰ্য ধৰ্মী অৰ্থ নৈতিক মুনাফাকামী মানুহৰ জীৱন কাহিনী।

কৃষি প্ৰধান সমাজ যৌথ বা গোষ্ঠীবদ্ধ জীৱনত নৃত্য-গীত-কাহিনীৰ গঙ্গা-যমুনা-সৰস্বতীৰ যি ত্ৰিবেণী সঙ্গম ৰচিত হৈছিল নতুন মধ্যবিত্ত আৰু বুৰ্জোৱা সমাজৰ জীৱনৰ লগত তাৰ কোনো সম্পৰ্কই নাথাকিল। নতুন সমাজৰ আবিৰ্ভাৱৰ জন্মলগ্নই পুৰণি যৌথ কৃষি সমাজৰ পতন ঘটালে আৰু লগে লগে ইয়াৰ মূল্য কমি গল, ব্যক্তি বিশেষৰ মূল্যই সমাজত স্বীকৃতি পালে। নতুন সমাজৰ, নতুন ভাবধাৰা, সমাজত ব্যক্তি বিশেষৰ স্বাতন্ত্ৰ্য আৰু মূল্যবোধেই "ডেকোৰ" আগতে "ৰেবলে" "ছাৰভেনটিছ"ৰ আবিৰ্ভাৱ হৈছিল। ৰেবলৰ ৰচনাত মধ্যযুগীয় ৰাষ্ট্ৰ, সমাজ, ধৰ্ম, শিক্ষা কোনেও বিদ্ৰূপ বাণৰ পৰা ৰেহাই পোৱা নাই। 'ছাৰ ভেনটিছে'ও নতুন যুগধৰ্ম আয়ত্ব কৰিব পাৰিছিল আৰু মধ্যযুগীয় ৰোমান আৰু ফিউদেল ব্যৱস্থাৰ অন্তঃসাৰ শূন্যতা উপলব্ধি কৰিব পাৰিছিল। ধম্যযুগীয়া সামাজিক জুমুৰি আৰু তাৰ অনুগত আদৰ্শবোৰতো ছাৰভেনটিছে ব্যঙ্গৰ কুঠাৰ মাৰিছিল। বুৰ্জোৱা সমাজৰ আবিৰ্ভাৱৰ বিৰুদ্ধে ফিউদেল শক্তিৰ ব্যৰ্থ আন্দোলন 'ডন কুইকছোট' উপন্যাসত ৰূপকাৰ্থত লাভ কৰিছে। 'ডনকুইটছোট' নতুন সমাজৰ নতুন উপন্যাস।

অৰ্থ নৈতিক জুমুধিৰ পৰিবৰ্তন আৰু এই অৰ্থ নৈতিক ৰূপান্তৰৰ লগে লগে দৰ্শন, বিজ্ঞান, বুৰঞ্জী আৰু সাহিত্যৰ মননশীল চৰ্চাই ব্যক্তিস্বাতন্ত্ৰ্যক বিশিষ্ট কৰি তুলিছিল। সেইবাবেই অষ্টাদশ শতাব্দীৰ পাশ্চাত্য ঔপন্যাসিকসকলে মানুহক অখণ্ডিত মানুহ হিচাপে গণ্য কৰিছিল। তেওঁলোকৰ মনত মানুহ হল—"cruel, cheerful, lusty, struggling and human creature. He was not a sinner to be saved." চুড়ান্ত সত্যতাৰ সেই উন্নতিৰ যুগতো ঔপন্যাসিকসকলে দোষ-গুণ-ত্ৰুটি মিশ্ৰিত type character নিৰ্ভয়ে সৃষ্টি কৰিছিল। কোনো সংস্কাৰ বা কুসংস্কাৰৰ বাধা-নিষেধে চৰিত্ৰ সৃজন কৰাত বাধা আৰোপ কৰিব পৰা নাছিল। সত্যক ভয় কৰাৰ নিচিনা দুৰ্দিন তেতিয়াও পাশ্চাত্য সংস্কৃতিৰ আকাশ মাৰ্গত দেখা দিয়া নাছিল।

কিন্তু ঊনবিংশ শতাব্দীৰ ঔপন্যাসিকসকলৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্পূৰ্ণ বেলেগ। শিল্পত চৰম উন্নতি আৰু সমগ্ৰ এছিয়া আৰু আফ্ৰিকাৰ সুবিস্তীৰ্ণ সাম্ৰাজ্যৰ অধিকাৰী শ্ৰেষ্ঠ সমাজে সহজেই অনুভৱ কৰিব পাৰিলে যে যি জীৱন্ত জীৱনোল্লাসে ইমানদিনে তেওঁলোকৰ শিল্পায়ন আৰু সাম্ৰাজ্য বিস্তাৰত সহায় কৰি

আহিছে সেই স্বাধীন প্ৰাথমিক যুগক এইবাৰ বন্দী কৰাৰ প্ৰয়োজন। সামাজিক বিশুদ্ধতা আৰু শৃঙ্খলা ৰক্ষাৰ নামত লিখকসকলৰ স্বাধীনতাৰ ওপৰত আইনৰ বাধা-বিসেধ আৰোপিত হ'ল। বহু প্ৰতিভাশালী লিখকৰ নগ্নসত্য প্ৰকাশৰ অভিযোগত ৰাজ আদালতত শাস্তি হল। ধনী শ্ৰেণী সমাজৰ শিৰোমণি হোৱাৰ বাবে বহুতৰে ভাগ্যত ঘটিল ঘৃণা আৰু অৱহেলা। এনে প্ৰতিকূল পৰিবেশৰ মাজত কৰুৰকনি খাই বহু লিখকে তেওঁলোকৰ দৃষ্টি আৰু বিষয়বস্তু পৰিবৰ্তন কৰিলে। সমাজ, সামাজিক সত্য আৰু বাস্তৱ মানুহৰ type character ৰচনা কৰিবলৈ এৰি তেওঁলোকে isolated phenomenon অৰ্থাৎ বিকাৰগ্ৰস্ত মানুহৰ অম্বেষণত লাগি পৰিল। অষ্টাদশ শতাব্দীৰ ঔপন্যাসিকসকলে চৰিত্ৰ সৃজনৰ বাবে গ্ৰহণ কৰা পদ্ধতি হল সামৰণি কৰা বা generalisation. তেওঁলোকৰ পদ্ধতিৰ মূল বৈশিষ্ট্য হল বহু মানুহৰ দোষ-গুণ, আশা-আকাঙ্ক্ষা তিল তিলকৈ আহৰণ কৰি এটা সাধাৰণ চৰিত্ৰ বা type character সৃষ্টি কৰা। সেই বাবে তেওঁলোকৰ দ্বাৰা সৃষ্টি চৰিত্ৰসমূহে প্ৰতিনিধিত্ব কৰে বহু মানুহৰ দোষ-গুণ আৰু আশা আকাঙ্ক্ষাই। কিন্তু উনবিংশ শতাব্দীৰ এদল লেখকে মানুহক খণ্ডিত দৃষ্টিৰে চাবলৈ বিচাৰিলে। সাধাৰণ মানুহৰ মাজত নায়ক নিবিচাৰি তেওঁলোকে আকস্মিক ঘটনা নাইবা অসাধাৰণ আৰু অস্বাভাৱিক মানুহৰ মাজতহে বিচাৰিবলৈ ধৰিলে। শিল্প প্ৰধান পাশ্চাত্যৰ সামাজিক জীৱনত তেতিয়া যি অৱদমনৰ পাল আৰম্ভ হৈছিল তাত বিচিত্ৰ চৰিত্ৰৰ নৰ-নাৰীৰ আৰ্বিভাব অনাহূত নাছিল। উপন্যাসৰ স্বাভাৱিক মানুহৰ পৰিবৰ্তে দেখা দিলে অস্বাভাৱিক মানুহে। Psychology বা মনোবিজ্ঞান তেতিয়াও শৈশৱ অৱস্থাত। সেই যুগত কিন্তু সেই সকলো মানুহেই ঔপন্যাসিকৰ অপূৰ্ব সৃষ্টি বুলি প্ৰশংসিত হৈছিল। বাস্তৱ মানুহৰ পৰিবৰ্তে এদল অদ্ভুত বিকাৰগ্ৰস্ত মানুহৰ অস্বাভাৱিক মনৰ লীলাখেলাই হল ঔপন্যাসিকৰ পৰ্যবেক্ষণ আৰু সৃজনৰ বিষয় বস্তু। Psychological Novel বা মনস্তত্বমূলক উপন্যাস নামেৰে সাহিত্যৰ এক নতুন বিভাগ সৃষ্টি হল।

কিন্তু উনবিংশ শতাব্দীৰ উপন্যাসৰ এই দিশটোৱেই সমগ্ৰ বুৰঞ্জী নহয়। শিল্পায়িত পৃথিৱীৰ বন্দী মানৱাত্মাৰ ক্ৰন্দনে বিচলিত কৰিলে এদল দৰদী মানুহক। ফলত সাহিত্যৰ এটি নতুন দৃষ্টিভঙ্গীয়ে দেখা দিলে। যাক এক কথাত critical realism বোলা হয়। টলষ্টয়, বেঁালা, থেকাৰে, ডিকেন্স, মাৰ্কটোয়েন, টমাছমান প্ৰভৃতি মনীষীয়ে নতুন দৃষ্টিৰে আঙ্গিকৰ ফালেৰে অষ্টাদশ শতাব্দীৰ classical ভঙ্গীকে গ্ৰহণ কৰিলে; সামাজিক সমস্যা আৰু সংকটক সাহিত্যৰ মাধ্যমেৰে নতুন ৰূপত ৰূপায়িত কৰিলে। উপন্যাস সাহিত্যত বন্দী মানৱাত্মাৰ প্ৰচণ্ড ক্ৰন্দন ধ্বনিত হল। তীব্ৰ বিদ্ৰূপৰ দ্বাৰা আক্ৰান্ত-প্ৰায় হল যোগিবাজ শিল্পৰ নিচিনা অচল স্থায়ী স্বাৰ্থবাদী সমাজ। বিংশ শতাব্দীৰ দ্বিতীয় দশক পৰ্যন্ত সাহিত্যৰ দুটা ধাৰাই ওচৰা উচৰিকৈ বৈ গৈছে; কিন্তু তৃতীয় দশকত দেখা গল সাহিত্য-সৃষ্টিত তৰুণ দল critical realism ত সুখী নহয়। তেওঁলোকে অভিমত প্ৰকাশ কৰিলে সমালোচনা আৰু ব্যঙ্গ বিদ্ৰূপৰ কোনো কাৰণ নাই বুলি। সামাজিক পথ নিৰ্দেশৰ বাবে আৱশ্যক positive hero আৰু সেই hero তেওঁলোকে বিচাৰিব ধৰিলে খেতিয়ক, বনুৱা আদি সাধাৰণ মানুহৰ মাজত।

শঙ্কিত ৰক্ষণশীল সমাজৰ যিসকলে এদিন ৰোঁলা টলষ্টয়ক মহৎ বুলি স্বীকাৰ কৰি লব পৰা নাই সেই সকলে উঠি অহা চামৰ এই দীপ্ত-বলিষ্ঠ ঘোষণাত আগন্তুক বিপদৰ সংকেত দেখিবলৈ পালে। আত্মৰক্ষাৰ বাবে তেওঁলোকে নতুন বাট বিচাৰি ললে। সেয়ে পাশ্চাত্য দেশত উপন্যাসৰ দিন শেষ হৈছে বুলি জনৰব শুনা গৈছে। ভাৰতীয় সুধীজনৰ কোনো কোনোৱে সেই কথাৰ প্ৰতিধ্বনি কৰিছেহে মাথোন।

মহাকাব্য, নাটক আৰু উপন্যাস—এই তিনিওটাৰে প্ৰাণধৰ্ম হ'ল সংঘাত। কাহিনী আৰু চৰিত্ৰ সৃজনৰ ফালৰ পৰা মহাকাব্যও উপন্যাস—সমধৰ্মী। সুবিস্তীৰ্ণ



পটভূমিৰ ওপৰত উপন্যাসৰ জুমুধি সংস্থাপিত। সেইবাবেই উপন্যাসৰ পটভূমি বাস্তৱ হোৱাটো বাঞ্ছনীয়। পৰিবেশৰ পুঙ্খানুপুঙ্খ ৰূপায়ণৰ ওপৰতেই নিৰ্ভৰ কৰিছে উপন্যাসৰ বাস্তৱতা। উপন্যাসৰ চৰিত্ৰৰ মাধ্যমেৰে পাঠকসকলে মানৱ জীৱনৰ বিভিন্ন দিশৰ বাস্তৱ ৰূপ চাব বিচাৰে। আঙ্গিকৰ এই দুটা বৈশিষ্ট্যৰ ওপৰতেই নিৰ্ভৰ কৰিছে উপন্যাসৰ সাৰ্থকতা।

বৰ্তমান সমাজৰ যি কোনো অংশকে উপন্যাসৰ পৰিবেশ হিচাপে গ্ৰহণ কৰিলে সমাজৰ অসামঞ্জস্য ঘটনা সমূহ অতি প্ৰৱল আৰু স্পষ্ট হৈ লিখকসকলৰ সন্মুখত ধৰা দিয়েহি। সমাজৰ উচ্চ বা নীচ যি শ্ৰেণীৰেই নহওক তাৰ বাস্তৱ ৰূপৰ সূক্ষ্ম ৰূপায়ণ কৰিবলৈ গলেই জীৱন-শিল্পীয়ে সৰ্বপ্ৰথমে যি সমস্যাৰ সন্মুখীন হব সেয়ে হৈছে শিল্পীৰ জীৱন স্বপ্ন আৰু বাস্তৱ সত্যৰ মাজত সীমাহীন পাৰ্থক্য। এইখিনিতে আহি পৰে শিল্পীৰ সমাজ সচেতনাৰ প্ৰশ্ন। পচিশ ত্ৰিশ বছৰ আগেয়ে উপন্যাস লিখকক সমাজ সচেতনাৰ প্ৰশ্নটোৱে আজিৰ উপন্যাস লিখক চামৰ দৰে দিশহাৰা কৰি পেলাব পৰা নাছিল। শিল্পীৰ ওচৰত তেতিয়া দুটা বাটেই সমান ভাবে উন্মুক্ত আছিল। প্ৰথমটো হ'ল সমাজৰ হুবহু চিত্ৰ শিল্পৰ মাধ্যমেৰে ৰূপায়িত কৰি তোলা। এই বাটেই আছিল critical realist and naturalist সকলৰ বাট। দ্বিতীয়টো হল বাস্তৱজীৱনৰ ৰূপত আংশিক ৰূপায়ণ। সমাজৰ কোনো কোনো ক্ষেত্ৰ তেতিয়াও ভুল ভাবে চালিত হৈছিল। সেই সকলো পৰিবেশৰ মাজত কিছুমান অসাধাৰণ বা অস্বাভাৱিক পাত্ৰ-পাত্ৰীক চৰিত্ৰ হিচাপে ঠিয় কৰালেই এখন উপন্যাস ৰচনা কৰিব পাৰি। কিন্তু আজিৰ সমাজসচেতন পাঠকে দুয়োটা বাটকে বন্ধ কৰি দিছে। naturalist আৰু critical realist সকলৰ ভাব ধাৰাতো বাধা দিছে; তেওঁলোকে নতুনত্বৰ দাবীত romantic আৰু idealist সকলোকো পিছ হোহকাই দিছে।

ইয়াতে এইটো কথা উল্লেখ কৰা অপ্ৰাসঙ্গিক নহয়। দ্বিতীয় মহাসমৰৰ পৰৱৰ্তী কালত পশ্চিমীয়া দেশবোৰে যেতিয়া চৰম অৱক্ষয় আৰু নৈতিক মূল্যহীনতাত অসুস্থ তেতিয়া দস্তয়েভস্কিৰ উপন্যাসসমূহৰ হঠাত সমাদৰ বাঢ়ি গ'ল। প্ৰগতিবিৰোধী অৱক্ষয়ী দৃষ্টিভঙ্গীৰ ফলত দস্তয়েভস্কিৰ যি চৰিত্ৰসমূহ (ছমাৰছেট মমৰ ভাষাত "Are emanations of Dostoevesky's tortured, warped, morbjd sensibility" সেই বিলাকেই আজি অপূৰ্ব সৃষ্টি বুলি প্ৰশংসিত হৈছে। ফলত আজি পাশ্চাত্য দেশৰ উপন্যাসৰ নামত আমি যিবোৰ যৌন বিকাৰগ্ৰস্ত নৰনাৰীৰ কাহিনী জানিব পাৰিছো সেইবোৰ কথা হয়তো সেই উপন্যাসসমূহ নপঢ়িলে আমি ভাবিবই নোৱাৰিলোহেঁতেন। নৰনাৰীৰ ক্লেদাক্ত জীৱনেই এওঁলোকৰ উপন্যাসৰ উপজীব্য। ফলত উপন্যাস স্বধৰ্ম আৰু ঐতিহ্যৰ ফালৰপৰা বিচ্যুত হৈ পৰিল। চৰিত্ৰ বিশ্লেষণত নিপুণতাৰ প্ৰলেপ থ'কিলেও এওঁলোকে কেতিয়াও মহৎ সাহিত্যৰ দাবী কৰিব নোৱাৰে। মহাযুদ্ধ, মতান্তৰ, দেশবিভাগ, অৰ্থনৈতিক ভাৰসাম্যৰ দোদুল্যমান অৱস্থা আৰু সামাজিক নীতিহীনতাই মানুহৰ মন, মনুষ্যত্ব, নৈতিক মূল্যবোধক পঙ্গু কৰি দিছে। সেয়ে আজি ঐতিহাসিক উপন্যাস, বস্তুনিষ্ঠ উপন্যাসৰ অন্তৰালত একশ্ৰেণী যৌনবিকাৰগ্ৰস্ত অস্বাভাবিক নৰনাৰীৰ জীৱন যাপনৰ ক্লেদাক্ত বৰ্ণনা নিহিত হৈ আছে।

দ্বিতীয় সমস্যা হ'ল চৰিত্ৰ সৃষ্টিৰ। বিজ্ঞানৰ ক্ৰমবৰ্দ্ধমান উন্নতি আৰু আৰ্থিক সংঘাতে পুৰুষ-মহিলাক আজি সমানভাবে জীৱন সংগ্ৰামত মুখামুখিকৈ থিয় কৰি দিয়াৰ অতীতৰ আদৰ্শসমূহৰ বৰ্তমান অচল অৱস্থা নহয় বুলিছে। প্ৰেম, ভালপোৱা, স্নেহ আদি মানৱীয় বৃত্তিসমূহ অতীত সংস্কাৰৰ ভাৱত ভাৰাক্ৰান্ত নহয়ো আজিৰ মানুহৰ বিজ্ঞান সন্মত দৃষ্টিৰ সন্মুখত কি মূল্যৰে থিয় হব পাৰে তাৰেই সাৰ্বজনীন চিন্তা আজিৰ মানুহৰ। ৰাজনীতি আৰু অৰ্থনীতি বৰ্তমান যুগৰ প্ৰত্যেক জন নৰনাৰীৰ জীৱনৰ এক বাস্তৱ সত্য।

আমাৰ সুদূৰ সাগৰৰ পাৰত যুদ্ধ লাগিলেও লুইত পাৰৰ নিভৃত কোণত থকা চঞ্চল ছোৱালীটিও তাৰ প্ৰভাৱৰ পৰা নিজকে মুকলি ভাবে ৰাখিব নোৱাৰে। ফলত জেৰেঙ্গা পথাৰৰ আঁজলী ছোৱলীটিয়েও আজি বোমাক বিমানৰ শব্দ শুনি আকাশলৈ নোচোৱাকৈ থকা নাই। এনে পৰিস্থিতিত উপন্যাসৰ চৰিত্ৰৰ মাজত পাঠক সমাজে স্বভাৱতেই তেওঁলোকৰ বাস্তৱ জীৱনৰ অনুভূত সত্যৰ প্ৰতিফলন চাবলৈ বিচাৰে। মনস্তাত্বিক বিচাৰ-বিশ্লেষণ psychologyৰ এক্তিয়াৰ ভূক্ত হোৱাৰ বাবে মানব মনৰ সূক্ষ্ম লীলা-খেলা লৈ জীৱন শিল্পীৰ আদৰ্শ-প্ৰচাৰৰ দিন উকলিল। আনফালে উপন্যাস সৃষ্টিত সমাজ সচেতনাৰ প্ৰশ্নই বহলভাৱে দেখা দিছেহি।

এই দুবিধ সমস্যাৰ হেঁচাত পৰি যিসকল প্ৰকৃত ঔপন্যাসিক অৰ্থাৎ অকল কাহিনীকাৰ নহয় তেওঁলোকে দুটা বাটৰ যিকোনো এটাকহে বাছি লব লাগিব। প্ৰথম বাট নেতিবাচক অৰ্থাৎ আঙ্গিক হিচাপে উপন্যাসৰ তিৰোধান বাৰ্তা। দ্বিতীয় বাট উপন্যাসৰ লুপ্ত ঐতিহ্যৰ পুনঃ প্ৰতিষ্ঠা।

আজি সমগ্ৰ পৃথিৱীৰ গণজীৱন নতুন প্ৰেৰণাত স্পন্দিত হৈছে ; ভাৰতবৰ্ষৰ মানুহো তাৰ ব্যতিক্ৰম নহয়। সুস্থিৰ সমাজৰ মাজেদি প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ অবিশ্ৰান্ত দ্বন্দ্বৰ মাজেদিহে সূচনা হৈছে সামাজিক অগ্ৰগতিৰ। বৰ্তমান যুগৰ প্ৰকৃত ঔপন্যাসিকসকলে সামাজিক অগ্ৰগতিৰ এই অস্ফুট আৰু অৰ্ধস্ফুট লক্ষণবোৰ আবিস্কাৰ কৰিব লাগিব। কাল্পনিক জীৱন বিলাস নহয়, জীৱন সংগ্ৰামেই উপন্যাসৰ বিষয়বস্তু। ভাৰতবৰ্ষৰ খেতি-পথাৰ, কলকাৰখানাত আজিও অলিখিত উপন্যাসৰ বহু কাহিনী নিহিত হৈ আছে। ভাৰতবৰ্ষৰ জনগণৰ মাজত আজিও এনে এচাম লোক আছে যাৰ চৰিত্ৰবোৰ উপন্যাসৰ নায়ক-নায়িকাৰ চৰিত্ৰ সৃজনৰ উপাদান হবলৈ যথেষ্ট উপযুক্ত। সেই কাৰণে অন্ততঃ উপন্যাসৰ দিন শেষ হৈ আহিছে যদিও এই সমস্যা ভাৰতীয় লিখকৰ বাবে নহয়। প্ৰকৃত সমস্যা হ'ল দৃষ্টি ভঙ্গীৰ। সামাজিক প্ৰগতিৰ ধাৰা আয়ত্ব কৰিব নোৱাৰিলে কোনো ঔপন্যাসিকেই বৰ্তমান যুগত কোনো কালজয়ী উপন্যাস ৰচনা কৰিব নোৱাৰে। ঔপন্যাসিকৰ সঠিক দৃষ্টিভঙ্গী কেনে হোৱাটো উচিত এই সম্বন্ধে মহান ৰুছ চিন্তানায়ক বেলিনস্কিয়ে গগললৈ দিয়া চিঠি এখনৰ কথা মনলৈ আহে। বেলিনস্কিয়ে লিখিছিল—"You have not observed that Russia sees its salvation not in mysticism, not in asceticism,......but in the success of humanity. It is not preachment that Russia needs nor prayers, but an awakening among her common folk of a sense of human dignity (for so many ages lost amid mire and manure) and rights and laws, conforming not with the teaching of the church but with common sense and justice and as strict fulfilment of them as is possible. But instead of that Russian presents the horrible spectacle of a land where men traffic in men, At this very point a great writer, who with his wondrously artistic, profoundly true creations had so mightily assisted in Russia's realisation of herself, affording it an apportunity to look at her very self as in a mirror—this writer appears with a book where in the name of Christ and Church, he instructs the land owning barbarian to extract more money out of his poems, instructs him to curse them more—

গগলৰ প্ৰতি শাণিত তিৰস্কাৰপূৰ্ণ পত্ৰ এখনিৰ সন্দৰ্ভত টুৰ্গেনিভে কৈছিল—"Blinisky and his letter' are my whole religion"

আধুনিক ঔপন্যাসিকৰো religion সেয়ে হোৱাটো আৱশ্যক। *

* প্ৰবন্ধটি অসমীয়াত যুগুত কৰোঁতে সহায় কৰা বাবে শ্ৰীমতী দীপালী চৌধুৰীৰ ওচৰত লিখক কৃতজ্ঞ।

# ৰাভা সকলৰ প্ৰাচীন অস্ত্ৰ-শস্ত্ৰ

শ্ৰীৰাজেন ৰাভা

ৰাভা সকল অসমৰ থলুৱা জনজাতি। এই জাতিৰ মানুহৰ ঘৰত প্ৰাচীন অস্ত্ৰ-শস্ত্ৰবোৰ এতিয়াও সংৰক্ষিত হৈ আছে। প্ৰশ্ন জাগে—এই অস্ত্ৰ-শস্ত্ৰবোৰ প্ৰাচীন ৰাভা জাতিৰ মানুহে ক'ৰ পৰা পাইছিল ? যিয়েই নহওক, এই অস্ত্ৰ-শস্ত্ৰবোৰে প্ৰমাণ কৰে যে—অতীজতে ৰাভা জাতি বীৰ আৰু যুঁজাৰু আছিল।

ৰাভা জাতি কোচ, হাজং, ৰংদানী, মায়টৰী, পাতি, দাহৰী, বইটলীয়া, হানা, চোঙা, টোট্‌লা, মদাহী আদি বিভিন্ন দল বা খেলত বিভক্ত। এচাম বুৰঞ্জীবিদ্ আৰু সমালোচকসকলে এই দলবোৰক ৰাভা জাতিৰ পৰা আঁতৰাই নি অসমৰ আন কোনো জনজাতিৰ শাখা নাইবা স্বকীয়া জাতি বুলি অভিহিত কৰিব খোজে; কিন্তু দৰাচলতে ৰাভা জাতিৰ এই দল বা খেলবোৰৰ ভাষা, গোত্ৰ, ধৰ্ম, সামাজিক ৰীতি-নীতি আৰু উৎসৱ-পাৰ্বণ আদি পালনৰ বিষয়-বস্তুবোৰ অধ্যয়ন কৰিলে আদিতে ৰাভা জাতি যে এটা দলভুক্তহীন জাতি আছিল তাৰ প্ৰকৃত প্ৰমাণ পোৱা যায়। কিন্তু এতিয়ালৈকে এই দল বা খেলবোৰৰ সম্যক্ গৱেষণাৰ কাম হোৱাহি নাই। এই দলবোৰৰ সম্যক্ গৱেষণা অবিহনে এই দলবোৰক স্বকীয়া জাতি বা আন কোনো জনজাতিৰ শাখা বুলি অভিহিত কৰা সমীচীন নহয়।

উল্লেখিত ৰাভা জাতিৰ প্ৰত্যেক দলৰ মানুহৰ ঘৰতে একেধৰণৰ অস্ত্ৰ-শস্ত্ৰ সংৰক্ষিত হৈ থকা দেখা যায়। এইবোৰ এই সময়তে ৰাজ্যিক সংগ্ৰহালয়ত সংগ্ৰহ কৰি নাৰাখিলে ভৱিষ্যতে লোপ পোৱাৰ সম্ভাৱনা। ৰাভা জাতিৰ মানুহৰ ঘৰত এতিয়ালৈকে সংৰক্ষিত হৈ থকা অস্ত্ৰ-শস্ত্ৰবোৰৰ ভিতৰত তলত উল্লেখ কৰাবোৰেই প্ৰধান। এতিয়ালৈকে গৱেষণাৰ কামত যিবোৰ অস্ত্ৰ-শস্ত্ৰ আমাৰ দৃষ্টি-গোচৰ হৈছে, সেইবোৰহে মাথোন উল্লেখ কৰা হ'ল।

(১) ঢাল অস্ত্ৰ : ১ ফুটৰ পৰা ১½ ফুট জোখৰ ব্যাসৰ ঘূৰণীয়া গড়ৰ ডাঠ ছালেৰে তৈয়াৰ কৰা অস্ত্ৰ। এই ঢাল অস্ত্ৰৰ বহিৰ্ভাগৰ সৌ মাজতে এটা আৰু তাৰ চাৰিওফালে চাৰিটা পিতলৰ টোপোৰা টানকৈ সজোৱা আছে। ভিতৰ-ফালে লৰচৰ কৰিব নোৱাৰাকৈ কৌশলেৰে এটা হাত-ধৰা সঁজুলি লগোৱা আছে। হতাহতি যুদ্ধত শত্ৰুৰ হাতৰ পৰা নিজক ৰক্ষা কৰিবলৈ ৰাভাসকলে এই ঢাল অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(২) তৰোৱাল অস্ত্ৰ : ৩ ফুটৰ পৰা ৩½ ফুট দীঘল, লোৰে নিৰ্মিত, বৰ চোকা আৰু তীক্ষ্ণ অস্ত্ৰ। ই ২ ইঞ্চিৰ পৰা ৩ ইঞ্চিলৈ বহল। হতাহতি যুদ্ধত ৰাভা-সকলে এই তৰোৱাল অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(৩) থাপৰ (থাপাৰ) অস্ত্ৰ : ৪/৫ সেৰ ওজনৰ লোৰে তৈয়াৰ কৰা চেপেটা বহল তীক্ষ্ণ বিষ সনা অস্ত্ৰ। ই ৯ ইঞ্চিৰ পৰা ১৮ ইঞ্চিলৈ দীঘল। ১২/১৩ ফুট দীঘল 'দেওবাঁহৰ' গুৰি এডালত সুন্দৰকৈ লো বা পিতলৰ 'সামি' লগাই—মজবুতকৈ লাবে লগাই লয়। এই অস্ত্ৰ বনৰীয়া বাঘ, হৰিণ, গাহৰি আদি চিকাৰ কৰোঁতে

এতিয়াও ব্যৱহাৰ কৰা হয়। আগতে হতাহতি যুদ্ধৰ উপৰিও গৰিলা যুদ্ধৰ সময়তো এই অস্ত্ৰ ব্যৱহাৰ কৰা হৈছিল।

(৪) জোং-শৰ : ই লোৰ দ্বাৰা নিৰ্মিত। তিনিটা সীৰা আছে। ই বেছি বহল নহয়। থাপৰ অস্ত্ৰৰ দৰেই ৯ ইঞ্চিৰ পৰা ১৮ ইঞ্চিলৈ দীঘল। এই শৰতো তীব্ৰ বিষসনা আছে। ১২।১৩ ফুট দীঘল 'দেওবাঁহৰ' গুৰি এডালত লো বা পিতলৰ 'সামি' লগাই মজবুতকৈ লাবে লগাই লয়। হাবিত চিকাৰ কৰোঁতে এই অস্ত্ৰ ব্যৱহাৰ কৰে। হতাহতি আৰু গৰিলা যুদ্ধৰ সময়ত ইয়াক ব্যৱহাৰ কৰিছিল।

(৫) জোং-বন্দুক : ২১/২/৩ ফুট দীঘল লোৰ অস্ত্ৰ। ই দেখোঁতে গোটা, কিন্তু ভিতৰখন ফোপোলা। অস্ত্ৰৰ গুৰি ভাগৰ ২ আঙুলি পৰিমিত ওপৰত এটা বিন্ধা আছে। ৰাভাসকলে খাৰ-বাখৰ তৈয়াৰ কৰিব জানিছিল। অস্ত্ৰৰ মুখত সীহৰ গুলী ভৰোৱা হয়। বিন্ধাইদি খাৰ ভৰোৱা হয়। খাৰত জুই লগাই দিয়া মাত্ৰকে ধুম্‌কৈ শব্দ হয় আৰু সীহৰ গুলীবোৰ জোৰেৰে ওলাই যায়। এই জোং-বন্দুক চিকাৰ আৰু যুদ্ধৰ সময়ত ব্যৱহাৰ কৰা হৈছিল।

(৬) যোৰ বাই-ড্ৰামক্ : ই এবিধ লোৰে নিৰ্মিত ধেনু। ৫ সেৰ পৰ্যন্ত ওজন ৰাখি ইয়াক তৈয়াৰ কৰিছিল। এই ধেনুৰে তীব্ৰ বিষ-সনা কাঁড় শত্ৰুলৈ নিক্ষেপ কৰিছিল।

(৭) যোৰা-ফিজিমুক্ : ইও এবিধ লোৰে নিৰ্মিত অস্ত্ৰ। চোকা বিষ-সনা শৰ বা কাঁড়েৰে এই অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(৮) বোল-ৰলাপ (বন্দুক) : লোৰে তৈয়াৰ কৰা ৩ সেৰ ওজনৰ বন্দুক।

(৯) চাডি (শেল) : ৪ সেৰ ওজনৰ লোৰে নিৰ্মিত শেল অস্ত্ৰ।

(১০) তোৰজাপ্ মেৰাপাৰ : ১/২ সেৰ ওজনৰ লোৰ দ্বাৰা এই অস্ত্ৰ তৈয়াৰ কৰিছিল। এই অস্ত্ৰ সৰু ডাঙৰ দুবিধ আছে। ইয়াক 'বেৰাপাৰ' বুলিও কোৱা হয়।

(১১) দেওথাৰ (হাথিয়াৰ) : ই এখন তীক্ষ্ণ, গধুৰ লোৰ দ্বাৰা নিৰ্মিত অস্ত্ৰ। পূজাত দেৱ-দেৱীৰ সমুখত—ছাগলী, গাহৰি, ম'হ আদি বলি দিওঁতে ৰাভাসকলে এই অস্ত্ৰ ব্যৱহাৰ কৰে। ই ২৬১/২ ইঞ্চি দীঘল। বহলে ৩ ইঞ্চিতকৈ বেছি।

(১২) হাণ্ডা : ৰাভাসকলৰ মাজত তৰোৱাল সদৃশ 'হাণ্ডা' নামে এবিধ তীক্ষ্ণ অস্ত্ৰ আছে। ই দীঘলে ৩৪ ইঞ্চি আৰু বহলে ২১/২ ইঞ্চিৰ পৰা ৩ ইঞ্চি। এই অস্ত্ৰ হতাহতি সময়ত ব্যৱহাৰ কৰিছিল।

(১৩) শুৰথাং (ত্ৰিশূল) : ৰাভাসকলৰ মাজত 'শুৰথাং' নামে এবিধ অস্ত্ৰ আছে। ই দেখাত ত্ৰিশূলৰ দৰেই, কিন্তু মাজৰ শূলটো নাই। লোৰে নিৰ্মিত শূল দুটা ৬ ইঞ্চিকৈ দীঘল। শূল দুটাত তীব্ৰ বিস সনা থাকে। সৰু দেওবাঁহৰ গুৰি এডাল ৬ ফুট পৰিমিত ওজনত কাটি—সুন্দৰকৈ লো বা পিতলৰ 'সামি' লগাই লাবে টানকৈ লগাই লয়। হতাহতি আৰু গৰিলা যুদ্ধৰ সময়ত ৰাভাসকলে এই অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(১৪) শূল : ৬ ফুট দীঘল, মূৰটো জোঙা। তীব্ৰ বিষসনা লোৰ অস্ত্ৰ।

ওপৰত উল্লেখ কৰা লো, তাম, সীহ আদি ধাতুৰে নিৰ্মিত অস্ত্ৰ-শস্ত্ৰবোৰ ৰাভাসকলে কোন সময়ত, কাৰ লগত আৰু কোন কোন যুদ্ধক্ষেত্ৰত ব্যৱহাৰ কৰিছিল—তাৰ গৱেষণা কৰিলে আমি তলত দিয়া ধৰণে আভাস পাওঁ।

জনা যে, ৰাভা ৰজা 'দদান' বীৰ বংশৰ আছিল। তেওঁৰ পূৰ্বত বাণ ৰজাৰ মৃত্যুৰ পিছত ২য় যুদ্ধত হাৰি নিজৰ, পৰিয়ালৰ, জ্ঞাতি-কুটুম্ব আৰু জাতিভাইসকলৰ আশ্ৰয় আৰু জীৱনৰ নিৰাপত্তা বিচাৰি হাবি-বননিয়ে ঘূৰি ফুৰোঁতে সেই সময়ৰ অনেক অনাৰ্য জাতিৰ লগত যুঁজ কৰিবলগীয়া হৈছিল। শেহত ভুটান ৰজাৰো আশ্ৰয় নিদিয়াত তেওঁলোকৰ লগতো আত্মৰক্ষাৰ বাবে সংঘৰ্ষ কৰিব লগা হৈছিল। এইবোৰ ৰাভাৰ কাহিনী-গীতবোৰত পোৱা যায়।[1]

গাৰোসকলৰ মাজত প্ৰচলিত কিংবদন্তীমতে এজন ব্ৰাহ্মণ মন্ত্ৰীয়ে সোমেশ্বৰী উপত্যকাৰ পৰা ৰাভাসকলক খেদি দিয়াত তেওঁলোকে সহজতে সেই ঠাই এৰি অহা নাছিল। ফলত বহুদিন তেওঁলোকৰ লগত হতাহতি আৰু গৰিলা যুদ্ধ হৈছিল। শেহত তুৰা পাহাৰৰ অঞ্চলবোৰত আহি বসতি স্থাপন কৰিছিল। এই যুদ্ধৰ সময়ত ৰাভা জাতিৰ মানুহে তেওঁলোকৰ পৰিয়াল বৰ্গৰে সৈতে কিমান দুঃখ-কষ্ট বৰণ কৰিবলগীয়া হৈছিল—কিমানজনৰ ক'ত, কেনেকৈ মৃত্যু হ'ব লগা হৈছিল, সেইবোৰৰ বিস্তৃত বিৱৰণ ৰাভাৰ কাহিনী-গীতবোৰত আৰু লৌকিক সাধুবোৰত পোৱা যায়।[2]

সোমেশ্বৰী উপত্যকাৰ পৰা যুঁজ-বাগৰৰ মাজেদি ব্ৰাহ্মণ মন্ত্ৰীৰ দ্বাৰা খেদা খাই ৰাভাসকলে উত্তৰকালে থকা তুৰা পাহাৰৰ অঞ্চলবোৰত আহি নিগাজীকৈ বসতি স্থাপন কৰে। তুৰাপাহাৰত 'তুৰাকুণ্ড' নামে সদায় পানীৰে পৰিপূৰ্ণ হৈ থকা এটা হ্ৰদ আছিল। তুৰাকুণ্ডৰ পানী ফটিকৰ দৰে ফট্‌ফটীয়া আছিল। তলিত থকা মাছ, কাছ, জলচৰ প্ৰাণীবিলাক পানীত সাঁতুৰি ফুৰা দেখা পোৱা গৈছিল। বৃটিছৰ আমোলত পকী ইটাৰে নিৰ্মাণ কৰি পুখুৰী হিচাপে চাৰিওফালে লোৰ বেৰ দি বেৰি ৰাখিছিল। এই 'তুৰাকুণ্ড' গয়া-কাশীৰ দৰে ৰাভাসকলৰ পৱিত্ৰ তীৰ্থস্থান। এই পৱিত্ৰ ভূমিতে ৰাভাসকলে মৃতজনৰ অস্থি শোধাই পিণ্ড দান কৰিছিল।

গাৰোসকলৰ শক্তি প্ৰৱল হোৱাত এদিন হঠাত তুৰা পাহাৰৰ অঞ্চলবোৰত থকা ৰাভা গাঁওবোৰক অতৰ্কিতে আক্ৰমণ কৰিছিল। ৰাভাসকলেও জীৱন পণ কৰিও পুনৰঃ যুঁজ কৰিছিল। শেহত যুঁজত পৰাজিত হৈ পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিব লগা হৈছিল। এই যুদ্ধ দুই বছৰ ধৰি চলি আছিল। ইয়াৰ বিৱৰণ এতিয়াও ৰাভাৰ কাহিনী-গীতবোৰত বিদ্যমান।[3]

ৰাভা ৰজা 'দদানে' 'মাৰুক্ষেত্ৰীৰ' সহায়ত কেনেকৈ ৰাজ্য স্থাপন কৰিলে আৰু প্ৰধান সেনাপতি হৈ মাৰুক্ষেত্ৰীয়ে কেনেকৈ নিজৰ সৈন্যবোৰক নিপুণভাৱে ৰণ-কৌশল শিকাই তেওঁলোকৰ আক্ৰমণকাৰী কাশীৰজা, ত্ৰেক্, ক্ৰেক, মেৰ্‌মেৰ্, মুৰ্‌মুৰ, চামৰং আদি ৰজাসকলক বধ কৰিছিল, তাৰ বিস্তৃত বিৱৰণ ৰাভাৰ কাহিনী-গীতবোৰত আৰু সাধুবোৰৰ পৰা জনা যায়।[4]

কাশী ৰজাৰ দ্বাৰা প্ৰেৰিত গুপ্ত দূত 'বাসুৰি' আৰু 'পাসুৰি'ৰ যোগেদি—যেতিয়া 'দদানে' জানিব পাৰিলে যে, কাশীৰজাই তেওঁৰ ৰাজ্য শীঘ্ৰেই আক্ৰমণ কৰিব, তেতিয়াই তেওঁ প্ৰধান সেনাপতি মাৰুক্ষেত্ৰীক সশস্ত্ৰ সৈন্যবাহিনীৰ সৈতে ৰণক্ষেত্ৰলৈ আগ বাঢ়িবলৈ আদেশ দিলে; আৰু তেওঁৰ ভাগিনীয়েক 'নদাই'কো (মাৰুক্ষেত্ৰীৰ পত্নী) আদেশ দিলে—'Proceed with your husband, Marukhetri, taking bows and arrows in your hands and with your great valour fall upon the enemy as speedily as kites.' ৰজাৰ আদেশমতে নদাইয়ো স্বামীক সহায় কৰিবলৈ গ'ল।

মাৰুক্ষেত্ৰীয়ো ৰজাৰ আদেশমতে সশস্ত্ৰ সৈন্যবাহিনীক প্ৰস্তুত কৰি নিজেও 'Took his bow, shield, sword

১. Das, B. M. 1960, The Ethnic Affinities of the Rabha, p. 119

২. Friend-Pereira J.E. 1912. The Rabhas in Census of Assam, 1911, Vol. III, part I. p. 145.

৩. Ibid, p. 145.

৪. Das. B.M. 1960, The Athnic Affinities of Rabha, p. 120

and arrows in his hands and proceeded to the valley of 'Sipansila, where he met the enemy. He took aim at kashi Raja.'

'চিপনশিলা' ৰণক্ষেত্ৰত মাৰুক্ষেত্ৰী আৰু কাশীৰজাৰ তয়া-ময়া যুদ্ধ আৰম্ভ হয় আৰু যুদ্ধত কাশীৰজাৰ মৃত্যু ঘটে।

ইংৰাজী সোতৰ শ শতিকাৰ দ্বিতীয় দশকৰ পৰা ৰাভাৰ দেশত বা অকূলত (দক্ষিণকূলত) ভীষণ যুদ্ধ হৈছিল। কোঁচ ৰজা পৰীক্ষিত নাৰায়ণৰ মৃত্যুৰ আগতে 'মিৰ্জা নাথান' নামে এজন মুছলমান ফৌজদাৰে দক্ষিণ-কূলত বহুদিন যুঁজ কৰিব লগা হৈছিল। সেই সময়ত ৰাভাবীৰ 'পশুৰামে' 'শম্ভুৰ'ৰ ৰাজ্যত ৰাজত্ব কৰিছিল। আগিয়াৰ পৰা এমাইল উত্তৰে থকা বৰ্তমান শোলমাৰী গাওঁখনেই শম্ভুৰৰ ৰাজধানী আছিল। বৰ্তমান গোৱালপাৰা জিলাৰ দক্ষিণপাৰৰ শোলমাৰী, বালিজানা, গেণ্ডাৰা, কঠালবাৰী, মাকৰি পৰ্বত (বৰ্তমান পঞ্চৰত্ন পাহাৰ), ৰংদান, মাণিকপুৰ (হাবৰাঘাট) আমজোঙা, ৰংজুলী আদি ঠাইবোৰেই সেইদিনৰ প্ৰধান ৰণক্ষেত্ৰ আৰু ৰণশিবিৰ আছিল।

'Volleys of arrows, guns, cannon, missiles and ballistas were showered from the fort'. [৫]

যেতিয়া 'মিৰ্জা নাথানে' পশুৰামৰ 'শম্ভুৰ' দুৰ্গ আক্ৰমণ কৰে, তেতিয়া পশুৰামৰ সৈন্যবোৰে দুৰ্গৰ পৰা উল্লেখিত যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰবোৰ যেনে:—যুগপৎ নিক্ষিপ্ত বহু সংখ্যক তীৰ, বন্দুক, কামান, ক্ষেপণ আৰু নিক্ষেপ কৰিব পৰা বৃহৎ প্ৰস্তৰাদি 'মিৰ্জাৰ' সৈন্য-বাহিনীৰ ওপৰত বৃষ্টিপাতৰ দৰে বৰ্ষণ কৰিছিল।

এইখিনিতে এটা প্ৰশ্ন উঠে—ৰাভা জাতিয়ে অৰ্থাৎ 'শম্ভুৰ' সৈন্যবোৰে কামান বন্দুক আদি যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ ক'ৰ পৰা পালে? নাইবা—কাৰ পৰা আৰু ক'ত এই মাৰণ-অস্ত্ৰবোৰ তৈয়াৰ কৰিবলৈ শিকিলে?

এই প্ৰসঙ্গত ভাবিব পাৰি যে, কোচ ৰাভা জাতিৰেই এটা দল বা শাখা। অৰ্থাৎ—কোচেই ৰাভা, ৰাভাই কোচ। 'কোচ্' বা 'কোচ্ছে' বংশৰ নাতিবো পৰিনাতি পৰশুৰামৰ পিতা আছিল, আৰু 'মেচ্ছে' বংশৰ নাতিবো পৰিনাতি হাৰিয়ামণ্ডল আৰু তেওঁৰে ল'ৰা বিশু আৰু শিশু। কোচ্ছে, মেচ্ছে, লিপ্ম আৰু লিম্বু তেওঁলোক চাৰি ভাই ককাই আছিল। (এই প্ৰবন্ধত এওঁলোকৰ বিস্তৃত পৰিচয় দিয়া সম্ভৱপৰ নহল)

তেওঁলোকৰ বংশৰ কেইবাটাও পূৰ্বপুৰুষ মাৰ গ'ল। কিন্তু বংশৰ তেজৰ চিনাকি মাৰ নগ'ল। সেইকাৰণে হয়তো বিশুই বিশেষ ওচৰ ৰাজ্যলৈ যুঁজ কৰিব লগা নহৈছিল। আনপিনে দুয়ো বংশৰ ৰজাও বৰ ক্ষমতাশালী আছিল। চিলাৰায়ে যদিও দিগ্বিজয় কৰি ফুৰিছিল, তথাপি 'পশুৰামৰ ৰাজ্য আক্ৰমণ কৰা নাছিল। আন পিনে দেখা যায়—সিহঁতৰ মাজত যথেষ্ট বন্ধুত্ব ভাব আছিল। মুছলমান ফৌজদাৰ মিৰ্জা নাথানে যেতিয়া পশুৰামৰ ৰাজ্য আক্ৰমণ কৰে, তেতিয়া পৰীক্ষিতৰ ভায়েক যদুনাৰায়ণে যথেষ্ট সহায় কৰিছিল আৰু যেতিয়া বধুনগৰৰ জমিদাৰৰ পুতেক উত্তৰ নাৰায়ণে মুছলমান সৈন্য লৈ কবৈৰাৰীৰ অধিপতি চন্দ্ৰনাৰাণৰ ৰাজ্য আক্ৰমণ কৰে, তেতিয়া পশুৰামৰ ৰাজ্য 'শম্ভুৰ'ত (শূলমাৰি)ত আশ্ৰয় লৈছিল। সেইকাৰণে জানিব পাৰি যে সিহঁত বংশ-মৰ্যাদা ৰক্ষাৰ্থে সদায় সহযোগী হৈ আছিল। চিলাৰায়ে দিগ্বিজয় কৰাৰ সময়ত 'সান্তৰ' ৰজাই সৈন্য বাহিনীক সহায় নকৰা বুলি কোনে কব পাৰে? [৬]

গতিকে পৰীক্ষিতৰ ভায়েক যদুনাৰায়ণেই ৰাভা বীৰ পশুৰামক কামান, বন্দুক আদি যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰবোৰ দি সহায় কৰাটোও প্ৰমাণিত হয়।

'ৰংজুলী' গড় ৰক্ষাৰ নিমিত্তে পশুৰামে মিৰ্জা-নাথানৰ লগত যেতিয়া যুদ্ধ কৰিছিল—তেতিয়া মিৰ্জাৰ সৈন্য-বাহিনীত বহুতো ৰাভা সেনা পদাতি আছিল।

৫. Baharistan-I-Ghaybi, Vol II, page 507

৬. শ্ৰীবেণুধৰ শৰ্মা, 'ৰাজ্য বুৰঞ্জী' পৃষ্ঠা—৬



এই সকল ৰাভা সেনা-পদাতি উত্তৰ বঙ্গ, উত্তৰ গোৱালপাৰা আৰু ভূটান পাহাৰৰ নামনি অংশত থকা কোঁচ ৰাভা সকলেই যে হব—ই নিশ্চয়; কিন্তু সবলমতীয়া হোজা ৰাভা সেনাবিলাকে যেতিয়া দেখিলে যে—তেওঁলোকৰ স্বজাতিৰ বীৰ পশুৰামৰ ৰবঘৰ ৰংজুলিখনো এতিয়া মুছলমানৰ অধীনলৈ যায়—তেতিয়া স্বদেশ প্ৰেমত আপ্লুত হৈ মিৰ্জা নাথানৰ সৈন্যদলত থকা সাত শ ৰাভা সৈন্যই একেলগে কাম পৰিত্যাগ কৰি পশুৰামৰ সৈন্যদলত সশস্ত্ৰ যোগদান কৰি ৰংজুলি গড় ৰক্ষাৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিল। [৭]

প্ৰাচীন ৰাভাসকলে এই অস্ত্ৰ-শস্ত্ৰবোৰ নিজেই তৈয়াৰ কৰি ব্যৱহাৰ কৰিছিল। এই অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা ৰাভাৰ কমাৰবিলাক অতি পৈণত আছিল। ধেনুৰ কাঁড় আৰু জোং-শৰবোৰ বিষসানি তৈয়াৰ কৰিব জানিছিল। বিষাক্ত জীয়া সাপৰ পৰা কেনেকৈ বিহ উলিয়াই সেই বিহেৰে কেনেকৈ অস্ত্ৰবোৰ বিষাক্ত কৰি তৈয়াৰ কৰিব লাগে, এই প্ৰক্ৰিয়া ৰাভা জাতিৰ মানুহে জানিছিল। এতিয়াও এই প্ৰক্ৰিয়া জনা মানুহ ৰাভা জাতিৰ মাজত আছে। বন্দুক, কামানৰ বন্দুকো তেওঁলোকে তৈয়াৰ কৰিব জানিছিল।

একো একোজন বীৰৰ নাম আৰু কোন বীৰে, কোন যুদ্ধত, কোন বিধ অস্ত্ৰ ধৰি শত্ৰু-সৈন্য বিনাশ কৰিছিল, তাৰ সুন্দৰ বৰ্ণনা ৰাভাৰ সাধুকথা আৰু কাহিনী-গীতবোৰত যথেষ্ট পোৱা যায়। প্ৰাচীন ৰাভা জাতিৰ তিৰোতাবিলাক বীৰাঙ্গনা নাৰী হিচাপেও পৰিচিত। ৰণক্ষেত্ৰত শত্ৰু সৈন্যৰ লগত যুদ্ধ কৰোঁতে পুৰুষৰ লগত নাৰীও প্ৰধান অংশ গ্ৰহণ কৰা উদাহৰণ যথেষ্ট পোৱা যায়। 'দুধনৈৰ' 'লেলাগাঁৱৰ' উত্তৰে 'ডৱ্লী' পাহাৰৰ যুদ্ধত—সকলো পুৰুষে যেতিয়া যুদ্ধক্ষেত্ৰত প্ৰাণত্যাগ কৰে—তেতিয়া সকলো বিধৱা তিৰোতাই ৰণচণ্ডী ৰূপ ধৰি শত্ৰু সৈন্যৰ লগত যুঁজ কৰিছিল। সেইকাৰণে এই গাঁওখনৰ নাম বাৰীগাঁও নামে এতিয়াও পৰিচিত হৈ আছে। এতিয়াও প্ৰাচীন কালৰ ডাঙৰ পুখুৰী এটা অৰক্ষিত অৱস্থাত আছে। ৰাভাৰ সাধুত ইয়াৰ বিৱৰণ পোৱা যায়।

ৰাভাসকলে এই অস্ত্ৰ-শস্ত্ৰবোৰ কেৱল যুদ্ধতেই নহয়, হাবিত চিকাৰ কৰা ক্ষেত্ৰতো ব্যৱহাৰ কৰিছিল। ৰাভাসকলে চিকাৰ কৰা বহু কৌশল জানিছিল। চিকাৰ কৰোঁতে তেওঁলোকে অস্ত্ৰ-শস্ত্ৰৰ উপৰিও নিজ হাতে তৈয়াৰী সৰু ডাঙৰ হবেক প্ৰকাৰৰ জাল ব্যৱহাৰ কৰিছিল। ৰাভাসকল আন আন জাতিৰ তুলনাত অতি চিকাৰপ্ৰিয় আছিল। তেওঁলোকে হাতী, গড়, বাঘ, ভালুক, পহু, শহা আদি চিকাৰ কৰিছিল। তেওঁলোকৰ সংৰক্ষিত প্ৰাচীন ঢাল-অস্ত্ৰবোৰে প্ৰমাণ কৰে যে এসময়ত গোৱালপাৰা আৰু গাৰোপাহাৰৰ হাবিবোৰতো গঁড় পোৱা হৈছিল। চিকাৰত হাতী ধৰি বা মাৰি তাৰ মূল্যবান দাঁতেৰে—তিৰোতাবিলাকে কুকালত পিন্ধা সাতধাৰী মালা (কনুক বা লবক) তৈয়াৰ কৰি লৈছিল। চিকাৰ কৰা ক্ষেত্ৰতো পুৰুষবিলাকৰ লগত তিৰোতাবিলাকেও সমান অংশ গ্ৰহণ কৰিছিল। চিকাৰ কৰা ক্ষেত্ৰত প্ৰত্যেক ঘৰৰ মানুহ মতা-তিৰোতা উভয়ৰে বাধ্যতামূলক আছিল। চিকাৰলৈ যোৱা কোনো গৰ্ভৱতী তিৰোতাই চিকাৰৰ দুই ভাগ পাইছিল। এই প্ৰথা এতিয়াও চলি নথকা নহয়। ৰাভা তিৰোতাবিলাকে হাবিলৈ যাব ভয় নকৰে। তিৰোতাবিলাকেই হাবিলৈ গৈ নিজ ঘৰৰ বছৰেকৰ খৰি জমা ৰাখিব লাগিছিল। এতিয়াও এই প্ৰথা চলি আছে। যি তিৰোতাই বয়ন বিদ্যা নাজানে, সূতা কাটিব নাজানে আৰু ঘৰৰ বছৰেকৰ খৰি জমা ৰাখিব নোৱাৰে—সেই তিৰোতা সমাজত অকাজী বুলি পৰিগণিত হয় আৰু অবিবাহিত ছোৱালীবিলাক বিবাহৰ কন্যাৰূপে অনুপযুক্তা হয়।

( ৬৫ পৃষ্ঠাত চাওক )

৭. Batharis-I-Ghaybi—Vol. II. p. 532

অনূদিত গল্প

# ॥ হেণ্ডাৰৰ মুখৰ গৰুজনী ॥

লেখক : ৰাজা ৰাও

অনুবাদক : শ্ৰীগোবিন্দ প্ৰসাদ শৰ্মা

[ যিসকল ভাৰতীয় লেখকে ইংৰাজীকেই তেওঁলোকৰ সাহিত্য-সৃষ্টিৰ মাধ্যম হিচাপে গ্ৰহণ কৰি ভাৰতীয়-ইংৰাজী লেখক হিচাপে দেশ-বিদেশত সুখ্যাতি অৰ্জন কৰিছে, সেইসকলৰ ভিতৰত ৰাজা ৰাও অন্যতম। আত্মজীৱনীমূলক উপন্যাস 'ডা চাৰ্পেণ্ট্ এণ্ড্ ডা ৰোপ্' খনৰ বাবে তেওঁ ভাৰত চৰকাৰৰ সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। তেওঁৰ সমসাময়িক আৰু সমকক্ষ অন্য ভাৰতীয়-ইংৰাজী ঔপন্যাসিক মুল্কৰাজ আনন্দ, আৰ্, কে, নাৰায়ণ আৰু ভৱানী ভট্টাচাৰ্যৰ গল্প আৰু উপন্যাসতকৈ এওঁৰ গল্প-উপন্যাস এই কথাত বেলেগ যে এওঁৰ প্ৰায় প্ৰতিটো গল্প আৰু প্ৰতিখন উপন্যাসেই পৰীক্ষাধৰ্মী, কাব্যধৰ্মী, প্ৰতীকবাদী আৰু দাৰ্শনিক ভাবাপন্ন। ইয়াত অনূদিত গল্পটিতো ৰাজা ৰাওৰ পৰীক্ষাধৰ্মিতা, প্ৰতিকবাদিতা, কাব্যিকতা আৰু দাৰ্শনিক ভাবৰ পৰিচয় পোৱা যায়।

ৰাজা ৰাওৰ সাহিত্য-সৃষ্টি সংখ্যাত বৰ বেছি নহয়। এই পৰ্যন্ত তেওঁৰ মাথোন এটা গল্প-সংকলন ('ডা কাউ অব্ ডা বেৰিকেড্চ্', ১৯৪৭) আৰু তিনিখন উপন্যাস ('কণ্ঠপুৰ', ১৯৩৮; 'ডা চাৰ্পেণ্ট্ এণ্ড্ ডা ৰোপ্', ১৯৬০; 'ডা কেট্ এণ্ড্ ছেক্ছ্পীয়েৰ্', ১৯৬৫) প্ৰকাশিত হৈছে। কিন্তু সংখ্যাত তাকৰ হ'লেও ওজন সেইবোৰৰ অতি বেছি। ৰাওৱে তেওঁৰ মাতৃভাষা কানাড়াতো অৱশ্যে লিখে।

মহীশূৰ প্ৰদেশৰ এটা প্ৰাচীন ব্ৰাহ্মণ পৰিয়ালত ১৯০৯ খৃঃত এওঁৰ জন্ম হৈছিল। ১৯ বছৰ বয়সত তেওঁ ইউৰোপলৈ যায় আৰু তাত অধ্যয়ন কৰি মণ্ট্পেলিয়াৰ্ আৰু চ'ৰ্ব'ন্ বিশ্ববিদ্যালয়ত গৱেষণা কৰে। অৱশ্যে এই গৱেষণা তেওঁ সমাপ্ত নকৰিলে। এই সময়তে তেওঁ ফৰাচী আৰু ইংৰাজী ভাষাত গল্প লিখিবলৈ লয় আৰু ফ্ৰান্স্ আৰু ইংলেণ্ডত সুখ্যাতি অৰ্জন কৰে। ফ্ৰান্সত তেওঁ বহু বছৰ আছিল। সম্প্ৰতি তেওঁ আমেৰিকাত থাকিবলৈ লৈছে।—অনুবাদক ]

বেলি মাৰ যোৱাৰ আগে আগে প্ৰতি মঙলবাৰৰ বিয়লি তাই আহিছিল আৰু গুৰুদেৱৰ ঘৰৰ চুলিকেইডাল চেলেকি দিছিল। মানুহে বুলিছিল তাইক গৌৰী। গুৰুদেৱৰ ঘৰৰ চুলিকেইডাল যেতিয়া তাই চেলেকি দিয়ে তেতিয়া গুৰুদেৱে তাইৰ গাত মৰমেৰে হাত বুলাই দিয়ে আৰু সোধে, "তই কেনে আছ, গৌৰী ?" গৌৰীয়ে কিন্তু উত্তৰত তাইৰ ঠেংকেইখন মাথোন ভাঁজ খুৱাই দিয়ে, জিভাখন ভিতৰলৈ টানি লয় আৰু মূৰটো জোকাৰি গুৰুদেৱৰ চাৰিওফালে প্ৰদক্ষিণ কৰে; আৰু পিছত বনৰ মাজলৈ আঁতৰি গৈ নাইকিয়া হয়। তাৰ পিছৰ মঙলবাৰলৈ তাইক আৰু কাচিতো দেখা পোৱা নাযায়। গুৰুৰ শিষ্যসকলে তাইৰ বাবে প্ৰতি মঙলবাৰে তাইক দিবলৈ শস্য, ঘাঁহ, চাউল ধোৱা পানী আদি যতনাই থয়; তাই কিন্তু সেইবোৰ একোকে গ্ৰহণ নকৰে। গুৰুৱে নিজ হাতে দিয়া শস্যাখিনি মাথোন তাই খায়। তাই লাহে লাহে, সাৱধানে সেইখিনি চোবাবলৈ ধৰে, ঠিক যেনেকৈ সাধু-সন্তই মন্ত্ৰ উচ্চাৰণ কৰে। আৰু তাইৰ যেতিয়া খোৱা শেষ হয় তেতিয়া তাই আকৌ আঁঠু লয়, মূৰটো জোকাৰে আৰু অদৃশ্য হৈ যায়। তেতিয়া গুৰুৰ শিষ্যসকলে কয়, "এইটো এটি আচৰিত প্ৰাণী," আৰু তেওঁলোকে তাইক বিচাৰি যায় চহৰৰ বাটে-বাটে, কটন ষ্ট্ৰীটত, মেংগো ষ্ট্ৰীটত, গিনিং মিলত নাইবা তাঁতী বস্তিত। গৌৰীক কিন্তু ক'তো আৰু পোৱা নাযায়। ঈশ্বৰৰ নামত উছৰ্গা কৰি কোনোবাই এৰি দিয়া গৰু এজনীও তাই নহয়, কিয়নো কেতিয়াও তাইক কোনেও দোকানৰ বুট-মাহ অন্যায়কৈ খোৱা বা তেনে কোনো কাৰণত খোৰঁৰত পৰা দেখা নাই। মানুহে কৈছিল, "একমাত্ৰ গুৰুদেৱৰ ওচৰলৈহে এনে আচৰিত অতিথি আহিব পাৰে," আৰু তেওঁলোকে গুৰুদেৱৰ ওচৰলৈ আহিছিল আৰু কৈছিল, "এই গৰু জনীনো কোন, আপুনি আমাক কবনে ?" গুৰুদেৱে তেওঁৰ অপাৰ প্ৰেমেৰে অথচ ধেমালিৰ সুৰতে কৈছিল, "সেই গৰাকী মোৰ লাঠীধাৰী শাহু আই। অৱশ্যে তেওঁ তোমালোকৰ মাৰাও হব পাৰে। সম্ভৱতঃ তেওঁ আমাৰ সকলোৰে মহতী মাতৃৰ বাহন।" শিষ্যসকলে মাকৰ দৰেই গৰুজনীৰ কপালত কুমকুম সেন্দুৰ সানি দিছিল আৰু তাৰ পিছৰ মঙলবাৰলৈ তাইৰ আগমনৰ বাবে বাট চাইছিল।

মানুহে অ'ত ত'ত কথাটো শুনিছিল আৰু তেওঁলোকে খাদ্য-শস্য, ঘাঁহ-খেৰ, সেন্দুৰ-পানী লৈ আহিছিল আৰু কৈছিল, "আমাৰ ওচৰলৈ এগৰাকী আচৰিত অতিথি আহিছে; তেওঁক আমি সন্মান দেখুৱাওঁহক।" সাওদ-সকল আহিছিল আৰু তাইৰ ভৰিত পৰি কৈছিল, "এৱেঁই লক্ষ্মীদেৱী আৰু এওঁৰ আগমনে আমাক আৰু বেছি ধনৰ অধিকাৰী কৰিব।" ছাত্ৰবিলাক আহিছিল, তাইৰ চৰণ স্পৰ্শ কৰিছিল, নেজডাল চুইছিল আৰু কৈছিল, "আমাক এইবাৰৰ পৰীক্ষাটো পাছ কৰি দিয়া।" কুমাৰী ছোৱালীবিলাক স্বামী-লাভৰ বাবে তাইৰ ওচৰত প্ৰাৰ্থনা কৰিছিল, বিধবাবোৰে ধৰ্ম ৰক্ষা কৰিবৰ ক্ষমতাৰ বাবে তাইৰ ওচৰত শক্তি কামনা কৰিছিল আৰু নিঃসন্তানা নাৰীয়ে সন্তান লাভৰ বাবে তাইৰ পৰা বিচাৰিছিল বৰ। এনেকৈয়ে প্ৰতি মঙলবাৰে গুৰুদেৱৰ আশ্ৰমত বিভিন্ন শ্ৰেণীৰ লোকৰ সমাগম হৈছিল। কিন্তু গৌৰীয়ে তেওঁলোকৰ আগত ওলাইছিল সতী তিৰোতা পুৰুষৰ মাজত ওলোৱা দি। তেওঁলোকৰ মাজত দেখা দি তাই পোনে পোনে গুৰুদেৱৰ ওচৰলৈ গৈছিল, তেওঁৰ চুলিবোৰ চেলেকি দিছিল আৰু তাৰ পিছতেই উভতি গৈ বনৰ মাজত নাইকিয়া হৈছিল। দান কৰা বস্তবোৰ ঘূৰাই নিব নোৱাৰি মানুহে সেইবোৰ নদীত অৰ্পণ কৰিছিল আৰু মাছবোৰে কোনো পৰ্ব দিনত সেইবোৰ জঁপিয়াই উঠি উঠি খোৱা দি খাইছিল আৰু গভীৰ পানীৰ চাকনৈয়াৰ পৰা ঘৰিয়ালটো পলাই গৈছিল। কিন্তু তাৰ পিছত এদিন এটি ফৰকাল ৰাতিপুৱা গুৰুদেৱে সাৰ

( ৬৩ পৃষ্ঠাৰ পিছৰ পৰা )

ৰাভা জাতিৰ মাজত লুপ্তপ্ৰায় অৱস্থাত সিঁচৰতি হৈ পৰি থকা লৌকিক সাধু আৰু কাহিনী গীতবোৰ এতিয়াও বিদ্যমান। কাহিনী গীতবোৰ সাত ৰাতি সাত দিন ধৰি একেলানিয়ে গালেও ওৰ নপৰে। এই গীত গাব পৰা বুঢ়াবুঢ়ী এতিয়াও আছে। ৰাভা জাতিৰ প্ৰাচীন কৃষ্টি-সভ্যতা আৰু আঁতি গুৰি জানিবৰৈ হ'লে এইবোৰৰ সম্যক গৱেষণাৰ নিতান্তই প্ৰয়োজন। পাশ্চাত্য চাহাবসকলে ৰাভা জাতিৰ বিষয়ে অ'ত ত'ত কিছু কথা লিপিবদ্ধ কৰি গৈছে যদিও সেইবোৰেই যথেষ্ট নহয়। এই লৌকিক সাধুকথা আৰু কাহিনী গীতবোৰেই ৰাভা জাতিৰ প্ৰাণস্বৰূপ আৰু অতীতৰ দাপোণ। এইবোৰৰ সংগ্ৰহ আৰু গৱেষণা হলেহে প্ৰাচীন ৰাভাজাতিৰ ভাষা-কৃষ্টি-সভ্যতা, গৌৰৱময় বীৰত্বৰ ইতিহাস আৰু ব্যৱহাৰিক অস্ত্ৰশস্ত্ৰবোৰৰ বিষয়ে সম্যক্ জানিব পৰা যাব।

শাই উঠি শুনিলে, তেওঁৰ শেতেলিৰ তলত এন্দুৰ আৰু সাপৰ খেলাৰ শব্দ; কিয়নো অন্বেষণকাৰীৰ যেতিয়া অন্বেষণৰ অন্ত পৰে, শিয়াল আৰু পহু, এন্দুৰ আৰু সাপৰ মাজতো তেতিয়া মিতিৰালি হয়। গৌৰী আছিল নিশ্চয় পৰজন্মত এক ঋষি হৈ জন্মিবলৈ ইহ জনমত পথৰ সন্ধান কৰা এটি আগ্ৰহান্বিত আত্মা, সেয়েহে তাই এনে সত্য দৰ্শিনী, এনে দয়াৱতী।

পৃথিৱীত মাথোন আৰু এজন মানুহ আছিল, যাৰ চুলিও গৌৰীয়ে চেলেকি দিছিল—আৰু তেৱেঁই আছিল মহাত্মা,—সবাক আৰু নিৰ্বাক সকলো প্ৰাণীকে সমানে ভাল পোৱা সেই মহাত্মা।

এই সময়ছোৱাতেই মহাত্মাৰ অনুগামীসকলে দেশত ৰঙা চাহাবৰ চৰকাৰৰ বিপক্ষে যুদ্ধ দি আছিল। মহাত্মাই কৈছিল, "তেওঁলোকৰ বস্ত্ৰ নিকিনিবা।" আৰু মানুহে তেওঁলোকৰ বস্ত্ৰবোৰ কিনিবলৈ এৰি দিছিল। মহাত্মাই কৈছিল, "তেওঁলোকৰ তলত চাকৰি নকৰিবা।" আৰু মানুহে তেনে চাকৰি ত্যাগ কৰিছিল। মহাত্মাই কৈছিল, "তেওঁলোকক কৰ নিদিবা।" আৰু মানুহে কৰ দিবলৈকো এৰি দিছিল। এনেকৈয়েই মানুহ এক গোট হৈছিল। তেওঁলোকে কাপোৰৰ মেজি কৰি তাত জুই দিছিল আৰু সমদল বাহিৰ কৰিছিল। বহুতো আহত হৈছিল, নিহত হৈছিল, জেললৈ গৈছিল। তথাপি মানুহে কৰ আৰু নোশোধায় বা বিদেশী বস্ত্ৰ পৰিধান নকৰে। তেতিয়া মহানগৰবোৰৰ পৰা সৈন্যবোৰ আহিবলৈ ধৰিলে—বিৰাট বিৰাট আকাৰৰ, ডাঢ়ি-গোফ থকা ৰাইফলধাৰী সৈন্য। সিহঁতে কিছুমানক আদেশ দিলে, "বেলি মাৰ যোৱাৰ আগতে তহঁত বাহিৰলৈ ওলাব নোৱাৰ।" অন্য কিছুমানক কলে, "তহঁতে চাইকেলত উঠিব নোৱাৰ"; অন্য কিছুমানক আকৌ কলে, "এই জিলাৰ পৰা তহঁত অন্য জিলালৈ যাব নোৱাৰ।" ল'ৰা-ছোৱালী-বিলাকে তেওঁলোক যে নম্ৰ তাকে বুজাবলৈ তেতিয়া নীলা কাকত লোৱা কৰিলে, কিছু উগ্ৰ বুজাবলৈ নীলা-ৰঙৰ কাকত লবলৈ ধৰিলে আৰু একেবাৰে উগ্ৰ বুজাবলৈ লোৱা কৰিলে ৰঙা কাকত। নাৰী মন্দিৰলৈ বা বিবাহাদি অনুষ্ঠানলৈ যাব নোৱাৰা হ'ল; পুৰুষ প্ৰাতঃকৃত্যৰ বাবেও যাব নোৱাৰা হ'ল নদীৰ পাৰলৈ। জীৱন দুৰ্বহ হ'ল আৰু মানুহে হা-হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। তথাপি ৰঙা চাহাবৰ চৰকাৰে দেশ শাসন কৰিবই, মানুহৰ পৰা যিমান পাৰে কৰ আদায় কৰিবই—তাৰ পৰিণতি সিপিনে যিয়েই নহওক।

তেতিয়া কল-কাৰখানাত কাম কৰা মুনিহবোৰে কলে, "ভাইহঁত, আমি তোমালোকৰ লগত আছোঁ," আৰু তিৰোতাবিলাকে কলে, "ভনীহঁত, আমি তোমালোকৰ লগত আছোঁ।" এনেকৈ গোটেই চহৰখনেই এখন ৰণথলী হৈ পৰাৰ উপক্ৰম হ'ল। যেতিয়া সৈন্যবোৰ চহৰৰ আলিয়েদি যায় গৈ, কলত কাম কৰা মানুহবোৰে সেই আলিত তেতিয়া হেঙাৰৰ পিছত হেঙাৰৰ সৃষ্টি কৰে। শিলগুটি আৰু বাঁহেৰে, চালপীৰাৰে আৰু গাড়ীৰে, উৰলেৰে আৰু পাচি-খৰাহিৰে সিহঁতে হেঙাৰ নিৰ্মাণ কৰিছিল, যাতে সৈন্যৰ দল আগুৱাই যাব নোৱাৰে। তেতিয়া গুৰুদেৱ আহিল আৰু কলে, "মহাত্মাৰ দোহাই দি কৈছোঁ, তেনেকৈ হেঙাৰ নিদিবা; কাৰণ তাৰ পৰা ৰক্তপাত হব।" কিন্তু কাম কৰা মানুহবিলাকে কলে, "তোমাক ভালপাওঁ তোমাক ভালপাওঁ এই ধৰণৰ কোমল কথাৰে চৰকাৰৰ কঠোৰ অন্তৰ আপুনি গলাব নোৱাৰে।" তেওঁলোকে হেঙাৰৰ পিছত হেঙাৰ নিৰ্মাণ কৰি যাবলৈ ধৰিলে আৰু সেই-বোৰৰ কাষে কাষে সিহঁত নিজে ৰৈ থাকিল। এনেকৈয়েই চহৰখনৰ গৰাকী সিহঁত নিজেই হৈ ৰহিল।

কিন্তু ৰঙা চাহাবৰ চৰকাৰো মূৰ্খৰ চৰকাৰ নাছিল। এই চৰকাৰে পেছোৱাৰ আৰু পিণ্ডিৰ পৰা মানুহ অনালে, নগৰখনৰ য'তবোৰ দুৱাৰ সেইবোৰত বৰ বৰ গাড়ী থিয় কৰালে, তাৰ সোঁৱে-বাঁওৱে বন্দুক ৰখালে, আৰু সেইবোৰৰ কাষে কাষে থিয় হ'ল সৈন্য-বোৰ—যাতে চহৰখন ইয়াৰ মানুহবিলাকৰ হাতলৈ নাযায়। ফলাফল যিয়েই নহওক, ৰঙা চাহাবৰ চৰকাৰে দেশ শাসন কৰিবই।



ইপিনে যদিও গৌৰীৰ নীলা কাকতো নাছিল আৰু ৰঙা কাকতো নাছিল, তথাপি তাই এসময়ত প্ৰতি গধূলিয়েই গুৰুদেৱৰ ওচৰলৈ অহা কৰিলে। তাইক এতিয়া বৰ বিষণ্ণ দেখা গৈছিল; মানুহে আনকি তাইৰ চকুত চকুলোও দেখা পাইছিল—অসীম দয়াৰ মূৰ্তি আৰু সত্যপৰায়ণা তাইৰ চকুৰপৰা বাগৰি অহা গংগাৰ নিৰ্মল জলৰ দৰে ফটফটিয়া চকুলো।

মানুহ সন্ত্ৰস্ত হৈছিল। দূৰৰ পথাৰলৈ তেওঁলোকে ল'ৰা-ছোৱালীবোৰ আঁতৰাই নিছিল আৰু গছৰ তলত তেওঁলোকে বাস কৰি ৰক্ষা-বঢ়া কৰিছিল। কাৰণ চৰকাৰী সৈন্যই চহৰখন দখল কৰিব আৰু তেতিয়া কোনো শিশু বা নাৰীৰেই আৰু ৰক্ষা নাই। ঘৰ-দুৱাৰ বন্ধ কৰি ৰখা হৈছিল আৰু কানি-কাপোৰ, সাজ-বাচন, আ-অলঙ্কাৰ লুকাই ৰখা হৈছিল। মাথোন মতা মানুহবিলাকে আৰু কাম কৰা মানুহবোৰে চহৰখন ৰক্ষা কৰি আছিল। গুৰুদেৱ আছিল সেই আটাইবিলাক মানুহৰ ওপৰত আৰু মানুহবিলাকে বুলিছিল তেওঁক সভাপতি। চহৰৰ বাটত খদ্দৰ আৰু গান্ধী-টুপী পিন্ধা ডেকা ল'ৰাবিলাকে পহৰা দিছিল; আৰু যেতিয়া তেওঁলোকে দুৱাৰৰ ফাঁকেদি বুঢ়া বা নিৰ্ব্বলী লোকে ভুমুকি মাৰি বাহিৰলৈ চোৱা দেখিছিল, তেতিয়া তেওঁলোকক মাত দিছিল, তেওঁলোকৰ লগত কথা পাতিছিল আৰু পথাৰৰ ছাউনিলৈ তেওঁলোকক আগ বঢ়াই নিছিল। কিয়নো গুৰুদেৱে কৈছিল, এয়া বিপদৰ সময় আৰু এনে সময়ত চহৰখনত অকল ডেকাবিলাক আৰু সবল লোকবিলাকহে থকা উচিত। মানুহৰ চোতালত দুবৰিবন গজিছিল; আৰু ইপিনে ৰঙা চাহাবৰ সৈন্যৰ দল চহৰখনলৈ আহিছিলহে আহিছিল। আলিবাটৰ ওপৰত সৃষ্টি কৰা হৈছিল হেঙাৰৰ পিছত হেঙাৰ, যেন এক মহামাৰীৰ পিছত আলিৰ ওপৰত পৰি থকা সেইবোৰ অগণন মৃতদেহৰ দৰেহে। কিন্তু আটাইতকৈ ডাঙৰ আকাৰৰ হেঙাৰ সৃষ্টি কৰা হৈছিল সূৰ্যনাৰায়ণ ষ্ট্ৰীটত। এখন ৰথৰ সমান ডাঙৰ আছিল এই হেঙাৰ।

ইয়াৰ আঁৰত মানুহবিলাক লুকাই যুদ্ধখনলৈ অপেক্ষা কৰিছিল। কিন্তু গুৰুদেৱে কৈছিল, "ওহোঁ, যুদ্ধ হব নোৱাৰে, মোৰ ভাইহঁত।" কিন্তু মানুহবিলাকে কৈছিল, "তোমাক ভালপাওঁ, তোমাক ভালপাওঁ, ধৰণৰ কথাৰে এই চৰকাৰৰ কঠোৰ অন্তৰ আপুনি গলাব নোৱাৰে।" এই মানুহবিলাক কোৰ-কুঠাৰ, বাওঁকা-হুলামাৰি, দা-কাটি আদি লৈ ওলাই আহিছিল। দুই এজনে আন কি চৰকাৰী ঘৰ-ঘৰৰ পৰা চুৰ কৰা ৰাইফলো আনিছিল। এনেকৈ গঠিত হোৱা এটি নিয়মিত ৰঙা চাহাবৰ সৈন্যদলৰ লগত যুঁজ দিবলৈ ৰৈ আছিল। গুৰুদেৱে তেওঁলোকক ইটো সিটো কথাৰে বুজনি দিছিল। কিন্তু তেওঁলোকে উত্তৰ দিছিল, "আমি ৰণ কৰিমেই।" গতিকে তেওঁলোকে ৰণ কৰিবই। হতাশ হৈ গুৰুদেৱে কৈছিল, "মই সভাপতিৰ বাব ত্যাগ কৰিলোঁ।" তাৰ পিছত তেওঁ গুচি গৈছিল আৰু ধ্যানত বহিছিল। ধ্যানৰ সহায়ত তেওঁ অন্তৰ্দ্ধান হৈ গৈছিল সেইখন জগতলৈ, য'ৰ পৰা আহে পোহৰ আৰু প্ৰেম—পোহৰ আৰু প্ৰেম, যিয়ে চহৰখনক এতিয়া ৰক্ষা কৰিব পাৰে। মানুহে যেতিয়া যুদ্ধৰ কথা শুনিছিল তেতিয়া ৰণ দিবলৈ ওলোৱা এই মানুহ-বিলাকক থং কৰিছিল। কিন্তু তথাপি তেওঁলোকে জানিছিল, এই মানুহবিলাকে ভুল কৰা নাই; আৰু ইফালে গুৰুদেৱেও ভুল কৰা নাই। গতিকে তেওঁলোকে নাজানিছিল কোনটো শুদ্ধ পন্থা। অৱশেষত দিনদুপৰতে এদিন ফেঁচা আকাশত উৰিলে; আৰু যেতিয়া গধূলি হ'ল তেতিয়া সমস্ত আকাশৰ তৰা একেবাৰে তললৈ নামি আহিল। মানুহে তেতিয়া বুজিলে, সেই নিশাই সেই ৰণখন হ'ব।

কিন্তু সকালে তেতিয়া শূন্য বাটে-পথে গাইজনীক বিচাৰিছিল আৰু সুধিছিল, "তাই ক'ত, সেই গৌৰী?"

সেই নিশাই ৰাতি দহ বজাত যুদ্ধৰ ৰথৰ চকাৰ শব্দ শুনা গৈছিল—আৰু কামান, বেয়নেট আৰু তৰোৱালৰ আক্ৰমণ আৰম্ভ হৈছিল।

তাৰ পিছত যি ঘটিছিল, সেই কথা আজিলৈকে মানুহৰ মনত আছে। সেই আক্ৰমণৰ ঠাইতেই ওলাইছিলহি গৌৰী। অ'ইল লেনৰ পৰা দীঘল দীঘল খোজ দি আহি, কঁহাৰ চিনায়াৰ ঘৰৰ কাষেদি সূৰ্য-নাৰায়ণ ষ্ট্ৰীটৰ পিনে ঘূৰি, তাতে ওলাইছিলহি গৌৰী—তাইৰ মূৰ সামান্য অৱনত, তাইৰ কাণ বেণীৰ দৰে পিছলৈ ওলোমোৱা, আৰু তাইৰ খোজ ফুল আৰু ফলৰ গধুৰ বোজা লৈ দেৱীক উপাসনা কৰিবলৈ যোৱা লোকৰ দৰে অস্থিৰ। তাইৰ খোজ ক্ৰমে ক্ৰমে খৰ হৈছিল, আৰু যিয়েই তাইক দেখা পাইছিল সিয়েই তাইৰ পিছ লৈছিল। এনে দৰেই দলে দলে মানুহ তাইৰ পিছত গোট খাইছিল; আৰু জোৰ আৰু চাকি হাতত লৈ সমদল বান্ধি তেওঁলোক ব্ৰাহ্মণ ষ্ট্ৰীট আৰু কটন ষ্ট্ৰীটেৰে আগবাঢ়ি বেংকটলক্ষ্মা নাদটোও পাৰ হৈ গৈছিল। যিমানেই তাই হেঙাৰবোৰৰ ওচৰ চাপিছিল সিমানেই তাইৰ খোজ খৰ হৈছিল, যদিও তাই কেতিয়াও লৰি যোৱা নাছিল। মানুহে কোৱাকুই কৰিছিল, "তাই আমাক ৰক্ষা কৰিব—এই বিষয়ে কোনো চিন্তা নাই—তাই আমাক ৰক্ষা কৰিব।" মানুহে ঘণ্টা বজাবলৈ ধৰিছিল, ধূপ-ধুনা জ্বলাই দিছিল, আৰু তাইৰ চৰণত ভাঙিছিল নাৰিকল। তাই কিন্তু ভয় খোৱা নাছিল, এবাৰলৈকেও মূৰটোও জোকৰা নাছিল। তাই মাথোন আগুৱাই গৈ আছিল। ইপিনে হেঙাৰৰ আঁৰে আঁৰে ৰৈ থকা মানুহবোৰৰ এই কথাত খং উঠিছিল। তেওঁলোকে কৈছিল, "সিহঁতে নিজে আমাক সহায় কৰিবলৈ অহাৰ সলনি গাইজনীকহে পঠিয়াইছে।" কিছুমানৰ এই কথাত যেনেকৈ খং উঠিছিল, আন কিছুমানে আকৌ এই কথাত হাঁহিছিল। এজনে কৈ উঠিছিল, "আমি গাইজনীক গুলী কৰিম। কিয়নো যদিহে সেই মানুহৰ জুমটো ইয়াত এনেকৈ ৰৈ থাকে আৰু ইতিমধ্যে সিপিনৰ পৰা ৰঙা চাহাবৰ মানুহবোৰ ইয়াতে ওলাবহি, তেন্তে এটা ভয়াবহ কাণ্ড ঘটি যাব।" কিন্তু তেওঁলোকে গুলী কৰিবলৈ ভয় কৰিছিল, কিয়নো মানুহৰ জুমটোৱে ধ্বনি তুলিছিল, "বন্দে মাতৰম," আৰু তেওঁলোকৰ আটাইবিলাক আছিল শংকাহীন আৰু আধ্যাত্মিকভাৱে উত্তেজিত। গৌৰীয়ে হেঙাৰবোৰতেই দৃষ্টি নিক্ষেপ কৰি আগুৱাই গৈ আছিল। তাই মন্দিৰৰ এলেকা পোৱাৰ লগে লগে হেঙাৰৰ আঁৰৰ মানুহবিলাকে তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ ত্যাগ কৰিলে। যেতিয়া তাই তুলসী নাদটো পালে, তেতিয়া তেওঁলোকে তাইলৈ চাই হাতযোৰ কৰিলে; আৰু যেতিয়া তাই এখন হেঙাৰৰ নামনিত থিয় হ'ল, মানুহবিলাক তাইৰ চৰণত দীঘল দি পৰিল আৰু মনতে সুধিলে, "তুমি কোন, আই?" মানুহবিলাক দুটা শাৰীত বিভক্ত হ'ল আৰু তাৰ মাজেদি গৌৰী আগ বাঢ়ি আহিল। তাই আগৰ ঠেঙৰ বাঁও আঠুটো প্ৰথমতে আগ বঢ়াই দিলে, আৰু পিছত দিলে পিছপিনৰ সোঁভৰিখন। এনেকৈ এবাৰ এটা বালিৰ থৈলাত ভৰি দি, পিছৰ বাৰ এখন গাড়ীত ভৰি দিলত, তৃতীয় খোজত মানুহে যেতিয়া তাইক ঠেলি হেঙাৰখন ওপৰলৈ উঠি যোৱাত সহায় কৰি দিলে, তাই উঠি গ'ল হেঙাৰখনৰ একেবাৰে ওপৰলৈ। লগে লগে সান্ধ্য আৰতিৰ সময়ত মানুহৰ মাজত হোৱা গুণগুণনিৰ দৰে এটি ডাঙৰ গুণগুণনি উঠিল। আনফালে ৰঙা চাহাবৰ সৈন্যদলে হেঙাৰৰ সিপিনৰ পৰা চিঞৰি উঠিল, "আঃ! এইটো কি? আঃ! এইটো কি?" সিহঁতে ভাবিলে, হেঙাৰৰ ওপৰত সেইখন সন্ধিৰ পতাকা আৰু তাকে ভাবি সিহঁত হেঙাৰৰ ওচৰলৈ লৰি আহিল। কিন্তু যেতিয়া সিহঁতে সেইজনী এজনী গৰুহে বুলি বুজিব পাৰিলে, আৰু গৰুজনীৰ চকুত দেখিলে এটি বিশেষ চাৱনি আৰু তাইৰ চকুৰ পৰা বাগৰি অহা দেখা পালে গংগাৰ জলৰ দৰে নিৰ্মল ফটফটীয়া এটুপি চকুলো, তেতিয়া সিহঁতেও আনকি চিঞৰি উঠিল, "মহা-



ত্মাৰ জয়, মহাত্মাৰ জয়।" লগে লগে সিহঁতেও হেঙাৰৰ ইপিনৰ জনতাৰ লগত এক হৈ পৰিল। কিন্তু সিহঁতৰ প্ৰধানজন আছিল এজন ৰঙা চাহাব। সি এই ঘটনাটো দেখা পায়েই গুলী কৰিলে। গুলীটো হেঙাৰৰ ওপৰত থিয় হৈ থকা গৌৰীৰ মূৰত লাগিল গৈ, আৰু তাই সেই সাধাৰণ মানুহবিলাকৰ মাজত ঈশ্বৰেই বাহন হিচাপে বাগৰি পৰিল।

কিন্তু মানুহে কয়, তাইৰ তথাপি মূৰৰ পৰা তেজ ওলোৱা নাছিল। তেজ মাথোন ওলাইছিল তাইৰ আগ ঠেং দুখনৰ মাজৰ পৰা—তাইৰ বুকুৰ কলিজাৰ পৰা।

আমাৰ মাজলৈ এতিয়া শান্তি ঘূৰি আহিছে। শেঠ যমনালাল বাৰক চাঁদে সেই হেঙাৰখনৰ দুয়োপিনে দুটি ঘৰ কিনিছে আৰু ইটো ঘৰৰ পৰা সিটো ঘৰলৈ এটি উপপথ সাজিছে আৰু সেই উপপথৰ মাজ ভাগতে নিৰ্মাণ কৰি দিছে গৌৰীৰ এটি ধাতুৰ মূৰ্ত্তি। আমাৰ গৌৰী এই মূৰ্ত্তিটোৰ সমান ওখ নাছিল, নাইবা তাই তেনে ধুনীয়াও নাছিল—কিয়নো তাইৰ আছিল ঠিক এটি মানুহৰ দৰে চাৱনি। কিন্তু আমি সকলোৱে এইটো-কেই দান কৰোঁ ফুল, মৌ আৰু মিঠাই, আৰু দান কৰোঁ বসন্ত ঋতুৰ প্ৰথম সেউজীয়া ঘাঁহ। আমাৰ ল'ৰা-ছোৱালীবিলাকে মূৰ্ত্তিটোৰ চাৰিওফালৰ ৰেলিঙত উঠি জঁপিয়ায়, মূৰ্ত্তিটোৰ ঠেঙৰ মাজত সোমাই খেলে, ইয়াৰ বুকুত যিটো বিন্ধা কৰি দিয়া হৈছে তাতে মুখ দি চিঞৰি চিঞৰি সিহঁতে বিং ৰিঙীয়া প্ৰতিধ্বনি তোলে। আৰু গৌৰীৰ মৃত্যুৰ পিছৰে পৰা আমাৰ মন্ত্ৰীসকলৰ যি সুদিন আহিল তেনে সুদিন আৰু আগতে কেতিয়াও সিহঁতৰ অহা নাছিল। কিয়নো, তেতিয়াৰে পৰা আমাৰ ল'ৰা-ছোৱালীহঁতে আৰু কেতিয়াও খেলাৰ বলধ নিবিচাৰে—সিহঁতে বিচাৰে খেলাৰ গৌৰী। তেতিয়াৰ পৰা আজিলৈকে ৰেল ষ্টেচনৰ ফেৰীৱালাহঁতে চিঞৰে এই বুলি, "গোৰখপুৰী গৌৰী! পালিচ কৰা, বাৰ্নিচ কৰা আৰু চানি চকীয়া!" দূৰ হিমালয়ৰ পৰা দক্ষিণৰ সমুদ্ৰলৈকে আজিও অগণন ল'ৰা-ছোৱালীয়ে হিন্দুস্থানৰ ধূলিময় বাটে-পথে এনে গৌৰীবোৰ টানি লৈ ফুৰায়।

আজিও যেতিয়া আমি মন্দিৰৰ মণিকূটত সন্ধ্যাৰ বন্তি জ্বলাওঁ, তেতিয়া আমি মনে মনে সোধোঁ, "তাই কেনি গ'ল,—গৌৰী?" মাথোন গুৰুদেৱেহে জানে, তাই এতিয়া ক'ত। আৰু তেও কয়, "গৌৰী এতিয়া স্বৰ্গত জন্মৰ বাবে অপেক্ষা কৰি আছে। স্বাধীন হোৱাৰ আগতে ভাৰত মাতা যেতিয়া আকৌ দুখত পৰিব, তেতিয়া তাই আকৌ জন্ম গ্ৰহণ কৰিব।"

সেয়েহে কোৱা হয়, 'ৰাজনীতিত মহাত্মাৰ সদায় ভুল হব পাৰে; কিন্তু সবাক, নিৰ্বাক সকলো প্ৰাণীৰেই প্ৰতি প্ৰেমৰ কথা যেতিয়া তেওঁ কয়, তেতিয়া তেওঁ সদায় শুদ্ধ।'

# এৰাবোটলা যৎকিঞ্চিৎ

অধ্যাপক **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা**

## ‘চিৰচেনেহী মোৰ ভাষা-জননী’

শ্ৰীঅন্নদাশংকৰ ৰায়ে লিখিছে—

(৩৮) অসমীয়াবিলাকে এনে কথা কোনো দিনে কোৱা নাই যে বঙালীবিলাকে অসমক শোষণ কৰিছে বা অসমৰ অৰ্থ বাহিৰলৈ চালান দিছে। অসমৰ বঙালী-বিলাক জমিদাৰ, মহাজন বা ধনিকশ্ৰেণীৰ মানুহ নহয়। মধ্যবিত্তবিলাক সাধাৰণতে উকিল, ডাক্তৰ বা সাধাৰণ চৰ্কাৰী কৰ্মচাৰী। এওঁলোক শোষকো নহয়, শাসকো নহয়, প্ৰতিদ্বন্দী। কিন্তু প্ৰতিদ্বন্দিতাৰ যুগতো কেতিয়াবাই শেষ হৈ গৈছে। বঙালীবিলাকৰ সংখ্যাধিক্য বৰ্তমানে কেৱল ভাৰত চৰ্কাৰৰ কেইটামান বিভাগত আৰু পাব্লিক ছেক্টৰ’ত। তাৰ পৰা তেওঁলোক যদি আঁতৰি যায় তেওঁলোকৰ স্থান পূৰণ কৰিবলৈ পঠোৱা হব পঞ্জাবী, দক্ষিণী বা হিন্দীভাষীক। পঠিয়াব দিল্লীয়ে।

আমাৰ মন্তব্য : ওপৰৰ কথাখিনি আংশিক ভাবেহে সঁচা হব পাৰে। ৰায়ে ভবামতে বঙালীবিলাকৰ অৱস্থা ইমান শোচনীয় নহয়। ভাৰতৰ ৰজাঘৰতে হওক বা প্ৰজাঘৰতে হওক এতিয়াও সকলো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰভাৱ-প্ৰতিপত্তি বিস্তৰ। অসমত চাকৰিয়ে-বাকৰিয়ে তেওঁলোক আজিও দলে-বলে নপতা ফুকন। তাৰ পৰা তেওঁলোক আঁতৰি যোৱাৰ সলনি নেওৰ পাৰি বহাৰহে লক্ষণ দেখা গৈছে।

(৩৯) বিশ্ববিদ্যালয়ত ইংৰাজী মাধ্যম থকাৰ কাৰণেহে অসমীয়াবিলাকে প্ৰতিযোগিতাত জিকি কিছু অংশ (চাকৰিৰ) লাভ কৰিব পাৰিছে। বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী মাধ্যম উঠি গলে তেওঁলোকে সেই অংশও হেৰুৱাব। তেতিয়া বোধকৰোঁ ককালত টঙালি বান্ধি হিন্দী শিকা আৰম্ভ হব। কিন্তু হিন্দী শিকি হিন্দীভাষীৰ লগত প্ৰতিযোগিতাত জিকা আৰু কঠিন হব।

আমাৰ মন্তব্য : এইখিনি দকৈ টলকি চাব লগীয়া কথা। একে উশাহতে সিদ্ধান্ত দিয়াটো টান।

(৪০) অসমীয়া সাহিত্যৰ বিকাশময়ো কামনা কৰোঁ কিন্তু তাৰ লগতে ইয়াকো কামনা নকৰি নোৱাৰোঁ যে অসমীয়াবিলাকে সদৌ ভাৰতীয় প্ৰতিযোগিতাত জিকি তেওঁলোকৰ প্ৰাপ্য আসন লাভ কৰক। অসম চৰ্কাৰৰ সামান্য কেইটামান চাকৰিৰ বাবে ইমান উত্তেজনা কিয় ? বঙালীবিলাককো অসম চৰ্কাৰৰ চাকৰিৰ বাবে ইমান উদ্বিগ্ন নহবলৈ মই কওঁ। ইংৰাজী মাধ্যমত পঢ়াশুনা কৰি ইংৰাজীটো ভালকৈ শিকি লৈ তেওঁলোক বৃহত্তৰ কৰ্মক্ষেত্ৰত প্ৰতিযোগী হওক।

আমাৰ মন্তব্য : বিশেষ নাই।

(৪১) চাকৰি-বাকৰিৰ বাবে প্ৰতিযোগিতা বাদ দিলে এনে কোনো গভীৰতৰ কাৰণ মই দেখা পোৱা নাই



যিহৰ কাৰণে অসমীয়া-বঙালীৰ জাতিবৈৰিতা বদ্ধমূল হব পাৰে।

আমাৰ মন্তব্য :—চাকৰি-বাকৰিৰ লগতে বঙালী-বিলাকৰ উপনিবেশবাদী মনোবৃত্তিও উলাই কৰিব পৰা বিধৰ নহয়।

(৪২) অসমীয়াবিলাকে যেতিয়া বঙালবৈৰী লাচিত ফুকনৰ কথা কয় তেতিয়া তেওঁলোকৰ মনত এনেভাব নেখেলায় যে তেওঁলোকৰ সেনাপতি বঙালীৰ শত্ৰু আছিল। সেইটো নহয়, তেওঁ আছিল মুছলিম আক্ৰমণকাৰীৰ শত্ৰু। অসমীয়া ভাষাত ‘বঙাল’ মানে ‘বিদেশী’। ইংৰাজবিলাক আছিল ‘ব’গা বঙাল’ অৰ্থাৎ বগা বৰণৰ বিদেশী। আমি ‘ক’লা বঙাল’। ক’লা বঙালবিলাকৰ ভিতৰত পৰে মিৰজুমলা প্ৰভৃতি বিদেশী মুছলমান। বিদেশী হিন্দুও তেওঁলোকৰ মাজত আছে। মাৰোৱাৰীবিলাকো বঙাল, উৰিয়াবিলাকো বঙাল, নেপালীবিলাকো বঙাল। এইটো সঁচা বঙালীবিলাকো ‘বঙাল’ : কাৰণ এওঁলোকো বিদেশী। ইতিমধ্যে ভাৰত চেতনা বৃদ্ধি হোৱাত এওঁলোকক আৰু বিদেশী বা বঙাল বোলা নহয় : বোলা হয় ‘বহিৰাগত’। তথাপি মাজে মাজে বহিৰাগতবিলাকক খেদাৰ ‘খেয়াল’ জাগি উঠে। তেতিয়া তাক বোলা হয় ‘বঙাল খেদা’। কেৱল বঙালীয়েই নহয়, মাৰোৱাৰীয়েও ইয়াৰ ফল ভোগ কৰে। বছৰচেৰেক পূৰ্বে যিটো গোলমাল হৈছিল সেইটো আছিল পশ্চিমবিৰোধী। তদন্তৰ ভাৰ পৰিছিল বঙালী জজৰ ওপৰত।

আমাৰ মন্তব্য : এই সম্পৰ্কত তাহানি কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াই লিখা ‘অসমত বঙাল খেদা আন্দোলন” শীৰ্ষক প্ৰবন্ধটো পঠিতব্য।

(৪৩) চাৰি বছৰ আগতে মোৰ এজন বিশিষ্ট অসমীয়া বন্ধুৱে মোক কৈছিল—“চাওক, দৰাচলতে এই দেশখন ট্ৰাইবেলবিলাকৰহে। আমি বামুণ-কায়স্থবিলাক ইয়ালৈ অহা সাতশ আঠশ বছৰ হৈছে। মোৰ উপৰিপুৰুষ কান্যকুব্জৰ ব্ৰাহ্মণ।” অৰ্থাৎ তেওঁলোকো এসময়ত বহিৰাগত বা বঙাল আছিল। এই চাৰি বছৰত অসম বিধান সভাৰ নিৰ্বাচনত আৰু মন্ত্ৰিসভা গঠনত ট্ৰাইবেল আৰু তফছিল জাতিবোৰৰ জয় জয়কাৰ হৈছে। বামুণৰ লগুণ আৰু কায়স্থৰ কলম প্ৰায় অদৃশ্য। এইটোও একপ্ৰকাৰে ব্ৰাহ্মণ-কায়স্থ খেদা। বঙাল খেদাৰ উৎসাহী সমৰ্থকসকলকো খেদা হৈছে। ইয়াতো যদি তেওঁলোকৰ শিক্ষা নহয়, কেতিয়া শিক্ষা হ’ব নেজানো।

আমাৰ মন্তব্য : হীনাত্মিকা ভাব সম্পন্ন বিশিষ্ট বন্ধুজনৰ অশিষ্ট মনোভাব আমাৰ বাবে সমৰ্থনযোগ্য নহয়। এনে মানুহ অৱশ্যে আমাৰ মাজত আছে। আমি এখন অসমৰ মানুহ। ব্ৰাহ্মণ-কায়স্থ-ট্ৰাইবেল আদি আঁহফলা কথাবোৰ শুনিবলৈ ভাল নেলাগে। অসমত ‘ব্ৰাহ্মণ-কায়স্থ খেদা’ আন্দোলনৰ কথা আমি শুনা নাই। তথাকথিত বঙাল খেদা আন্দোলনৰ অন্যতম নেতা ৰায়চৌধুৰী ডাঙৰীয়া কায়স্থ নাছিল জানো ? বিয়া-সভাঘৰত ব্ৰাহ্মণ-বৰ্জনৰ আন্দোলন আৰু ব্ৰাহ্মণ খেদা আন্দোলন (?) একে পৰ্যায়ৰ নহয়।

(৪৪) এনে দিনো আহিব যিদিনা অসমীয়া ভাষাৰ পৰা সংস্কৃত শব্দ বহিস্কৃত হব, সেয়ে হৈছে তামিল ভাষাত।

আমাৰ মন্তব্য : ৰায়ৰ এই ভৱিষ্যৎবাণী ফলিওৱাৰ আগন্তুক আমি দেখা নাই।

(৪৫) শুনি আহিছোঁ অসমৰ গাওঁ অঞ্চলত আজিকালি বামুণ (পূজাৰী ?) পোৱা নেযায়, বিয়া-বাকত বামুণৰ প্ৰয়োজন নহয়, অগ্নিসাক্ষীও অনাৱশ্যক। অনুষ্ঠান অতীৱ সৰল। “মোৰ আটাইতকৈ দুখ হয়, এওঁলোকে সপ্তপদীও বাদ দিলে।” এই আক্ষেপ আৰু এজন বন্ধুৰ কাণত পেলোৱাত তেওঁ ক’লে—“সকলো যাব কিন্তু সপ্তপদীটো হলে থাকিব। মাইকী মানুহৰ ‘ছেন্টিমেণ্ট।”

আমাৰ মন্তব্য—বাহুল্যবৰ্জিত সামাজিক অনুষ্ঠান নিন্দনীয় হব নোৱাৰে। সময়ৰ বোৱতী সোঁতত সমাজৰ আৰু ধৰ্মৰ পৰিবৰ্তন অৱশ্যম্ভাৱী।

(৪৬) শাক্ত-বৈষ্ণৱৰ বিবাদ নোহোৱা হলে মগ (মান ?) নাহিলহেঁতেন, মগ নহা হলে ইংৰাজ নাহিলহেঁতেন, ইংৰাজ নহা হলে বঙালী চাকৰিয়াল নাহিলহেঁতেন, বঙলা ভাষী অঞ্চলো নহলহেঁতেন, অসম এতিয়াও স্বাধীন হৈ থাকিলহেঁতেন নেপালৰ নিচিনাকৈ কিম্বা অৰ্ধ স্বাধীন হৈ থাকিলহেঁতেন ছিকিমৰ নিচিনাকৈ। ভাৰতবৰ্ষত যিটো ইণ্ডিয়া প্ৰপাৰ তাৰ লগত অসম সংযোজিত হৈছে। যেনে কাছাৰ এটা সংযোজন।

আমাৰ মন্তব্য : অসমৰ স্বাধীনতা বিলুপ্তিৰ ঘাই কাৰণ শাক্ত-বৈষ্ণৱৰ বিবাদ নহয়। এইটো অৱশ্যে এটা সৰু পৰোক্ষ কাৰণ হব পাৰে ; কিন্তু প্ৰকৃত কাৰণ হৈছে আত্ম-খৰিয়ালহে।

(৪৭) সকলো ভাৰতবাসীৰ সকলো ৰাজ্যত অবাধ গতিবিধিৰ সমান অধিকাৰ, তত্ত্ব হিচাপে শুনিবলৈ ভাল কিন্তু এখন এখন ৰাজ্যৰ ইতিহাস স্বকীয়া, বিৱৰ্তন স্বকীয়া, সমস্যা স্বকীয়া। এই বৈচিত্ৰ্য যদি এক কথাৰে উৰাই দিয়া যায় তেন্তে এই ঐক্যও এদিন উৰি যাব। ঐক্য যদি জীৱন-মৰণৰ প্ৰশ্ন হয় তেন্তে বৈচিত্ৰ্যও জীৱন মৰণৰ প্ৰশ্ন।

আমাৰ মন্তব্য : নিষ্প্ৰয়োজন।

(৪৮) অসমীয়াবিলাকে মনত ৰাখিব লাগিব যে বৈচিত্ৰ্যৰ খাতিৰত 'বড়ো', 'টাই' প্ৰভৃতি ট্ৰাইবেল ভাষাকো যথাযোগ্য মৰ্যাদা দিব লাগিব। যেনেকৈ শিক্ষকৰ ক্ষেত্ৰত, তেনেকৈ প্ৰশাসনৰ ক্ষেত্ৰত।

আমাৰ মন্তব্য : সকলোকে যথাযোগ্য মৰ্যাদা নিশ্চয় দিব লাগে। শিক্ষাৰ ক্ষেত্ৰত যি কোনো ভাষাক উপযুক্ত স্থানত আসন দিব পাৰি ; কিন্তু প্ৰশাসনৰ ক্ষেত্ৰত এশ এটা ভাষাক তেনে স্থান দিয়াটো সম্ভৱ জানো ? ৰায়ে এই সম্পৰ্কত তেওঁৰ মাতৃভূমি পশ্চিম বঙ্গত সেই ৰাজ্যৰ উপভাষাবোৰক কেনে স্থান দিয়া হৈছে নিজেই ভাবি চাওক। প্ৰশাসন আৰু যদি ভাষা বাদ দি চাকৰি-বাকৰি, জলপানি আদি আন বিশেষ সা-সুবিধা কথা বুজোৱা হৈছে তেন্তে আপত্তিৰ থল নাই।

(৪৯) মাধ্যমিক বিদ্যালয়ত অসমীয়া, বঙলা আৰু ইংৰাজীৰ বাহিৰেও বড়ো, টাই প্ৰভৃতি আৰু কেইটামান ভাষা শিক্ষাৰ মধ্যম হলে কাৰো মনত কোনো খেদ নেথাকিব। খেদ নেথাকিলে খেদাও নেথাকিব।

আমাৰ মন্তব্য : বৰ্তমানে প্ৰশ্নটো উঠিছে বিশ্ববিদ্যালয়ৰ মাধ্যম সম্পৰ্কতহে। বিৰোধিতা কৰিছে ঘাইকৈ এচাম বঙালীয়েহে। ইয়াৰ মাজলৈ বড়ো-টাই আদিক টানি আজুৰি আনি ৰান্ধনী উচটাই জোল খাবলৈ চেষ্টা নকৰাই ভাল।

(৫০) সকলোৱে যদি সকলোৰে লগত হাত মিলায় তেন্তে অসমৰ উন্নতি আৰু দ্ৰুত হব, সমৃদ্ধি আৰু ব্যাপক হব। 'চিৰচেনেহী ভাষা-জননী আৰু যশস্বিনী হব। মাহী আইক আমিও ভাল পাওঁ। মাহী আয়েও জানো আমাক ভাল নেপাব ?

আমাৰ উত্তৰ : উদাৰমনা ৰায়ৰ দৰে আন সকলেও অকপটভাৱে মাহী আইক ভাল পোৱা হলে সকলো বিবাদ ফুট্‌কাৰ ফেন হলহেঁতেন। আমি হাত আগবঢ়াই দিছো, সেইসকলেও তাকে কৰক। মাহী আইৰ এবুকু মৰম সকলোৱে ভাগ বটাই লওক।

(৫১) কাছাৰৰ ওপৰত অসমীয়াবিলাকৰ স্বাভাৱিক টান আছিল। সেইটো নাড়ীৰ টান। কাৰণ অসমৰ বুৰঞ্জীত কাছাৰী (কছাৰী) সকলৰ ভূমিকা অসামান্য। কিন্তু সেই কাছাৰী আৰু এই কাছাৰী একে নহয়। আজি কালিৰ কাছাৰীবিলাকৰ স্বাভাৱিক সাযুজ্য বাংলাদেশৰ লগতহে।

আমাৰ মন্তব্য : প্ৰথম অংশত যি কাছাৰীৰ কথা কোৱা হৈছে সেই কাছাৰী জাতিৰ বাসস্থান কেৱল কাছাৰ জিলাতে নহয়, সমগ্ৰ অসমতে। কাছাৰ জিলাৰ নামৰ লগত সেই কছাৰী জাতিৰ নামটো যুগমীয়া হৈ ৰৈ গৈছে। নিজৰ অংশত কাছাৰী মানে কেৱল কছাৰীকে বুজুৱা হোৱা নাই, কাছাৰবাসীক বুজুৱা হৈছে। তাৰ ভিতৰত 'উৰি আহি জুৰি বহা' বহিৰাগতসকলো আছে। এইসকল বহিৰাগতৰ সাযুজ্য যদি



ৰায়ে কোৱা মতে মুজিবৰৰ বাংলাদেশৰ লগতহে তেন্তে তেওঁলোকক বিদেশী ৰাষ্ট্ৰৰ অনুগত বুলি কব লাগিব।

(৫২) কিন্তু এওঁলোকে ( বহিৰাগত কাছাৰবাসীয়ে ) ৰাজনৈতিক কাৰণত ভাৰতবৰ্ষত আৰু ভৌগোলিক কাৰণত অসমত থাকিবলৈ বিচাৰে। অসমীয়াবিলাক ইমান দিনে এই ব্যৱস্থাত সন্তুষ্ট আছিল ; কিয়নো বৰ অসমেই আছিল তেওঁলোকৰ সপোন। কিন্তু মেঘালয় আৰু মিজোৰাম বেলেগ হৈ যোৱাৰ পিছত তেওঁলোকে আৰু বৰ অসমৰ সপোন নেদেখে। এতিয়া তেওঁলোকৰ এক-ভাষী অসমৰ সপোন। তাৰ বাবে তেওঁলোকে কাছাৰক পৰিত্যাগ কৰিবলৈকো মান্তি। তথাপি তেওঁলোকৰ মাজত এতিয়াও এদল আশাবাদী আছে যিসকলে বিশ্বাস কৰে যে কাছাৰৰ অধিবাসীসকলে বঙলা এৰি অসমীয়া মাধ্যমত শিক্ষা লবলৈ ইচ্ছুক। আৰু সেইসকল যদি অসমীয়াৰ দলত লগ লাগে তেন্তে কাছাৰ জিলাইবা বঙ্গভাষী হৈ থাকিব আৰু কিমান দিন ? সমগ্ৰ জিলাখনেই নঅসমীয়া হৈ যাব।

আমাৰ মন্তব্য : ৰায়ে ধাৰণা কৰা মতে ভাৰতবৰ্ষ আৰু অসম দুখন স্বকীয়া ৰাজ্য নেকি ? চমুকৈ কবলৈ হলে অসমীয়াই যি সপোন দেখিছে সেই বিষয়ে চিন্তা কৰি আনৰ মূৰ কামোৰণি কিয় ? কাছাৰত নালাগে খাচ অসমতো প্ৰাথমিক আৰু মাধ্যমিক স্তৰত অনা-অসমীয়া বিদ্যালয়ত অসমীয়া মাধ্যম বাধ্যতামূলকভাৱে কতো প্ৰবৰ্তন কৰা হোৱা নাই। কাকো কতো নিজ ইচ্ছাৰ বিৰুদ্ধে নঅসমীয়া কৰা হোৱা নাই।

(৫৩) কাছাৰৰ বাবে মোৰ মনত দুখ হয়। অসমীয়াবিলাকে যি বৰ অসমৰ সপোন দেখিছিল তাত কাছাৰৰ হাত আছিল তুৰুপৰ তাচপাত ; কিন্তু এতিয়া যি সপোন দেখিছে তাত তুৰুপৰ তাচ নহয়, কাছাৰ বৰ্তমানে সাধাৰণ তাচপাত। এই কেইবছৰৰ ভিতৰতে কাছাৰৰ দাম কমি গৈছে। দাম-দৰৰ সময়ত কাছাৰক কোনেও আৰু 'কেয়াৰ' নকৰে। কাছাৰ যদি অসমৰ ভিতৰত থাকিবলৈ বিচাৰে তেন্তে ভাষাত সৰু হৈ থাকিব লাগিব।

আমাৰ মন্তব্য : ৰায়ৰ মনত যেনেকৈ কাছাৰৰ বহিৰাগতসকলৰ বাবে দুখ হয়, আমাৰ মনতো তেনেকৈ তাৰ থলুৱাসকলৰ বাবে দুখ হয়। বহিৰাগতসকলে বহিবলৈ ৰাজপীৰা পাইছেই ; কিন্তু থলুৱাৰ ভাগ্যত ডুখৰি পীৰাও নিমিলা হৈছে। অদৃষ্টৰ পৰিহাস!

(৫৪) অসম বিধান সভাৰ আপোচ প্ৰস্তাৱটো লগে লগে মানি ললেই কাছাৰৰ পক্ষে সন্মানৰ কথা হলহেঁতেন। তেতিয়া হলে ভাষাৰ বৈশিষ্ট্যও ৰক্ষা পৰিলহেঁতেন। অসমীয়া ছাত্ৰবিলাকৰ হেচাত বিধান সভাই প্ৰস্তাৱটোৰ বিষয়ে দুবাৰ ভাবিব লগীয়া হৈছিল। ভাৰতৰ জনমতৰ দৰবাৰত জবাবদিহিৰ ভয়ো আছিল ; কিন্তু এতিয়া তেওঁলোকে অনায়াসে চাফাই কৰিব পাৰে এই বুলি যে কাছাৰৰ ইচ্ছাৰ বিৰুদ্ধে সেই জিলাত এখন স্বকীয়া বিশ্ববিদ্যালয় জাপি দিব নোৱাৰি।

আমাৰ মন্তব্য : গতস্য শোচনা নাস্তি।

(৫৫) কাছাৰবাসীয়ে পোনতে তেওঁলোকক এখন স্বকীয়া বিশ্ববিদ্যালয় লাগে বুলি দাবী জনাইছিল ; কিন্তু লগতে এটা চৰ্ত জুৰি দিছিল বোলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালীৰ কলেজবিলাক ইয়াৰ অন্তৰ্ভুক্ত হব লাগিব। বিধান সভা এই কথাত নাৰাজ। তাৰ ফলত কাছাৰবাসীও নাৰাজ। স্বকীয়া এটা বিশ্ববিদ্যালয় হোৱা হলে তাত বঙলা মাধ্যমো সম্ভৱ হলহেঁতেন, ইংৰাজীও অব্যাহতভাৱে বিকল্প মাধ্যম থাকিলহেঁতেন। কাছাৰৰ বাহিৰৰ ছাত্ৰও তালৈ গৈ পঢ়িব পাৰিলেহেঁতেন।

আমাৰ মন্তব্য : নোহোৱাটোকে এতিয়া আৰু হোৱা কৰিব নোৱাৰি। অসমৰ অবিচ্ছেদ্য অঙ্গ কাছাৰ জিলাত বৃহত্তৰ বঙ্গৰ সপোন নেদেখিলেই ভাল।

(৫৬) কাছাৰৰ আৰু এতিয়া উলটি যাবৰ বাট নাই। আগুৱাই যোৱাৰ বাটতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ প্ৰস্তাৱৰ হেঙাৰ। সেই প্ৰস্তাৱ সালসলনি কৰাৰ ক্ষমতা ভাৰত বা অসম চৰ্কাৰৰ নাই। আছে আইনমতে বিশ্ববিদ্যালয়ৰ নিজৰ ; কিন্তু চাৰিওফালে পহৰা দি আছে অসমীয়া ছাত্ৰদলে, তেওঁলোকৰ পাছত আছে অসম সাহিত্য সভা। এওঁলোক বৰ বেছি সংঘবদ্ধ। সত্যাগ্ৰহে এওঁলোকৰ মন কোমলাব নোৱাৰে। এইবোৰ বাদ দি আলাপ-আলোচনা চলাব লাগিব লাগে ভদ্ৰলোকৰ চুক্তি।

আমাৰ মন্তব্য : দুখৰ কথা বঙালীবিলাকৰ অসমত বৃহত্তৰ বাংলাৰ সপোন অব্যাহতভাৱে তলে-ওপৰে আজি পৰ্যন্ত চলি আছে। এই মনোভাব সমূলক্ষে বাদ দি মুকলি মন লৈ তেওঁলোক 'ভদ্ৰলোকৰ চুক্তি'ত স্বাক্ষৰ কৰিবলৈ আগবাঢ়ি আহক। স্বাগতম। ( সমাপ্ত )

## অৰুণাচলৰ বেদনা

যোৱা সংখ্যা পত্রিকাত অৰুণাচল ৰাজ্যৰ মুখ্য আয়ুক্ত শ্ৰীকে-এ-এ ৰাজা আৰু অসম সাহিত্য সভাৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ মুখামুখি সাক্ষাৎ প্রসঙ্গৰ বিৱৰণ পঢ়ি ভাল লাগিছে। আয়ুক্তজনে তেওঁৰ বাৰ-বছৰীয়া শাসন কালৰ অভিজ্ঞতাৰ পৰা স্পষ্টভাৱে কৈছে—"অৰুণাচলৰ অধিবাসীবিলাকে নিজক অসমীয়া বুলিয়েই চিনাকি দি আহিছে। তেওঁলোকৰ সংস্কৃতি অসমীয়া—তেওঁলোকৰ উমৈহতীয়া মাত-কথা অসমীয়া। অৰুণাচলৰ সকলো ল'ৰা-ছোৱালীয়ে অসমীয়া মাত-কথা বুজি পায়, কৰও পাৰে।"

দুখৰ বিষয় এই সত্য উপলব্ধি কৰিবলৈ হিন্দী সম্প্ৰসাৰণবাদী ভাৰতৰ ভাগ্যবিধতাই চীনা আক্ৰমণৰ আগলৈ কেৰেপ কৰা নাছিল। চীনাসকলে যেতিয়া অৰুণাচলত অসমীয়া মাধ্যমেৰে প্রচাৰ-কাৰ্য চলাবলৈ ললে, তেতিয়াহে আমাৰ দিল্লীৰ দেৱতাসকলৰ গাঁলৈ হচ আহিল আৰু বাস্তৱ পৰিস্থিতিলৈ লক্ষ্য ৰাখি অনাৰ্তৰিত অসমীয়া মাধ্যমেৰে বাতৰি প্রচাৰ নিয়ম কৰিলে। সেই নিয়ম আজিও চলি আহিছে। খুনুক-থানাক মাতেৰে প্রচাৰ কৰা সেই মিঠা বাতৰি শুনি সঁচাকৈয়ে বৰ ভাল লাগে।

কিন্তু তাৰ বিদ্যালয়বোৰ এতিয়াও কেন্দ্রীয় শিক্ষা পৰিষদৰ অন্তৰ্ভুক্ত হৈ থকাৰ বাবে অসমীয়া ভাষা ন্যায্য স্থানত প্রতিষ্ঠিত হব পৰা নাই আৰু অবাধ-গতিৰে ওচৰৰ অসমীয়া ভাষী শিক্ষকক নেওচা দি হিন্দীভাষী শিক্ষকৰ আমদানি-ৰপ্তানি অহৈতুকভাৱে চলি আছে। তাহানি এই উদ্দেশ্য সাধনৰ বাবে শ্ৰীমতী ইন্দিৰা মিৰি প্রমুখ্যে এদল দক্ষ অসমীয়া চাকৰিয়ালক পৰিকল্পিতভাৱে অৰুণাচলৰ পৰা বিতাৰণ কৰি অসম চৰ্কাৰক সোধাই দিয়া হৈছিল আৰু তেতিয়াৰ অসম চৰ্কাৰেও ভাল লৰাৰ দৰে বিনা প্ৰতিবাদে তেওঁলোকক গ্ৰহণ কৰি নিজৰ ঘৰতে সংস্থাপিত কৰিছিল। এই-বোৰ দুখৰ কথা অসম সাহিত্য সভাৰ দ্বাৰা প্রকাশিত দুখন গ্রন্থত বিৱৰি লিখা হৈছে।

'দীপক' কাকতখনৰ তিনিবছৰে সম্পাদনাত থকা কালছোৱাত নেফাৰ (অৰুণাচল) পঢ়াশলীয়া ল'ৰা-ছোৱালী-বিলাকক আমি সততে চিঠিপত্ৰৰ যোগেদি লগ পাই-ছিলো আৰু অসমীয়া ভাষা শিকাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ দেখি মুগ্ধ হৈছিলোঁ। তেওঁলোকে পঠোৱা ৰচনা আদি নিয়মিতভাৱে 'দীপক'ত প্ৰকাশ কৰিবলৈকো সুযোগো পাইছিলো। 'দীপক'খন অৰুণাচলত জনপ্ৰিয় আলোচনী হৈ সণ্টালনিকৈ বহু বছৰ চলি আছিল। দুখৰ বিষয় 'দীপক'ৰ মৃত্যুত সেইৰূপ সংযোগ-সূত্ৰও বিচ্ছিন্ন হ'ল। আমি ভাবোঁ, অসম সাহিত্য সভাই আমাৰ ৰাজ্যিক চৰ্কাৰৰ লগত যোগাযোগ কৰি অসম সামাজিক শিক্ষা বিভাগৰ মুখপত্ৰ 'জনশিক্ষা'ৰ অন্ততঃ একশখন অৰুণাচললৈ সম্প্ৰীতিৰ চিন হিচাপে প্ৰতিমাহে উপহাৰ স্বৰূপে পঠাই তাৰ প্ৰশাসনৰ যোগেদি—বিনামূলীয়াকৈ স্কুল-কলেজত বিতৰণৰ ব্যৱস্থা কৰিব পাৰে।

মুঠতে মুখ্য আয়ুক্ত গৰাকীৰ মুকলিমূৰীয়া কথা-খিনি জানিব পাৰি আমি আশান্বিত হৈছো। সাহিত্য সভাৰ সভাপতি গৰাকীক হেনো তেওঁ অৰুণাচলৰ ভিতৰ-চ'ৰালৈ অসমৰ সম্প্ৰীতিৰ দূত হৈ যাবলৈ নিমন্ত্ৰণ জনাইছে। শ্ৰীশৰ্মাই সেই নিমন্ত্ৰণ গ্ৰহণ কৰি আমাৰ মানত অজ্ঞাতিমূলুক হৈ থকা অৰুণাচলৰ বেদনাৰতলা-নলা মাৰি জানি আহি আমাক সকলো কথা জনাব বুলি আশা কৰিলোঁ।

## সাহিত্য-সংবাদ

### ॥ আইকেন কোনৰাড প'টাৰ ॥

শ্ৰীকমলেশ্বৰ শৰ্মা

১৯৭৩ চনৰ ১৭ আগষ্টৰ দিনা ৰাতি হৃদ্‌ৰোগত আক্ৰান্ত হৈ জৰ্জিয়াৰ ৰাজকবি আইকেন কোনৰাড প'টাৰৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স চাৰি কুৰি চাৰি বছৰ আছিল।

বহুমুখী প্ৰতিভাসম্পন্ন লেখক কোনৰাড প'টাৰৰ কিতাপৰ সংখ্যা বয়সৰ হিচাপতকৈ অধিক। তেওঁ আছিল একেধাৰে কবি, সমালোচক, গল্প-লেখক আৰু নাট্যকাৰ।

১৮৮৯ চনত জৰ্জিয়াত প'টাৰৰ জন্ম হয়। ইয়াৰ এবছৰ আগেয়ে মিছোৰীত বিখ্যাত কবি টি, এছ, এ লিয়টৰ জন্ম হৈছিল। এই দুয়োজন ব্যক্তিৰ মাজত সৰু কালতে সৌহাৰ্দ্যৰ ভাব জাগি উঠিছিল আৰু আজীৱন দুয়োজনে এই আন্তৰিকতা, আত্মীয়তা আৰু হৃদ্যতা ৰক্ষা কৰি চলিছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা যায় যে, সাত বছৰ আগেয়ে ১৯৬৫ চনত টি, এছ, এলিয়টৰ মৃত্যু হয়।

১৯১৫ চনত টি, এছ, এলিয়টে ইংলণ্ডত থাকিবলৈ লয় আৰু তেওঁ গোটেই জীৱন ইংলেণ্ডতে কটায়। টি, এছ, এলিয়টৰ আগেয়েও এজ্‌ৰা পাউণ্ড, হেন্‌ৰী জেম্‌ছ প্ৰভৃতি আমেৰিকাৰ লেখকে নিজ দেশ ত্যাগ কৰি ইউৰোপত থাকিবলৈ লৈছিল। আইকেন কোনৰাড প'টাৰেও তেওঁৰ প্ৰিয়বন্ধু এলিয়টৰ দৰে ইংলণ্ডত বসবাস কৰিবলৈ লৈছিল আৰু দ্বিতীয় মহাযুদ্ধৰ শেষলৈকে লণ্ডন চহৰত থাকিয়েই তেওঁ সাহিত্য সৃষ্টিৰ কামত আত্মনিয়োগ কৰিছিল। কুৰি শতিকাৰ লণ্ডন ভাৱৰাজ্যৰ কেন্দ্ৰ স্বৰূপ। কাৰ্লমাক্সেই হওক বা আইনষ্টাইনে হওক, টলষ্টয়ে হওক বা মহাত্মা গান্ধীয়েই হওক, সকলো মনীষীয়ে এবাৰ নহয় এবাৰ লণ্ডনৰ পিনে নোচোৱাকৈ, লণ্ডনৰ ভাবধাৰাত আকৃষ্ট নোহো-ৱাকৈ থাকিব পৰা নাই। ৰবি ঠাকুৰে লিখিছিল ;

> "পশ্চিম আজি খুলিয়াছে দ্বাৰ,
> সেথা হতে সবে আনে উপহাৰ....।"

প'টাৰেও জীৱনৰ মূল সময়ছোৱাত লণ্ডনৰ পৰাই সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা লাভ কৰিছিল। অৱশেষে জীৱনৰ শেষৰ কালছোৱাত তেওঁ নিজৰ দেশলৈ উভতি গৈছিল আৰু দক্ষিণ আমেৰিকাত এজন বিশিষ্ট নাগৰিক হিচাপে কাম কৰাৰ সুযোগ গ্ৰহণ কৰিছিল। তেওঁৰ জন্ম-দেশ জৰ্জিয়াই তেওঁক ৰাজকবিৰ সন্মান প্ৰদান কৰিছিল আৰু মৃত্যুৰ সময়লৈকে তেওঁ এই সন্মানৰ অধিকাৰী আছিল।

সাহিত্যিক জীৱনত প'টাৰে লাভ কৰিছিল সংবদ্ধ সকলৰ প্ৰশংসা, সংসাহিত্যিকসকলৰ প্ৰেৰণা আৰু সজ পাঠক সমাজৰ সমাদৰ আৰু উৎসাহ। ১৯১৪ চনত তেওঁৰ প্ৰথম কবিতাৰ পুথি "বিজয়ী ধৰিত্ৰী" (Earth Triumphant) প্ৰকাশিত হৈছিল। ১৯২৯ চনত তেওঁৰ প্ৰকাশিত কবিতাসমূহৰ চয়নিকা এখন (Selected Poems) প্ৰকাশ হৈ ওলাইছিল আৰু এই বছৰতে তেওঁ তেওঁৰ কাব্য চৰ্চাৰ সামাজিক স্বীকৃতি হিচাপে আমেৰিকাৰ সুবিখ্যাত পুৰস্কাৰ "পুলিট্‌জাৰ বঁটা" লাভ কৰিছিল। ১৯৫৩ চনত তেওঁৰ কবিতাৰ সংগ্ৰহ ("Collected Poems") প্ৰকাশিত হয়। তেওঁ ৰচনা কৰা উপন্যাসৰ ভিতৰত "নীল যাত্ৰা" ("Blue voyage") আৰু আত্মজীৱনীমূলক উপন্যাস "ইউচাণ্ট" অতি সৰবৰহী। ১৯৬০ চনত তেওঁৰ চুটি গল্পসমূহৰ সংগ্ৰহ প্ৰকাশিত হয়। ১৯৫৮ চনত তেওঁৰ গধুৰ আলোচনাসমূহৰ সংগ্ৰহ "সমালোচকৰ ক, খ, গ," (Reviewer's A.B C.) ছপা হৈ ওলায়। এইদৰে সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত তেওঁ স্বকীয় প্ৰতিভাৰ পৰিচয় দিছিল। তেওঁ গুণী আৰু গুণগ্ৰাহী লেখক আছিল। তেওঁ নিজৰ লেখনীৰ কাৰণে যেনেকৈ সমাদৰ লাভ কৰিছিল, আনৰ লেখনীৰ সমাদৰ বঢ়োৱাতো তেনেকৈ সহায় কৰিছিল। ঊনৈশ শতিকাৰ আমেৰিকাৰ মহিলা কবি এমিলি ডিকিন্সনৰ কবিতাৰ সম্পাদনা কৰি তেওঁ এই গৰাকী কবিক বিশেষভাবে জনপ্ৰিয় কৰি তুলিছিল। তেওঁৰ প্ৰতিভাৰ লগত মহত্বৰ সংযোগ হৈছিল। সুদীৰ্ঘ জীৱন, সুউচ্চভাব আৰু সুশৃঙ্খল কৰ্মশক্তিৰ সমন্বয়ৰ ফলত কোনৰাড পটাৰৰ জীৱন এটা জাতীয় অনুষ্ঠানত পৰিণত হৈছিল।

## ॥ সাহিত্য সভাৰ সমাচাৰ ॥

### ক. অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ জন্ম-জয়ন্তী

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু প্ৰবীণ সাহিত্যিক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ জন্মৰ সত্তৰ বছৰ পূৰ্ণ হ'ব অহা চেপ্টেম্বৰ মাহৰ (১৯৭৩) ১৫ তাৰিখে। এই উপলক্ষে সবিতা সভাই গুৱাহাটী নগৰৰ বিভিন্ন শিল্পী, সাহিত্যিক আৰু ৰাইজৰ সহযোগত জয়ন্তী উৎসৱটি গাম্ভীৰ্যপূৰ্ণভাৱে পালন কৰিবলৈ আয়োজন কৰিছে। ইয়াৰ লগতে সভাই হাজৰিকাদেৱৰ বহুমুখী সাহিত্যিক অৱিহণাৰ ওপৰত আলোচনা কৰি সবিতা সভাৰ 'সাহিত্য-প্ৰতিভা' গ্ৰন্থমালাৰ চতুৰ্থ গ্ৰন্থ 'হাজৰিকা সাহিত্য প্ৰতিভা' নামৰ এখনি বৃহৎ আকাৰৰ আলোচনা-গ্ৰন্থ উলিয়াবলৈ যো-জা কৰিছে। এই গ্ৰন্থত ডেৰকুৰি জনৰো অধিক নবীন-প্ৰবীণ লেখকৰ উচ্চমান বিশিষ্ট প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। লগতে হাজৰিকাৰ সাহিত্য সম্পৰ্কে ৰচনা প্ৰতিযোগিতাৰো ব্যৱস্থা কৰা হৈছে।

### খ. ছিলং মুকুল সঙ্ঘৰ ৰচনা প্ৰতিযোগিতা

ছিলং মুকুল সঙ্ঘৰ আগন্তুক ৫০০ তম মুকলি অধিবেশন উপলক্ষে অসম, মেঘালয়, অৰুণাচল, নগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ সকলো কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখনি ৰচনা প্ৰতিযোগিতা পাতিবলৈ স্থিৰ কৰা হৈছে। এই প্ৰতিযোগিতাৰ বিষয় চাৰিটা আৰু প্ৰত্যেক বিষয়তে একোটিকৈ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰৰ লগতে একোখনি প্ৰশংসাপত্ৰ দিয়া হ'ব। প্ৰথম পুৰস্কাৰৰ মূল্য ১০০.০০ টকা। ৰচনাৰ বিষয়বোৰ হ'ল :—

(১) অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাত জাতীয়তা বোধ; (২) সাহিত্যিক শৰৎচন্দ্ৰ গোস্বামীৰ চুটি গল্প; (৩) ভাৰতীয় দৰ্শনত বেদান্ত বাচস্পতি ৰাধানাথ ফুকনৰ অৱদান; (৪) বুৰঞ্জীবিদ্ সূৰ্যকুমাৰ ভূঞাৰ অসমৰ বুৰঞ্জী উদ্‌ঘাটন।

প্ৰতিযোগিতাৰ ফলাফল ১৬।৯।৭৩ তাৰিখে মুকলি অধিবেশনত ঘোষণা কৰা হ'ব।




[এই শিতানত আমাৰ হাতত পৰা কিতাপৰ চমু আলোচনা এটি দুটিকৈ আগবঢ়োৱা হ'ব। পুথিৰ চিনাকিৰ কাৰণে দুকপিকৈ গ্ৰন্থ পত্ৰিকাৰ সম্পাদকলৈ পঠিয়াব লাগে।

সম্পাদক, পত্ৰিকা]

## ॥ ১. ছত্ৰপতি শিৱাজী ॥

ৰচক : **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা**; প্ৰকাশক : শ্ৰীজিতেন্দ্ৰজিৎ মেধি, জোনাকী প্ৰকাশ, গুৱাহাটী—১; সংশোধিত তৃতীয় তাঙৰণ; ১৯৭৩ চন, পৃষ্ঠা—১১৯; মূল্য—৪.৫০।

অসমীয়া সাহিত্যত ঐতিহাসিক নাট নিচেই কম। জয়মতী, লাচিত, কনচেং প্ৰভৃতি অসমৰ ইতিহাসৰ বছা বছা কেইটামান জনপ্ৰিয় তেজাল আখ্যানে আমাৰ ৰঙ্গমঞ্চত দেখা দিয়াৰ পাছত সৰ্বভাৰতীয় পটভূমিত ৰচিত একমাত্ৰ অতুল হাজৰিকাৰ 'কনৌজ কুঁৱৰী'য়েইহে প্ৰোনপ্ৰথমতে ভাৰত-বুৰঞ্জীবিখ্যাত বীৰ-বীৰাঙ্গনাসকলো মঞ্চত চাবলৈ সুবিধা দিলে। "কনৌজ কুঁৱৰী'ৰ পাছতেই তেওঁৰ পঞ্চাঙ্ক 'ছত্ৰপতি শিৱাজী' এই পৰ্যায়ৰ দ্বিতীয় প্ৰচেষ্টা; ৰচনা কাল ১৯২৭ চন; প্ৰথম অভিনয়—ইং ২৩।১০।২৭, কালীপূজা উপলক্ষে; স্থান—কুমাৰ ভাস্কৰ নাট্য মন্দিৰ; উদ্যোক্তা—গুৱাহাটী একতা সভা।

ছকুৰি বছৰৰো ওপৰ হ'ল—এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত ছত্ৰপতিয়ে অসমৰ বিভিন্ন ৰঙ্গমঞ্চত বিপুল আদৰ-অভ্যৰ্থনা লাভ কৰি যে ঠন্ ধৰি উঠিব পাৰিছে সন্দেহ নাই। ইতিহাসৰ ঘটনাপুঞ্জ, যিমানেই কি ৰোমাঞ্চকৰ নহওক, নগ্ন সত্যৰূপে প্ৰতিষ্ঠাপিত কৰি থলে সি কেতিয়াও জনসাধাৰণৰ মনঃপুত হ'ব নোৱাৰে, যদিহে তাত যথাযথভাৱে কলাসুলভ ৰহণ নপৰে।

ভাৰতৰ ইতিহাসৰ মোগল যুগৰ অন্যতম প্ৰখ্যাত বীৰপুংগৱ শিৱাজীৰ কৰ্মবহুল জীৱনৰ প্ৰায়বোৰ ঘটনাই ৰোমাঞ্চকৰ আৰু বীৰত্বব্যঞ্জক। অমিততেজা মোগল সম্ৰাট ঔৰংজীৱৰে সৈতে ফেৰ মাৰি যিজন মহাবীৰে এদিন মোগলৰ ময়ূৰ সিংহাসন কঁপাই তুলিছিল, আপ্ৰাণ চেষ্টা কৰি বিৰাট মাৰাঠা জাতিৰ মৃতপ্ৰায় প্ৰাণত শক্তিৰ সঞ্চাৰ কৰিছিল, সেই ছত্ৰপতি শিৱাজী ভাৰত ইতিহাসৰ অন্যতম প্ৰসিদ্ধ ৰণোন্মত্ত বীৰ সঁচা, কিন্তু নাট্যকাৰ হাজৰিকাৰ দৃষ্টিত তেওঁ কেৱল বীৰেই নহয়, এক উদাৰ, মহান চিন্তাশীল ব্যক্তি, এক চিৰজ্যোতিষ্মান আদৰ্শ পুৰুষ। তেওঁ কৰ্মবীৰ, ধৰ্মবীৰ, ত্যাগবীৰ। দয়া-দাক্ষিণ্য, ত্যাগ-তিতিক্ষা আদি মহতোপি মহান্ গুণৰাজিৰ অধিকাৰী তেওঁ। মহাবীৰ আলেক্‌জেণ্ডাৰ

মাকৰ একাষাৰ কথাতেই জঁপ পৰি যোৱাৰ দৰে ছত্ৰপতি শিৱাজীও সকলো কথাতে তেওঁৰ গুৰু ৰামদাস স্বামীৰ বশ আছিল, তেওঁৰ আদেশ শিৰোধাৰ্য কৰিহে শিৱাজী কাৰ্যক্ষেত্ৰত আগ বাঢ়ে, নৰৰূপী নাৰায়ণৰ সেৱাৰ আৰ্হিতহে ৰণক্ষেত্ৰত হুঙ্কাৰ দিয়ে। সেয়েহে নাট্যকাৰৰ দৃষ্টিত শিৱাজীৰ যুদ্ধ-অভিযান, দেখাত মোগলৰ বিৰুদ্ধে হলেও, প্ৰকৃততে ই আছিল দুৰ্নীতি দুৰভিসন্ধিৰ বিৰুদ্ধে, অনাচাৰ-দুৰাচাৰৰ বিৰুদ্ধে, শাস্ত্ৰাচাৰৰ নামত চলি থকা মিথ্যাচাৰৰ বিৰুদ্ধে। তেওঁ ৰাজসিংহাসন বিচাৰিছিল, ৰাজসন্মান বিচাৰিছিল, ঔৰংজীৱৰ অহমিকা চূৰ্ণ-বিচূৰ্ণ কৰিব বিচাৰিছিল। কিন্তু ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ বাবে নহয়, ভোগ-বিলাসৰ বাবে নহয়, এটা মহৎ আদৰ্শ স্থাপনৰ বাবে, এটা নীতি সংৰক্ষণৰ বাবেহে। শিৱাজীয়ে উপলব্ধি কৰিছিল "এইখন দেশ ঔৰংজীৱৰ নহয়, শিৱাজীৰো নহয়। এই দেশৰ অধিকাৰী কোটি কোটি ভাৰতীয় জনতা। এই জনতাৰ অধিষ্ঠাত্ৰী দেৱী মাতৃ ভৱানী—তেৱেঁই আদ্যা শক্তি, তেৱেঁই স্বৰ্গাদপি গৰীয়সী ভাৰতবৰ্ষ" (৩য় অঃ ৩য় দৃঃ)। এই একেটা আৰ্হিতে নাট্যকাৰে মুক্তিৰ সংজ্ঞা ৰামদাস স্বামীজীৰ মুখেদি প্ৰকাশ কৰিছে এইদৰে—"জ্ঞান, কৰ্ম, ভক্তি, ক'তো মুক্তি নাই। মুক্তি আছে তিনিওৰে সম্মিলনত। ভাৰতৰ মুক্তি সাধনাৰ বাবে আজি প্ৰয়োজন কৰ্মৰ, আত্মশুদ্ধিৰ আৰু স্বাৰ্থত্যাগৰ" (৩য় অঃ ৪ৰ্থ দৃঃ)।

নাটোৎকণ্ঠা সৃষ্টিৰ বাবে নাটখনিত যিবোৰ উপায় অৱলম্বন কৰা হৈছে তাৰ ভিতৰত অমিয়া-দিলিপ, অৰুণা-গোলাপৰ আকস্মিক মিলন আৰু ভৈৰবী পাগলীৰ আকস্মিক আত্মপ্ৰকাশ উল্লেখযোগ্য। বীৰৰস-প্ৰধান এনে এখন দৃশ্যকাব্যত এনেবোৰ কৌশল যে অতিকৈ চমকপ্ৰদ বহলাই কোৱাৰ সকাম নাই। লগতে শেষ দৃশ্যত সংযোজিত ৰাষ্ট্ৰীয় দিৱস পালনৰ উলহ-মালহ, নৃত্য-গীত আদিয়ে অতীত ইতিহাসৰ বুকুত আধুনিক ছাপ পেলাই কাব্যখনিৰ জেউতি চৰোৱাত অৰিহণা যোগাইছে।

এই 'ছত্ৰপতি শিৱাজী'য়ে প্ৰাক্-স্বাধীনতা যুগত আমাৰ ৰঙ্গমঞ্চবোৰত যি আদৰ সমাদৰ লাভ কৰিছিল আজিৰ স্বাধীনতাৰ দিনতো ইয়াৰ ব্যতিক্ৰম ঘটিবৰ কোনো আশঙ্কা নাই; কিয়নো, ইয়াৰ মূলত আছে সত্য, শিৱ, সুন্দৰৰ অসীম, অনন্ত কালজয়ী মহিমা।

—শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য

## ॥ ২. অসমৰ সূৰ্যবিপ্ৰৰ চমু ইতিহাস ॥

ৰচক : **শ্ৰীৰমেশ চন্দ্ৰ চাংকাকতি**, বি, এল ; প্ৰকাশক : **শ্ৰীবাসব চন্দ্ৰ শৰ্মা, চিপাঝাৰ, মঙ্গলদৈ** ; পৃষ্ঠা ৮০, প্ৰথম প্ৰকাশ, ১৯৭২; ছপা ৰবীন্দ্ৰ ছপাশাল, গুৱাহাটী—১১; মূল্য ২'০০ টকা।

অসমৰ সূৰ্যবিপ্ৰৰ চমু ইতিহাসৰ ৰচক শ্ৰীৰমেশ চন্দ্ৰ চাংকাকতিদেৱ এজন বিশিষ্ট সাংবাদিক, সাহিত্যিক আৰু বিভিন্ন কাকতত "সম্পাদকলৈ চিঠি" স্তম্ভত নিৰ্ভীক লিখক হিচাপে সকলোৰে পৰিচিত। তেখেতৰ ৰচিত 'অসমৰ সূৰ্যবিপ্ৰৰ চমু ইতিহাস' খনে অসমৰ সাংস্কৃতিক বুৰঞ্জী নিৰ্মাণত বিশেষ সমল যোগান ধৰিছে।

প্ৰাচীন কালৰপৰা বিভিন্ন জাতি-উপজাতিৰ সমন্বয়ত অসমীয়া জাতি গঢ়ি উঠিছে। প্ৰত্যেক জাতি-উপজাতিৰ স্বকীয়া বৈশিষ্ট্যৰ মাধ্যমেৰে অসমৰ সাংস্কৃতিক জীৱন পূৰ্ণ কৰি তুলিছে।

শ্ৰীচাংকাকতি ডাঙৰীয়াই তেখেতৰ "অসমৰ সূৰ্যবিপ্ৰৰ চমু ইতিহাস" খনত প্ৰস্তাৱনাৰপৰা আৰম্ভ কৰি উপসংহাৰলৈ উনৈশটি অধ্যায়ত অসমত সূৰ্যবিপ্ৰ শাখাৰ জাতীয় অৱদানৰ বিষয়ে বহলভাৱে আলোচনা আগ বঢ়াইছে। আমাৰ সমাজত বিভিন্ন শ্ৰেণীৰ ব্ৰাহ্মণ আছে। ইয়াৰ ভিতৰত সূৰ্যবিপ্ৰ আৰু চন্দ্ৰবিপ্ৰই প্ৰধান। চন্দ্ৰবিপ্ৰসকলে অন্ত্যেষ্টিক্ৰিয়া, নান্দীমুখ শ্ৰাদ্ধ আৰু সূৰ্যবিপ্ৰসকলে গ্ৰহযজ্ঞ, জ্যোতিষ আৰু জ্যোতিৰ্বিজ্ঞান আদিৰ চৰ্চা কৰি আহিছে। সূৰ্যবিপ্ৰসকলক দৈৱিক ব্ৰাহ্মণ, দৈৱজ্ঞ বা গণক বুলি কোৱা হয়। কিছুমান মানুহে এই শ্ৰেণীৰ ব্ৰাহ্মণৰ মূল উৎস আৰু বৈদিক ব্যাখ্যা বুজিব নোৱাৰি তেওঁলোকক ব্ৰাহ্মণভিন্ন অন্য গোষ্ঠীয় বুলি ভাবে। শ্ৰীচাংকাকতিদেৱে বেদ, সংহিতা, পুৰাণ, সাংস্কৃতিক বুৰঞ্জী, চৰিতপুথি আদি প্ৰামাণ্য গ্ৰন্থ বিশদভাৱে আলোচনা কৰি দেখুৱাইছে—সূৰ্যবিপ্ৰসকল সৌৰীয় কুলীন ব্ৰাহ্মণ। 'গণক' শব্দটি জ্যোতিষ গণনা কৰাৰ বাবে বৃত্তি বাচক বৈকৰণিক (?) উৎপত্তি। আনহাতে জ্যোতিষ চৰ্চা কৰা ব্ৰাহ্মণৰ স্থান শাস্ত্ৰত অতি উচ্চ বুলি নিৰ্ণয় কৰি গৈছে।

> যথা সম স্বয়ং বিষ্ণু যথা বিষ্ণু পিতামহঃ।
> তথাদৈৱ বিদো বিপ্ৰো জগতঃ স্থিতি কাৰকঃ॥
> দৈৱাজ্ঞাচ্ছাঅনুজোং বিপ্ৰো বিপ্ৰাচ্ছানুজা ক্ষত্ৰিয়ঃ॥

(স্বয়ং ব্ৰহ্মা বিষ্ণুৰ দৰে দৈৱবিদ্ বিপ্ৰ জগতৰ স্থিতি কাৰক, তেওঁলোকৰ অনুজ আন ব্ৰাহ্মণ সকল; তেওঁলোকৰ অনুজ ক্ষত্ৰিয়সকল) এই শ্ৰেণীৰ দৈৱজ্ঞব্ৰাহ্মণ ভাৰতৰ প্ৰায় প্ৰত্যেক প্ৰদেশতে আছে। বিভিন্ন ঠাইত ভিন ভিন উপাধিৰে বা নামেৰে ভাৰতৰ বিভিন্ন স্থানত সূৰ্যবিপ্ৰসকল বসবাস কৰাৰ কথা ব্ৰহ্মযামলত পোৱা যায়। শৰদ্বীপত বেদাগ্নি, শাকদ্বীপত সাধ্য, মধ্যদেশত ব্ৰহ্মচাৰী, দ্বাৰকাত দৈৱজ্ঞ, দ্ৰাবিড় আৰু মিথিলাত গ্ৰহবিপ্ৰ, অঙ্গদেশত ধৰ্মবক্তা, পাঞ্চালত শাস্ত্ৰী, সাৰস্বতত শুভমুখ, গান্ধাৰত চিত্ৰপণ্ডিত, তীৰহোত্ৰত তিথিবিপ্ৰ, নাটকত বেদপাঠক, ৰুদ্ৰাচলত জ্যোতিষী, ব্ৰহ্মলত বিধিকাৰক, বত্ৰাটত যোগাবক্তা, নেপালত দেৱপূজক, ৰাঢ়দেশত উপাধ্যায় আৰু তন্ত্ৰধাৰক আদি নামেৰে সূৰ্যবিপ্ৰসকলক জনা যায়।

"পণ্ডিতৰ মতিভ্ৰম" অধ্যায়ত পুৰাণ আৰু উপপুৰাণৰ সংজ্ঞা নিৰ্ণয় কৰিব যোৱাত প্ৰত্যেকখন পুৰাণৰ ৰচিত আনুমানিক কাল নিৰ্দ্ধাৰণ কৰিছে আৰু এটি ক্ৰম দিবৰ চেষ্টা কৰিছে। লগতে শ্ৰীচাংকাকতিয়ে প্ৰমাণ কৰিছে যে এই প্ৰাচীন পুৰাণ-শাস্ত্ৰসমূহৰ নামত কিছুমান প্ৰক্ষিপ্ত পুৰাণ-শাস্ত্ৰ ৰচিত হৈছিল। ইয়াৰ ভিতৰত বৃহদ্ধৰ্ম পুৰাণো এখন। এই উনৈশতম উপ-পুৰাণৰ এটি প্ৰক্ষিপ্ত শ্লোকক কেন্দ্ৰ কৰি পৰচৰ্চাকাৰী কিছুমান ব্যক্তিয়ে দৈৱজ্ঞ ব্ৰাহ্মণক হেয় কৰিবলৈ যত্ন চলাইছিল। শ্ৰীচাংকাকতিৰ এই গ্ৰন্থখনে সেইসকললোকৰ মুখত চূণ থাৰ সানিছে। লগতে সূৰ্য বিপ্ৰসকলৰ প্ৰতি থকা ভ্ৰান্ত ধাৰণা দূৰ কৰাত এই গ্ৰন্থখনে যথেষ্ট সহায় কৰিছে। সূৰ্য্য বিপ্ৰসকলে যুগ যুগ ধৰি অসম তথা ভাৰতীয় সমাজ আৰু সংস্কৃতিলৈ যথেষ্ট সেৱা আগবঢ়াই আহিছে। ভাৰতীয় জ্যোতিৰ্বিজ্ঞান, জ্যোতিষ আৰু অঙ্ক-শাস্ত্ৰৰ ওপৰত চৰ্চা, অধ্যয়ন আৰু গৱেষণা চলাই আহিছে। এই শ্ৰেণীৰ দৈৱজ্ঞ ব্ৰাহ্মণৰ ভিতৰত গণক আৰ্য্যভট্ট, ব্ৰহ্মগুপ্ত, বৰাহমিহিৰ, ভাস্কৰাচাৰ্য আদি বিদ্বান পণ্ডিতৰ অপৰিসীম সাধনাৰ বলত পাশ্চাত্যৰ পণ্ডিতসকলতকৈ বহু পূৰ্বে পৃথিবীৰ আৱৰ্ত্তন, চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ, মধ্যাকৰ্ষণ শক্তি আদি ভাৰতত আবিষ্কাৰ হৈছিল। ইয়াৰ উপৰিও বীজগণিত, লীলাৱতী, গ্ৰহ গণিত আৰু গোল (Sphere) গণিতে জ্যোতিৰ্বিজ্ঞানৰ প্ৰভূত উন্নতি সাধন কৰিছিল। আৰ্যভট্টই জ্যোতিৰ্বিজ্ঞানত অঙ্ক-শাস্ত্ৰৰ প্ৰয়োগ কৰে আৰু আজিকালি যাক আমি Evolution, Involution, Area, Volumes, Circle, Shadow problem, Progression, Algebric Identity, First degree equation, ঘনফল তিনিটা সংখ্যাৰ পুৰণ ফল আৰু ইয়াৰ বাহু ১২টা তেওঁৰ প্ৰধান আৱিষ্কাৰ আছিল। ব্ৰহ্মগুপ্তই পাটিগণিতৰ নিয়ম যেনে বৰ্গ, ঘন, Rule of three, সুদ, progrssion, সমকোণী ত্ৰিভুজ, বৃত্ত, ছয়া, Algebric Identity, cyclic quadrilateral, Integral solution আদি পূৰ্ণভাৱে অনুশীলন কৰি দেখুৱাইছে। কিন্তু আজিৰ ভাৰতীয় সমাজত এই আৱিষ্কাৰসমূহৰ মূল উৎস ভাৰতত বুলি ভাবিবলৈ টান পায়। শ্ৰীচাংকাকতি

দেৱে তেওঁৰ সাংস্কৃতিক বুৰঞ্জীৰ মাধ্যমেৰে বৰ্তমান পুৰুষৰ চকুত এই বৈজ্ঞানিক আৱিষ্কাৰসমূহ ভাৰতত হোৱা বুলি তথ্যপূৰ্ণভাৱে দাভি ধৰি মহৎ কাম কৰিছে।

অন্নবিস্থা ভয়ঙ্কৰীৰ দৰে কিছুমান পণ্ডিতে মূল তথ্য আহৰণ নকৰি সহজলভ্য কথাতে পতিয়ন গৈ এখন সমাজ বা এটা শ্ৰেণীৰ ওপৰত বিৰূপ মন্তব্য কৰা দেখা যায়। তেওঁলোকৰ প্ৰতি সাৱধান বাণী-স্বৰূপে শ্ৰীচাংকাকতিৰ ইতিহাসে বৰ্তমান বা ভবিষ্যতৰ তথাকথিত পণ্ডিতৰ লিখনী মাজ্জিত হবলৈ শিকাব। লিখকে কোনো সম্প্ৰদায়ৰ ওপৰত কোনো মন্তব্য নকৰি এটি সম্প্ৰদায়ৰ ওপৰত তথ্যসহকাৰে আঁতিগুৰি মাৰি লিখিছে। সেই কাৰণেই এই গ্ৰন্থখন সাম্প্ৰদায়িক প্ৰচাৰ পত্ৰিকা নহৈ অসমৰ জাতীয় সাংস্কৃতিক বুৰঞ্জী নিৰ্মাণৰ প্ৰধান আহিলা স্বৰূপ হ'ব। বান গোবিন্দ পৰমপন্থীৰ "পাতনি" এটি আৰু সূৰ্য-বিপ্ৰকুলজাত কেইজনমান স্বনামধন্য ব্যক্তিৰ জীৱনী আগ বঢ়াই কিতাপখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। আৱৰ্তনিতে উক্ত গ্ৰন্থখনৰ চমু আভাস এটি ইংৰাজীত দিয়াত অনাঅসমীয়া ৰাইজৰ অধ্যয়নত সহায় কৰিব।

গ্ৰন্থখনত বিভিন্ন শাস্ত্ৰৰ উদ্ধৃতি আৰু নানা তথ্য দাঙি ধৰাত বৰ্ণনামূলক হৈছে। ইয়াৰ পৰা সাংস্কৃতিক বুৰঞ্জীৰ ছাত্ৰ, গৱেষক আৰু সমজুৱাসকল উপকৃত হব। কিন্তু সকলো তথ্যৰ সম্পূৰ্ণ ব্যাখ্যা থকা হ'লে সৰ্বসাধাৰণ ৰাইজৰ বিশেষ উপকাৰ সাধন কৰিলেহেঁতেন বুলি আমাৰ বিশ্বাস। গ্ৰন্থখনত গোত্ৰীয় নামৰ তালিকা এখনো সন্নিবিষ্ট কৰিছে। ছপা আৰু বেটুপাত ধুনীয়া হৈছে। মুঠতে শ্ৰীচাংকাকতিৰ এই গ্ৰন্থখন অসমৰ সাংস্কৃতিক বুৰঞ্জী সাহিত্যৰ ভঁৰাললৈ এটি অপূৰ্ব দান আৰু এই গ্ৰন্থখনে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।


—শ্ৰীপুৰুষোত্তম কাকতি

## ॥ ৩. ধূপ সুৰভি আৰু ছাই ॥

ৰচক : **পৰাগ কুমাৰ ভট্টাচাৰ্য**, প্ৰকাশক : শ্ৰীঅতুল চন্দ্ৰ ভট্টাচাৰ্য, ভট্টাচাৰ্য ব্ৰাদাৰ্ছ, টিহু, কামৰূপ; প্ৰথম প্ৰকাশ ১৯৭২ চন ; পৃষ্ঠা ৬৮ ; বেচ—ছটকা পঞ্চাশ পইচা।

উদীয়মান সাহিত্যিক শ্ৰীপৰাগ কুমাৰ ভট্টাচাৰ্য্যৰ "ধূপ, সুৰভি আৰু ছাই" এখন বাস্তৱধৰ্মী উপন্যাস। লিখকৰ নিজৰ কথাৰে, "এজনী সৎ ছোৱালীয়ে সত্‌ভাৱে চলিব খোজোতে পৃথিবী কণ্টকময় দেখি সেই কণ্টক আঁতৰাবলৈ গৈ কি পথত ভৰি দিব লগা হ'ল তাৰেই ইতিহাস, "ধূপ সুৰভি আৰু ছাই"।' তেওঁ আকৌ কৈছে, "সঁচা বাস্তৱক যদিও ৰূপায়ণৰ প্ৰচেষ্টা কৰা হৈছে উপন্যাসৰ কোনো চৰিত্ৰ বা কোনো কাহিনী সঁচা চৰিত্ৰ বা সঁচা কাহিনীৰ প্ৰতিনিধি নহয়।" ইয়াতে প্ৰশ্ন উঠে, সঁচা হ'লেই সাহিত্য হ'বনে? নাইবা সাহিত্য হ'লেই সঁচা হব লাগিব নে? বেজবৰুৱাৰ "গজপুৰীয়া" বা শ্বেক্সপীয়েৰৰ ফলষ্টাফ্‌ৰ লেখীয়া চৰিত্ৰ বাস্তৱ জীৱনত কোনোবাই লগ পাইছেনে? অথচ নাটকীয় চৰিত্ৰ হিচাপে "গজপুৰীয়া" বা "ফলষ্টাফৰ" নিচিনা আকৰ্ষণীয় চৰিত্ৰ কেইজন সাহিত্যিকে সৃষ্টি কৰিব পাৰিছে? সাহিত্য আৰু বাস্তৱৰ মাজত সম্বন্ধ ইমানেই যে, সাহিত্যই বাস্তৱক সামৰি লয়; কিন্তু বাস্তৱে সাহিত্যক গ্ৰাস কৰিব নোৱাৰে। "ধূপ, সুৰভি আৰু ছাই" পঢ়ি ভাব হয় যে, বাস্তৱৰ আতিশাৰ্যই সাহিত্যত অজীৰ্ণ ৰোগৰ সৃষ্টি কৰিছে; বাস্তৱৰ হেঁচাত সাহিত্যই নিজৰ শ্লীলতা হেৰুৱাই অশ্লীলতাত আশ্ৰয় লব লগীয়া হৈছে। এক কথাত কবলৈ গ'লে, ৰমক জমক বেটুপাত আৰু ধুনীয়া ছপা আখৰেৰে সজাই পৰাই ইয়াত কেৱল পৰ্ণগ্ৰাফীৰে (অশ্লীলতাৰ) সৰবাহ কৰা হৈছে; সাহিত্যিক সৌন্দৰ্য সৃষ্টিৰ কোনো চেষ্টা কৰা হোৱা নাই। আমাৰ বাস্তৱধৰ্মী লেখকসকলে সাহিত্য, জীৱন আৰু সমাজৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম হওক, এয়েই আশা।

—কমলেশ্বৰ শৰ্মা




সংগ্ৰাহক : **শ্ৰীনন্দ তালুকদাৰ**

[ এই শিতানত ১৯৭০ চনৰ পিছৰ পৰা প্ৰকাশিত আৰু আমাৰ হাতত পৰা অসমীয়া গ্ৰন্থৰ একোখনি তালিকা পত্ৰিকাৰ বিভিন্ন সংখ্যাত প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে অসম সাহিত্য সভাই ইতিমধ্যে ১৯৫৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া পুথিৰ এখনি গ্ৰন্থপুঞ্জী প্ৰকাশ কৰিছে। উক্ত গ্ৰন্থপঞ্জীত বাদ পৰি যোৱা কোনো কিতাপৰ সন্ধেদ পালে এই গ্ৰন্থপঞ্জীত সন্নিবিষ্ট কৰা হ'ব। আমাৰ উদ্দেশ্য যাতে কোনোখন অসমীয়া পুথিয়েই অসমীয়া গ্ৰন্থপঞ্জীৰ পৰা বাদ পৰি নাযায় আৰু এই গ্ৰন্থপঞ্জী অসমীয়া সাহিত্যৰ ইতিহাস ৰচনাত সহায়ক হয়। গ্ৰন্থপঞ্জীৰ কাৰণে আমাৰ নামত পুথি পঠিয়াবলৈ লেখক-প্ৰকাশক সকলক অনুৰোধ জনোৱা হ'ল।

—সম্পাদক, পত্ৰিকা ]

## (ক) কবিতা

**চন্দ্ৰ চেতিয়া : কাব্য সুৰ**

নবীন কবি চন্দ্ৰ চেতিয়াৰ কাব্য সুৰ সাতটি আধুনিক কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ : জানুৱাৰী ১৯৭৩। প্ৰকাশক : এটেইকল প্ৰিণ্টাৰ্চ, চিৰিং চাপৰি : ডিব্ৰুগড়। পৃষ্ঠা—১৪, দাম ৫০ পইচা, ক্ৰাউন চাইজ।

**চন্দ্ৰ চেতিয়া : দীপাঞ্জলি**

দীপাঞ্জলি নবীন কবি চেতিয়াৰ তেৰটি ছন্দোবদ্ধ কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ ১৯৭১। প্ৰকাশক : চন্দ্ৰ চেতিয়া, ডিমৌ ; পৃষ্ঠা—২৪, দাম ৬৫ পইচা ; ক্ৰাউন চাইজ।

**শশীমোহন দাস : লোকমন আৰু তোমাৰ সুৰেৰে লোকগীত।**

নবীন গীতিকাৰ শশীমোহন দাসৰ 'লোকমন আৰু তোমাৰ সুৰেৰে লোকগীত' ধৰ্মীয় ভাবৰ প্ৰাচীন লোকগীতৰ আহিৰ ছকুৰি পাঁচটি গীতৰ সংকলন।

প্ৰথম প্ৰকাশ, মেই—১৯৭৩ ; প্ৰকাশক : শশীমোহন দাস, মৰানদীৰ পাৰ, বৰপেটা। পৃষ্ঠা ৪৫, দাম ১·৫০ টকা, ক্ৰাউন আকাৰ।

**তৰুণচন্দ্ৰ বাজখোৱা : খাজুবাহো**

পঁচিশটি গীতৰ সংকলন। প্ৰকাশক : লিখক নিজেই, যোৰহাট, ১ম প্ৰকাশ এপ্ৰিল, ১৯৭২ চন ; ডিমাই আকাৰ, পৃঃ ২৫, দাম এটকা।

**দণ্ডধৰ মৰল : মোৰ গাওঁখনি**

মোৰ গাওঁখনি কবি মৰলৰ জন্মভূমি ৰঙনগৰৰ স্বাধীনতা ৰণৰ চমু খতিয়ান। ৰঙনগৰৰ বাহিৰে দৰং, নগাওঁ, শিৱসাগৰ, কামৰূপ, গোৱালপাৰাৰ ৪২ৰ আন্দোলন আৰু স্বাধীনতা ৰণৰ মুক্তি-যুঁজাৰুসকলৰ চমু পৰিচয় পুথিখনিৰ অন্যতম আকৰ্ষণ। প্ৰথম প্ৰকাশ ১৯৭১।

প্ৰকাশক : দণ্ডধৰ মৰল, আমগুৰি, সৰভোগ। পৃষ্ঠা-৭০, দাম ১'০০ এটকা, ক্ৰাউন আকাৰ।

**দ্বিজেন্দ্ৰ দাস ( বাবুল ) : পেৰ'ডিকা।**

পেৰ'ডিকা নবীন গীতিকাৰৰ বিভিন্ন ভাষাৰ ভালেকেইটি জনপ্ৰিয় গীতৰ মনোৰম ভাষাত ৰচনা কৰা পেৰডিৰ সংকলন। গীতকেইটিত বৰ্তমান সমাজ-ব্যৱস্থা, এখনি স্পষ্ট ব্যঙ্গ চিত্ৰ প্ৰকাশ পাইছে।

প্ৰথম প্ৰকাশ, ১৯৭২ ; প্ৰকাশক : গঙ্গাধৰ ভৰালী, ভৱানীপুৰ, মাহতলী হাটী। পৃষ্ঠা—৪৪, দাম এটকা, ক্ৰাউন আকাৰ।

**হীৰেণ ভট্টাচাৰ্য : মোৰ দেশ মোৰ প্ৰেমৰ কবিতা**

জনপ্ৰিয় গীতিকাৰ ভট্টাচাৰ্যৰ 'মোৰ দেশ মোৰ প্ৰেমৰ' কবিতা আতক ধুনীয়া ছপাবন্ধা আৰু ডক্টৰ হীৰেণ গোহাঞিৰ পাতনি সম্বলিত তিনিকুৰি দহটি মনোৰম কবিতাৰ সংকলন। প্ৰথম প্ৰকাশ ২৮ জুলাই ১৯৭২। প্ৰকাশক : লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১ ; পৃষ্ঠা ৮০, দাম ৩.৫০ ; ডিমাই আকাৰ।

**অমিত সৰকাৰ : মোৰো মন যায়**

গীতিকাৰ সৰকাৰৰ 'মোৰ মন যায়' একুৰি এধাৰটি কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ : মে ১৯৭৩। প্ৰকাশক : লয়াৰ্চ বুক ষ্টল ; গুৱাহাটী-১। পৃষ্ঠা ৪৮, দাম ৩ টকা, ডিমাই আকাৰ।

**গিৰিবালা চৌধুৰী : জীৱনৰ সুৰ**

জীৱনৰ ঘাত-প্ৰতিঘাত আৰু দাৰ্শনিকভাৱ সমৃদ্ধ ৭৪টা কবিতাৰ সংকলন। প্ৰকাশক : শ্ৰীঅম্বিকা চৰণ চৌধুৰী, গুৱাহাটী-২১। প্ৰথম প্ৰকাশ, ১৯৭২। পৃষ্ঠা ৪+১০৯ ডিমাই আকাৰ, দাম ৩ টকা।

**এম, ইলিম উদ্দিন দেৱান : মনৰ আকৃতি**

একুৰি কবিতাৰ সংকলন। প্ৰকাশক : মঃ নাজিম উদ্দিন দেৱান, নঈম্ উদ্দিন কিতাবমহল, চেনিমাৰী, কামৰূপ। প্ৰথম প্ৰকাশ, ১৯৬৪। পৃষ্ঠা ৪০ ; ক্ৰাউন আকাৰদাম '৫০ পইচা।

**গুণেশ্বৰ পাঠক : কবিতা কম্পন**

দহোটা কবিতাৰ সংকলন। প্ৰকাশক : পশুপতি, টিহু, কামৰূপ ; প্ৰথম প্ৰকাশ, ১৯৭২। পৃষ্ঠা ২০, ক্ৰাউন আকাৰ ; দাম '৫০ পইচা।

**লীলা বৰা : কবিতা আৰু কবিতা**

২১ টা কবিতাৰ সংকলন। প্ৰকাশক : শ্ৰীদেৱেন্দ্ৰ নাথ মহন্ত, পুব খিলাধাৰী শাখা সাহিত্য সভা, বকৰা গাঁও, গোলাঘাট ; প্ৰথম প্ৰকাশ ১৯৭১, পৃষ্ঠা—৩৭, ক্ৰাউন আকাৰ, দাম—১.২৫ পইচা

**প্ৰবীণ কুমাৰ নাওহলীয়া ফুকন : সপোন যেতিয়া আঁতৰি যায়**

কাব্য-উপন্যাস। প্ৰকাশক : (?)

প্ৰথম প্ৰকাশ, ১৯৭১ চন, পৃষ্ঠা ৭৩ ; ডিমাই আকাৰ ; দাম—২.০০ টকা।

## (খ) আলোচনা

**লেৰেন্দ্ৰ নাথ ব্ৰহ্ম : এখনি দেশৰ করুণ কাহিনী**

দেশৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত আলোচনা কৰি লিখা গ্ৰন্থ। প্ৰকাশক : শ্ৰীলেৰেন্দ্ৰ নাথ ব্ৰহ্ম, সাং শিয়ালমাৰী। জিলা গোৱালপাৰা ; প্ৰথম প্ৰকাশ ১৯৬৮ চন। পৃষ্ঠা ১৯, ক্ৰাউন আকাৰ ; দাম—'৪০ পইচা

**খগেন দাস : হিট্-ট্ৰিটমেণ্ট**

হিট বা তাপৰ নানাধৰণৰ ক্ৰিয়াৰে ধাতুৰ অৱস্থাৰ পৰিবৰ্তন কৰা পদ্ধতি-বিষয়ক গ্ৰন্থ।



প্ৰকাশক : শ্ৰীখগেন দাস, গোপীনাথ বৰদলৈ ৰোড, শিলপুখুৰী, গুৱাহাটী-৩। প্ৰথম প্ৰকাশ, ১৯৭০। পৃষ্ঠা ৩৮, ক্ৰাউন আকাৰৰ ; মূল্য—১৫'০ পইচা।

**এম, ইলিম উদ্দিন দেৱান 'পদ্মাপুৰাণ'ত হাছান-হোছেইনৰ কাহিনী**

'পদ্মাপুৰাণ'ত পোৱা 'হাছান-হোছেইন'ৰ কাহিনীটো কবিৰ অলীক কল্পনা বুলি জনোৱা প্ৰতিবাদ-বিষয়ক পুথি।

প্ৰকাশক : মহঃ নাজিম উদ্দিন দেৱান, দেৱান বুক ষ্টল, বৰপেটা, অসম। প্ৰথম তাঙৰণ, ১৯৭৩। পৃষ্ঠা ২৪, ক্ৰাউন আকাৰ। মূল্য—৭৫ পইচা।

**নাৰায়ণ দাস : বিশ্বলিপিৰ ভূমিকা**

লিপিৰ জন্ম আৰু বিকাশৰ বিভিন্ন স্তৰ, ইজিপ্তৰ লিপি, চীনদেশৰ লিপি, বাণমুখ লিপি, সিন্ধু লিপি, ভাৰতীয় লিপি, খৰোষ্ঠী লিপি, ব্ৰাহ্মীলিপি আৰু অসমীয়া লিপি এই নটি অধ্যায়ত লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে লিখা চিত্ৰ-সম্বলিত এখনি উপাদেয় গ্ৰন্থ।

প্ৰথম প্ৰকাশ : মে ১৯৭৩, প্ৰকাশক : নাৰায়ণ দাস, ডেকাপাৰা, গুৱাহাটী। পৃষ্ঠা ৭০, দাম চাৰিটকা। ডিমাই আকাৰ।

**গোকুল ডেকা : বিহু বিনন্দীয়া**

বিহু আৰু বিহুগীত সম্পৰ্কীয় দহটি আলোচনামূলক প্ৰবন্ধৰ সংকলন। প্ৰথম প্ৰকাশ : মাৰ্চ ১৯৭১। প্ৰকাশক, গোকুল ডেকা, তেজপুৰ, অসম। পৃষ্ঠা—৭১। দাম ১'৮০ টকা। ক্ৰাউন আকাৰতকৈ সৰু।

**মোহম্মদ আব্দুল কাহেৰ লস্কৰ : অসমৰ বুকুত কাছাৰ।**

কাছাৰৰ বিভিন্ন গোষ্ঠী, ভাষা আৰু সমস্যা সম্পৰ্কে সাতটি প্ৰবন্ধত আলোচনা কৰা গ্ৰন্থ। প্ৰথম প্ৰকাশ ১৯৭৩। প্ৰকাশক : মোহম্মদ আব্দুল কাহেৰ লস্কৰ। দাম এটকা, পৃষ্ঠা ২৮। ক্ৰাউন আকাৰৰ।

## (গ) ৰম্য ৰচনা

**এম, ইলিম উদ্দিন দেৱান : মজাৰ কিচ্ছা**

গাঁৱলীয়া সমাজৰ পটভূমিত ৰচনা কৰা ৰম্য ৰচনা। প্ৰথম প্ৰকাশ মে ১৯৭৩। প্ৰকাশক : দেৱান বুক ষ্টল বৰপেটা। দাম ১'৫০ টকা। পৃষ্ঠা ৪৪ ; ক্ৰাউন আকাৰৰ।

## (ঘ) নাটক

**এম, ইলিম উদ্দিন দেৱান : ধৃষ্টতা কাৰ ?**

সামাজিক একাঙ্কিকা নাট। প্ৰকাশক : মঃ নাজিম উদ্দিন দেৱান ; নঈম্ উদ্দিন কিতাব মহল চেনিমাৰী, কামৰূপ। ২য় তাঙৰণ, ১৯৬৩ ইং, পৃঃ ২৯, ক্ৰাউন আকাৰ ; দাম—'৫০ পইচা।

## (ঙ) উপন্যাস-গল্প

**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য : বল্লৰী**

প্ৰথিতযশা ঔপন্যাসিক ভট্টাচাৰ্যৰ বল্লৰী সামাজিক উপন্যাস।

প্ৰথক প্ৰকাশ জুন ১৯৭৩। প্ৰকাশক : লয়াৰ্চ বুক ষ্টল গুৱাহাটী। দাম ছয় টকা। পৃষ্ঠা ১৭৫। ডিমাই আকাৰৰ।

**যোগেশ দাস : অবৈধ**

কথা-সাহিত্যিক যোগেশ দাসৰ অবৈধ সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ, ১৯৭২। প্ৰকাশক : বাণী প্ৰকাশ, গুৱাহাটী। দাম ২'৫০ টকা। পৃষ্ঠা ১৬০। পকেট পুথিৰ আকাৰৰ।

**চন্দ্ৰধৰ ৰাজখোৱা : পঞ্চকন্যা**

সাধুকথাৰ পুথি। প্ৰকাশ ১৯৭১। সাহিত্য প্ৰকাশ, গুৱাহাটী। দাম ৩ টকা, পৃষ্ঠা ১৬২। ক্ৰাউন আকাৰ।

**ক্ষীৰেণ ৰায় : দুৰ্গম অভিযান**

বিশ্ববিখ্যাত লিখক জুলে ভাৰ্ণে, এইচ জি ওৱেলচ আৰু আৰ এল ষ্টিভেনছনৰ বিজ্ঞানৰ ভিত্তিত লিখিত প্ৰখ্যাত গ্ৰন্থৰ কাহিনী ভাগৰ সহজ সৰল অসমীয়া ৰূপান্তৰ।

প্ৰথম প্ৰকাশ ১৯৭৩। প্ৰকাশক : সাহিত্য প্ৰকাশ, গুৱাহাটী। দাম ২'০০। পৃষ্ঠা ৯৩। ক্ৰাউন আকাৰৰ।

**ধৰণীধৰ মেধি : সান্দীপনিৰ ফুলনি**

নটি শিশুৰ উপযোগী গল্পৰ সংকলন। প্ৰথম প্ৰকাশ, ১৯৭৩। প্ৰকাশক : গোপালচন্দ্ৰ নাথ, টংলা। দাম, ১'৫০। পৃষ্ঠা ৪০। ডিমাই আকাৰৰ।

**গোবিন্দ প্ৰসাদ শৰ্মা : কাঁচৰ দৰে, হীৰাৰ দৰে**

তিলজিৰ আহিত লিখা তিনিখন চুটি উপন্যাসৰ সংকলন। প্ৰথম প্ৰকাশ ১৯৬৮। প্ৰকাশক : দেবেন দত্ত, গুৱাহাটী। দাম ৪ টকা। পৃষ্ঠা ২৬২। ডিমাই আকাৰৰ।

**গোবিন্দ প্ৰসাদ শৰ্মা : দূষিত সুবাস**

স্বনিৰ্বাচিত দহটি গল্পৰ সংকলন। প্ৰথম প্ৰকাশ ১৯৭১। প্ৰকাশক দেবেন দত্ত। পৃষ্ঠা ২৪৪, মূল্য ৫'৫০ টকা। ডিমাই আকাৰৰ।

**কামেশ্বৰ ঠাকুৰীয়া : বাৰিষাৰ ধল**

সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ ১৯৬৩। প্ৰকাশক : পঞ্চৰত্ন ফাৰ্ম। হাউলী। দাম ৬'০০, পৃষ্ঠা ১৯৫ ; ডিমাই আকাৰৰ।

**গোলাপ বৰা : ভূগৰ্ভৰ কেন্দ্ৰলৈ জ্বালামুখী যাত্ৰা**

ফৰাচী লেখক জুলভাৰ্ণে ১৮৬৪ চনত লিখা A Journey to the Cntre of the Eearth নামৰ বিজ্ঞানোপন্যাসৰ অসমীয়া অনুবাদ।

প্ৰথম প্ৰকাশ, ১৮৯৫ শক। প্ৰকাশক : অম্বিকাপদ চৌধুৰী ; বাণী প্ৰকাশ, গুৱাহাটী—১। পৃঃ ১৯২, ডিমাই আকাৰ ; দাম—পাঁচ টকা।

**এম, ইলিম উদ্দিন দেৱান : অমৰ শ্বহীদ**

এটি চুটি গল্প। প্ৰকাশক : মহঃ নাজিম উদ্দিন দেৱান, দেৱান বুকষ্টল, বৰপেটা। প্ৰথম তাঙৰণ ১৯৭৩ ইং। পৃষ্ঠা ২০, ক্ৰাউন আকাৰ ; দাম—৭৫ পইচা।

**এম, ইলিম উদ্দিন দেৱান : আমেনাৰ মনোবল।**

এটি চুটি গল্প।

প্ৰকাশক : মহঃ নাজিম উদ্দিন দেৱান, দেৱান বুকষ্টল, বৰপেটা ; প্ৰথম তাঙৰণ ১৯৭৩। পৃষ্ঠা ২২, ক্ৰাউন আকাৰ, দাম ৭৫ পইচা।

**জিতেন ভাগৱতী : মইনা পাৰিজাত**

মঙ্গলদৈ জিলা মইনা শাখাৰ ইতিবৃত্ত। প্ৰকাশক জিতেন ভাগৱতী, মঙ্গলদৈ। দাম '৬০ পইচা। পৃষ্ঠা—১০, আলোচনীৰ আকাৰৰ।



[ এই শিতানত অসম সাহিত্য সভা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আদিৰ বিষয়ে সুচিন্তিতভাৱে লিখা পঢ়ুৱৈসমাজৰ চিঠি প্ৰকাশ কৰা হ'ব। চিঠি চুটি আৰু তাৰ বিষয়-বস্তু গঠনমূলক হ'ব লাগিব। আৱশ্যক বোধ কৰিলে সম্পাদনা সমিতিয়ে চিঠিৰ কোনো অংশ বাদো দিব পাৰে। অৱশ্যে চিঠিৰ সকলো কথাৰ লগত সম্পাদক একমত নহলেও চিঠি প্ৰকাশ কৰা হ'ব। পঢ়ুৱৈসমাজৰ পৰা চিঠি আহ্বান কৰা হ'ল। চিঠিৰ মতামতৰ বাবে সম্পাদক দায়ী নহয়। ]

## পত্ৰিকাৰ বিষয়ে

সম্পাদক ডাঙৰীয়া,

অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশিত "এবা বোটলা মংকিকিং" আৰু "অতি পৰিতাপৰ বিষয়" নামৰ প্ৰবন্ধ পঢ়ি আমি বৰ ভাল পাইছোঁ আৰু আমাৰ ধাৰণাৰে এনে প্ৰবন্ধই আলোচনীৰ জনপ্ৰিয়তা বঢ়োৱাৰ লগে লগে আমাক নিজৰ দোষ-ত্ৰুটিৰ বিষয়েও সজাগ কৰি দি জাতি আৰু ভাষা সাহিত্যৰ উন্নতিৰ বাটো মুকলি কৰি দিব। এনে প্ৰবন্ধ যিমানেই বাঢ়িব সৰ্বসাধাৰণ পাঠকৰ মাজত পত্ৰিকাৰ সমাদৰো সিমানেই বাঢ়িব।

ইয়াতেই পত্ৰিকাৰ বিষয়ে কেইটামান কথা উল্লেখ কৰিব খুজিছোঁ। বৰ্তমান সময়ত আমাৰ জীৱন অধিক সংঘাতপূৰ্ণ হৈ পৰিছে। মানুহৰ আৰ্থিক অনাটন, পাৰিবাৰিক অশান্তি, পাৰিপাৰ্শ্বিক অশান্তি আদি ভৱভূতি, শূদ্ৰক, শঙ্কৰদেৱ বা বেজবৰুৱা আদিৰ সময়তকৈ বৰ্তমান নিশ্চয় যথেষ্ট বৃদ্ধি পাইছে। সেই বাবেই বৰ্তমান সৰ্বসাধাৰণৰ বাবে প্ৰচাৰিত আলোচনী বিলাকত আমি পুৰণি দিনৰ সমস্যাতকৈ বৰ্তমান আমাৰ নিজৰ সমস্যা আদিৰ বিষয়েহে বেছিকৈ জানিবলৈ বিচাৰোঁ। অৱশ্যে ইয়াৰ দ্বাৰা এইটো ক'ব খোজা নাই যে তেনে প্ৰবন্ধ পত্ৰিকাৰ পৰা একেবাৰে বাদ দিব লাগে। তেনে প্ৰবন্ধৰ সংখ্যা কমাই এনে প্ৰবন্ধ, গল্প আদিৰহে সংখ্যা বঢ়াব লাগে যিবিলাকত আমাৰ বৰ্তমানৰ সমস্যা (জাতীয় সমস্যা, সাহিত্যৰ সমস্যা, জীৱনৰ সমস্যা আদি) আদিৰ কাৰণ আৰু সেইবোৰৰ সমাধানৰ ইঙ্গিত থাকে। শূদ্ৰক, ইবনবটুতা, শঙ্কৰদেৱ, বেজবৰুৱা আদিয়ে কি কৰিছিল বা কি কৰা নাছিল সেইবিলাক বিষয়ে ইতিমধ্যে কিতাপ-পত্ৰ, আলোচনী আদিত বহুবাৰ আলোচনা-বিলোচনা হৈ গৈছে। সেইবাবে বৰ্তমান সেইবোৰ বিষয়ৰ আলোচনা কমাই দি আজিকালি আমাৰ লিখক, সাহিত্যিক বা জনসাধাৰণে কি কৰিছে বা কি কৰা নাই বা কি কৰিব লাগে তেনে বিষয়ৰ আলোচনাহে বেছি হ'ব লাগে।

ইতি—

বিনীত—

ৰূপহী : নগাওঁ শ্ৰীকলিঙ্গ শৰ্মা।

# সম্পাদকীয়

## পৱিত্ৰ ভাদ মাহ

অসমৰ কিয় ভাৰতৰ হিন্দু মাত্ৰেই ভাদ মাহটো পৱিত্ৰ মাহ বুলি জ্ঞান কৰে। কিয়নো হিন্দু শাস্ত্ৰমতে এই মাহতেই ভগবান শ্ৰীকৃষ্ণই জন্ম লৈ জগতৰ দুৰ্নীতিৰ প্ৰতিমূৰ্তি দৈত্য-দানৱক ধ্বংস কৰি বিশ্বশান্তি প্ৰতিষ্ঠা কৰিছিল। অসমতো এই পৱিত্ৰ মাহতেই মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱ আৰু মাধৱদেৱে নৰতনু এৰি বৈকুণ্ঠলৈ প্ৰয়াণ কৰে। বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত আৰু ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণন, প্ৰখ্যাত ৰাজনীতিবিদ স্বৰ্গীয় গোবিন্দবল্লভ পন্থ আৰু অসমৰ কেইবাগৰাকী বৰেণ্য পুৰুষৰ জন্ম এই ভাদ মাহতেই হয়। সেই কাৰণে এই মাহটো বিশেষ তাৎপৰ্যপূৰ্ণ।

দেশৰ চাৰিওফালে আজি দুৰ্নীতিৰ পোহাৰ বহিছে। চোৰাং কাৰবাৰ, ভেজাল, ভেটী আদিয়ে মানুহক আৰ্থিকভাৱে জুকলা কৰাৰ উপৰিও মানুহৰ মানৱীয়তাত আঘাত হানিছে। স্বাৰ্থপৰতা, বিভেদ, পৰচৰ্চা, পৰনিন্দা আদিয়ে আজি উদাৰ সুন্দৰৰ পূজাৰী মানৱাত্মাক ঠেক, নীচ আৰু এন্ধাৰ বাটলৈ আগুৱাই লৈ যাব ধৰিছে। ভগবান শ্ৰীকৃষ্ণ যদি মানৱ অন্তৰাত্মাৰপৰা অন্তৰ্হিত হৈছে, তেন্তে আজি আকৌ তেওঁ নতুনকৈ অৱতাৰ হৈ সমাজৰ দুৰ্নীতি আৰু নীচ প্ৰবৃত্তি-ৰূপী কংসইতক বধ কৰক—এয়ে আমাৰ প্ৰাৰ্থনা।

* * * * *

দেশৰ অন্যান্য ক্ষেত্ৰত হোৱা দুৰৱস্থাৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ দুৰৱস্থাৰ কথাও মনত পৰে। অসমীয়া ভাষা-সাহিত্যৰ কোনো কোনো দিশত—বিশেষকৈ আখৰ জোঁটনি আৰু ব্যাকৰণৰ ক্ষেত্ৰত আজি অৰাজকতা বিৰাজ কৰিছে। অতি পৰিতাপৰ বিষয় যে আন ক্ষেত্ৰৰ দৰে সাহিত্যৰ ক্ষেত্ৰতো আজি কোনেও কাকো নমনা দিন আহিল। লেখকৰ ইচ্ছামতেই আখৰ-জোঁটনি চলে—ব্যাকৰণৰ নতুন সূত্ৰ বাহিৰ কৰা হয়; কিন্তু সৰ্বসন্মত সিদ্ধান্তলৈ কোনো আহিব নাই। ইয়াৰ ফলত অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত এক বিভ্ৰাটে দেখা দিছে—যাৰ সুদূৰ প্ৰসাৰী ফল অতি ভয়াবহ। সেই কাৰণে সময় থাকোঁতেই অসমীয়া লেখক আৰু চিন্তাশীল লোকসকল আগ বাঢ়ি আহি সন্মিলিতভাৱে ব্যাকৰণ আৰু আখৰ জোঁটনিৰ বিভিন্ন নিয়মবোৰ পুংখানুপুংখৰূপে আলোচনা কৰি এনে এটা সিদ্ধান্তত উপনীত হওক—যিটো পিছত সকলোৱে নিৰ্বিবাদে গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ বাবে আলোচনা চক্ৰ বা শিবিৰৰ আয়োজন কৰিব লাগিব অসম সাহিত্য সভা আৰু বিশ্ববিদ্যালয়ৰ দৰে শিক্ষা-সাহিত্যৰ গুৰি ধৰোঁতা প্ৰধান অনুষ্ঠানসমূহে। আমি জানিব পাৰি সুখী হৈছো যে অসমীয়া ব্যাকৰণ সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে অহা ১০ আৰু ১১ চেপ্টেম্বৰত দুদিনীয়াকৈ এখন আলোচনা-চক্ৰৰ আয়োজন কৰিছে। আমি আশা কৰোঁ, এই আলোচনা-চক্ৰই অন্ততঃ অসমীয়া ব্যাকৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত নেতৃত্ব দিব পাৰিব। আৱশ্যক মতে এনে আলোচনা-চক্ৰৰ



পুনৰ আয়োজন কৰি হলেও ব্যাকৰণ সম্বন্ধে এটি সৰ্বসন্মত সিদ্ধান্তলৈ আহক; নহলে আলোচনা কেৱল চক্ৰতেই সীমিত হৈ থাকিলে বিশেষ ফলপ্ৰসূ নহ'ব। এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ লগতে আলোচনাত অংশ গ্ৰহণকাৰী সকলৰো দৃষ্টি আকৰ্ষণ কৰা হ'ল।

× × × ×

বৰ্তমান ভেজালৰ যুগত আকাশবাণীৰ অনুষ্ঠানতো যে ভেজালৰ অনুপ্ৰবেশ ঘটিছে তাৰ এটি উৎকৃষ্ট উদাহৰণ যোৱা ২৯ আগষ্ট, তাৰিখে গুৱাহাটীৰ আকাশবাণীয়ে প্ৰচাৰ কৰা শ্ৰীশঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটখনিৰ পৰিৱেশন পদ্ধতি। সেই নাটখনিত আধুনিক বিষয়া নাম আদি সুমাই মূলৰ সৌন্দৰ্য কিয় বিনষ্ট কৰা হ'ল বুজি নাপালো। আকাশবাণীয়ে পুৰণি ভাষাত নতুনকৈ ৰচিত গীত বা পুৰণি গীতকে ইফালসিফাল কৰি লোক-গীত বুলি চলাই দিয়া কাৰ্যৰ দৰে এই কাৰ্যও ৰুচি বিগৰ্হিত আৰু কুআদৰ্শপূৰ্ণ। এনেবোৰ কাৰ্যই আমাৰ সাহিত্য-সংস্কৃতিত এটা বিভ্ৰান্তকৰ পৰিৱেশ সৃষ্টি কৰাটো আমি বাঞ্ছা নকৰোঁ।

## অসমীয়া শিকোৱাৰ ব্যৱস্থা

চৰকাৰী প্ৰেছ বিজ্ঞপ্তি এখনত প্ৰকাশ যে অসম চৰকাৰে ৰাজ্যখনৰ অনা-অসমীয়া মাধ্যমৰ মাধ্যমিক স্কুলবোৰত অসমীয়া ভাষা শিকাবলৈ ব্যৱস্থা লৈছে। এই মৰ্মে প্ৰয়োজনীয় সংখ্যক শিক্ষকৰ পদ সৃষ্টি কৰি যোৰহাট স্নাতকোত্তৰ প্ৰশিক্ষণ কলেজত ছাত্ৰাবাসত থকাৰ সুবিধা দি শিক্ষক প্ৰশিক্ষণৰ দিহা কৰা হৈছে। তাত এই বছৰৰ পোন্ধৰ অক্টোবৰৰপৰা প্ৰশিক্ষণৰ প্ৰথম ছোৱাৰ কাল আৰম্ভ হ'ব। দ্বিতীয় আৰু তৃতীয় ছোৱাৰ কাল ক্ৰমে ১৯৭৪ চনৰ ২ জানুৱাৰী আৰু ১ জুলাইৰপৰা আৰম্ভ হ'ব। একোটা দলত ৫০জন মানকৈ প্ৰশিক্ষাৰ্থী থাকিব।

উক্ত বাতৰিটো আনন্দদায়ক নিশ্চয়; কিন্তু আমি প্ৰকৃত আনন্দ পাম যিদিনা সিদিনা বাতৰিটো খৰতকীয়াকৈ বাস্তৱ ৰূপত পৰিণত হয়। চৰকাৰৰ এই আঁচনিত যাতে কোনো ফালৰপৰা বাধা আহি নপৰে তাকেই কামনা কৰিলোঁ।

বহু বছৰ পূৰ্বে চৰকাৰে যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনত এনেদৰে অনা-অসমীয়াক অসমীয়া শিকোৱাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰি শিক্ষকতাৰ ভাৰ দিছিল নাট্যকাৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শ্ৰীযোগেশ্বৰ হাজৰিকা আৰু হৰিপ্ৰসাদ নেওগক। বছৰ দিয়েকৰ পিছতে সেই আঁচনি প্ৰত্যাহাৰ কৰা হ'ল। এইবাৰো যাতে অতীতৰ পুনৰাভিনয় নহয় তাকেই আমি কামনা কৰোঁ।

## আপুনি জানেনে ?

# ক্ষুদ্ৰ সঞ্চয় আঁচনিত সঞ্চয় কৰিলে

## আয়কৰৰ পৰা ৰেহাই পোৱা যায়

ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ যোগেৰে সঞ্চয় কৰক
লগতে
মাতৃভূমিৰ উন্নতি সাধক।

বিশদ বিৱৰণৰ বাবে আপোনাৰ এলেকাৰ—
জাতীয় সঞ্চয়ৰ জিলা সঞ্চয় বিষয়া বা ডাকঘৰত
খবৰ কৰক।

( গুৱাহাটীত থকা অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত )



## আমাৰ প্ৰকাশিত কেইখনমান বাছকবনীয়া কিতাপ

১। পাৰিজাত হৰণ নাট—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত
২। চোৰধৰা আৰু পিম্পৰা গুচোৱা ঝুমুৰা—অধ্যাপক হেমন্তকুমাৰ শৰ্মা সম্পাদিত
৩। ৰুক্মিণী হৰণ নাট—অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা সম্পাদিত
৪। মোৰ জীৱন-সোঁৱৰণ—লক্ষ্মীনাথ বেজবৰুৱা
৫। কুৰুক্ষেত্ৰ—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
৬। অসমীয়া নাট্য সাহিত্য—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা
৭। পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা
৮। অসমীয়া সাহিত্যৰ ৰূপলেখা—ডঃ মহেশ্বৰ নেওগ
৯। আধুনিক অসমীয়া সাহিত্য—ডঃ মহেশ্বৰ নেওগ
১০। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি—ডঃ মহেশ্বৰ নেওগ
১১। ভাষা বিজ্ঞান—ডঃ উপেন্দ্ৰনাথ গোস্বামী
১২। ভাষা আৰু সাহিত্য—ডঃ উপেন্দ্ৰনাথ গোস্বামী
১৩। দশম স্কন্ধ ভাগৱত—অধ্যাপক নবীন চন্দ্ৰ শৰ্মাদেৱৰ পাতনিৰে সৈতে—
১৪। অসমীয়া বৰ্ণ প্ৰকাশ—ডঃ গোলকচন্দ্ৰ গোস্বামী
১৫। অসমীয়া আখৰ জোঁটনি—ডঃ গোলকচন্দ্ৰ গোস্বামী
১৬। অসমীয়া সাহিত্যত দৃষ্টিপাত—অধ্যাপক হেমন্তকুমাৰ শৰ্মা
১৭। অসমীয়া সাহিত্যৰ ৰেঙণি—অধ্যাপক হেমন্তকুমাৰ শৰ্মা
১৮। অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী—অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী
১৯। অসমীয়া সাহিত্যৰ আলোক-ৰেখা—অধ্যাপক নবীন চন্দ্ৰ শৰ্মা
২০। বেজবৰুৱাৰ অসমীয়া ভাষা সাহিত্য—অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা সম্পাদিত
২১। ডক্টৰ কাকতিৰ সাহিত্য—ডঃ বিনোদ শৰ্মা
২২। সংস্কৃত নাট্য সাহিত্য—শ্ৰীকামাখ্যাচৰণ ভাগৱতী, এম, এ,
২৩। সাহিত্য-সমীক্ষা—ডঃ মহেশ্বৰ নেওগ আৰু অধ্যাপক হেমন্তকুমাৰ শৰ্মা সম্পাদিত
২৪। বিশ্বলিপিৰ ভূমিকা—অধ্যাপক নাৰয়ণ দাস
২৫। হাজৰিকাৰ সাহিত্য প্ৰতিভা—সবিতা সভাৰ দ্বাৰা সম্পাদিত
২৬। অসমীয়া সাহিত্যৰ বুৰঞ্জী ( মনসা শাখা ) ভৰত চন্দ্ৰ দাস বি-এ,
২৭। মণিকূট ( বাছকবনীয়া কবিতাৰ পুথি )—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ৪.০০
২৮। ঋগ্বেদ ( অসমীয়া অনুবাদ )—শ্ৰীবিনন্দ চন্দ্ৰ বৰ্মণ ৩.০০
২৯। ধৰ্ম আৰু কৰ্মৰ তাৎপৰ্য ( ধৰ্মতত্ত্বৰ বিষয়ে আলোচনা )—৺হৰিনাথ পাঠক চৌধুৰী ৬.০০
৩০। উৎকণ্ঠ মহানগৰী ( উপন্যাস )— শ্ৰীৰাজেন্দ্ৰ নাথ হাজৰিকা ৫.০০
৩১। নাচপতি ফুল ( গল্প সংকলন )—শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া ৪.০০
৩২। আনন্দে নধৰে হিয়া (গল্প সংকলন)—শ্ৰীলক্ষ্মীনাথ ফুকন ৬.০০
৩৩। মণিমালা ( শিশু উপযোগী গল্প )—শ্ৰীঅনন্ত দেৱ শৰ্মা ২.০০
৩৪। সচিত্ৰ উছৱৰ ভোগজৰা (শিশু সাহিত্যৰ বিভিন্ন ধৰণৰ উছৱৰ বিষয়ে
বিশদ আলোচনাৰ পুথি )— শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ৪.০০
৩৫। জীৱনীচয়ন (অসম মাতৃৰ ১৬ জনা সুসন্তানৰ জীৱন চৰিত্ৰ)—শ্ৰীদুৰ্গেশ্বৰ শৰ্মা ৩.৫০
৩৬। মানসী ( এম, এ, মহলাৰ পাঠ্য )—বাগ্মীবৰ নীলমণি ফুকন ২.৫০

**নিউ বুক ষ্টল**
গুৱাহাটী—১

## Some Opinions of World-renowned Scholars

about

KANAKLAL BARUA'S

# STUDIES IN THE EARLY HISTORY OF ASSAM

*Edited by Dr Maheswar Neog*

Dr Suniti Kumar Chatterji, National Professor of India in Humanities : writing to the Editor of the Volume :

> Kanaklal Barua was one of the makers of Assam...who formed a galaxy of eminent personalities, who shed lustre on the whole of India during the 19th-20th centuries. Your Introduction is brilliant and most informative, worthy both of Kanaklal Barua and yourself. This is a precious volume to keep.

Dr Ramesh Chandra Majumder, the eminent historian and Professor :

> This collection...would prove very useful to scholars in the history of Assam. I think you have chosen the best way of perpetuating the memory and offering tributes to his scholarship.

Dr D. C. Sircar, Carmichael professor of Ancient Indian History and Culture, Calcutta University :

> The book, the get-up of which is nice, will be useful to the students of early Assamese history.

Dr Sukumar Sen, Retired Khaira Professor Linguistics, etc, Calcutta University :

> I congratulate Asam Sahitya Sabha for bringing out the excellent book.

Professor K. D. Bajpai, Professor of Ancient Indian History, Culture and Archaeology, University of Sagar :

> You have indeed done a commendable job by bringing out this handy publication.

Dr K. K. Dutta, historian and formerly Vice-Chancellor, Patna University :

> I must respectfully congratulate those who have brought out this volume. I have read it with great profit and pleasure.

Reviews are shortly to be published in different Oriental and Historical Research Journals of India.

Pages Royal 8vo 14 + XX + 342 Price Rs. 20·00

*To be had of :*

ASAM SAHITYA SABHA

Bhagavatiprasad Barua Bhavan
Gauhati-1

Chandrakanta Handique Bhavan
Jorhat-1




# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

ষষ্ঠ সংখ্যা ॥ আহিন

## শাৰদীয় সংখ্যা



সম্পাদক : হেমন্তকুমাৰ শৰ্মা

# ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফটফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিহ বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প, মৌলিক আলোচনা আদিয়ে ঠাই পাব। **প্ৰবন্ধাদি চুটি হোৱাটো বাঞ্ছনীয়।**

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকা-পইচা "প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১ বা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১" এই ঠিকনাত পঠাব।

৭। বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব।


## অসম সাহিত্য সভা পত্ৰিকাৰ কাৰণে

অসমৰ বিভিন্ন ঠাইত বিজ্ঞাপন-সংগ্ৰহ আৰু পত্ৰিকা-বিক্ৰীৰ বাবে এজেণ্টৰ প্ৰয়োজন। এজেণ্টসকলক উচ্চ হাৰত কমিচন দিয়া হয়। তলৰ ঠিকনাত যোগাযোগ কৰক।

সহকাৰী সম্পাদক,
অসম সাহিত্য সভা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১